
# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jogendra Narayan Bhuyan. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahaitaya Sabhaa Patraikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat. |
| Year: 1978 | Edition: |
| Size: 23½ cms.- 4+94+4+84+14+4+96+4+99 pages | Genre: |
| Volumes: 35 - 4 issues | Condition of the original: good |
| Remarks: Qtly - 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য সভা পত্ৰিকা ॥ পঞ্চত্ৰিংশ বছৰ ॥ দ্বিতীয় সংখ্যা ॥ ১৯৭৮



॥ নীলমণি ফুকন, নলিনীবালা দেৱী, গিৰিধৰ শৰ্মা সোঁৱৰণী সংখ্যা ॥

সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | |
|---|---|---|
| ১ | ৰজনীকান্ত বৰদলৈ—ৰচনামালা | ১২'০০ |
| ২ | বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০'০০ |
| ৩ | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০'০০ |
| ৪ | অৰুণোদইৰ ধলফাট | ৮'০০ |
| ৫ | বেজবৰুৱা—প্ৰতিভা | ৮'০০ |
| ৬ | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭'০০ |
| ৭ | বেজবৰুৱাৰ চিত্ৰলেখা | ৬'০০ |
| ৮ | বেজবৰুৱাৰ দিনলেখা | ৪'০০ |
| ৯ | আউট লুক অন নেফা | ৪'০০ |
| ১০ | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪'০০ |
| ১১ | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪'০০ |
| ১২ | ৰিলিজিয়ন অব লভ এণ্ড ডিভ'শ্বন | ৩'০০ |
| ১৩ | মুদ্ৰাৰাক্ষস | ৩'০০ |
| ১৪ | কৰ্পূৰ মঞ্জৰী | ৩'০০ |
| ১৫ | আছামিজ ফৰ অল | ২'০০ |
| ১৬ | আপ্ কি অসমীয়া | ২'০০ |
| ১৭ | আনটাবুগাৰী অসমীয়াক' শ্বিয়ানি | ২'০০ |
| ১৮ | আচামীয়া লা-বাবো-লেন আচামীয়া তিকাই-হি | ২'০০ |
| ১৯ | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২'০০ |
| ২০ | নীলাচল পাঠ | ২'০০ |
| ২১ | আমাৰ লক্ষ্মীনাথ | ১'৫০ |
| ২২ | অসমীয়া ভাষা | ১'০০ |
| ২৩ | অসম সাহিত্য সভাৰ পৰিচিতি | ১'০০ |
| ১৪ | প্ৰমথনাথ চক্ৰৱৰ্ত্তী | ১'০০ |
| ২৫ | বিশ্বনাথ ৰাজবংশী | ১'০০ |
| ২৬ | লক্ষ্মীনাথ বেজবৰুৱা [ হিন্দী ] | '৫০ |
| ২৭ | লক্ষ্মীনাথ বেজবৰুৱা [ ইংৰাজী ] | '৫০ |
| ১৮ | লক্ষ্মীনাথ বেজবৰুৱা [ " ] | '৫০ |
| ২৯ | অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা | ৩'০০ |
| ৩০ | ,, ,, ,, ,, —নলবাৰী | ৩'০০ |
| ৩১ | ,, ,, ,, ,, —উঃ লক্ষীমপুৰ | ৩'০০ |
| ৩২ | ,, ,, ,, ,, —ডিব্ৰুগড় | ৩'০০ |
| ৩৩ | অসম সাহিত্য সভা বাৰ্ষিকী—নাজিৰা | ৩'০০ |
| ৩৪ | " " " " —তেজপুৰ | ৩'০০ |
| ৩৫ | " " " " —বৰপেটা | ৩'০০ |
| ৩৬ | " " " " —ধিং | ৩'০০ |
| ৩৭ | " " " " —মাকুম | ৩'০০ |
| ৩৮ | " " " " —ধুবুৰী | ৩'০০ |
| ৩৯ | " " " " —ৰঙিয়া | ৩'০০ |
| ৪০ | মণ্ডলদৈ মণ্ডলদৈ | ১৫'০০ |
| ৪১ | তিত্তাবৰ সৌৰৱণ | ৬'০০ |
| ৪২ | টিঙ্—লখিমী | ১০'০০ |
| ৪৩ | বেজবৰুৱাৰ বাণী | '৫০ |
| ৪৪ | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২৫'০০ |
| ৪৫ | ষ্টাডিজ ইন দি আৰ্লি হিষ্টৰী অৱ আছাম | ৩০'০০ |
| ৪৬ | কনকলাল বৰুৱাৰ ৰচনাৱলী | ১০'০০ |
| ৪৭ | ভাষণাৱলী—৪ৰ্থ খণ্ড | ২০'০০ |
| ৪৮ | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০'০০ |
| ৪৯ | চন্দ্ৰধৰ বৰুৱাৰ গ্ৰন্থাৱলী | ৪০'০০ |
| ৫০ | গোৱালপৰীয়া লোকগীত | ১৫'০০ |
| ৫১ | গোহাঞিবৰুৱা—প্ৰতিভা | ১০'০০ |
| ৫২ | অসমীয়া জাতিৰ ইতিবৃত্ত | ১০'০০ |
| ৫৩ | লঙ্কাকাণ্ড ৰামায়ণ | ১০'০০ |
| ৫৪ | ৰাভা জনজাতি | ৭'০০ |
| ৫৫ | অসমীয়া গ্ৰন্থপঞ্জী | ৬'০০ |
| ৫৬ | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬'০০ |
| ৫৭ | ছেমুৱেল জনছনৰ জীৱনী | ৫'০০ |
| ৫৮ | একাদশী | ৫'০০ |
| ৫৯ | চুটি গল্প | ৫'০০ |
| ৬০ | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫'০০ |
| ৬১ | দেউৰী-চুটিয়া | ৪'৪০ |
| ৬২ | কাৰ্বি জনগোষ্ঠী | ৪'৪০ |
| ৬৩ | ডিমাছা | ৪'০০ |
| ৬৪ | লিপি সমস্যা | ৩'০০ |
| ৬৫ | টাই ভাষা | ৩'০০ |

# অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ : দ্বিতীয় সংখ্যা

( নীলমণি ফুকন, নলিনীবালা দেৱী, গিৰিধৰ শৰ্মা

সোঁৱৰণী সংখ্যা )

সম্পাদক

যোগেন্দ্ৰনাৰায়ণ ভূঞা

অসম সাহিত্য সভা পত্ৰিকা
পঞ্চত্ৰিংশ বছৰ
দ্বিতীয় সংখ্যা
জুন—জুলাই—আগষ্ট, ১৯৭৮

সম্পাদক
যোগেন্দ্ৰনাৰায়ণ ভূঞা
ৰত্নপুৰ
নগাঁও

প্ৰকাশক
শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—১

মূল্য
তিনি টকা

ছপাশাল
সুছন্দা প্ৰেছ
আমোলাপট্টি
নগাঁও

## অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ : দ্বিতীয় সংখ্যা

( নীলমণি ফুকন, নলিনীবালা দেৱী, গিৰিধৰ শৰ্মা সোঁৱৰণী সংখ্যা )

| | | |
|---|---|---|
| সম্পাদকীয় | ॥ ক ॥ | |
| তিনিটুপি চকুলো | ॥ ১ ॥ | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা |
| বাগ্মীবৰ নীলমণি ফুকনৰ ব্যক্তিত্ব | ॥ ৬ ॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| বাগ্মীবৰ নীলমণি ফুকন আৰু জৰ্জ ইনষ্টিটিউশ্যন | ॥ ১২ ॥ | শ্ৰীকৃষ্ণকান্ত পাটৈ |
| | | শ্ৰীবলোৰাম হাজৰা |
| | | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| নীলমণি দদাইদেউ | ॥ ২১ ॥ | ডাঃ দুৰ্গাপ্ৰসাদ ফুকন |
| বৌটিৰ কথা : মাতৃৰূপত নলিনীবালা দেৱী | ॥ ২৪ ॥ | শ্ৰীউপেন্দ্ৰকুমাৰ চাংকাকতী |
| অসমীয়া সাহিত্য আৰু নলিনীবালা দেৱী | ॥ ৩২ ॥ | শ্ৰীযোগেশ দাস |
| নলিনীবালা দেৱীৰ কবিতা | ॥ ৩৮ ॥ | শ্ৰীৰাম গোস্বামী |
| নলিনীবালা দেৱীৰ সোঁৱৰণত | ॥ ৪৩ ॥ | শ্ৰীমতী ব্ৰজবালা দেৱী |
| নলিনীবালা দেৱীৰ জীৱনালেখ্য | ॥ ৪৬ ॥ | ড° হেমন্তকুমাৰ শৰ্মা |
| গিৰিধৰ শৰ্মা আৰু আৰ্যবিদ্যাপীঠ | ॥ ৫১ ॥ | শ্ৰীঅতুলচন্দ্ৰ বৰুৱা |
| উত্তৰ-পূব ভাৰতৰ মুদ্ৰা-অধ্যয়নৰ পৰিচয় | ॥ ৫৩ ॥ | ড° ৰবীন দেৱ চৌধুৰী |
| পুৰালেখ অধ্যয়নৰ সমস্যা | ॥ ৫৭ ॥ | শ্ৰীনাৰায়ণ দাস |
| আধুনিক অসমীয়া সাহিত্যৰ পৰিবৰ্তিত পটভূমিত নাৰী চৰিত্ৰৰ বিকাশ | ॥ ৬৩ ॥ | শ্ৰীপ্ৰহ্লাদকুমাৰ বৰুৱা |
| গিৰিধৰ শৰ্মা | ॥ ৬৭ ॥ | শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য |
| যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য | ॥ ৭২ ॥ | শ্ৰীবাপচন্দ্ৰ মহন্ত |
| টোকা | ॥ ৭৬ ॥ | ড° মহেশ্বৰ নেওগ |
| | | শ্ৰীমোহনচন্দ্ৰ মহন্ত |
| | | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| গ্ৰন্থ-পৰিচয় | ॥ ৮০ ॥ | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| | | শ্ৰীনন্দন শইকীয়া |
| অসম সাহিত্য সভাৰ ভিতৰ-চ'ৰা | ॥ ০১ ॥ | |
| নগালেণ্ডলৈ অসম সাহিত্য সভাৰ প্ৰতিনিধি দল | ॥ ক ॥ | |

### অসম সাহিত্য সভা পত্ৰিকাৰ

## নিয়মাৱলী

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি-বিষয়ক মৌলিক চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে থাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। অসম সাহিত্য সভা পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'যোগেন্দ্ৰনাৰায়ণ ভূঞা, বঙ্গপুৰ, ডাকঘৰ : নগাঁও'—এই ঠিকনালৈ পঠাব লাগিব। সমালোচনাৰ বাবে পঠোৱা গ্ৰন্থৰ প্ৰতিখনৰে দুকপিকৈ পালেহে সমালোচনা প্ৰকাশ কৰাটো সম্ভৱ হয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ১'— এই ঠিকনালৈ পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰপৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখা সভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মনি-অৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

### পত্ৰিকা সম্পাদনা সমিতি

১। শ্ৰীপ্ৰসন্নলাল চৌধুৰী।
২। শ্ৰীলীলা গগৈ।
৩। শ্ৰীমহিম বৰা।
৪। শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী।
৫। ড° সৰ্বেশ্বৰ ৰাজগুৰু।
৬। ড° নবেন কলিতা।
৭। যোগেন্দ্ৰনাৰায়ণ ভূঞা।

## সম্পাদকীয়

### জীয়াই থকাৰ প্ৰয়োজনত

আমি জীয়াই থাকিম নে ? —এই প্ৰশ্নটোৱে আজি কিছু দিনৰপৰা অসমীয়া ভাষী জনসমষ্টিটোৰ বহুতো লোকৰ মনত ক্ৰিয়া কৰি আছিছে। আন্তৰ্জাতিক তথা আন্তৰ্জাগতিক চিন্তা-চৰ্চাই যিসময়ত আমাৰ চৈধ্য প্ৰসঙ্গ অধিকাৰ কৰিবৰ উপক্ৰম হৈছে, সেই সময়ত অসমীয়া ভাষী কথাটোৰ অৱতাৰণা সঙ্কীৰ্ণতা তথা প্ৰাদেশিকতা দোষ-দুষ্ট বুলি অনেকৰ মনত নিশ্চয় বিবেচিত হ'ব। অসমীয়া মানুহৰ আন্তৰ্জাতিক চিন্তাৰ কছৰৎ নিশ্চয় প্ৰশংসনীয়। যিসকলে নিজৰ মানসিকতাক তেনে স্তৰলৈ উন্নীত কৰিব পাৰিছে, সেইসকল আমাৰ বৰেণ্য আৰু নমস্য। কিন্তু মানুহ জাতিৰ সকলোৱেই মহাপুৰুষ হ'ব নোৱাৰাটো নিশ্চয় দোষাবহ নহয়।

ভাৰতবৰ্ষৰ পূৱ প্ৰান্তত বসবাস কৰা অসমীয়াসকল ভাৰতীয় জীৱন-প্ৰবাহৰপৰা বিচ্ছিন্ন নহয়। ভাৰতীয় জনসাধাৰণৰ লগত অসমীয়া জনসাধাৰণে আধিমানসিক আৰু আধ্যাত্মিক উভয় দিশতে একত্ব আৰু অভিন্নত্ব অনুভৱ কৰি আহিছে। ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত ভাৰতবৰ্ষৰ মহাজাতীয় চেতনা-প্ৰবাহৰপৰা আগলৈকো কোনো কালতে অসম আৰু অসমীয়া মানুহখিনি বিচ্ছিন্ন হৈ নপৰিব বুলি বিনাদ্বিধাৰে ক'ব পাৰি। কিন্তু স্বাধীনতা লাভৰ তিনিটা দশকৰ পাছতো কেন্দ্ৰীয় চৰকাৰে অসমত শাসনৰ নামত শোষণ চলাই থকাটো দিনৰ পোহৰৰ দৰে এটা সঁচা কথা হৈ পৰিছে। আনহাতে, অসমৰ ৰাজনৈতিক নেতাসকলে সকলো কথাকে সৰ্বভাৰতীয় দৃষ্টিভঙ্গী আৰু সৰ্বভাৰতীয় পটভূমিত বিচাৰ কৰিবলৈ যোৱা উদাৰতাৰ বিশালতা দেখি কেন্দ্ৰীয় চৰকাৰেও নিশ্চয় হাঁহি সম্বৰণ কৰিব নোৱাৰে। জোৰ পুৰি হাত পালেহিও যাৰ চেতনা নাজাগে, তেনে লোকৰ অনুভূতি-জ্ঞানৰ ওপৰত সকলোৱেই সন্দেহ কৰিব। স্বৰাজোত্তৰ কালত অৰ্থনৈতিক তথা ঔদ্যোগিক দিশত অসমে যিমানখিনি উন্নতি (?) লাভ কৰিলে,

সেই ছবিখন দেখি অসমৰ সাত-শত্ৰুজনো হতাশ নহৈ নাথাকে। এই দিশত আমি মাত্ৰ নামাতি বিষয়টো আমাৰ সৰ্বভাৰতীয় (?) ৰাজনৈতিক নেতাসকলৈকে সম্পূৰ্ণৰূপে এৰি দি ক্ষান্ত থাকিব পাৰিলোঁহেঁতেন। কিন্তু ঔদ্যোগিক তথা অৰ্থনৈতিক দিশটোৰ লগত যিহেতুকে আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতি-অৱনতিৰ কথা ওতপ্ৰোতভাৱে জড়িত, সেইবাবেই আমি এই দিশটোৰ প্ৰতি চকু মুদি নাইবা উদাসীন হৈ বহি থাকিব নোৱাৰোঁ।

অনা-অসমীয়াৰ স্বৰ্গৰাজ্য অসমত সাম্প্ৰতিক কালত ঘটি থকা বহিৰাগতৰ অবাধ অনুপ্ৰবেশে অসমৰ ভাষা,-সংস্কৃতি আৰু অৰ্থনীতি আকৌ বিপদাপন্ন কৰি তুলিছে। ভাৰতবৰ্ষৰ আন্তঃৰাজ্যিক প্ৰব্ৰজনৰ উপৰি ভাৰতৰ প্ৰতিবেশী অন্য ৰাষ্ট্ৰৰো অসংখ্য নাগৰিকে অসমত অনুপ্ৰবেশ কৰি ৰাজ্যখনৰ চুকে-কোণে থিতাপি লৈছেহি। কিমান অনা-অসমীয়াৰ প্ৰব্ৰজন ঘটিছে, সেই পৰিসংখ্যা ফট্‌ফটীয়া হৈ উঠিব আগন্তুক লোক-পিয়লতহে। অৰ্থনৈতিক দিশত এই প্ৰব্ৰজনেযে কেৱল খিলঞ্জীয়া অসমীয়া কেইঘৰকেহে বিপদাপন্ন কৰিব, এনে নহয়; অসমত গজি উঠা ৰঘুমলা-বিলাকেও এই বিপদৰপৰা নিষ্কৃতি নাপাব। কিন্তু ভাষিক তথা সাংস্কৃতিক দিশত এই প্ৰব্ৰজনে অসমীয়াসকলক সংখ্যালঘুত পৰিণত কৰাৰ বিভীষিকাই আতঙ্কিত কৰি তুলিছে।

দলীয় ৰাজনীতিৰ আৱৰ্ত্তত অসমৰ আজি যি দুৰ্দশা উপস্থিত হৈছে, তাত আমাৰ ৰাজনৈতিক নেতাসকলে মুখ নৰখোৱাৰ লেখীয়া লজ্জাজনক পৰিস্থিতি ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে এতিয়ালৈকে নিশ্চয় সৃষ্টি হোৱা নাই। এমুঠি ভোটৰ বাবে, ব্যক্তিগত বা দলীয় ৰাজনৈতিক স্বাৰ্থৰ খাতিৰত নিজৰ জাতীয় জীৱনলৈ এনে বিপৰ্যয় নমাই অনা এই ৰাজনৈতিক নেতাসকলে বিবেকৰ দংশন অনুভৱ নকৰাটো সঁচাকৈয়ে আশ্চৰ্যজনক।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰপৰা অহা জনস্ৰোতক বাধা দিয়াৰ সাংবিধানিক অধিকাৰ আমাৰ নাই। জীৱন আৰু জীৱিকাৰ দায়ত আহি অসমকে মোৰ বুলি ভাবি অসমীয়া ভাষা গ্ৰহণ কৰি ইয়াতে বসবাস কৰা বা কৰিব খোজা সকলক আমি সদায়েই আঁকোৱালি লৈছোঁ। যুগৰ পাছত যুগ ধৰি অসমীয়া জনসাধাৰণক আৰ্থিক দিশত শোষণ কৰি অসমীয়াক নিজৰ ঘৰতে ভিক্ষাৰীত পৰিণত কৰোঁতা-



সকলৰ প্ৰতিও আমাৰ কোনো বিৰূপ মনোভাব নাই। কিন্তু যিসকল অনা-অসমীয়াই অসমক নিজ নিজ ভাষা-সংস্কৃতিৰ উপনিবেশ ৰূপেহে পাবলৈ বিচাৰে, ৰাজ্যখনৰ থলুৱা ভাষা-সংস্কৃতিৰ প্ৰতি ধনিষ্ঠামানো শ্ৰদ্ধা প্ৰদৰ্শন নকৰি যিসকলে ইয়াত স্বাজাত্যাভিমান আৰু উচ্চাভিলাষী মনোভাব প্ৰদৰ্শন কৰে, বুৰঞ্জীৰ কোনোবা এটা মুহূৰ্তত এমুঠি অন্নৰ অন্বেষণ আৰু প্ৰাণৰ আশ্ৰিত আহি অসমৰ চুকে-কোণে কেৱল উশাহ লৈ থকাসকলে যদি এতিয়া নিজৰ ভাষা-সংস্কৃতিৰ কৌশলপূৰ্ণ পত্তন-প্ৰচেষ্টাত অত্যুৎসাহী হৈ অসমীয়া ভাষাক মৰ্যাদাৰ আসনৰপৰা অৱনমিত কৰাৰ ষড়যন্ত্ৰ চলায়, আমাৰ ভাষা-সংস্কৃতিৰ সেই শত্ৰুসকলৰ ক্ষেত্ৰত দৰদী মানৱিকতাবাদী হ'বলৈ যোৱাটো ভাৰতবৰ্ষৰ সামগ্ৰিক স্বাৰ্থৰ খাতিৰতেই সমীচীন নহ'ব।

অৰ্থনৈতিক শোষণ তথা সাংস্কৃতিক উপনিবেশৰ কথা দূৰতে থাকক, ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে অসমীয়াসকলে নিজৰ ভাষা-সংস্কৃতিক প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা কোনো কালেই হাতত লোৱা নাই। আমি জানো, ভাৰতবৰ্ষৰ এখন এখন প্ৰদেশত একো একোটা ভাষা আৰু সেই সেই ভাষাক অৱলম্বন কৰিয়েই একো একোটা স্বতন্ত্ৰ জাতি গঠিত হৈছে। এই কথাও আমি জানো যে প্ৰত্যেক প্ৰদেশৰ প্ৰতিটো ভাষা আৰু প্ৰতিটো জাতিৰ প্ৰতি পাৰস্পৰিক শ্ৰদ্ধা প্ৰদৰ্শন আৰু প্ৰতিটো ভাষা তথা প্ৰতিটো জাতিৰ সমৃদ্ধি-সাধন-চিন্তাতেই ভাৰতবৰ্ষৰ সামগ্ৰিক উন্নয়নৰ সঁচাৰকাঠি লুকাই আছে। ভাৰতীয় হিচাপে আমাৰ জাতীয়তাবোধ জাগ্ৰত কৰিবলৈযে প্ৰত্যেক প্ৰদেশৰ প্ৰতিটো জাতি নিজৰ নিজৰ ভাষা সম্বন্ধে সচেতন হ'ব লাগিব, সেই কথাও আমি নজনা নহয়। কিন্তু আমাৰ প্ৰত্যেক জাতিৰে ভাষাৰ উন্নতি সাধনৰ কাৰণে ভাষাৰ ভিত্তিত ৰাজ্য পুনৰগঠন প্ৰক্ৰিয়াই সুবিধা উলিয়াই দি থৈছে। আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰা সাংবিধানিক নীতিও সেই প্ৰক্ৰিয়াৰে অনুৱৰ্তী। তথাপি যদি কোনো কোনো বিশেষ ভাষা-ভাষী লোকে অসমতে অসমীয়া ভাষাৰ ওপৰত কুঠাৰাঘাত কৰিব খোজে, তেন্তে আত্মৰক্ষাৰ বাবে সেই আঘাতৰ প্ৰতিৰোধ-চিন্তা আমি কৰিমেই। আমাৰ এই চিন্তাক ৰাজনৈতিক দুৰাকাংক্ষীসকলৰ কোনোবাই সঙ্কীৰ্ণ প্ৰাদেশিকতা বুলি আখ্যা দিলে, নাইবা এই চিন্তাত কোনোবাই অসমীয়া জাতীয়তাবাদী ৰাজনীতিৰ গোন্ধ বিচাৰি পালে, পুতৌ কৰাৰ বাহিৰে সেইসকলৰ প্ৰতি অন্য কৰণীয় আমাৰ নাই। আমাৰ ঘৰতে আনে চলোৱা আত্মসংবৰ্দ্ধন প্ৰচেষ্টাৰ বিপৰীতে আমিযে আজি ডেৰ শ বছৰে কেৱল আত্মৰক্ষাৰ প্ৰযত্নহে

কৰি আহিছোঁ, অসমীয়া ভাষাৰ বুৰঞ্জীয়েও সেই কথা ইমানদিনে যিসকলক বুজাব নোৱাৰিলে, সেইসকলক নতুনকৈ বুজোৱাৰ দায়িত্ব আমি নলওঁ।

ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ জনগোষ্ঠীয়ে বঙ্গদেশত চলোৱা অৰ্থনৈতিক আক্ৰমণৰ-পৰা আত্মৰক্ষা কৰিবৰ কাৰণে বঙ্গ তথা ভাৰতৰ কৃতী সন্তান, আন্তৰ্জাতিক খ্যাতিসম্পন্ন ভাষা-তত্ত্ববিদ পণ্ডিত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে বঙালী জাতিক উদ্দেশ্য কৰি কৈছিল,—"যত প্ৰকাৰ শক্তি আছে তাহাৰ প্ৰয়োগ কৰিয়া, অৰ্থনৈতিক দিকে অত্যন্ত সঙ্কীৰ্ণমনা প্ৰাদেশিক বুদ্ধিসম্পন্ন হইয়া, আমাদেৰ আত্মৰক্ষা কৰিতেই হইবে। ভাৰতীয় জাতীয়তাৰ দোহাই পাড়িয়া যাহাৰা আমাদেৰ ঘৰেৰ মধ্যে ঢুকিয়া আমাদেৰ বাড়া ভাতে ভাগ বসাইতেছে, মুখেৰ গ্ৰাসটী কাড়িয়া লইতেছে, তাহাদেৰ বাধা দিতে হইবে।" ( ভাৰত সংস্কৃতি : জাতি, সংস্কৃতি ও সাহিত্য )। বৰ্ত্তমান আমাৰ ওপৰত চলা অৰ্থনৈতিক, আৰু বিশেষকৈ ভাষিক আক্ৰমণৰপৰা আত্মৰক্ষা কৰিবৰ কাৰণে আমিও আজি ডক্টৰ চট্টোপাধ্যায়ৰ এই মন্ত্ৰফাঁকিকে প্ৰয়োগ কৰিব নোৱাৰোঁ নে ?

যোগেন্দ্ৰনাৰায়ণ ভূঞা
২৩ আগষ্ট, ১৯৭৮




←'ককা' বাগ্মীবৰ নীলমণি ফুকন

প্ৰায় এক শতিকা কাল ব্যাপি যিজন ব্যক্তিৰ জীৱন অসমৰ জাতীয় জীৱনৰ সৰৱ বুৰঞ্জী স্বৰূপ হৈ পৰিছিল, অসমীয়া জাতিৰ সৰ্বাঙ্গীন উন্নতিয়েই আছিল যিজনৰ জীৱন-ব্ৰত—



পাৰ্থিৱ জীৱনৰ বেদনা-বিধূৰ মুহূৰ্তবিলাকে যিগৰাকী নাৰীৰ জীৱনলৈ কঢ়িয়াই আনিলে অলৌকিক আনন্দৰ ভাৰ, কবিতাৰূপিণী সেই গৰাকী মহীয়সী নাৰী

নলিনীবালা দেৱী→



←গিৰিধৰ শৰ্মা

অক্লান্ত কৰ্মী, সুদক্ষ সংগঠক, অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ সাধক, সভাপতি ৰূপে অসম সাহিত্য সভা অনুষ্ঠানটোত যিজনে গতি আৰু শক্তি সঞ্চাৰ কৰিছিল—

# তিনিটুপি চকুলো

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

ছমাহৰ ভিতৰতে অসম সাহিত্য সভাৰ বৰ নামঘৰটোৰ তিনিটা বৰ খুটা অগা-পিছাকৈ ভাগি পৰিল। তিনিগৰাকী প্ৰাক্তন সভাপতি—নলিনীবালা দেৱী, নীলমণি ফুকন আৰু গিৰিধৰ শৰ্মাই যেন হাতত ধৰাধৰিকৈ বৈকুণ্ঠৰ জখলাৰে ওপৰলৈ উঠি গৈ অন্তৰ্ধান হ'ল। অসম সাহিত্য সভাৰ বুৰঞ্জীত এবছৰতে তিনিজনা প্ৰাক্তন সভাপতিৰ প্ৰয়াণত এনে বিপৰ্যয় আৰু এবাৰ ঘটিছিল। সেই দুৰ্যোগৰ বছৰটো আছিল ১৯৬৭ চন। প্ৰাক্তন সভাপতি তিনিগৰাকী আছিল যথাক্ৰমে অম্বিকাগিৰী ৰায়চৌধুৰী, ৰঘুনাথ চৌধাৰী আৰু নকুলচন্দ্ৰ ভূঞা। মহাকালৰ অতৰ্ক মহিমা। ইয়াকেই বোলে অদৃষ্টৰ পৰিহাস।

(১)

এইবাৰ ৭৭ চনৰ ২৪ ডিচেম্বৰত গ'ল মহীয়সী নলিনীবালা দেৱী। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱৰ যশস্বিনী কন্যা নলিনীবালা দেৱী স্বকীয় কবি-প্ৰতিভাৰে মহিমামণ্ডিতা। এই গৰাকী অসম জীয়ৰীৰ জীৱনত ভগৱৎ-প্ৰেম আৰু দেশপ্ৰেমৰ সুমধুৰ সমন্বয় ঘটিছিল। সঞ্জীৱনী যুগত অসম সাহিত্য সভাৰ লগত এই লেখক সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল ১৯৫২ চনৰ যুগান্তৰকাৰী ছিলং অধিৱেশনৰপৰা। নলিনীবালা দেৱী জড়িত হৈছিল ১৯৫৩ চনত তাৰ পাছৰ বছৰ যোৰহাট অধিৱেশনৰপৰা। তেতিয়াৰপৰা নলিনীবালা দেৱীৰ লগত একেলগে একে লক্ষ্য আগত ৰাখি কাম কৰিবলৈ মোৰ সৌভাগ্য হৈছিল। নলিনীবালা দেৱী অসম সাহিত্য সভাৰ সম্পদীয়া পাৰ নাছিল; অৰ্থাৎ কেৱলযে সুখৰ দিনতহে সাহিত্য সভাই তেওঁক পাইছিল এনে নহয়। সুখে-দুখে, সম্পদে-দুৰ্যোগে সকলো সময়তে তেওঁ নানা প্ৰকাৰে অসম সাহিত্য সভাৰ লগত সহযোগ কৰিছিল। শৰীৰ সুস্থ থাকিলে তেওঁ কোনো দিনে সাহিত্য সভাৰ আহ্বান উপেক্ষা নকৰিছিল। এটা অত্যন্ত আশাবাদী মন, এখনি আবেগ-উদ্বেলিত মাতৃ-হৃদয় আৰু জলন্ত দেশপ্ৰেমৰ অধিকাৰিণী নলিনীবালা দেৱীয়ে আজি আমাৰ মাজত নাই, সেই কথা ভাবিলেও দুখ লাগে।

অসম সাহিত্য সভাৰ সিংহপীৰা এতিয়ালৈকে দুকুৰি তিনিজনা সভাপতিৰদ্বাৰা অলঙ্কৃত হৈছে। এইসকলৰ মাজত নলিনীবালা দেৱী একমাত্ৰ নাৰী—যেন তৰাৰ মাজত এটি ভোটাতৰা। কেৱল নাৰী হোৱাৰ বাবেইযে তেওঁ এই সন্মানৰ অধিকাৰিণী হৈছিল এনে নহয়; কিয়নো অসম সাহিত্য সভাৰ সংবিধানত জাতি-ভেদ নাই, নাৰী পুৰুষৰ ব্যৱধান নাই, কোনো বিশেষ জনগোষ্ঠীৰ বাবে আচুতীয়া সংৰক্ষিত আসন নাই। নলিনী দেৱীয়ে স্বকীয়

কবি-প্ৰতিভাৰে জন-মানসত বিকশিত হৈ সেৱাৰে, ত্যাগেৰে, নিষ্ঠা আৰু সাহসেৰে অসম সাহিত্য সভাৰ সভানেত্ৰীৰ মৰ্যাদা ৰক্ষা কৰিছিল, অসম সাহিত্য সভাৰ গৌৰৱ বৃদ্ধি কৰিছিল। ককাক মাধৱচন্দ্ৰ বৰদলৈ আৰু দেউতাক কৰ্মবীৰ নবীনচন্দ্ৰৰ তেজ তেওঁৰ সিৰে সিৰে প্ৰবাহিত হৈছিল; তেওঁৰ ঘৰুৱা শিক্ষক গোপালচন্দ্ৰ দে'ৰ শিক্ষকতা সাৰ্থক হৈছিল।

নলিনীবালা দেৱীৰ কবিতাৰে অসমীয়া সাহিত্যৰ কাব্য-কানন আমোলমোল হৈ আছে। আজি-কালি ৰস-পম নোহোৱা আধুনিক কবিতাৰ যুগ। পুৰণি কবিতা দূৰতে বিদূৰ। সেয়ে হ'লেও এনে বাস্তৱবাদী নিৰস পৰিবেশৰ মাজতো কোনেও নলিনীবালা দেৱীৰ কবিতা নেওচা দিব নোৱাৰে, — দিয়াটো উচিতো নহয়। নলিনী-কাব্যত দেশপ্ৰেমৰ ৰক্তজবা আছে, ভগৱৎ-প্ৰেমৰ শুভ্ৰ শেৱালি আছে, অতীন্দ্ৰিয়বাদৰ ৰজনীগন্ধাও আছে। কবিতাবোৰ সান্ধ্য ৰাগৰঞ্জিত হ'লেও তাৰ মাজতে জন্ম-জন্মান্তৰৰ পূৰবী গীতো আছে। মই নলিনী দেৱীৰ আটাইবোৰ কবিতা-পুথিৰ ভিতৰত ভাল পাওঁ 'সন্ধিয়াৰ সুৰ' নামৰ কবিতাৰ পুথিখনি; তাৰ মাজতো ভাল পাওঁ 'পৰমতৃষ্ণা' নামৰ কবিতাটো। মই এই কবিতাটোকে নলিনী দেৱীৰ শ্ৰেষ্ঠতম কবিতা বুলি ভাবোঁ; অৱশ্যে মানুহটোৰে প্ৰতি মনটো, ধানটোৰে প্ৰতি কণটো।

দীঘল ৰচনা লিখিবলৈ আজি মই হাতত কলম তুলি লোৱা নাই। আশা কৰিছোঁ, এই গৰাকী মহীয়সী নাৰীৰ বিষয়ে অসম সাহিত্য সভাই প্ৰকাশ কৰিবলৈ লোৱা 'স্মৃতিমাল্য'ত নলিনী-প্ৰতিভাৰ সকলো দিশ থৰচি মাৰি জানিবলৈ পোৱা যাব। থোৰতে কওঁ যে কৰ্মবীৰৰ 'মহাশ্বেতা'-সমা কন্যা, নবীন-নন্দিনী নলিনীবালা নিজ গুণে ধন্যা। অসম 'পাৰিজাত কানন'ৰ অধিষ্ঠাত্ৰী দেৱী নলিনীবালা আছিল অসম মাতৃ আৰু অসম সাহিত্য সভাৰ প্ৰতীক স্বৰূপা। 'শ্বোৱান ছং' বা পৌৰাণিক দেওৰাজহাঁহৰ দৰে গীত গাই গীতৰ মাজতে নশ্বৰ দেহা ত্যাগ কৰি নলিনী দেৱীয়ে অশৰীৰী বেশ ধাৰণ কৰিলে। 'মন্দাকিনী', 'অলকানন্দা'ৰ কুলু-কুলু ধ্বনিৰ লগত সুৰ মিলাই শত সমস্যা-জৰ্জৰিত, আত্মবিস্মৃত অসমীয়া জাতিৰ মূৰত তেওঁ আশীৰ্বাদ কৰি পাৰিজাত বৃষ্টি কৰক।

(২)

মহীয়সী নলিনীবালাই কথমপি স্বৰ্গৰ তোৰণ পাৰ হওঁ নো-হওঁতেই এমাহৰ ভিতৰতে যোৱা ২০ জানুৱাৰীৰ দিনা বাগ্মীবৰ নীলমণি ফুকন ককায়ো মহাপ্ৰস্থানৰ বাট ললে। ভীষ্ম-পিতামহপ্ৰতিম নীলমণি ককাৰ কথা বিস্তাৰিতভাৱে কবলৈ হ'লে এখন মহাভাৰত হয়। থপিয়াই থপিয়াই দুই-এটা কথাহে কবলৈ লৈছোঁ।

ককাই নিজ চকুৰে নিজ জীৱনৰ শতবাৰ্ষিকী উৎসৱ চাই যাবলৈ দুৰন্ত হেঁপাহ এটা মনতে পুহি ৰাখিছিল। সেই আশা কাণে-কাণ মাৰি পূৰণ নোহোৱাটো পৰিতাপৰ বিষয়। মৃত্যুৰ এবছৰমান আগলৈকে ককাই মহাকালৰ ইচ্ছাৰ বিৰুদ্ধে যুঁজ দিবলৈ ইচ্ছা কৰিছিল। শ্ৰীমোৰাৰজী দেশাই, শ্ৰীদেৱেশ্বৰ শৰ্মা আৰু শ্ৰীবেণুধৰ শৰ্মাই চাৰিকুৰি বছৰীয়া ডেকা হৈ দপদপাই ফুৰাৰ দৰে এশ বছৰীয়া ডেকা হৈ নীলমণি ককায়ো মহাকালকো যেন প্ৰত্যাহ্বান জনাইছিল। পিছে, আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। মৃত্যুৰ আগতে কেইমাহমান তেওঁ বাৰ্দ্ধক্যজনিত কঠিন নৰিয়াৰ বাবে পাটী লৰলগীয়া হৈছিল। এই কালছোৱাত ৰোগৰ বাবে তেওঁৰ দুখ নাছিল; দুখ আছিল বাহিৰলৈ গৈ বিভিন্ন সভা-সমিতিত যোগ দি বক্তৃতা দিব নোৱাৰাৰ বাবেহে। চিৰকুমাৰ



ককাৰ ঘৰ আছিল যদিও সংসাৰ নাছিল। সেই কাৰণে য'তে ৰাতি, ত'তে কাতি। মানুহৰ সঙ্গত প্ৰৱসুৱা ঘৰেই আছিল তেওঁৰ নিজৰ ঘৰ। দেশৰ প্ৰতিজন মানুহেই আছিল তেওঁৰ আপোন মানুহ।

প্ৰতিষ্ঠা যুগতে ককা অসম সাহিত্য সভাৰ সিংহ-পীৰাত দুবাৰো বহিছিল— শিৱসাগৰত (১৯৪৪ চন) আৰু ডিব্ৰুকত (১৯৪৭ চন)। তেতিয়াৰপৰা তেওঁ সাহিত্য সভাৰ প্ৰতিখন বছৰেকীয়া সভাতে বিশিষ্ট অতিথিৰ আসন লৈ কলহৰ কাণে বক্তৃতা বৰষিছিল।

এসময়ত উজনিৰ ফুকন ককা নীলমণি আৰু নামনিৰ দেশভক্ত ফুকনৰ প্ৰখ্যাত বক্তা হিচাপে সমানে নাম আছিল। দেশভক্তৰ বক্তৃতাৰ দৰে ককাৰ বক্তৃতাত বিবিধ ৰসৰ সমাবেশ হোৱা নাছিল যদিও অনৰ্গল ওজস্বিনী বক্তৃতা দি ককা বাগ্মীবৰ বুলি সদৌ দেশতে জনাজাত হৈ পৰিছিল। ভাৰত চৰকাৰে হেনো ককাক পদ্মশ্ৰী সন্মান যাচিছিল। যাচি দিয়া সোণৰ আদৰ নাই। নিম্নতম পদ্মশ্ৰী সন্মান সোণো নহয়, ৰূপো নহয়, তামো নহয়, সীহহে। সেই কাৰণে ককাই কণা হাঁহক পত্তান দি আড়ুৰা ভৰা বুলি ভাবি এই সন্মান নলওঁ বুলি মূৰ জোকাৰিলে। উল্লেখযোগ্য, ককাই নিজকে কেতিয়াও সৰু বুলি নাভাবিছিল। আনে সৰু বুলিলেও মানি নলৈছিল। সাহিত্য একাডেমীয়ে ককাক সদস্য-মহত্তম পাতিলে, গুৱাহাটী বিশ্ববিদ্যালয়ে ডক্টৰ কৰিলে, আৰু বহুতে কিবাকিবি সন্মান দিলে। কিন্তু এই সকলোবোৰৰ ওপৰত আছিল দেশবাসীয়ে স্বতঃস্ফূৰ্ত ভাৱে যাচ দিয়া 'বাগ্মীবৰ' সন্মান। সেই সন্মান ককাৰ জীৱনৰ আগৰ ছোৱাৰ চাহাবী টুপী আৰু পাছৰ ছোৱা জীৱনৰ গান্ধী-টুপীটোৰ দৰে মূৰত খাপ খাই পৰিছিল। বাগ্মীবৰ ককা নীলমণি স্বৰূপাৰ্থত বাগ্মীবৰেই আছিল।

এই খিনিতে জানি থোৱা ভাল যে ককাৰ জীৱনৰ দুটা ৰূপ— এটা দেশী, আনটো বিলাতী। ককাই জীৱন আৰম্ভ কৰিছিল শিক্ষাবিদ হিচাপে, সাংবাদিক হিচাপে, চাহ খেতিয়ক হিচাপে, সমাজসেৱী হিচাপে। বিয়াল্লিছৰ গণ-আন্দোলনৰ পৰাহে তেওঁ নিষ্ঠাৰে মহাত্মা গান্ধীৰ পন্থা ললে, পূৰ্বৰ বৃটিছ শাসকৰ শিবিৰৰ পৰা ওলাই আহি কংগ্ৰেছৰ জাতীয় যুদ্ধত যোগ দিলে। নীলমণি চাহাব গুচি বাগ্মীবৰ ফুকন ডাঙৰীয়া হ'ল। এই কথা হ'লে ঠিক যে আদিৰে-পৰা অন্তলৈ দুয়োটা ৰূপতে ককা আছিল জাতীয়তা-বাদী অসমপ্ৰেমী। তাৰ স্থায়ী সাক্ষ্য বহন কৰিছে অসম সাহিত্য সভাই প্ৰকাশ কৰা, ককাৰ সোণ-ৰূপৰ কাপেৰে ওলোৱা 'ৰাতৰিৰ বিভূতি'য়ে। কংগ্ৰেছী হৈয়ো ককা নীলমণি আছিল সংৰক্ষিণী বীৰ অম্বিকাগিৰীৰ দৰে অসম-প্ৰাণ, অসমীয়া-প্ৰাণ। অসমীয়াৰ প্ৰতিটো আন্দোলনতে তেওঁ জপিয়াই পৰিছিল, অসমীয়াৰ স্বাৰ্থ বলি দি তেওঁ দিল্লীৰ আগত কোনো দিনে আঁঠু লোৱা নাছিল, আৰু দলীয় কংগ্ৰেছী ৰাজনীতিত লেটি লৈ কোনো কোনোৰ দৰে আত্মবিস্মৃত হোৱা নাছিল। শ্ৰীমন্ত শঙ্কৰ, মহাত্মা গান্ধী আৰু বিনোৱাজী আছিল ককাৰ উপাস্য ত্ৰিমূৰ্তি।

১৯১৭ চনত ৰংপুৰত ককাই অসম সাহিত্য সভাৰ জন্মলগ্নতে কাৰ্যনিৰ্বাহক সমিতিত যোগ দি ১৯৭৭ চনত যোৰহাটত প্ৰাক্তন সভাপতি হিচাপে সভাৰ হীৰক জয়ন্তী লগ্নৰ পাছতে চকু মুদিলে। নিজৰ জন্ম-শতবাৰ্ষিকীয়ে লুকাভাকু খেল দেখুৱাই ককাক আমোদহে দিছিল, কাৰ্যকৰী ৰূপ দেখুৱাই প্ৰমোদ দিব নোৱাৰিলে; কিন্তু হীৰক জয়ন্তীয়ে পৰমানন্দ দান কৰি তেওঁক সদানন্দ ধামলৈ লৈ গ'ল। সাহিত্য সভাৰ বুৰঞ্জীত ইও এক নতুন পৰম্পৰা, নতুন অভি-লেখ। আন কোনো সাহিত্যিকেই এনে সৌভাগ্যৰ

অধিকাৰী হ'ব পৰা নাই।

ককা নীলমণিয়ে অসমীয়া সাহিত্য-ভঁৰালো যেটমৰা সম্ভাৰেৰে ওপচাই থৈ গৈছে। অৱশ্যে এই কথাও ঠিক যে তেওঁ যিমান বেছি কথা কৈছিল, সেই অনুপাতে লিখিছিল কম, আৰু এই কথাও ঠিক যে ককাৰ হাতৰ জোৰতকৈ মুখৰ জোৰ আছিল বেছি। ককাৰ গদ্য আৰু পদ্যত সমানে দখল আছিল। জ্যোতিকণা, সন্ধানী আদি তেওঁৰ আধ্যাত্মিক ভাবৰ পুথি কেইখন ভাবত মধুৰ হ'লেও গদ্যগন্ধী। মই 'গুটিমালী' নামৰ পুথিখনৰ ভিতৰতহে ককাৰ কবি-ৰূপটো দেখা পাওঁ। আখ্যানমূলক কবিতাৰ নায়িকা কেইজনীৰ বৰ্ণনা চালে ককাক ভাংবৰলা বুলি ভাবিবৰ মন নাযায়। গদ্যৰ পুথি কেইখনৰ সৌন্দৰ্য সুকীয়া। নিভাঁজ অসমীয়া মাত-কথা কোৱাত আৰু লিখাত ককা এজন পাকৈত বাচৈ। নীলমণিৰ 'চিন্তামণি'ৰ স্থান সত্যনাথ বৰাৰ 'সাৰথি'ৰ একে শাৰীতে বুলি মই ভাবোঁ।

অসমৰ জাতীয় জীৱনৰ ভীষ্ম-পিতামহ সদৃশ বাগ্মী-বৰ নীলমণি ফুকন ককা পৰিপক্ক জীৱনত গ'ল। সেই কাৰণে শোকৰ হেতু নাই। সেয়ে হ'লেও আপোনজনক হেৰুৱাই কাৰ বেজাৰ নালাগে?

ককা নীলমণি ফুকনৰ মৃত্যু হ'ল, বাগ্মীবৰ নীলমণি ফুকন দীৰ্ঘজীৱী হওক।

(৩)

যোৱা ১০ মে'ত অসম সাহিত্য সভাৰ আন এজন প্ৰাক্তন সভাপতি গিৰিধৰ শৰ্মাৰ মৃত্যুত আৰু এটা গিৰিচূড়াৰ পতন হ'ল। শৰ্মা আছিল মোৰ কলেজৰ সহকৰ্মী, সাহিত্য সভাৰ সহধৰ্মী। মোতকৈ তেওঁ পাছত আহিছিল, গ'ল আগবাঢ়ি। দুই বছৰৰ ব্যৱধান। তিনিকুৰি প'াচ বছৰতে অপ্ৰত্যাশিত-ভাৱে গিৰিধৰ শৰ্মাৰ প্ৰস্থান সংশ্লিষ্ট সকলোৰে বাবে বেদনাদায়ক।

গিৰিধৰ শৰ্মা আছিল পূৰণি অসমীয়া সাহিত্যৰ অন্যতম গীতাকাৰ গোবিন্দ মিশ্ৰৰ বংশধৰ। তেওঁ সোণ-ৰূপৰ চকত হাত দি ওপজা নাছিল। সেই কাৰণে আত্মপ্ৰতিষ্ঠাৰ বাবে, পৰিয়ালৰ সু-প্ৰতিষ্ঠাৰ বাবে প্ৰথমৰপৰাই আৰম্ভ হৈছিল ভীমকৰ্মা গিৰি-ধৰৰ সংগ্ৰামী জীৱন। সাহেই সিদ্ধি বুলি কথা এষাৰ আছে। উগ্ৰ সাহ আৰু মাত্ৰাধিক আশাবাদ আছিল গিৰিধৰৰ জীৱনৰ মূলধন। পিছলৈ উভতি চোৱা নাইবা আনৰ নিন্দা-সমালোচনাত বিভত হোৱা তেওঁৰ অভ্যাস নাছিল। 'হৰগুৰ যাত্ৰা, যি কৰে বিধাতা' বুলি তেওঁ সদায় আগবাঢ়ি গৈছিল।

তেওঁযে নিজেহে মানুহ হৈছিল, এনে নহয়। শ্ৰম আৰু আত্মত্যাগেৰে ভায়েক উমাকো সমানে মানুহ কৰি গঢ়ি তুলিছিল। প্ৰাক্তন শিক্ষাধিকাৰ শ্ৰীউমাকান্ত শৰ্মা গিৰিধৰৰ সুযোগ্য ভাতৃ। সাহিত্য-ক্ষেত্ৰত 'পণ্ডপতি ভাৰধাজ' নামৰ মুখা অ'াৰি নোলোৱা হ'লে উমাকান্ত শৰ্মাৰ সাহিত্যিক পৰিচয় লুপ্ত নহ'লেও সুপ্ত হৈ নাথাকিলহেঁতেন। কেৱল উমাকান্তই নহয়, শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্মা (প্ৰাক্তন কেন্দ্ৰীয় শিক্ষা-বিষয়া), ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা প্ৰভৃতি ভায়েক-কেইজনৰ জীৱন-গঠনত গিৰিধৰৰ হাত-বুলনি আছে।

স্কুল কলেজৰ মজিয়া নগচকাকৈ গিৰিধৰ শৰ্মাই অধ্যয়ন আৰু অধ্যৱসায়ৰ বলত বিভিন্ন পৰীক্ষাৰ পাৰঘাট আহৰণ কৰিছিল আৰু সৰো শেষত সৰ্বোচ্চ এম-এ মহলাত উত্তীৰ্ণ হৈ কলেজ-শিক্ষকৰ অৰ্হতা আৰ্জি



লৈছিল— ভৱিষ্যতে কামত লগাবৰ বাবে। এই খিনিতে মোৰ এজন একে ধৰণৰ মেধাৱী বন্ধুলৈ মনত পৰিছে। তেওঁ আছিল বেলশৰৰ কালিৰাম বৈশ্য এম-এ, বি-টি, — 'বেঞ্জামিন ফ্ৰেঙ্কলিন' আদি পুথি-প্ৰণেতা। পাঠশালাৰ বাৰটকীয়া পণ্ডিতৰ কামেৰে শুভ প্ৰৱেশ কৰি গিৰিধৰ শৰ্মাই এখন প্ৰথম শ্ৰেণীৰ কলেজৰ অধ্যক্ষ হিচাপে বাণীৰ দেউলৰপৰা বিদায় লৈ ওলাই আহিছিল; ই জানো কম কৃতিত্বৰ কথা?

কটন কলেজৰ অসমীয়া বিভাগত উপেন্দ্ৰনাথ লেখাৰু, বিনয়ভূষণ চৌধুৰী, গিৰিধৰ শৰ্মা আৰু মই একেলগে মিলিজুলি কাম কৰিছিলোঁ। পাছত আমাৰ লগত যোগ দিছিল শ্ৰীমতী ভুৱনেশ্বৰী বৈশ্য, ড° হেমন্ত কুমাৰ শৰ্মা আৰু ড° উপেন্দ্ৰনাথ গোস্বামীয়ে। আমি যেন এটা সুখী পৰিয়ালহে আছিলোঁ। কটনত কাম কৰা সেই সুখৰ দিনবোৰৰ কথা ভাবিলে আজিও মোৰ মনটো ভাল লাগি যায়। কটনতে গিৰিধৰ শৰ্মা আৰু মই অন্তৰঙ্গ বন্ধু হওঁ। শেষ পৰ্যন্ত আমাৰ সেই বন্ধুত্ব অটুট আছিল আৰু ক্ৰমাৎ গাঢ় হৈছিল। কটন এৰাৰ পাছতো গিৰিধৰ শৰ্মাৰ লগত মই কিমান বিভিন্ন উপলক্ষ্যত মিলিত হৈছিলোঁ, কিমান ঠাইত সভা-সমিতিলৈ গৈ মালা পিন্ধিছিলোঁ, ভাষণ দিছিলোঁ, ভোজ-ভাত খাইছিলোঁ— আজি সেইবোৰৰ হিচাপ নাইকিয়া হ'ল।

১৯৫০ চনত মই কটনৰ কামৰপৰা অৱসৰ লৈ 'তপোবন'ত সোমাই বানপ্ৰস্থী হৈছিলোঁ। প্ৰায় একে সময়তে গিৰিধৰ শৰ্মায়ো কটনৰ চৰকাৰী কাম ইস্তফা দি আৰ্যলৈ গৈ কৰ্মযোগী হৈছিল। দিন-ৰাতি ভেদভেদ নোহোৱাকৈ শ্ৰমদান কৰি দুৰ্জয় সাহসেৰে তেওঁ হাতত ভিক্ষাৰ লাওখোলা লৈ পণ্ডিত মদনমোহন মালবাই কাশী বিশ্ববিদ্যালয় নিৰ্মাণ কৰাৰ দৰে নিচিনাকৈ গঢ়ি তুলিলে সুবৃহৎ আৰ্যবিদ্যাপীঠ প্ৰকল্প। ইয়াতে পঢ়াশালিৰপৰা বিশ্বব্ৰহ্মাণ্ড – অৰ্থাৎ একে ঠাইতে পাঠশালাৰপৰা স্নাতকোত্তৰ শ্ৰেণী। অসম থাকে মানে এই আৰ্যবিদ্যাপীঠ থাকিব, আৰ্যবিদ্যাপীঠ থাকে মানে গিৰিধৰ শৰ্মাও থাকিব।

খাই শাক মৰণীয়া হোৱাৰ দৰে অসম সাহিত্য সভা পত্ৰিকাত অসম সাহিত্য সভাৰ কথাই আগ ঠাই পাব লাগে। সেই কাৰণে এতিয়া আন সকলো কথা বাদ দি অসম সাহিত্য সভাৰ লগত গিৰিধৰ শৰ্মাৰ সম্পৰ্কৰ কথা কওঁ। ১৯৫৬ চনত ধুবুৰীত অনুষ্ঠিত হোৱা ৰূপালী জয়ন্তী অধিৱেশনৰ আগলৈকে গিৰিধৰ শৰ্মা আছিল অসম সাহিত্য সভাৰ লগত অচিনাকি। শৰ্মা প্ৰথম বাৰ প্ৰতিনিধি হৈ সেই সভালৈ গৈছিল। চকুৰ অসুখৰ বাবে এই লেখক চতুৰ্থ বাৰ সভাৰ প্ৰধান সম্পাদক হ'বলৈ অমান্তি হোৱাত হাইকমাণ্ডে বা সভাৰ ধৰমূৰীয়াসকলে অধ্যাপক পৰাগধৰ চলিহাক সম্পাদকৰ বাবে মনোনয়ন দিয়ে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নহ'ব বুলি ভবা হৈছিল। কিন্তু জনচেৰেক প্ৰতিনিধিৰ অনুৰোধত মুখামুখি সময়ত গিৰিধৰ শৰ্মা চলিহাৰ বিপৰীতে নিৰ্বাচন-যুদ্ধত থিয় হয়। তেতিয়ালৈকে সাহিত্য সভাৰ ভিতৰ-চ'ৰাত তেওঁ আছিল অচিন কাঠৰ খোৰা। সেই কাৰণে তেওঁ কেইটামান ভোটত ঘাটিল। চলিহা জয়ী হ'ল। সেয়ে হ'লেও "হাৰিয়া জিনয় কেহো, জিনিয়া হাৰয়।" শৰ্মাৰো সেয়েই হৈছিল। শৰ্মাই তেতিয়াৰপৰা সাহিত্য সভাৰ সংগঠনত কঁকালত টঙালি বান্ধি লাগিল। কামৰূপ জিলা সাহিত্য পৰিষদৰ গুৰিয়াল হৈ ভীমকৰ্মাৰ চানেকী দাঙি ধৰিলে। অসম সাহিত্য সভায়ো তেওঁক চিনি পালে। ধুবুৰীয়ে তেওঁক প্ৰধান সম্পাদক নাপাতিলে যদিও বঙ্গিয়াই (১৯৭৩ চন) তেওঁক সভাপতিৰ সিংহাসনৰ বহুৱাই মূৰত তুলি ল'লে। অসম সাহিত্য সভাৰ তেওঁ

(৭ পৃষ্ঠাত চাওক)

# বাগ্মীবৰ নীলমণি ফুকনৰ ব্যক্তিত্ব

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

বাগ্মীবৰ নীলমণি ফুকনৰ নাম ল'লেই এনে এজন সিংহপুৰুষৰ কথা মনলৈ আহে যিজনে সাহিত্যিক, সাংবাদিক, শিক্ষাবিদ আৰু ৰাজনীতিবিদস্বৰূপে অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰি গৈছে। ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ নাতি নীলমণি ফুকনে অসম আৰু অসমীয়াৰ স্বাৰ্থৰক্ষাৰ হকে যিদৰে ৰণচালি ধৰিছিল, সেইদৰে অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিবৰ কাৰণে বাৰ-বৰণীয়া অৱদান দি গৈছে। মুঠৰ ওপৰত শিক্ষা, সাহিত্য, ৰাজনীতি, সংস্কৃতি আদি বিভিন্ন দিশত ফুকনৰ অৱদান অপৰিসীম। ফুকন ডাঙৰীয়া নিজেই এটা অনুষ্ঠানস্বৰূপ।

স্বভাৱতে সহজ-সৰল, অনাড়ম্বৰ, নিৰহঙ্কাৰী আৰু ল'ৰা-বুঢ়া সকলোৰে লগত মিলিব পৰা বাগ্মীবৰ ফুকন এক অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী। প্ৰবীণ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্মাৰ ভাষাৰে ক'ব পাৰি— "ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ ঘৰৰ ঐতিহ্যপূৰ্ণ ৰক্তবীজৰ দ্বাৰা যি পৰিপুষ্ট, পৰিবৰ্দ্ধিত আৰু পৰিমাৰ্জিত, যি মেঘনাদী বাগ্মিতা আৰু সিংহনাদী গৰ্জনৰ অধিকাৰী, যি চলি থকা মটৰ গাড়ীতো বাক্‌দেৱীৰ কৃপাত অবিৰাম-অবিশ্ৰান্তভাৱে গদ্য-পদ্যৰ লেখনী চলাই যাব পাৰে, 'জ্যোতিৰ্ময়' যিজনৰ বিজুলী-সদৃশ বোধাগ্নি নিমিষমাত্ৰক, সেইজনেই এই সম্পাদক নীলমণি ফুকন" (বাতৰিৰ বিভূতি)। অপৰিসীম ত্যাগ আৰু প্ৰদীপ্ত বীৰত্ব, চাৰিত্ৰিক দৃঢ়তা আৰু অক্লান্ত কৰ্মযোগ আৰু কোমলতাৰ সম্মিলন তেওঁৰ চৰিত্ৰত পৰিলক্ষিত হয়।

যি কালত অসমত শিক্ষাৰ পৰিসৰ বৃদ্ধি পোৱা নাছিল, সেই কালত বাগ্মীবৰ ফুকন ডাঙৰীয়াই কটন ইনষ্টিটিউশ্যনৰ প্ৰধান শিক্ষক হৈ মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণত ইন্ধন যোগাইছিল। গতিকে তেওঁ শিক্ষকস্বৰূপে জীৱন আৰম্ভ কৰি পাছত জীৱনৰ বৃত্তি সলনি কৰিলেও তেওঁ আচাৰ্যৰ সন্মান লাভ কৰিছিল। তেওঁ একালত ঢাকা বিশ্ববিদ্যালয়, পাছত গুৱাহাটী বিশ্ববিদ্যালয় আৰু মৃত্যুৰ সময়লৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সদস্য আছিল। সেয়েহে তেওঁ উচ্চ শিক্ষাৰ লগতে জড়িত আছিল। তেওঁ উপলব্ধি কৰিছিল যে প্ৰাচ্য ভাবধাৰাৰ লগতে পাশ্চাত্য ভাবৰ সম্মিলন নহ'লে ভাৰতবৰ্ষত নতুন সমাজ-সংগঠন সুদূৰপৰাহত। স্ত্ৰী-শিক্ষাৰ প্ৰচলনতো তেওঁ আগ্ৰহী আছিল।

ফুকনে পৰিধান কৰা পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰতো পৰিবৰ্তন লক্ষ্য কৰা যায়। তেওঁ পোনতে আছিল কোট-পেণ্ট পিন্ধা চাহাব, আৰু সেই সময়ত অচিনাকি লোকে তেওঁক চাহাব বুলিহে ভাবিছিল। তেওঁ তেতিয়া উদাৰপন্থী



আছিল। ১৯২১ চনত কংগ্ৰেছ আন্দোলনৰ সময়ত তেওঁ প্ৰধান শিক্ষক আছিল। সেই সময়ত ছাত্ৰসকলে স্কুল এৰাটো তেওঁ ভাল পোৱা নাছিল আৰু সেই ক্ষেত্ৰত বিৰূপ মন্তব্য প্ৰকাশ কৰিছিল। তেওঁ প্ৰধান শিক্ষক হৈ থকা সময়তে নীলমণি চাহ বাগিচা খোলে। পাছত শিক্ষকতা এৰি চাহ ব্যৱসায়ত লাগে। সেই ব্যৱসায়ত লোকচান হোৱাত তেওঁ সাংবাদিক জীৱন আৰম্ভ কৰিলে। তেৱেঁই দৈনিক বাতৰিৰ সম্পাদক হ'ল। বাতৰিখন বন্ধ হোৱাৰ পাছত তেওঁ সক্ৰিয় ৰাজনীতিত যোগ দিয়ে। ফুকনৰ সাজ-পাৰ সলনি হ'ল। তেওঁ শেষলৈকে খদ্দৰৰ বস্ত্ৰ আৰু টুপী পৰিধান কৰে। বিলাতী সাজকেই পিন্ধক বা দেশীয় সাজকেই পিন্ধক, ফুকন সকলো অৱস্থাতে স্বাধীনচিন্তীয়া। তেওঁ স্বাধীনমনা হোৱাৰ কাৰণে কোনো দলেই তেওঁৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিছিল।

ফুকন ডাঙৰীয়াৰ চৰিত্ৰত কোমলতা-কঠিনতা দুয়োৰে সমাবেশ দেখা যায়। তেওঁৰ অন্তৰ ফুলৰ পাপৰিৰ দৰে কোমল; কিন্তু তেওঁ বজ্ৰৰ দৰে কঠিন। তেওঁ অভিমানী। নিজৰ কথা সততাই নেৰে। তেওঁ যিটো সঁচা বুলি ভাবে, তাক অপ্ৰিয় হ'লেও বা তাৰ কাৰণে অপ্ৰিয়ভাজন হ'ব লগা হ'লেও, ব্যক্ত নকৰাকৈ নাথাকে। আন কথাত, তেওঁ এজন স্পষ্টভাষী লোক। সম্ভৱ সেই কাৰণে অসম সাহিত্য সভাৰ উত্তৰ লক্ষীমপুৰ অধিৱেশনত পদ্মনাথ গোহাঞি বৰুৱা ফুকনৰ ওপৰত বিতুষ্ট হৈছিল। যি সময়ত পাৰ্বত্য ৰাজ্য গঠনৰ কাৰণে আলোচনা হৈছিল, আৰু যি সময়ত অসমীয়া ভাষাক ৰাজ্যভাষা কৰাৰ কাৰণে ৰাজ্য জুৰি আন্দোলন হৈছিল, সেই সময়ত কংগ্ৰেছৰ এজন সাধাৰণ সভ্য হৈয়ো ফুকন ডাঙৰীয়াই স্পষ্ট অভিমত প্ৰকাশ কৰিছিল।

ফুকন ডাঙৰীয়া গতিশীল ব্যক্তিত্বৰ অধিকাৰী। তেওঁ বিশ্বাস কৰিছিল যে গতিশীলতাই জীৱন আৰু স্থবিৰতাই মৃত্যু। চিৰকুমাৰ ফুকনৰ গতিশীল ব্যক্তিত্বই তেওঁক অৱস্থাৰ লগত খাপ খুৱাবৰ কাৰণে সমৰ্থবান কৰিছিল। আমি কোনো সময়তে তেওঁক হতাশ হোৱা দেখা পোৱা নাছিলোঁ। তেওঁ সদায় কৰ্মব্যস্ত। তেওঁৰ ব্যক্তি-জীৱন যেন এনে ধৰণৰ আছিল—"nerves of steel, muscles of iron and that gigantic will which nothing can resist and which will accomplish its purpose in any fashion"। সুন্দৰ আৰু নিপোটল স্বাস্থ্যৰ অধিকাৰী ফুকনৰ অদমনীয় মনোবল তেওঁৰ ব্যক্তিত্বৰ এটা বৈশিষ্ট্য। তেওঁ আশাবাদী। নিৰাশা বা কাপুৰুষালি তেওঁ চিনি নাপায়।

---

(৫ পৃষ্ঠাৰ পিছৰপৰা)

আছিল 'ধুমুহা সভাপতি'। চিৰচেনেহী ভাষা জননীৰ বাবে তেওঁ আত্মোৎসৰ্গ কৰি সভাখনক দিছিল এক গতিশীল নেতৃত্ব।

দুখৰ কথা এইটোহে যে অপেক্ষাকৃতভাৱে কম বয়সতে গিৰিধৰ শৰ্মা গ'ল। অন্ততঃ আৰু দহ বছৰ তেওঁ আমাৰ মাজত থকা হ'লে দেশক, ৰাজ্যক, ভাষা-সাহিত্য-সংস্কৃতিক আৰু বহুত দিব পাৰিলেহেঁতেন। গতস্য শোচনা নাস্তি। মৰ্ত্যত তেওঁ শান্তি পোৱা নাছিল। স্বদেশ, স্বজাতি আৰু স্বধৰ্মৰ চিন্তাই খুলি খুলি খাই তেওঁক বহুত সময়ত সুস্থিৰে জিৰণি লবলৈকো নিদি মৃত্যুৰ পথলৈ আগবঢ়াই নিছিল। মৃত্যুৰ পাছত এতিয়া তেওঁ চিৰশান্তি লাভ কৰক। দেশবাসীয়ে তেওঁৰ মনৰ অপূৰ্ণ কামনা পূৰ্ণ কৰক।

× × × ×

তিনিওগৰাকীৰে পুণ্য স্মৃতিত, কেৰেঁট্ৰাৰ বঁহপাতৰ দৰে, নিবেদন কৰিছোঁ— মোৰ তিনিটুপি চকুলোৰ গঙ্গাজল। ০ ০ ০

সাংবাদিক হিচাপে ফুকন ডাঙৰীয়াই স্পষ্ট মত দাঙি ধৰিছিল। দৈনিক বাতৰি প্ৰথম দৈনিক অসমীয়া কাকত। এই কাকতে এক পৰম্পৰাৰ সৃষ্টি কৰে। এই কাকত অসমৰ জ্বলন্ত সমস্যাৰ দৌৱা স্বৰূপ আছিল। এই কাকতৰ ভূমিকা সম্পৰ্কে শ্ৰীবেণুধৰ শৰ্মাৰ ভাষাৰে ক'ব পাৰি— "বাতৰি জন্ম হোৱাৰ লগে লগে এটা ডাঙৰ বিষ্ট লাগি আছিছিল। সেইটোৱেই হৈছে 'বৃহত্তৰ বাংলা'। শ্ৰীহট্টই আছিল অসমক কোঙা কৰা সেই বৰবিহৰ বৰ কোঠ। তাত খোপনি লৈ অজগৰে গিলাদি অসমৰ ভাষা-সাহিত্য, জাতীয়তা, শিক্ষা-সংস্কৃতি সকলো গিলি আহি তেজপুৰ পাৰ হৈছিলহি। আমাৰ ভাৰতপ্ৰেমিক, দেশপ্ৰেমিকসকলৰ আদৰ্শই ইয়াৰ বিৰুদ্ধে তুং শব্দ এটাও নকৰিছিল। বাতৰিত অসমীয়াৰ ভৱিষ্যত মঙ্গলামঙ্গল চিন্তাত ব্যাপৃত থকাসকলৰ মানত এই আদৰ্শ বিহগুটি যেন তিতা আছিল। এই দুই আদৰ্শৰ সংঘৰ্ষত যি বৰবিহৰ উৎপন্ন হৈছিল, তাক "হৰবিস্তহৰ পানীকৃত হৈ পৰ" বুলি ন্যূনাধিক অষ্টশক্তিৰ অধিকাৰী বুলি নীলমণি ফুকনেহে উৰাই দিব পাৰিছিল" (বাতৰিৰ বিভূতি)। দৈনিক বাতৰিত প্ৰকাশিত 'বিশ্ববিদ্যালয়: এটা জাতীয় অভাৱ', 'অসমীয়া জাতিৰ শক্তি-সঞ্চয় কিহত', 'অসম বিশ্ববিদ্যালয় বিল', 'অসমীয়া তেজপুৰত বঙালী হাইস্কুল', 'অসমত দুৱলীয়া ভাষা বঙলা হ'বনে', 'অসমৰ স্কুলৰ ভাষা অসমীয়া', 'অসমৰ সমস্যা', 'অসমীয়া বেহা-বেপাৰ' আদি সম্পাদকীয়বোৰত সম্পাদক ফুকন দেশৰ সমস্যাৰাজীৰ প্ৰতি কিমান সজাগ, তাৰ নিদৰ্শন পোৱা যায়। বাতৰিয়ে অসমীয়াৰ কৰ্তব্যৰ কথা সোঁৱৰাই কৈছিল, " ০ ০ আজি অসমীয়া জাতিয়ে বুজিবলৈ বাকী নাই যে অসমীয়াৰ অস্তিত্ব লোপ পাবলৈ যিমানখিনি আপদীয়া কথাই দেখা দিব পাৰে, দিনে বাতিয়ে দেখা দি আহিছে। অসমীয়া জাতিয়ে বুজিবলৈ বাকী থকা নাই যে এতিয়া নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে নিজ বাহুবলত নিৰ্ভৰ কৰিব লাগিব। অসমীয়া জাতিয়ে এই কথাও বেচ বুজি উঠিছে— চিৰকাল ধৰি অসমৰ লগত সাতোৰ খাই থাকে মানে গভৰ্ণমেণ্টেও দুই নাও দুই ভৰি হৈ অসমীয়া জাতিক বিশেষ সহায় কৰিব পৰা নাই। অসমীয়া জাতিয়ে এই কথাও বেচ হৃদয়ঙ্গম কৰিছে যে বিদেশীৰ বৈচাত জাতিটো পেন্দেকা উঠিবলৈকো বেছি দিন নালাগিব। তাতোকৈও দিনে দিনে ভালদৰে বুজি উঠিছে যে অসমত থকা শিক্ষিত বঙালী ভাইসকল আজি অসমীয়া সভ্যতাৰ গা-গছত বাগী কুঠাৰ মাৰিবলৈ উদ্যত। অসমীয়া জাতিয়ে তাতোকৈও দুখেৰে অনুভৱ কৰিছে—এই সন্ধিক্ষণত দেশত কিছুমান 'মদনে' নিজৰ নিজৰ সুবিধা চান্দি ফুৰিছে। দুৰ্বল চিত্তৰ কিছুমান ৰজাঘৰীয়া বিষয়া, দেশৰ নেতা নামধাৰী স্বাৰ্থপৰ দুই-চাৰিজনে এই সমস্ত দেশৰ বাণী সাহেৰে প্ৰচাৰ কৰিবলৈ ভয় কৰিছে। ভাবিছে, নিজৰ সুখ-শান্তিয়েই একমাত্ৰ ধ্যানৰ বস্তু। ০ ০ ০ এতিয়া আমাৰ কৰ্তব্য ওলাই আছে। সেই কৰ্তব্য দুই ৰকমৰ। প্ৰথম— দেশত প্ৰচাৰ কাৰ্য, দ্বিতীয়তে লগে লগে সংগঠন। ৰাজনৈতিক সংগঠনমূলক কামত এতিয়া আমাৰ প্ৰধান কৰ্তব্য হ'ব শ্ৰীহট্ট-বিচ্ছেদত বৈধ উপায় অৱলম্বন কৰা; অসম বিশ্ববিদ্যালয়, অসম হাইকোৰ্ট স্থাপনৰ উপায় পদ্ধতি গ্ৰহণ কৰা। অৰ্থ-অনাটনৰ বাবে চব্‌ভেনশ্যন কমিটিৰ আগত ধন বিচৰা, অসমীয়া কাল্‌চাৰ ৰক্ষা কৰিবৰ নিমিত্তে অসমীয়া ভাষা-সাহিত্যৰ কাৰ্যকৰী পন্থা অৱলম্বন কৰা" (বাতৰিৰ বিভূতি; পৃঃ ৮৬-৮৭)। একালত 'টিলমলাই থকা' সেই দৈনিক বাতৰি আৰু তাৰ 'বিভূতি বিলাওঁতা' ফুকন ডাঙৰীয়া আজি নাই। সিংহনাদী ফুকনৰ দেহা পঞ্চভূতত লীন হ'ল। এতিয়া আছে মাথোন ফুকনৰ অভ্ৰভেদী ব্যক্তিত্ব, প্ৰেৰণা আৰু দৈনিক বাতৰিৰ সুৱদী-সুৱীয়া সোঁৱৰণ।



তেওঁ জীৱনত কোনো দিনে পৰাজয় স্বীকাৰ কৰা নাই। তেওঁ নিজৰ আত্মশক্তিত বিশ্বাস ৰাখি কৰ্তব্য-পথত আগবাঢ়ি গৈছিল, বাধাৰ অলঙ্ঘ্য প্ৰাচীৰ অতিক্ৰম কৰিছিল। তেওঁ অসম সংৰক্ষিণী সভাৰ নীতি সাৰোগত কৰি "অসম অসমীয়াৰ" এই ভাবেৰে অনুপ্ৰাণিত হৈ অসমীয়া জাতিটোক জগাই তুলিবলৈ চেষ্টা কৰিছিল। ডেকা ফুকন, ডেকা বেজ আৰু বাগ্মীবৰ ফুকনৰ আন্দোলনৰ ফলত 'ডেকা দল দলদোপ হেন্দোলদোপ' হোৱা কথা কোনে নাজানে?

ফুকন এজন ওজস্বী বক্তা। সেয়েহে তেওঁক বাগ্মীবৰ বোলা হৈছিল। এসময়ত অসমত দুজন সুবক্তা আছিল— নামনিত দেশভক্ত তৰুণৰাম ফুকন আৰু উজনিত নীলমণি ফুকন। দুয়োজনেই সভা-গুৰুনী, আৰু দুয়োজনেই বক্তৃতাৰে ৰাইজৰ মনত সাঁচ বহুৱাইছিল। বাগ্মীবৰ ফুকনে ওৰে জীৱনত সকলৰ অনেক সভা-সমিতিত বক্তৃতা দিছিল। সাহিত্য একাডেমিৰ তেওঁ একালত সক্ৰিয় সদস্য আছিল। ইয়াৰ উপৰি তেওঁ বিশ্বশান্তি কংগ্ৰেছৰ প্ৰতিনিধিস্বৰূপে মস্কোলৈ (১৯৬২) যায়, এফ্ৰো এছিয়ান সন্মিলনত (১৯৬৮) যোগ দিয়ে। তেওঁ বিশ্বশান্তি কংগ্ৰেছৰ প্ৰতিনিধিস্বৰূপে জাৰ্মানী, মস্কো আৰু তাছকেন্দ (১৯৬৯) ভ্ৰমণ কৰে। তেওঁ বাৰ্লিনৰ অভিজ্ঞতা-প্ৰসঙ্গত তৰুণ শক্তিক কয়, "জাতিটো জীয়াই থাকে এই নতুনকৈ উঠি অহা ডেকা শক্তিত। কাজেই তোমালোকে তৰুণ শক্তিক নিশকতীয়া নকৰিবা। নিজৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক দুৰ্বলতাৰে তৰুণ শক্তিটোক বিকল নকৰিবা, বিকলাঙ্গ নকৰিবা; আৰু তোমালোকৰ ভৱিষ্যত সদায় উজ্জ্বল, এইটো বিশ্বাসেৰে কাম কৰিবা। মনৰ আনন্দ, শৰীৰৰ শক্তি আৰু নৈতিক স্থিৰতা এই তিনিটাই হৈছে জীৱন।" এই উক্তিত ফুকনৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ পাইছে। তৰুণ শক্তি তেওঁৰ আশাৰ স্থল। বাৰ্লিনলৈ গৈ তেওঁ জাতীয় জীৱন সমৃদ্ধ কৰাৰ প্ৰেৰণা পালে। ফুকনৰ মতে "বুৰঞ্জী বৰ্তমানৰ দাপোণস্বৰূপ। যিসকলে আত্ম-বিশ্বাস হেৰুৱাইছে, কপাল গুণি হাত সাবটি বহি আছে, তেওঁলোকক বুৰঞ্জীয়ে দাপোণৰ আগলৈ আনি দেখুৱাব খোজে— তেওঁলোক বাঘ নে বোন্দা?"

ফুকন ডাঙৰীয়া আশুতোষ সদৃশ— তেওঁ আপোনভোলা লোক। কেতিয়াবা কাৰবাৰ ওপৰত খং উঠিব পাৰে। কিন্তু যিজনৰ ওপৰত খং উঠে, সেই জনে যদি ফুকনৰ ওচৰত দোষ স্বীকাৰ কৰে বা সেও হয়, তেতিয়া ফুকন ডাঙৰীয়াৰ ক্ৰোধ ভাৱ আঁতৰি যায়। গতিকে তেওঁৰ খং খেৰৰ জুইৰ নিচিনা।

ফুকনে লিখিছে, "কৰ্তব্য পালন এটা জাতিৰ অমোঘ কৱচ, অব্যৰ্থ অস্ত্ৰ, অৱশ্যম্ভাৱী জয় লাভ। এই কৰ্তব্যজ্ঞান যি জাতিৰ মাজত যিমান প্ৰবল, সেই জাতিয়েই সিমান দূৰ প্ৰধান হৈ উঠে" (চিন্তামণি)। ফুকনৰ নিজৰো কৰ্তব্যবোধ যথেষ্ট আছিল। তেওঁ যিদৰে সময়মতে চলিছিল, সেইদৰে কোনো লোকক সময় দিলে তেওঁ নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট স্থানত উপস্থিত হৈছিল; কৰিবলগীয়া কাম সময়মতে কৰিছিল। আমি দুই-এবাৰ ফুকন ডাঙৰীয়াৰ লগত যাওঁতে দেখা পাইছিলোঁ। ফুকনৰ বয়স হ'লেও তেওঁ ডেকাৰ দৰেহে কাম কৰিছিল। তেওঁ কোনো কামতে এলাহ নকৰিছিল। সেয়েহে তেওঁ লিখিছে, "এলাহ জীৱনৰ পিছ ফালৰপৰা মৰা হাঁচিটো। ই দিয়া খোজটোকো পিছলৈ আনে। ০ ০ ০ অৱসাদেই জীৱন। অৱসানৰ পূৰ্ব লক্ষণ বুলিব পাৰি।"

এবাৰ সম্প্ৰীতিমূলক ভ্ৰমণত আমি (বাগ্মীবৰ ফুকন, প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগ আৰু মই) কাছাৰ জিলালৈ গৈছিলোঁ। ১৯৬০ চনৰ ভাষা-আন্দোলনৰ উত্তৰ কাল। কাছাৰৰ নানা ঠাইত ফুৰিলোঁ। আমি শিলচৰ এবাৰ আগদিনা সন্ধিয়া শিলচৰ সাহিত্য সভাৰ উদ্যোগত এখন সভা আহ্বান কৰা হৈছিল। সেই সভালৈ স্থানীয় কেইবাজনো সম্ভ্ৰান্ত ব্যক্তিক নিমন্ত্ৰণ কৰা হৈছিল। সেইদিনা হৰিপ্ৰসাদ নেওগ আৰু মই ফুকনক বিৰলে লগ ধৰি কলোঁ যেন তেখেতে বঙালীসকলক উদ্দেশ্য কৰি কোনো অপ্ৰীতি-মূলক কথা নকয়। সভা আৰম্ভ হ'লত ফুকন ডাঙৰীয়াই বক্তৃতা-প্ৰসঙ্গত সুৰমা উপত্যকাৰ কেইবা-জনো ব্যক্তিৰ লগত (তাৰ ভিতৰত অনেকেই মৃত) তেওঁ কি দৰে (কংগ্ৰেছৰ হকে বা বিধান সভাৰ মন্ত্ৰিত্বত) একেলগে কাম কৰিছিল, সেইসকলৰ কথা সুঁৱৰি আবেগপূৰ্ণভাৱে এটি বক্তৃতা দিয়ে। সভাত এজন প্ৰবীণ বঙালী অধ্যাপকে ক'লে যে ফুকনৰ শাৰীৰ 'জায়েণ্ট' দেশত নাইকিয়া হৈ আহিছে; এইটো 'পিগমি'ৰহে যুগ। বক্তাজনে ফুকনৰ বক্তৃতাৰ ভূয়সী প্ৰশংসা কৰে। আমি থকা ঠাইলৈ উভতি অহাৰ পাছত ফুকন ডাঙৰীয়াই আমাক ক'লে, "তোমালোকে ভয় কৰিছিলা মই কিবা 'আবল-তাবল' কওঁ বুলি। দেখিলানে মোৰ বক্তৃতা বঙালীসকলে কেনেদৰে প্ৰশংসা কৰিলে? মই তেওঁলোকৰ ধাতু বুজি পাওঁ। তেওঁলোকে গুণীৰ মোল বুজে।" ০ ০ ০ ফুকন ডাঙৰীয়াই এই কথা পাছত কেইবাজনো ব্যক্তিৰ আগত কৈছিল।

বাগ্মীবৰ ফুকন ৰাজনৈতিক নেতা নহয়; কিন্তু ৰাজ-নৈতিক নেতাৰ গুণ তেওঁৰ গাত নথকা নহয়। তেওঁ পোনতে আছিল উদাৰপন্থী। দৈনিক বাতৰিৰ সম্পাদক থকা কালত অসম সংৰক্ষিণী সভাৰ প্ৰচাৰ-কাৰ্যত উঠি পৰি লাগে। তাৰ পাছতহে কংগ্ৰেছত যোগ দিয়ে। তেওঁ ১৯৪২ চনত কাৰাবৰণ কৰে। তেওঁ এবাৰ (১৯২১ চন) অসম কাউন্সিলৰ সদস্য নিৰ্বাচিত হৈছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত তেওঁ দুবাৰকৈ (১৯৪৮, ১৯৫২) অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। বিধান সভাৰ সদস্যৰূপে তেওঁ দলৰ আনুগত্য প্ৰকাশ কৰাতকৈ নিজৰ বিচাৰ-বুদ্ধি অনুযায়ীহে চালিত হৈছিল। আজি মেঘালয় ৰাজ্য হৈছে। এই ৰাজ্য সৃষ্টি হোৱাৰ পূৰ্বে তাৰ বিৰুদ্ধে জনমত সৃষ্টি হৈছিল। সাহিত্য সভায়ো তাৰ বিৰুদ্ধে মত প্ৰকাশ কৰিছিল। ফুকন ডাঙৰীয়াই পাৰ্বত্য ৰাজ্যৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি এখন পুস্তিকা প্ৰকাশ কৰে। অসম খণ্ড-বিখণ্ড কৰাৰ পৰিকল্পনা তেওঁৰ প্ৰাণে সহিব নোৱাৰিছিল।

ফুকন ডাঙৰীয়া ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ যথাৰ্থ উত্তৰাধিকাৰী। সেই কাৰণে অসমৰ স্বাৰ্থৰ উপৰি অসমীয়া ভাষা-সাহিত্যক সৰ্বতোপ্ৰকাৰে ৰক্ষা কৰি তাৰ উন্নতি সাধন কৰা তেওঁৰ জীৱনৰ মহামন্ত্ৰ আছিল। তেওঁ অসম আৰু অসমীয়াৰ জাতীয় স্বাৰ্থত টোপ পৰিবলৈ নিদি অহৰহ সংগ্ৰাম কৰি-ছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা তেওঁ দৃঢ়ভাৱে কৈছিল— "ইংৰাজৰ আমোলত অসমৰ সীমাৰ চাপ মাৰোঁতে কাৰ কেইটা কোটি-কলীয়া ৰাইৰ চাপ বহিল, কাৰ পিতনি এখন আহি চাৰি চাপৰ ভিতৰত সোমাল, তালৈ ভ্ৰূক্ষেপ নকৰি, জৰে-মৰে গোলোকগঞ্জতে অসমৰ সীমাৰ চাপ মৰা হ'ল যদিও, অসমীয়া ভাষা আৰু সাহিত্যৰ বৰগছজোপাৰ শিপা খাম্বিলে চাপৰ সিপাৰে ৰংপুৰ, জলপাইগুৰি, কোচবিহাৰলৈ এতিয়া ওলাব। পূৰণি কামৰূপ ৰাজ্যৰ সাৰুৱা মাটিয়ে তাক এতিয়াও তলে তলে শিপাই ৰাখিছে। এনে জোপা বৰগছ দুভাল ৰঘুমলাই মাৰিব নোৱাৰে। এটা অঁাজোৰৰ বন। কেৱল সকলোৱে সমানে বল দি অঁাজোৰ এটা মাৰিলেই হয়" (শিৱসাগৰ, ১৯৪৪)। কেনে দৃঢ় মন! ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা (১৯৪৭) অসম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলনত সভাপতিৰূপে তেওঁ কয়— " ০ ০ অসমীয়া সংস্কৃতিৰ এটা নতুন ৰূপ আহিছে বুলি যেন কোনে কাণে কাণে কৈ গ'ল। পৰ্বতৰ বুকুত লাগি তাৰেই প্ৰতিধ্বনি হৈছে। লুইতৰ পাৰত তাৰেই ৰিং মাৰ গৈছে। অসমৰ সুপ্ত লুপ্ত গৌৰৱে সাৰ পাই নিজৰ তন্দ্ৰাৱস্থাৰ কথা ভাবি লাজ পাইছে। জাতিৰ অগ্ৰদূত ভৱিষ্যতৰ কাণে কাণে মাতৃৰ অমোঘ বাণী শুনাই থৈ আহিবলৈ আকৌ জয়-যাত্ৰা আৰম্ভ কৰিছে। দ্বিধাৰ ঠাই নাই; অবি-শ্বাসৰ, বিশ্বাসঘাতকতাৰ কথা শুনি পাপত লিপ্ত হ'বৰ এইটো ক্ষণ নহয়।" তেওঁ কৰ্তব্যৰ কথা সোঁৱৰাই দিছে।

এবাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ এজন সদস্যই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়াৰ পৰিবৰ্তে ইংৰাজী হ'ব লাগে বুলি এটা প্ৰস্তাৱ দিলে। ফুকনে যোৰহাটৰ দুজন সদস্যক তেওঁকো লগত নিবৰ কাৰণে ক'লে; কিয়নো ফুকন ডাঙৰীয়াৰ স্বাস্থ্য পৰি আহিছে। ফুকনে সেইবাৰ ক'ৰ্টৰ সভালৈ গৈ প্ৰায় এঘণ্টা কাল শিক্ষাৰ মাধ্যম অস-মীয়াকে ৰাখিব লাগে বুলি অকাট্য যুক্তি দাঙি ধৰিলে। ফুকনৰ অঁাকোৰগোজ মনোভাৱৰ কাৰণে বিশ্ববিদ্যালয়ত পূৰ্বৰ ব্যৱস্থায়েই বাহাল থাকিল। ফুকন ডিব্ৰুগড়লৈ গৈছিল কেৱল মাত্ৰ উক্ত প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈহে।

ফুকন ডাঙৰীয়াৰ মানত মাতৃভূমি স্বৰ্গতকৈয়ো শ্ৰেষ্ঠ, যেন—

"দুখীয়াৰ ভগা পঁজা একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম"।

সেয়েহে অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উৎসৱত (১৯৭৭) শেষ ভাষণ দি ফুকন ডাঙৰীয়াই কৈছিল— "মোৰ মৃত্যু যদি অসমৰ বাহিৰত ক'ৰবাত হয়, তোমালোকক কৈছোঁ— ৰেলৰ তৃতীয় শ্ৰেণীৰ ডবাত হ'লেও মোৰ মৰা শটো তোমালোকে যেনেতেনে আনি গোলোকগঞ্জৰ ইপাৰে অসমৰ মাটিলৈ দলিয়াই দিবাহঁক। মই যেন অসমৰ ধূলিৰ লগত মিলি থাকিব পাৰোঁ।" মাতৃভূমিৰ প্ৰতি কেনে অকৃত্ৰিম অনুৰাগ!

ফুকন অসম সাহিত্য সভাৰ সৈতে ইয়াৰ জন্মলগ্নৰ-পৰা জড়িত। তেওঁ অসম সাহিত্য সভাৰ প্ৰায় কেইখন বাৰ্ষিক সন্মিলনত যোগ দিছিল। ১৯৫৩ চনত ড° সূৰ্যকুমাৰ ভূঞাৰ সভাপতিত্বত অসম সাহিত্য সভাৰ দ্বাবিংশ অধিৱেশন অনুষ্ঠিত হয়। সেই অধিৱেশনৰ বিষয়-বাছনী সভা সন্ধিয়াৰপৰা পুৱতি নিশালৈকে বহে। এবাৰ আজীৱন সভ্যৰ প্ৰতিনিধিত্ব প্ৰসঙ্গত নিয়মাৱলী সংশোধনৰ কথা উঠিল। এই প্ৰসঙ্গত বাগ্মীবৰ ফুকন আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ ভিতৰত বহুত সময় কথাৰ কটা-কটি চলিল। ফুকনেও বয়সৰ ব্যৱধান পাহৰি নিজৰ অভিমত প্ৰতিপন্ন কৰিবৰ কাৰণে চেষ্টা কৰিব খুজিলে। অৱশ্যে শেহত শ্ৰীমান গোস্বামীৰ সংশোধনিটো সামান্য সাল-সলনি কৰি গ্ৰহণ কৰা হ'ল। তেতিয়াৰ প্ৰধান সম্পাদক কেশৱনাৰায়ণ দত্তই বিষয়-বাছনী সভাত সম্পাদকৰ প্ৰতিবেদনৰ লগত পৰীক্ষিত হিচাপ দাঙি নধৰিলে। পাছদিনা মুকলি অধিৱেশনত প্ৰধান সম্পাদকে প্ৰতিবেদন পাঠ কৰাৰ পাছত প্ৰতিবেদনখন গ্ৰহণ কৰা লৈ সমস্যাৰ উদ্ভৱ হ'ল। প্ৰধান সম্পাদকে কি কাৰণত হিচাপ দাঙি ধৰিব নোৱাৰিলে, তাক বিবৰি ক'লে। বিদায়ী সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰীয়েও প্ৰধান সম্পাদকৰ মতকে সমৰ্থন কৰি প্ৰতিবেদন গ্ৰহণ কৰিব লাগে বুলি অভিমত

( ১৩ পৃষ্ঠাত চাওক )

# বাগ্মীবৰ নীলমণি ফুকন আৰু জৰ্জ ইনষ্টিটিউশ্বন

('বাগ্মীবৰ নীলমণি ফুকন আৰু জৰ্জ ইনষ্টিটিউশ্বন' এই শিতানত আমাৰ অনুৰোধক্ৰমে যি তিনিগৰাকী ব্যক্তিয়ে একোটিকৈ টোকা লিখি পঠাইছে, তেখেতসকলৰ প্ৰতিগৰাকীয়েই জৰ্জ ইনষ্টিটিউশ্বনত ৺ফুকনৰ সহকৰ্মী আছিল। শ্ৰীকৃষ্ণকান্ত পাটে বি.এছ-চি, বি-টি জৰ্জ ইনষ্টিটিউশ্বনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক। বৰ্তমান তেখেতৰ বয়স ৮০ বছৰ। শ্ৰীগোলোৰাম ডুৱৰা বি-এ, বি-টি অনুষ্ঠানটোৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক। তেখেতৰ বয়স বৰ্তমান ৮৯ বছৰ। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা জৰ্জ ইনষ্টিটিউশ্বনৰ একালৰ 'বোৰ্ডিং ঘৰৰ ছুপাৰিন্‌টেণ্ডেণ্ট' আছিল। তেখেতো বৰ্তমান ৮৩ বছৰীয়া। তিনিওগৰাকীৰ টোকাত প্ৰসঙ্গ-বিশেষৰ পুনৰুক্তি ঘটিলেও তেখেতসকলৰ বক্তব্য আমি যথাযথভাৱেই আগবঢ়াইছোঁ।

— পত্ৰিকা সম্পাদক)

## শ্ৰীকৃষ্ণকান্ত পাটে

ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউশ্বন বাগ্মীবৰ স্বৰ্গীয় নীলমণি ফুকনদেৱৰ অসমৰ শিক্ষা জগতলৈ আগবঢ়োৱা সেৱা-কাৰ্যৰ যুগমীয়া কীৰ্তিস্তম্ভ। ১৯১২ খ্ৰীষ্টাব্দৰ ২ ফেব্ৰুৱাৰী তাৰিখে বাগ্মীবৰ ফুকনদেৱৰ অক্লান্ত পৰিশ্ৰমৰ ফলত জৰ্জ ইনষ্টিটিউশ্বন স্থাপিত হয়। ফুকনদেৱ এই শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকেই নাছিল; ফুকনদেৱ আছিল জৰ্জ ইনষ্টিটিউশ্বনৰ প্ৰকৃত গঢ় দিওঁতা, ইংৰাজীত ক'বলৈ গ'লে the life-blood of the George Institution. সেই সময়ৰ বৃটিছ গৱৰ্ণমেণ্টৰ পৃষ্ঠপোষকতা লাভ কৰাৰ উদ্দেশ্যে, সম্ৰাট পঞ্চম জৰ্জৰ ভাৰত আগমন উপলক্ষে ১৯১১ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত দিল্লীত অনুষ্ঠিত হোৱা দৰবাৰৰ সোঁৱৰণি স্বৰূপে ডিব্ৰুগড়ত নতুনকৈ স্থাপিত হোৱা এই বাজহুৱা শিক্ষানুষ্ঠানটিৰ নাম 'জৰ্জ ইনষ্টিটিউশ্বন' ৰখাত ফুকনদেৱেই আগভাগ লৈছিল। সেই সময়ত আমাৰ দেশ ইংৰাজৰ অধীনত আছিল। গতিকে এই নামটিৰ প্ৰতি আদৰণি জনোৱাৰ বাহিৰে বিকল্প পথ নাছিল। বিচক্ষণ বুদ্ধিৰ ফুকনদেৱেও সময়ৰ শব সময়ত মাৰি জৰ্জ ইনষ্টিটিউশ্বনক সম্পূৰ্ণ গঢ় দিয়াৰ ক্ষেত্ৰত সেই সময়ৰ ইংৰাজ বিষয়াবৰ্গ আৰু ইংৰাজ চাহ-খেতিয়ক সকলৰপৰা পৃষ্ঠপোষকতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। ১৯২২ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰী মাহত স্বৰ্গীয় ফুকনদেৱে মোক জৰ্জ ইনষ্টিটিউশ্বনত সহকাৰী শিক্ষকৰূপে নিযুক্তি দিয়ে। সুদীৰ্ঘ ত্ৰকুৰি ত্ৰবছৰ কাল শিক্ষকতা কৰি ১৯৬৩ খ্ৰীষ্টাব্দৰ ৩১ ডিচেম্বৰৰ দিনা মই প্ৰধান শিক্ষক হিচাপে জৰ্জ ইনষ্টিটিউশ্বনৰপৰা অৱসৰ গ্ৰহণ কৰোঁ। মই ফুকনদেৱক পাঁচ বছৰ কাল প্ৰধান



শিক্ষক হিচাপে পাইছিলোঁ। সেই সময়ত ফুকনদেৱে স্কুলখনৰ উন্নতিৰ অৰ্থে দেহে-কেহে খাটিছিল। এই ক্ষেত্ৰত স্বৰ্গীয় মোহনলাল বৰুৱা, ডাঃ লক্ষ্মী প্ৰসাদ চলিহা আৰু সেই সময়ৰ ডিব্ৰুগড়ৰ খ্যাত-নামা উকীলসকলে আগবঢ়োৱা সহায়-সহযোগৰ কথাও উল্লেখযোগ্য। জৰ্জ ইনষ্টিটিউশ্বন নিৰ্মাণ আঁচনিৰ সফল ৰূপায়ণৰ বাবে ফুকনদেৱ নিঃস্বাৰ্থ-ভাৱে আগবাঢ়ি আহিছিল। হাতত ভিক্ষাজুলি লৈ ফুকনদেৱ আৰ্থিক সাহায্য বিচাৰি ৰাইজৰ মাজলৈ সোমাই গ'ল। ফুকনদেৱৰ অভিযান সফল হ'ল। যেয়ে যেনেকৈ পাৰে, জৰ্জ ইনষ্টিটিউশ্বন নিৰ্মাণ পুঁজিলৈ দান-বৰঙনি আগবঢ়াবলৈ ধৰিলে। ফুকনদেৱৰ পুঁজি-সংগ্ৰহৰ কৌশলত মুগ্ধ হৈ ছাৰ আৰ্চডেল আৰ্ল চাহাবে ফুকনদেৱক 'king of beggars' বুলি অভিহিত কৰিছিল। ১৯১২ খ্ৰীষ্টাব্দৰপৰা ১৯২৩ খ্ৰীষ্টাব্দৰ ভিতৰত জৰ্জ ইনষ্টিটিউশ্বনৰ ঘৰ-দুৱাৰ, ছাত্ৰাবাস, খেল-পথাৰ আদি সকলো আৱশ্যকীয় অঙ্গ সম্পূৰ্ণ হৈ উঠিল। প্ৰথম অৱস্থাত ভেৰোণীয়া ঘৰত স্কুল বহিছিল। ছাত্ৰা-বাসৰ দুটা অংশ আছিল। এটা অংশ বৰ্তমান ব্ৰহ্মপুত্ৰৰ গৰ্ভত বিলীন হৈ গ'ল। বৰ্তমানৰ যিটো ছাত্ৰাবাস স্কুলৰ চৌহদত আছে, তাৰ নাম জৰ্জ আৰ্ল হোষ্টেল। ১৯১৩ খ্ৰীষ্টাব্দত স্থাপিত হোৱা এই ছাত্ৰাবাসটো প্ৰথমে খেৰী ঘৰ আছিল। ১৯১৩ খ্ৰীষ্টাব্দত ডিব্ৰুগড় পল' গ্ৰাউণ্ডৰ ইণ্ডিয়ান ৰেজিমেণ্টৰ চাহাবৰ বঙলা ঘৰ এটাৰ কাঠ আৰু টিনপাত আনি বৰ্তমানৰ থকা ঠাইতে ফুকনদেৱে জৰ্জ আৰ্ল হোষ্টেলক স্থায়ী ৰূপ দিয়ে। ১৯৩০ খ্ৰীষ্টাব্দত এই হোষ্টেলতে স্বৰ্গীয় কনকলাল বৰুৱাৰ সভাপতিত্বত অসম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলন সুচাৰুৰূপে সম্পন্ন হয়।

ইউৰোপীয়ান সম্প্ৰদায়ৰ মাজত ফুকনদেৱ বৰ জন-প্ৰিয় আছিল। ডিব্ৰু নৈৰ পাৰৰ সেন্দুৰী আলিত ইউৰোপীয়সকলৰ 'মেচানিক লজ' নামৰ এটা ক্লাব-ঘৰ আছিল। গৱৰ্ণৰৰ দৰে বিশিষ্ট লোকসকল আহিলে সাধাৰণতে তাত চাহ-মেল আৰু অভ্যৰ্থনা হয়। ফুকনদেৱ সেই লজৰ এজন সৰবৰহী সক্ৰিয় সদস্য আছিল। সেই সময়ত আমি একেজন ফুকনকে দুটা ৰূপত দেখা পাইছিলোঁ— জৰ্জ ইনষ্টিটিউশ্বনৰ প্ৰধান শিক্ষক নীলমণি ফুকন আৰু চাহাব নীলমণি ফুকন। বৃহৎ স্বাৰ্থ পূৰণৰ বাবে ফুকনদেৱে ইউৰোপীয়ান

---

(১১ পৃষ্ঠাৰ পিছৰপৰা)

প্ৰকাশ কৰিলে। ফুকন ডাঙৰীয়াই সম্পাদকৰ প্ৰতিবেদন গ্ৰহণ কৰিব নোৱাৰি বুলি সমৰ্থনত যুক্তি প্ৰদৰ্শন কৰিলে। সভাপতি বিমোৰত পৰিল। শেহত তেওঁ দুয়োৰে মাজত থিয় দি ক'লে, "আপোনা-লোক দুয়ো প্ৰবীণ সাহিত্যিক, দুয়ো শীৰ্ষ স্থানীয় ব্যক্তি। আপোনালোক খন্তেক নিজ নিজ আসনত বহি কথাটো প্ৰতিনিধিসকললৈ এৰি দিয়ক।" ড° ভূঞাৰ বিনয়-বচনত দুয়োগৰাকী সন্মানিত ব্যক্তি বহি পৰিল। পৰিবেশ সলনি হ'ল।

মূৰ্তৰ ওপৰত, বাগ্মীবৰ নীলমণি ফুকন অসাধাৰণ ব্যক্তিত্বসম্পন্ন লোক আছিল। তেওঁৰ ব্যক্তিত্বই তেওঁক জাতীয় নেতাৰ সন্মান দিলে। তেওঁ অসম সাহিত্য সভাৰ লাইখুটাস্বৰূপ আছিল। ওখ, বিশাল বপু, পকা থেকেৰাৰ নিচিনা বৰণ, শিশুৰ দৰে সৰল, ওখ মন, উজ্জ্বল নেত্ৰ, শুভ্ৰ বস্ত্ৰপৰিহিত বাগ্মীবৰ ফুকন ডাঙৰীয়াৰ ব্যক্তিত্বই অসমীয়া জাতিক যেন আৱৰি ৰাখিছিল। সেয়েহে অসম ৰাজ্য আৰু অসমীয়া ভাষা-সাহিত্যৰ কোনো সমস্যা উদয় হ'লে ফুকন ডাঙৰীয়াই আগ-ভাগ লৈ সমস্যা সমাধানত সহায় কৰিছিল। এনে এজন গুণী-জ্ঞানী পিতামহ-সদৃশ পুৰুষৰ মৃত্যুত আমাৰ জাতীয় জীৱন আৰু ভাষা-সাহিত্যৰ অপূৰণীয় ক্ষতি হ'ল। ×××

সমাজৰ লগত মিলি থাকিব লগা হৈছিল। ফুকনদেৱৰ মুখৰপৰাই সেই কথা প্ৰকাশ পাইছিল। দান-বৰঙনি সংগ্ৰহৰ কামত ফুকনদেৱ সিদ্ধহস্ত আছিল। অন্যান্যসকলৰ উপৰিও ফুকনদেৱে জৰ্জ ইন্‌ষ্টিটিউশ্বন পুঁজিৰ কাৰণে পেঙৰি চাহাবৰপৰা এহাজাৰ টকা, তামোলবাৰী চাহ বাগিছাৰ স্বৰ্গীয় ধীৰেন আগৰৱালাৰপৰা এহাজাৰ টকা, বজালনি বাগিছাৰ মালিক চি. এইচ, ছামাৰৰপৰা এহাজাৰ টকা সংগ্ৰহ কৰিছিল।

জৰ্জ ইন্‌ষ্টিটিউশ্বনৰ গ্ৰন্থাগাৰটো স্বৰ্গীয় মালভোগ বৰুৱাৰ সোঁৱৰণিত উছৰ্গা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দি তেখেতৰ সুযোগ্য পুত্ৰ স্বৰ্গীয় প্ৰসন্নকুমাৰ বৰুৱা দেৱৰপৰা ফুকনদেৱে পাঁচ শ টকাৰ দান সংগ্ৰহ কৰি সেই ধনেৰে জৰ্জ ইন্‌ষ্টিটিউশ্বন গ্ৰন্থাগাৰ মুকলি কৰিছিল। তেখেতৰ যত্নতেই পোন প্ৰথমে জৰ্জ ইন্‌ষ্টিটিউশ্বনে মাহে তিনি শ টকা চৰকাৰী সাহায্য লাভ কৰে। তাৰ পাছত সেই সাহায্য পাঁচ শ টকালৈ বৃদ্ধি পায়। ১৯৫৬ খ্ৰীষ্টাব্দৰপৰা জৰ্জ ইন্‌ষ্টিটিউশ্বনে ঘাটি মঞ্জুৰি লাভ কৰে।

প্ৰধান শিক্ষক হিচাপে ফুকনদেৱে শিক্ষাদান, প্ৰশাসন আৰু শিক্ষানুষ্ঠানটিক গঢ় দিয়াকে ধৰি তিনি তৰপীয়া কাম সম্পাদন কৰা পৰিলক্ষিত হৈছিল। প্ৰধান শিক্ষক হিচাপে ফুকনদেৱে সম্পূৰ্ণৰূপে নিয়মানুৱৰ্তিতা মানি চলিছিল আৰু তেখেতৰ ব্যক্তিত্বত মুগ্ধ হৈ শিক্ষক আৰু ছাত্ৰ-সমাজেও নিয়মানুৱৰ্তিতা পালন কৰি স্কুলখনৰ সৰ্বাঙ্গীন উন্নতিৰ অৰ্থে চেষ্টা কৰিছিল। সম্ভ্ৰান্ত পৰিয়ালৰ ছাত্ৰসকলেও চৰকাৰী স্কুললৈ নগৈ জৰ্জ ইন্‌ষ্টিটিউশ্বনতহে পঢ়িবলৈ মন মেলিছিল। ফুকনদেৱে সদায় দশম শ্ৰেণীত ইংৰাজীৰ শিক্ষাদান কৰিছিল। তেখেত নথকা অৱস্থাত স্বৰ্গীয় গোবিন্দচন্দ্ৰ শৰ্মাদেৱে দশম শ্ৰেণীত ইংৰাজীৰ শিক্ষা দিছিল। প্ৰত্যেক মাহৰ পোন্ধৰ তাৰিখে আমি আধাখিনি মাহিলি বেতন পাইছিলোঁ। বাকী অংশ চৰকাৰী সাহায্য আহিলে লৈছিলোঁ। ছাত্ৰৰপৰা সংগ্ৰহ কৰা ধনেৰে সম্পূৰ্ণৰূপে বেতন লবলৈ নুজুৰিছিল। ফুকনদেৱে চাহ বাগিচা খুলি তাৰ লাভাংশৰ এক অংশ জৰ্জ ইন্‌ষ্টিটিউশ্বন পুঁজিলৈ দান দিয়াৰ কথাও চিন্তা কৰিছিল। তেখেতে ডেকা বয়সৰ বেছি ভাগ সময় আৰু শক্তি জৰ্জ ইন্‌ষ্টিটিউশ্বনৰ সৰ্বাঙ্গীন উন্নতিৰ হকে নিয়োগ কৰিছিল। ছাইমন কমিছনৰ পাছত ১৯২৭ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত ফুকনদেৱে তেখেতৰ প্ৰাণাধিক মৰমৰ জৰ্জ ইন্‌ষ্টিটিউশ্বনক এখন স্বয়ংসম্পূৰ্ণ আদৰ্শ হাইস্কুলত পৰিণত কৰি উত্তৰাধিকাৰীসকলৰ হাতত সমৰ্পণ কৰি এখন বিশাল কৰ্মক্ষেত্ৰত অৱতীৰ্ণ হয়। ১৯৫০ খ্ৰীষ্টাব্দৰ প্ৰলয়ঙ্কৰী ভূমিকম্পত স্কুলখন বিধ্বস্ত হোৱাত ফুকনদেৱে তাৰ মেৰামতিৰ অৰ্থে আৱশ্যকীয় আৰ্থিক সাহায্য আগবঢ়াবলৈ অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ১৯৫৪ খ্ৰীষ্টাব্দৰ ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰা-খহনীয়াৰ ফলত ডিব্ৰুগড় নগৰৰ এক বিৰাট অংশ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছিল। মহাবাহু ব্ৰহ্মপুত্ৰই জৰ্জ ইনষ্টিটিউশ্বনৰ সীমা স্পৰ্শ কৰি থমকি ৰোৱা দৃশ্য দেখি বাগ্মীবৰ ফুকনদেৱে কৈছিল— "মই অন্তৰ্দৃষ্টিৰে দেখা পাইছোঁ, মোৰ জীৱদ্দশাত মহাবাহু ব্ৰহ্মপুত্ৰই কেতিয়াও জৰ্জ ইনষ্টিটিউশ্বন থহাই নিনিয়ে। তথাপি মই ভাবোঁ, আগতীয়াকৈ জৰ্জ ইনষ্টিটিউশ্বনৰ কাৰণে আৱশ্যকীয় মাটিৰ ব্যৱস্থা কৰি ৰখাটো চৰকাৰ আৰু পৰিচালনা সমিতিৰ নিতান্ত কৰ্তব্য। বিষয়টোৰ প্ৰতি মই অসমৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। মোৰ ডেকা কালৰ সমস্ত শক্তি প্ৰয়োগ কৰি নিৰ্মাণ কৰা জৰ্জ ইনষ্টিটিউশ্বন ভাঙি নিয়া দৃশ্য মই এই দুটা চকুৰে চাবলৈ সমুলি প্ৰস্তুত নহওঁ।"



স্বৰ্গীয় শিৱৰাম শৰ্মা বৰদলৈ জৰ্জ ইনষ্টিটিউশ্বন পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আৰু স্বৰ্গীয় দুৰ্গানাথ চাংকাকতী প্ৰতিষ্ঠাপক সম্পাদক আছিল। বৰদলৈৰ পাছৰপৰাই লক্ষীমপুৰ জিলাৰ উপায়ুক্তগৰাকী এই বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু প্ৰধান শিক্ষকগৰাকী সম্পাদক হোৱাৰ পৰম্পৰা এটা গঢ়ি উঠে। স্বৰ্গীয় ফুকনদেৱ তিনিবাৰ জৰ্জ ইনষ্টিটিউশ্বন পৰিচালনা সমিতিৰ সভাপতি আছিল। সেই দায়িত্বও ফুকনদেৱে দক্ষতাৰে পালন কৰিছিল।

মিষ্টাৰ গানিং জৰ্জ ইনষ্টিটিউশ্বন পৰিচালনা সমিতিৰ প্ৰথম চৰকাৰী সভাপতি আছিল। ১৯৩৭ খ্ৰীষ্টাব্দত জৰ্জ ইনষ্টিটিউশ্বনৰ ৰূপালী জয়ন্তী উৎসৱ আৰু ১৯৬২ খ্ৰীষ্টাব্দত সোণালী জয়ন্তী উৎসৱ কৃতকাৰ্যতাৰে সম্পন্ন হয়। এই দুয়োটা অনুষ্ঠানতে ফুকনদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতিৰূপে উপস্থিত থাকি জয়ন্তী উৎসৱৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে প্ৰেৰণাময়ী বাণীৰে জৰ্জ ইনষ্টিটিউশ্বনৰ প্ৰতি থকা তেখেতৰ মধুৰ সম্পৰ্কৰ কথা এইদৰে প্ৰকাশ কৰিছিল: "আজি অসমৰ পাৰে-ভূঞে, পৰ্বতে-কন্দৰে জৰ্জ ইনষ্টিটিউশ্বনৰ ছাত্ৰই নানা ঠাইত আকত জিলিকা হৈ চৰকাৰী আৰু ৰাজহুৱা কাম কৰিব লাগিছে। মই তাত আনন্দ পাইছোঁ। একালত জৰ্জ ইনষ্টিটিউশ্বনৰ প্ৰাঙ্গন পিতনিময় আছিল। আজি তাত জ্ঞানৰ বন্তি জ্বলি উঠিছে। ইয়াৰ প্ৰতি ধূলিকণাৰ লগত মোৰ জীৱন সংশ্লিষ্ট। জৰ্জ ইনষ্টিটিউশ্বনৰ প্ৰাঙ্গন মোৰ তীৰ্থ স্থান।"

ডিব্ৰুগড় নগৰৰ নতুন বজাৰৰ যি ঠাইত বৰ্তমান মছজিদটো অৱস্থিত, সেই ভেটিতে ১৮৮০ খ্ৰীষ্টাব্দৰ ২২ জুন তাৰিখে দুৱৰা বংশৰ লম্বোদৰ খাৰঘৰীয়া ফুকনৰ সুযোগ্য পুত্ৰ স্বৰ্গীয় নীলমণি ফুকনদেৱৰ জন্ম হয়। ফুকনদেৱৰ কৰ্মবহুল জীৱনৰ অৰ্দ্ধেক কালৰ স্মৃতি ডিব্ৰুগড়ৰ প্ৰতি ধূলিকণাৰ লগত বিজড়িত হৈ আছে। সেই কালৰপৰা ডিব্ৰুগড়ত ফুকনদেৱৰ স্থায়ী স্মৃতি ৰক্ষা কৰিব পাৰিলেহে সেই পুণ্যাত্মাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা নিবেদন কৰা হ'ব। এই সাধু কামে ফুকনদেৱৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেখেতৰ গুণমুগ্ধসকলৰো মহানুভৱতাৰ পৰিচয় দিব। ফুকনদেৱৰ দেশ-সেৱাৰ আদৰ্শ তৰুণ শক্তিৰ কাৰণে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব। আজি ফুকনদেৱ আমাৰ মাজত নাই। কিন্তু তেখেতৰপৰা লাভ কৰা উৎসাহ-উদ্দীপনা আৰু জনসেৱাৰ আদৰ্শই জন-মানসত বাগ্মীবৰ নীলমণি ফুকনদেৱক চিৰসেউজীয়া কৰি ৰাখিছে। এইগৰাকী সৰ্বগুণাকৰ পুৰুষৰ ওচৰত আমি সকলোৱেই ঋণী। জৰ্জ ইনষ্টিটিউশ্বন চিৰঋণী। জয়তু বাগ্মীবৰ নীলমণি ফুকনদেৱ।

---

## শ্ৰীবালোৰাম দুৱৰা

১৯১৮ খ্ৰীষ্টাব্দত মই ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউশ্বনত কৰ্মজীৱনৰ পাতনি মেলি ১৯৬১ খ্ৰীষ্টাব্দত সেই বিদ্যালয়ৰপৰাই সহকাৰী প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰোঁ। ১৯২৬ খ্ৰীষ্টাব্দলৈকে সহকাৰী শিক্ষক আৰু ১৯২৭ খ্ৰীষ্টাব্দৰপৰা ১৯৬১ খ্ৰীষ্টাব্দলৈকে মই জৰ্জ ইনষ্টিটিউশ্বনৰ সহকাৰী প্ৰধান শিক্ষক আছিলোঁ। ১৯১২ খ্ৰীষ্টাব্দৰ দুই ফেব্ৰুৱাৰীৰ দিনা বাগ্মীবৰ নীলমণি ফুকনদেৱৰ ত্যাগ আৰু কঠোৰ পৰিশ্ৰমৰ বিনিময়ত জৰ্জ ইনষ্টিটিউশ্বনে প্ৰতিষ্ঠা লাভ কৰে। মই ফুকনদেৱক প্ৰধান শিক্ষক হিচাপে পাইছিলোঁ। ফুকনদেৱ জৰ্জ ইনষ্টিটিউশ্বনৰ প্ৰাণ-প্ৰতিষ্ঠাতা আছিল, প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল। প্ৰকৃততে কবলৈ গ'লে জৰ্জ ইনষ্টিটিউশ্বনক যদি এখন প্ৰতিমাৰ লগত তুলনা কৰা হয়, তেনেহলে নীলমণি ফুকনদেৱ আছিল

সেই প্ৰতিমাৰ খনিকৰ।

১৯১২ খ্ৰীষ্টাব্দৰ আগতে ডিব্ৰুগড়ত একমাত্ৰ চৰকাৰী হাইস্কুলৰ বাহিৰে আন এটা নিৰ্ভৰযোগ্য ৰাজহুৱা শিক্ষানুষ্ঠান নাছিল। বিড্‌ছ স্কুলখন ভাগি যোৱাৰ পাছত ডিব্ৰুগড়ত এখন ৰাজহুৱা হাইস্কুলৰ আৱশ্যকতা অনুভৱ কৰি স্বৰ্গীয় ডাঃ লক্ষ্মীপ্ৰসাদ চলিহা, স্বৰ্গীয় মোহনলাল বৰুৱা স্বৰ্গীয় শিৱৰাম শৰ্মা বৰদলৈ, স্বৰ্গীয় ৰাধানাথ চাংকাকতী, স্বৰ্গীয় দুৰ্গানাথ চাংকাকতী প্ৰমুখ্যে কেইবাগৰাকীও শিক্ষানুৰাগী ব্যক্তিয়ে নতুনকৈ এখন হাইস্কুল স্থাপন কৰিবলৈ আগবাঢ়ি আহিছিল। সেই সময়ত ফুকনদেৱ বি,এ পাছ কৰি ডিব্ৰুগড়তে আছিল। তেখেতকো এই হাইস্কুল স্থাপনৰ কামত আত্মনিয়োগ কৰিবলৈ আহ্বান জনোৱা হয়। সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ফুকনদেৱে একাণ-পতীয়াকৈ সেই কামত লাগি যায়। ১৯১১ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত ইংলণ্ডৰ ৰজা আৰু তেতিয়াৰ ভাৰতৰ সম্ৰাট পঞ্চম জৰ্জৰ ভাৰতলৈ শুভাগমন উপলক্ষে দিল্লীত দৰবাৰ হৈছিল। ১৯১২ খ্ৰীষ্টাব্দৰ ২ ফেব্ৰুৱাৰীৰ দিনা ডিব্ৰুগড়ত প্ৰতিষ্ঠা হোৱা এই হাইস্কুলখনৰ নাম সকলোৰে লগত আলোচনা কৰি, ইংৰাজ চৰকাৰ আৰু ভাৰতত থকা ইউৰোপীয় চাহ খেতিয়কসকলৰ পৃষ্ঠপোষকতা লাভ কৰাৰ উদ্দেশ্যে আৰু সম্ৰাট পঞ্চম জৰ্জৰ ভাৰতত শুভ পদাৰ্পণ অনুষ্ঠানৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যে জৰ্জ ইন্‌ষ্টিটিউশ্যন নামেৰে নামকৰণ কৰাত স্বৰ্গীয় ফুকনদেৱেই আগভাগ লৈছিল। এইখিনিতে ফুকনদেৱৰ এটা মহৎ উদ্দেশ্য সাধনৰ ক্ষেত্ৰত প্ৰখৰ বুদ্ধি প্ৰকাশ পাইছিল। তাৰ পাছত ফুকনদেৱে সকলো কামৰপৰা নিজক আঁতৰাই ৰাখি, ভৰা যৌৱনৰ সুখ-সম্ভোগ ত্যাগ কৰি জৰ্জ ইন্‌ষ্টিটিউশ্যনক প্ৰথমে এখন স্বয়ংসম্পূৰ্ণ হাইস্কুল, পাছত কলেজ আৰু সৰ্বশেষত এখন বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ সঙ্কল্প গ্ৰহণ কৰিছিল। সেই কাম কৰিবলৈ যাওঁতে আমি ফুকনদেৱক এনেদৰে পাইছিলোঁ।

ফুকনদেৱে কোনো দিনেই প্ৰধান শিক্ষক হিচাপে আমাক ব্যৱহাৰ কৰা নাছিল। আমিও তেখেতক প্ৰধান শিক্ষক বুলি লোৱা নাছিলোঁ, বৰ ককাইদেউ হিচাপে লৈছিলোঁ। তেখেতে আমাক ভাইৰ দৰে ভাবিছিল। শিক্ষকসকলক পাৰ্যমানে সা-সুবিধা দিছিল। স্বৰ্গীয় যতীন্দ্ৰনাথ দুৱৰাদেৱক আমাৰ বিদ্যালয়ত নিযুক্তি দি থাকিবৰ কাৰণে বিদ্যালয়ৰ চৌহদতে ঘৰ সজাই দিছিল। ফুকনদেৱে জৰ্জ ইনষ্টিটিউশ্যনক এটা পৰিয়াল বুলি ভাবিছিল। ছাত্ৰসকলক নিজৰ পুত্ৰ যেন জ্ঞান কৰিছিল, ছাত্ৰসকলৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ কাৰণে সদায় যত্ন কৰিছিল। সতীৰ্থসকলৰ কথা বৈকুণ্ঠগামী হোৱাৰ আগলৈকে পাহৰা নাছিল। উল্লেখযোগ্য যে ফুকনদেৱৰ সহকৰ্মী গোবিন্দচন্দ্ৰ শৰ্মা আৰু মোহনচন্দ্ৰ বৰদলৈৰ পৰলোক গমনৰ বাতৰি পাই তেখেতে বৃদ্ধ অৱস্থাৰেই যোৰহাটৰপৰা ডিব্ৰুগড়লৈ আহি সমবেদনা জ্ঞাপন কৰিছিল। ফুকনদেৱে সকলো কাম নিৰ্দিষ্ট সময়তকৈ এখোজ আগতে কৰিছিল আৰু কথাই-কামে অনুশাসন মানি চলিছিল। দুপৰীয়া আধাঘণ্টা বিৰতিৰ সময়তো তেখেতে ছাত্ৰসকলৰ কাৰ্য-কলাপৰ প্ৰতি চকু ৰাখিছিল আৰু কোনো ছাত্ৰৰ বেয়া কাম চকুত পৰিলে ততালিকে সংশোধন কৰাইছিল। অভিভাৱক সকলৰ লগত সুসম্পৰ্ক ৰক্ষা কৰি চলিছিল। কেৱল জৰ্জ স্কুলৰ ছাত্ৰৰ ক্ষেত্ৰতেই নহয়, সকলো স্কুলৰ ছাত্ৰৰ স্বভাৱ-চৰিত্ৰৰ প্ৰতি ফুকনদেৱে চকু ৰাখিছিল আৰু 'ফুকন' বুলিলে সকলো ছাত্ৰই ভক্তি কৰিছিল।

ফুকনদেৱক আমি কৰ্মযোগীৰূপে পাইছিলোঁ।



তেখেত একেধাৰে সুবক্তা, সুকবি, সুসাহিত্যিক, সুদক্ষ শিক্ষক আৰু হাড়ে-হিমজুৱে দেশপ্ৰেমিক আছিল। ফুকনদেৱে জৰ্জ ইনষ্টিটিউশ্যনক ইমান ভাল পাইছিল যে তেখেতৰ ককাইদেৱেক স্বৰ্গীয় গনেশ ৰাম ফুকনে নীলমণি ফুকনদেৱক জৰ্জ ইনষ্টিটিউশ্যন এৰি আইনৰ শেষ পৰীক্ষা আৰু এম-এ পৰীক্ষা দিবৰ কাৰণে একাধিকবাৰ কোৱাতো ফুকনদেৱে জৰ্জ ইনষ্টিটিউশ্যনৰ উত্তৰোত্তৰ উন্নতিৰ কথা ভাবি আৰু ৰাইজৰ কথা পেলাব নোৱাৰি ককায়েকৰ সাকৰা পৰামৰ্শ প্ৰত্যাখ্যান কৰিব লগা হয়। জৰ্জ স্কুলৰ নিজা বুলিবলৈ মাটি, ঘৰ, ছাত্ৰাবাস, খেলৰ পথাৰ একোৱেই নাছিল। গতিকে প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিয়েই ফুকনদেৱ অতিশয় চিন্তাত পৰিল। অদম্য সাহস আৰু মনোবলৰ অধিকাৰী ফুকনদেৱে জৰ্জ ইনষ্টিটিউশ্যনক সম্পূৰ্ণ ৰূপ দিয়াৰ মানসেৰে ভিক্ষাৰ জুলি হাতত লৈ দান-বৰঙণি বিচাৰি অসমীয়া ৰাইজৰ উপৰি বিশেষকৈ ইংৰাজ চাহ খেতিয়কসকলৰ কাষ চাপিছিল। ৰাইচাইকেলত উঠি ফুকনদেৱে সমগ্ৰ লক্ষীমপুৰ জিলাত দান-বৰঙণি সংগ্ৰহৰ কামত ঘূৰি ফুৰিব লগা হোৱাত ১৯১৩ খ্ৰীষ্টাব্দত গোবিন্দচন্দ্ৰ শৰ্মাদেৱক সহকাৰী প্ৰধান শিক্ষক আৰু কেইগৰাকী-মান স্থায়ী সহকাৰী শিক্ষকক নিযুক্তি দিব লগা হয়। চাৰি বছৰ কাল অক্লান্ত পৰিশ্ৰম কৰি ফুকনদেৱে জৰ্জ ইনষ্টিটিউশ্যনৰ কাৰণে নিজা মাটি, ঘৰ-দুৱাৰ, ছাত্ৰাবাস, খেল-পথাৰ, চৰকাৰী সাহায্য আদি সকলো যাৱতীয় সা-সুবিধাৰ ব্যৱস্থা কৰিবলৈ সক্ষম হয়। এই কথা নকলেও হ'ব যে ফুকনদেৱৰ অসাধাৰণ ব্যক্তিত্ব আৰু বহুমুখী প্ৰতিভাই ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউশ্যনক সমগ্ৰ অসমৰ ভিতৰতে এটি আদৰ্শ শিক্ষানুষ্ঠানত পৰিণত কৰিলে। তেখেতৰ অশেষ যত্নৰ ফলত জৰ্জ ইনষ্টিটিউশ্যন অসমীয়া, বঙালী আদি বিভিন্ন ভাষা-ভাষী ছাত্ৰৰ এক মিলন-মন্দিৰত পৰিণত হয়। ফুকনদেৱৰ আন্তৰিক প্ৰচেষ্টাৰ ফলত ১৯১৩ খ্ৰীষ্টাব্দত জৰ্জ আৰ্ল হোষ্টেল স্থাপন কৰা হয়। ফুকনদেৱৰ পৰিচালনাত প্ৰত্যেক শনিবাৰে স্কুল ছুটীৰ পাছত জৰ্জ ইনষ্টিটিউশ্যনত আৰু জৰ্জ আৰ্ল হোষ্টেলত আলোচনা সভা অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানৰপৰা ছাত্ৰ-সমাজ বিশেষ-ভাৱে উপকৃত হৈছিল। আনহাতে, ফুকনদেৱৰ যত্নতেই জৰ্জ ইনষ্টিটিউশ্যন জাতীয়, ৰাজহুৱা আৰু সাহিত্য-সংস্কৃতিমূলক সকলো অনুষ্ঠানৰ প্ৰাণ-কেন্দ্ৰ হৈ পৰিছিল। মানুহে জৰ্জ ইনষ্টিটিউশ্যন বুলিলে 'ফুকনৰ স্কুল' বুলিহে জানিছিল। ১৯২৭ খ্ৰীষ্টাব্দৰ প্ৰথমাৰ্দ্ধৰপৰা স্বৰ্গীয় নীলমণি ফুকনদেৱে জৰ্জ স্কুল এৰিলে যদিও পৰলোক গমনৰ আগ মুহূৰ্তলৈকে স্কুলখনৰ সকলো খা খবৰ লৈ আছিল। আন কামত ডিব্ৰুগড়লৈ আহিলেও জৰ্জ ইনষ্টিটিউশ্যনৰ অভাৱ-অভিযোগৰ বুজ লৈ তেখেতে আনন্দ লভিছিল। প্ৰধান শিক্ষক হিচাপে ফুকনদেৱে কোনো ত্ৰুটী নোহোৱাকৈ স্কুলৰ সকলো কাম সম্পাদন কৰিছিল।

১৯২১-ৰ পৰা ১৯২৭ খ্ৰীষ্টাব্দলৈ নীলমণি ফুকন অসম বিধান পৰিষদৰ সদস্য আছিল। বিধায়ক হিচাপে ফুকনদেৱে ভালেমান জনহিতকৰ কাম কৰিছিল। জৰ্জ ইনষ্টিটিউশ্যনৰ উন্নতিৰ কথা সেই সময়তো বিশেষভাৱে চিন্তা কৰিছিল। ফুকনদেৱৰ যত্নতেই কোমল বয়সীয়া লোকক চিগাৰেট, বিৰি বিক্ৰী কৰিব নোৱাৰা আৰু তেনে লোকে ধূমপান কৰিলে শাস্তি বিধান কৰিব পৰা ধূমপান নিবাৰণ অধিনিয়ম-খন বিধান সভাত গৃহীত হৈছিল। এই সময়তে ফুকনদেৱে চৰকাৰী মাটি এডোখৰ পাই তাত এখন চাহ বাগিচা খুলিবলৈ লয়। ঈশ্বৰে সেই কামত ফুকনদেৱক একাণপতীয়াকৈ লাগিবলৈ নিদিলে। জনকল্যাণকৰ কামত জীৱন উচৰ্গা কৰি পৰমানন্দ লাভ কৰিবৰ কাৰণে ঈশ্বৰে ফুকনদেৱক চাহ বাগিচা খোলা কামৰপৰা আঁতৰাই লৈ গ'ল। ফুকনদেৱৰ

কৰ্মবহুল জীৱনৰ গতি সলনি হ'ল। শিক্ষাবিদ আৰু বিধায়ক ফুকনদেৱৰ ভাৰতৰ মুক্তি-আন্দোলন, অসম সংৰক্ষিণী সভা, অসম সাহিত্য সভা, অসম জাতীয় মহাসভা, সৰ্বোদয় আন্দোলন, বিশ্বশান্তি পৰিষদ আদিৰ মাধ্যমেৰে দেশ-সেৱাৰ ব্ৰতত ব্ৰতী হৈ পৰিল। জৰ্জ ইনষ্টিটিউশ্যনৰপৰা আঁতৰি গৈ ফুকনদেৱে উজনি অসমৰ ভালেমান শিক্ষানুষ্ঠানৰ প্ৰাণ-প্ৰতিষ্ঠাৰ কামত বৰঙনি যোগালে। জৰ্জ ইনষ্টিটিউশ্যনক কেন্দ্ৰ কৰিয়ে ডিব্ৰুগড়ত কানৈ কলেজ, ডিব্ৰু কলেজ, সঙ্গীত বিদ্যালয় আৰু ডিব্ৰুগড় আইন মহাবিদ্যালয়ে জন্ম লাভ কৰিলে আৰু শেষত ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয়ো প্ৰতিষ্ঠিত হ'ল। ৯৮ বছৰীয়া জীৱন-কালত বাগ্মীবৰ ফুকনদেৱে এই সকলো মোৰ নিজ চকুৰে দেখি গ'ল। ই সঁচাকৈয়ে গৌৰৱৰ কথা। আমি সকলোৱে ফুকনদেৱৰ শতায়ু হোৱাটো কামনা কৰিছিলোঁ। কিন্তু ঈশ্বৰৰ ইচ্ছা আমাৰ ইচ্ছাৰ বিপৰীতে গ'ল। ভৱিষ্যতলৈ ৰৈ গ'ল কৰ্মযোগী ফুকনদেৱৰ দেশপ্ৰেম আৰু জনসেৱাৰ জ্বলন্ত নিদৰ্শন। স্বৰ্গীয় ফুকনদেৱ আমাৰ সকলোৰে অতি পূজনীয় আছিল। তেখেত চিৰতৰুণ, অসমৰ সিংহপুৰুষ, ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউশ্যনৰ খনিকৰ।

---

**শ্ৰীযজ্ঞেশ্বৰ শৰ্মা**

বাগ্মীবৰ নীলমণি ফুকন খাৰঘৰীয়া ফুকন নামৰ এটি আহোম ৰজাৰ বিষয়-বাব পোৱা সম্ভ্ৰান্ত পৰিয়ালত জন্মে। এই বাব পোৱা শেষৰজন বিষয়াৰ পৰা এই পৰিয়ালে খাৰঘৰীয়া ফুকন উপাধিকে নামৰ শেষত লিখে। স্বৰ্গীয় ঘনশ্যাম ফুকনৰ পুত্ৰ ৺লম্বোদৰ ফুকন। স্বৰ্গীয় লম্বোদৰ ফুকন আৰু স্বৰ্গীয়া চন্দ্ৰাৱলী ফুকননীৰে পুত্ৰ স্বৰ্গীয় নীলমণি ফুকন। তেখেতৰ জন্ম শক ১৮০২, আহাৰ মাহ, ৭ তাৰিখ, ৰবিবাৰ, মাজনিশা, শুক্লপক্ষ, ত্ৰয়োদশী তিথি, অনুৰাধা নক্ষত্ৰ আৰু বৃশ্চিক ৰাশি।

স্বৰ্গীয় ফুকন এজন ব্যক্তিত্বশীল সুশিক্ষক। এই শিক্ষকতা কৰা কাল প্ৰায় ১৪ বছৰ— ১৯১২ চনৰ পৰা ১৯২৫ চন পৰ্যন্ত। এই গোটেই ছোৱা কালতে ফুকন প্ৰধান শিক্ষক আৰু স্কুল পৰিচালনা কমিটিৰ সম্পাদক আছিল।

স্কুলৰ আঠোটা শ্ৰেণী তৃতীয় মানৰপৰা দশম মানলৈকে গঢ়ি উঠাৰ লগে লগে চৰকাৰৰ শিক্ষা বিভাগৰপৰা প্ৰতি মাহে এই স্কুলে এশ পঞ্চাছ, তাৰ পাছত তিনিশ পঞ্চাছৰপৰা ৫৫০ টকা পৰ্যন্ত অৰ্থ-সাহায্য পাইছিল। সেইদৰে ছাত্ৰৰ সংখ্যা বাঢ়িবলৈ ধৰে; দশম মানৰ বাহিৰে আন সাতোটা শ্ৰেণীতে ক শাখা, খ শাখা স্থাপন কৰিব লগা হৈছিল। গোটেই স্কুলতে ছাত্ৰ বৃদ্ধি পাবলৈ ধৰে। শিক্ষকৰ সংখ্যাও ওঠৰ-উনৈছ জনলৈ বাঢ়ে।

ফুকনদেৱৰ ব্যক্তিত্ব অসাধাৰণ। শিক্ষক, ছাত্ৰ, পিয়ন, চকীদাৰ আদিৰ সকলোৱেই ওচৰলৈ গৈ এষাৰ কথা কবলৈ সাহ নকৰিছিল। কোনো ছাত্ৰৰ অভিভাৱক আহিলে তেখেতসকলেও ফুকনৰ ওচৰ চাপিবলৈ চুচুক-চামাক কৰিছিল। দৰকাৰী কথাৰ বাহিৰে ফুকনে আন কথা ৰবকৈ নাপাতিছিল। সেই সময়ত কোট-পেণ্ট পিন্ধা, গল বন্ধা বা হেট লগোৱাৰ অভ্যাস নাছিল। শিক্ষকসকলে প্ৰায়েই ধুতী-পঞ্জাবী, কামিজ-কোট ব্যৱহাৰ কৰিছিল।





তথাপি সেই সকলৰযে ব্যক্তিত্ব নাছিল, এনে নহয়। এই পৰিচ্ছদেও তেখেতসকলৰ ব্যক্তিত্ব প্ৰকাশ কৰিছিল। সেই সময়ত ফুকনৰ পৰিচ্ছদ আছিল হেট-পেণ্ট, বগা কামিজ, ডিঙিত 'টাই'। তেখেতৰ গাৰ, মুখমণ্ডলৰ ৰক্তিম গৌৰ বৰ্ণই, উপৰোক্ত পৰিচ্ছদে তেখেতৰ ব্যক্তিত্ব বেছিকৈ বঢ়াইছিল। বয়স আৰু সময় আগবঢ়াৰ লগে লগে স্বদেশী পৰিচ্ছদ খদ্দৰৰ ধুতী, চাদৰ, পঞ্জাবী আদিয়েও তেখেতৰ ব্যক্তিত্ব নষ্ট কৰা নাছিল। গুণীজনৰ গুণেই ব্যক্তিত্ব।

নিজে নিয়মানুৱৰ্তী নহ'লে লোকক নিয়মানুৱৰ্তিতা শিক্ষা দিব নোৱাৰে। জৰ্জ স্কুলৰ ছাত্ৰই এই গুণটো গ্ৰহণ কৰিবলৈ সহজ হৈছিল। স্কুলৰ ড্ৰিল আদি ব্যায়াম শিক্ষা দিওঁতেই তেওঁলোকে এই শিক্ষা পাইছিল। ঘৰত জুই লগা আদি কামত কিদৰে ছাত্ৰ আগবাঢ়িব লাগে, তাৰো শিক্ষা সেই স্কুলৰ গুণী শিক্ষকসকলে দিছিল। এই জৰ্জ স্কুলৰ ছাত্ৰৰ নিয়মানুৱৰ্তিতাই গুৱাহাটী আৰু যোৰহাট আদি ঠাইত বিকাশ পাইছে বুলি জানি ছাত্ৰক ফুকনদেৱে প্ৰশংসা কৰিছিল, আৰু তেখেত নিজেও গৌৰৱান্বিত হৈছিল। সহকাৰী শিক্ষকসকলক লৈয়ো তেখেতে গৌৰৱ অনুভৱ কৰিছিল। কৃতী ছাত্ৰৰ বঁটা-বিতৰণী সভাত তেখেতযে এজন সুখী প্ৰধান শিক্ষক, তাক ব্যক্ত কৰিছিল। শিক্ষকসকলৰ একনিষ্ঠতাইযে ছাত্ৰ-সকলৰ একাগ্ৰতা বৃদ্ধি কৰিব পাৰে, সেই বিষয়ে তেখেতে শিক্ষক আৰু ছাত্ৰক দঢ়াই দঢ়াই বুজনি দিছিল। প্ৰশিক্ষণ পোৱা এজন বি-টি উপাধিধাৰী শিক্ষকতকৈ প্ৰশিক্ষণৰ বিষয়ে ফুকনদেৱৰ অভিজ্ঞতা বেছি হৈছিল বুলি শিক্ষা বিভাগৰ উচ্চ বিষয়াকে ধৰি সকলোৱে বোধ হৈছিল।

কৰ্মই পুৰুষৰ উপাসনা, কৰ্তব্য সাধনেই মানৱৰ ধৰ্ম। ফুকনে এই উপদেশ ছাত্ৰ-সমাজক সততে দিছিল। "যোগস্থ কুৰু কৰ্মাণি সঙ্গং ত্যক্ত্বা ধনঞ্জয়", "কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন"। গীতাৰ এই উপদেশসমূহ ফুকনদেৱে সততে বক্তৃতাত উল্লেখ কৰিছিল। "স্বে স্বে কৰ্মে অভিৰতঃ সংসিদ্ধিং লভতে নৰঃ" ইত্যাদি উপদেশমূলক কথাবোৰ তেখেতৰ বক্তৃতাত প্ৰকাশ পাইছিল। প্ৰকৃততে তেখেত এজন একনিষ্ঠ যোগী—এই কথা মোৰ মনত খেলাইছিল আৰু তেখেতৰ প্ৰতি মোৰ শ্ৰদ্ধাৰ ভাব গাঢ় হৈ পৰিছিল। তেখেত তপস্বী, যোগী, কৰ্মী আৰু জ্ঞানী গুৰু। কৰ্মময় জীৱনে তেখেতক দীৰ্ঘায়ু দিছিল।

ফুকনযে এজন ত্যাগী পুৰুষ, শিক্ষকতা কৰা কালতে তাৰো প্ৰমাণ আমি পাইছিলোঁ। তেখেতে কৈছিল "স্কুলৰ খ্যাতি শিক্ষকবৃন্দৰ খ্যাতি। সেই খ্যাতি অকল প্ৰধান শিক্ষকৰে বুলি নাভাবিব। আৰৌ অপবাদো প্ৰধান শিক্ষক আৰু সহকাৰী শিক্ষক সকলোৰে।" এসময়ত সহকাৰী প্ৰধান শিক্ষক স্বৰ্গীয় গোবিন্দ শৰ্মাদেৱে বি-টি ডিগ্ৰী লাভ কৰাৰ পাছত ফুকনদেৱে শৰ্মাদেৱক সানুনয়ে কৈছিল, " আপোনাক প্ৰধান শিক্ষকৰ বাব অৰ্পণ কৰি মই অন্য কৰ্ম কৰিবলৈ সুবিধা ল'ম।" সঁচাকৈয়ে দুই-ডেৰ বছৰৰ পাছতে ফুকনদেৱে শৰ্মাদেৱকে স্কুলৰ সকলো ভাৰ অৰ্পণ কৰিলে। বাগ্মীবৰ নীলমণি ফুকনদেৱৰ ত্যাগৰ এইটো এটি মাত্ৰ নিদৰ্শন।

বাগ্মীবৰ ফুকন এজন নিৰ্ভীক আগৰণুৱা, প্ৰমত্ত পুৰুষ। প্ৰধান শিক্ষকতা কৰা কালতে এই কথা যেয়ে-সেয়ে স্বীকাৰ কৰিছিল। যিসকল ইংৰাজ বিষয়া তেতিয়া ডিব্ৰুগড়ৰ চৰকাৰী-বেচৰকাৰী অনুষ্ঠানসমূহ পৰিদৰ্শনাৰ্থে ডিব্ৰুগড়লৈ আহে, সেইসকলক জয়জয়তে ফুকনদেৱেহে ৰেল-জাহাজ আদি যান-বাহনৰপৰা কৰমৰ্দন কৰি আদৰণি জনাই আগবঢ়াই আনিছিল। শিক্ষকতা কৰা কালতে বাইজৰ এনে ধৰণৰ কামত

সভতে ফুকনদেৱে আগভাগ লোৱা দেখা গৈছিল।

নিতৌ ক'ত কোন ল'ৰাই স্কুললৈ বুলি আহি বজাৰে-দোকানে, ৰাস্তাই-ঘাটে পলাই ফুৰে, তাক চাই অহাটো তেখেতে এটি কৰ্তব্য বুলি ধৰিছিল। তেনেকুৱা ছাত্ৰক পালে নিজৰ লগতে লৈ গৈ সেই ছাত্ৰই পঢ়া স্কুলত থৈ আহিছিল। তেনে ছাত্ৰই চুৰট খোৱা দেখিলে সেই ছাত্ৰক নি শাস্তি দিছিল বা সেই ছাত্ৰৰ স্কুলৰ প্ৰধান শিক্ষকৰ হতুৱাই শাস্তি দিয়াইছিল। এই কামে ভ্ৰষ্ট ছাত্ৰসকলৰ উপকাৰ সাধিছিল। ডিব্ৰুগড়ৰ স্কুল-নিৰ্বিশেষে সকলো ছাত্ৰই তেখেতক ভয় কৰিছিল।

১৯২৭ চনৰপৰা তেখেতৰ কৰ্মময় শিক্ষক-জীৱন এক প্ৰকাৰ শেষ বুলি ক'ব পাৰি। সেই সময়ৰ পৰা তেখেতৰ লগত মোৰ ঘনিষ্ঠতা কমিল। জৰ্জ স্কুলৰ প্ৰাঙ্গনত অনুষ্ঠিত হোৱা কেতবোৰ ৰাজহুৱা সভা-সমিতিত মাত্ৰ মোৰ দেখা-দেখি ঘটিছিল। জৰ্জ স্কুলে তেখেতক সম্বৰ্দ্ধনা জনোৱা অনুষ্ঠান, তেখেতৰ প্ৰতিমূৰ্তি উন্মোচন অনুষ্ঠান, স্কুলৰ ৰূপালী জয়ন্তী, সোণালী জয়ন্তী আদি অনুষ্ঠানসমূহত তেখেতে যোগদান কৰিছিল।

১৯৫০ চনৰ ভূমিকম্পই ডিব্ৰুগড়ৰ বহুতো ক্ষতি কৰিলে। সেই ভূমিকম্পৰ ফলত বাৰিষা কালত ডিব্ৰুগড় চহৰৰ প্ৰায় তিনি মাইল ব্যাপি গৰা-খহনীয়া হোৱাত ব্ৰহ্মপুত্ৰৰ ধাৰ আহি নগৰৰ মাজ ভাগ দখল কৰেহি। ৰাজহুৱা অনুষ্ঠানৰ ভিতৰত পোন প্ৰথমে জৰ্জ স্কুলকে উটাই নিবলৈ ধৰে। ১৯৫৩ চনত এই আক্ৰমণে প্ৰবল ৰূপ ধাৰণ কৰে। তেতিয়া মই অকলে স্কুলত বোৰ্ডিং ঘৰৰ ছুপাৰিন্টেণ্ডেণ্ট ৰূপে আছিলোঁ। বোৰ্ডিঙৰ ছাত্ৰসকল ছুটী পাই ঘৰাঘৰি গ'ল। নদীৰপৰা স্কুল ঘৰ ৰক্ষা পৰিবলৈ ভয়তে পূজা, গীতাপাঠ, চণ্ডীপাঠ, ভোগ দান দিবলৈ ধৰিলোঁ। যি কাৰণতেই নহওক, নদীৰ ধ্বংসলীলা বন্ধ হ'ল। স্কুলৰ মাজ ভাগ ৰক্ষা পৰিল। পূব-পশ্চিম ভাগ ধ্বংস কৰিলে। এই ধ্বংসলীলা চাবৰ কাৰণে নীলমণি ফুকন ডিব্ৰুগড়ত উপস্থিত। এদিন পুৱাতে পশ্চিম ফালে গৰা খহাই নিবলৈ ধৰা ভাগতে বহুলোকৰ সমাবেশ হ'ল। সেই সমাবেশত ফুকনদেউৰ লগতে আছিল শ্ৰীমতী পদ্মকুমাৰী গোহাঞি। মই সেই ঠাই পোৱা মাত্ৰেই ১০০ মিটাৰমান দূৰৰপৰাই ফুকনদেৱে গহীনাই মোক প্ৰশ্ন কৰিলে—"যজ্ঞেশ্বৰ, জৰ্জ স্কুল ৰক্ষা কৰাৰ কি উপায় কৰিছা?" ঘপৰাই মই উত্তৰ দিলোঁ— "স্কুল ৰক্ষা পৰিল। আমাক দয়া কৰি ব্ৰহ্মপুত্ৰ আঁতৰিল।" আকৌ ক'লে— "তুমি হেডিকেনিউটৰ দৰে 'সাগৰ মোৰ ৰাজ্যত নোসোমাবা' বুলি ব্ৰহ্মপুত্ৰক আদেশ দিছানেকি? মই পূজা, গীতা পাঠ আদি কৰা বুলি জানি তেখেতে আনন্দ প্ৰকাশ কৰিলে। ০ ০ ০

# নীলমণি দদাইদেউ

## ডাঃ শ্ৰীদুৰ্গাপ্ৰসাদ ফুকন

ভাটীৰ গৌড় দেশৰ পাঠান সেনাপতি তুৰ্বকে অসম দেশ আক্ৰমণ কৰিবলৈ অহাঁতে (১৫৩২ চনত, দ্বিতীয় বাৰ) তেওঁৰ লগত কনৌজপুৰৰ এজন বিচক্ষণ ক্ষত্ৰিয় সেনাপতি গোবৰ্দ্ধন সিংহ আহিছিল। তুৰ্বক ৰণত পৰিল। যুদ্ধৰ শেষত গোবৰ্দ্ধনে সন্ধিৰ প্ৰস্তাৱ লৈ গৌড়ৰ নবাব আৰু স্বৰ্গদেৱ চুহুংমুং বা স্বৰ্গনাৰায়ণৰ মাজত যি বিচক্ষণ বুদ্ধিৰে মিলাপ্ৰীতি স্থাপন কৰিলে, তাতে স্বৰ্গদেৱে সন্তুষ্ট হৈ গোবৰ্দ্ধনৰ অনিচ্ছাসত্ত্বেও এই দেশতে তেওঁক থাপিত কৰি ৰাখিলে। এখেতেই অসমত বিখ্যাত দুৱৰা কাকতী বংশৰ আদি পুৰুষ।

গোবৰ্দ্ধনৰ তিনিজন পুত্ৰ— কমলাকান্ত, হৰিচৰণ আৰু হৰিকান্ত। কমলাকান্তৰ ফৈদতে বিখ্যাত মণিৰাম বৰভাণ্ডাৰ বৰুৱা দেৱানৰ জন্ম।

হৰিচৰণৰ ফৈদত আনজন বিখ্যাত পুৰুষ ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ জন্ম। অসমৰ সৰহ ভাগ দুৱৰা কাকতীৰ বংশৰ লোক হৰিকান্তৰ ফৈদৰ।

আহোমৰ ৰাজত্বত যিসকল বিশ্বস্ত আৰু বিচক্ষণ বুলি পৰিচিত হৈছিল, তেনে অনা-আহোমকো বৰগোহাঁই, বুঢ়াগোহাঁই আদি পৰ্যায়ৰ বিষয় বাব ৰজাঘৰৰপৰা দিছিল। যোৰহাটলৈ ৰাজধানী আনোতেই স্বৰ্গদেৱে বিখ্যাত দুৱৰা কাকতীৰ বংশৰ বিচক্ষণ ঘনশ্যামক 'খাৰঘৰীয়া ফুকন'ৰ বিষয়খন দিয়ে আৰু ঘনশ্যাম খাৰঘৰীয়া ফুকনে যোৰহাট নগৰত ঘৰ লয়হি। যেতিয়া অসমৰ শাসন বৃটিছৰ হাতলৈ যায়, তেতিয়া ৰাজচ'ৰাৰ কেইজনমান বিষয়াৰে শাসনকাৰ্যত সহায় কৰিবলৈ জয়সাগৰত এখন পঞ্চায়তী সভা গঠন কৰিলে। ঘনশ্যাম খাৰঘৰীয়া ফুকনকো এইখন পঞ্চায়তী সভাৰ সভ্য কৰি লোৱা হ'ল। ইয়াৰ পাছত ঘনশ্যাম খাৰঘৰীয়া ফুকনক "মুন্‌চুপ" আৰু এছিষ্টেণ্ট কমিছনাৰ পদবী দি নগাঁও, তেজপুৰ আদি কেইবাখনো জিলাত বদলি কৰি শেষত ডিব্ৰুগড়ত এছিষ্টেণ্ট কমিছনাৰ পদবীত বহুৱালে। এখেতে ডিব্ৰুগড়তে কামৰপৰা অৱসৰ লয়। এখেত সংস্কৃত ভাষাত ব্যুৎপত্তি থকা লোক আছিল। তেখেতে সংস্কৃত ভাষাৰপৰা কল্কি পুৰাণখন অসমীয়ালৈ পদ্যত অনুবাদ কৰিছিল। সাঁচিপাতত চিত্ৰেৰে অঙ্কিত এই পুৰাণখন আজিও আমাৰ যোৰহাটৰ গোসাঁই ঘৰত সযত্নে ৰখা হৈছে।

ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ পুত্ৰেক তিনিজন:— গঙ্গাধৰ, বগাধৰ আৰু লম্বোদৰ। কামৰপৰা অৱসৰ লওঁতে ঘনশ্যামে সৰু পুত্ৰেক লম্বোদৰক ডিব্ৰুগড়তে

থাকিবলৈ দিলে আৰু যোৰহাট, তিতাবৰত থকা খাটবিলাক দি বৰপুতেক গঙ্গাধৰক ঘাই ঘৰ যোৰহাটত থাকিবলৈ দিলে। খাৰঘৰীয়া ফুকন নিজেও ডিব্ৰু-গড়ৰপৰা আহি যোৰহাটৰ ঘাই ঘৰতে থাকিলহি, আৰু ঘাই ঘৰতে তেওঁ শেষ নিশ্বাস পেলায়। বগাধৰ সকতে ঢুকাল। গঙ্গাধৰৰ পুতেক তিনিজন— জটাধৰ, গদাধৰ, আৰু কনকচন্দ্ৰ ফুকন (লেখকৰ পিতা) আৰু এগৰাকী জীয়াৰী,— নাম ডালিমী— (৺ গোপালচন্দ্ৰ ভূঞাৰ পৰিবাৰ আৰু ৺নকুলচন্দ্ৰ ভূঞাদেৱৰ মাক)। লম্বোদৰৰ পুতেক দুজন— ৺গনেশ ৰাম (৺জীৱন ফুকন আদিৰ পিতাক) আৰু নীলমণি ফুকন। জীয়াৰী লোপা (ৰায়বাহাদুৰ ৺বিষ্ণুৰাম বৰুৱাৰ পৰিবাৰ), ললিতা (কেশৱনাথ বৰুৱাৰ পৰিবাৰ), ৰোহিণী (৺যদুৰাম বৰুৱাৰ পৰিবাৰ), বিচিত্ৰ (৺তৰুণচন্দ্ৰ বৰুৱাৰ পৰিবাৰ)। বংশাৱলীৰ এই কথাখিনি ৺নকুলচন্দ্ৰ ভূঞাদেৱে মোমায়েক ৺গদাধৰ ফুকনৰ নামত উচৰ্গা কৰা 'নুমলী কুঁৱৰী' নাটকত দিয়া আমাৰ বংশাৱলীৰপৰা সহায় লৈ দিয়া হ'ল।

ৰাগ্মীবৰ ৺নীলমণি ফুকন আছিল আমাৰ ডিব্ৰুগড় আৰু যোৰহাটৰ দুয়ো পৰিয়ালৰ "নীলমণি দদাইদেউ"। তেখেতৰ কৰ্ম-জীৱনৰ লগত আমাৰ যোৰহটীয়া ভতিজাসকলৰ আগৰ জোৱাৰ অৰ্থাৎ তেখেত ডিব্ৰুগড়ৰ ঘৰত থকা কালছোৱাৰ বিশেষ পৰিচয় নাই। কেৱল মাজে-সময়ে কিবা কামত যোৰহাটলৈ আহোঁতে আমাৰ ঘৰত আলহী স্বৰূপে দুই-এদিন থকাৰ কথাহে মনত পৰে। আমি সকতে যোৰহাটত হোৱা স্কুল টুৰ্ণামেণ্ট চাবলৈ যাওঁতে দৰ্শকৰ মাজত চাহাবী পোছাকেৰে জিলিকি থকা আৰু আমাৰ ককাইদেউইঁতে দূৰৰপৰা আঙু-লিয়াই "নীলমণি দদাইউে"ক দেখুৱা মনত পৰে। খেলত ব্যস্ত থকা অৱস্থাতে সময় উলিয়াই আমাৰ ঘৰতো ক্ষন্তেকৰ কাৰণে এসাঁজ খাই সকলোকে মাত লগাই অহা কথা মনত পৰে।

আমাৰ ঘৰখন আদিৰেপৰা ধুতি-নীতি মানি চলা গোড়া ধৰণৰ আছিল আৰু আমাৰ বৰ মা আদিৰ লগত সেই নীতিবিলাকৰ কাৰণে কৰা তেখেতৰ খুহুতীয়া তৰ্ক-বিতৰ্কবিলাক আমাৰ কাৰণে বৰ আমোদৰ কথা আছিল। তেখেতযে এই কুসংস্কাৰ বিলাকৰ পক্ষপাতী নাছিল, সেই কথা ইয়াৰপৰাই বুজি পাইছিলোঁহ'ক। দুই-এদিনলৈ আহি যেতিয়া আমাৰ ঘৰত থাকেহি, তেতিয়া আমাৰ ঘৰৰ পৰিবেশ বদলি হৈ যায়। আমাৰ ভতিজাবোৰৰ চলন ফুৰণ, পঢ়া-শুনা ইত্যাদি সকলোবিলাকতে সেই কেইদিন তেখেতে চকু দি কিবা আসোঁৱাহ পালে আমাৰ ৰক্ষা নোহোৱা হৈ পৰে।

তেখেত অহাৰ আগ-জাননী পালেই আমি সকলো বিষয়তে আগৰেপৰা সাৱধান হ'ব লগাত পৰিছিলোঁ। মাদক দ্ৰব্য যেনেকৈ তেখেতে নিজে ভাল নাপাইছিল, সেই অভ্যাস আমাৰপৰাও আশা নকৰিছিল। তেখেত যিটো কোঠাত শুব, সেই কোঠাত বিচনাকে আদি কৰি সকলো সা-সুবিধা আমি পৰিপাটিকৈ কৰি দিব লগাত পৰে। ক'ৰবাত যদি চুৰট খাই পেলোৱা টুকুৰা চকুত পৰে, ভতিজাইতৰ ৰক্ষা নাই। গতিকে সেই বিষয়ত আমি বিশেষভাৱে সতৰ্ক হ'ব লগাত পৰোঁ। মাত্ৰ বৰদেউতাই তেখেতৰ লগত কথা-বতৰা পাতোঁতে ৰূপৰ হোকাটো টানি থকা দেখিছিলোঁ।

দেশত স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ পাছত তেখেতক আগৰ দৰে চাহাবী পোছাকত দেখা আমাৰ মনত নপৰে। যোৰহাটত যেতিয়া ৺শিৱ-প্ৰসাদ বৰুৱাই (তেখেতৰ ভাগিনীয়েক) 'বাতৰি' কাকতখন উলিয়াবলৈ আৰম্ভ কৰে আৰু যোৰহাটৰ



বৰ্তমান চক্ বজাৰৰ পিছ ফালে থকা ঘৰতে প্ৰেছ আদি স্থাপন কৰি লয়, তেতিয়া নীলমণি দদাইদেৱে এই কাকত আৰু ছপাশালৰ সকলো দায়িত্বৰ ভাৰ লৈ ডিব্ৰুগড়ৰ নিজৰ ঘৰখন ভতিজাক ৺জীৱনৰাম ফুকন আৰু নিজৰ ককায়েক ৺গণেশৰাম ফুকনৰ হাততে দি যোৰহাটত নিগাজীকৈ সেই বঙলাত থাকে আৰু যোৰহাটত তেতিয়াৰপৰা মৃত্যু পৰ্যন্ত থাকি সেই ভেটিতে শেষ নিশ্বাস পেলায়। তেখেত যেতিয়া কাকতখনৰ দায়িত্ব লৈ যোৰহাটলৈ আহে, আমি তেতিয়া উচ্চ ইংৰাজী স্কুলৰ উচ্চ শ্ৰেণীৰ ছাত্ৰ। তেতিয়াৰপৰাহে আমাৰ ঘৰৰ লগত ঘনিষ্ঠতা আগতকৈ বাঢ়ে। আমাৰ ঘৰত সৰাহ, বিয়া আদিৰ বাদেও সময় পালে একোপাক মৰা আমি দেখি-ছিলোঁ। যোৰহাটত থকা কালত আৰম্ভৰেপৰা মৃত্যু-কাললৈকে এনে এটা অনুষ্ঠান নাছিল— য'ত আমাৰ ৺নীলমণি দদাইদেউ নাছিল। যোৰহাটৰ বহুত সামাজিক দায়িত্ব তেখেতে নিজে মূৰ পাতি লৈ নিষ্ঠাৰে বহন কৰিছিল। সেয়ে যি কামতে যেনে-কৈয়ে তেখেতক বিচাৰিছিল, সেইদৰেই তেখেতক পাইছিল। যোৰহাটত থকা কালত তেখেতৰ সম্বন্ধত ভাগিনীয়েক ৺নকুলচন্দ্ৰ ভূঞাদেৱক নিজৰ সোঁহাতৰ দৰে ৰাখিছিল। তেখেতে জীৱনত অন্তৰ দহা দুটা শোক পাইছিল— প্ৰথমটো নিজে তুলি-তালি ডাঙৰ কৰি ডিব্ৰুগড়ৰ ঘৰখনৰ লাইখুটাৰ দৰে তোলা, সকলো কামতে নিজৰ নিচিনাকৈ পাকৈত কৰি তোলা ৺জীৱনৰাম ফুকনৰ অভাৱনীয় মৃত্যু, আৰু ইটো তেখেতৰ ভাগিনীয়েক নকুলচন্দ্ৰ ভূঞাৰ তেখেতকৈ আগতে হোৱা মৃত্যু। নকুলচন্দ্ৰ ভূঞাৰ মৃত্যুৰ পাছত তেখেতৰ পুত্ৰ শ্ৰীমান মাধৱ ভূঞাই মৃত্যুৰ সময়লৈকে ভাগিনীয়েকৰ অভাৱটো যিমান পাৰে পূৰাবৰ কাৰণে যত্নবান হৈ তেখেতৰ সেৱা কৰিছিল।

নিজৰ বেলিকাই হওক বা আনৰ বেলিকাই হওক, নীলমণি দদাইদেউৰ যেনে কথা তেনে কাম হবই লাগিব। সেই কাৰণে তেখেতৰ আদেশ কোনেও অমান্য কৰিবলৈ সাহ নাপাইছিল। পুত্ৰৱৎ মনোভাবেৰে সকলোকে ডাবি-ধমকি দি হ'লেও কাম আদায় কৰাইছিল। এইখিনি তেখেতৰ ব্যক্তিগত প্ৰভাৱ বিস্তাৰ কৰি নহয়, নিজে সকলোকে বিলাই দিয়া স্নেহৰ গুণতহে হৈছিল। এদিন ৰাতি প্ৰায় ১০ মান বজাত লগত হেম বৰুৱা এম-পিকে প্ৰমুখ্য কৰি প্ৰায় ১৫/১৬ জন লোক লগত লৈ ক'ৰবাত সভা ভাঙি আহি মোৰ টীয়কৰ ঘৰত উপস্থিত। মোৰ ওপৰত হুকুম হ'ল— "সকলোটিয়েই বৰ ভোকে-পিয়াহে আহিছে। তই এতিয়াই যি হয় লৰা-লৰিকৈ খোৱাৰ ব্যৱস্থা এটা কৰি দিবই লাগিব।" যেনে আদেশ তেনে কাম। তাৰতো তাৰতম্য হোৱাৰ প্ৰশ্ন নুঠে। আমি সেই সময়ত খাই-বৈ প্ৰায় শুবলৈ লোৱা অৱস্থা। উপায় নাই। পৰিবাৰ আৰু মই দুয়ো লৰা-লৰিকৈ লুচি ভাজি কৰাত লাগি গলোঁ আৰু কম সময়ৰ ভিতৰতে যেতিয়া খুৱাই-বুৱাই বিদায় লব পৰা হ'ল, তেতিয়া লগৰ সকলক কৈছে— "মই জানো নহয়, মোৰ ভতিজা পৰি মৰা বিধৰ নহয়। ই আমাক খুৱাব পাৰিবই।" মই তেখেতৰ আদেশটো জঞ্জাল বুলি লোৱা নাছিলোঁ। মই অন্তৰেৰে তেখেতৰ হুকুমটো পালিবলৈ পাই আনন্দ অনুভৱ কৰিছিলোঁ। এইবোৰ কাৰণতেই মোৰ প্ৰতি তেখেতৰ আস্থা আৰু আপোন ভাব। বিনোবাজী পদব্ৰজে অসম ভ্ৰমণ কৰিবলৈ আহোঁতে টীয়কৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে অভ্যৰ্থনাৰ ভাৰ মোৰ ওপৰতেই পৰিছিল। তেখেতে নিজে দুই-এদিনৰ আগতে আহি মোৰ ঘৰত থাকি লৈ যাতে কোনো ত্ৰুটী-বিচ্যুতি অভ্যৰ্থনাত নহয়, তাৰ দিহা-পৰামৰ্শ দিছিল।

(২৫ পৃষ্ঠাত চাওক)

# বৌটিৰ কথা ঃ মাতৃ-ৰূপত নলিনীবালা দেৱী

শ্ৰীউপেন্দ্ৰকুমাৰ চাংকাকতী

দেউতাৰ মৃত্যুৰ পাছত ককাদেউতা কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ আশ্ৰয়ত আমি আটাইকেইটা ভাই-ভনী বৌটিৰ কঠোৰ অনুশাসন আৰু উপদেশত ডাঙৰ-দীঘল হ'বলৈ ধৰিলোঁ। বৌটিয়ে যাতে অনাহকত শোক-দুখ নাপায়, তাৰ কাৰণে সদায় সচেতন হৈ থাকিব লগা হৈছিল। বৌটিয়ে আমাক শাসন কৰোঁতে কেতিয়াও শাৰীৰিক কষ্ট দিয়া মোৰ মনত নপৰে। কিবা দোষণীয় কাম কৰিলে কেৱল দুখ কৰি কান্দি কান্দি কৈছিল— "মোক তইতে আৰু কিমান কষ্ট দিয় ? মোক ভগৱানে সোনকালে মাৰি নিনিয়ে কিয় ?" ইত্যাদি।

পুৱা-গধূলি সন্ধ্যা-পূজা, জপ-ধ্যান আদি কৰি থকা আৰু আজৰি সময়ত নানা ধৰণৰ ধৰ্ম গ্ৰন্থাদি পঢ়ি থকা বৌটিৰ এটা দৈনন্দিন কাম আছিল। সেই বিলাক নিত্যকৰ্মৰ উপৰিও নানা ধৰণৰ ছবি— বিশেষকৈ ভগৱান শ্ৰীকৃষ্ণৰ ছবি আঁকি থকা দেখিছিলোঁ। বৌটিয়ে যে কবিতা লিখিছিল, সেই কথা ১৯২৮ চনত তেখেতৰ প্ৰথম কবিতা পুথি 'সন্ধিয়াৰ সুৰ' নোলোৱালৈকে জানিব পৰা নাছিলোঁ।

'সন্ধিয়াৰ সুৰ' কিতাপখন ওলোৱাৰ পাছত বহুত গুণী-জ্ঞানী ব্যক্তিৰপৰা প্ৰশংসা-পত্ৰ আৰু আশীৰ্বাদ-বাণীৰে আহিছিল, সেই কথা বৌটিয়ে কেতিয়াও কাৰো আগত কৈ বা দেখুৱাই গৰ্ব প্ৰকাশ কৰা মই কোনো দিনেই দেখা নাছিলোঁ। তাৰ কাৰণ হৈছে, সেই সময়ত আমাৰ ঘৰখনৰ প্ৰবল আৰ্থিক দুৰৱস্থাৰ বাবে কোনো ৰকমৰ আনন্দ উপভোগ কৰিব নোৱাৰা এটা পৰিবেশ। দ্বিতীয় কাৰণ হৈছে, বৌটিৰ স্বভাৱগত গৰ্বশূন্যতা আৰু তেখেতে পোৱা যশস্যাৰ প্ৰতি তেখেতৰ নিৰ্লিপ্ততা। সাহিত্য-ক্ষেত্ৰত ইমান এখন ওখ স্থান অধিকাৰ কৰিব পাৰিও বৌটিয়ে কোনো দিনে কাৰো আগত এনে এষাৰ কথা কোৱা নুশুনিলোঁ যিষাৰ কথাত লেশমাত্ৰও গৰ্বৰ ভাব প্ৰকাশ পাইছিল। তাৰ বিপৰীতে বৌটিয়ে হয়তো প্ৰত্যেকখন প্ৰশংসা-পত্ৰ, আশীৰ্বাদ-বাণী আৰু সমালোচনা পঢ়ি নীৰৱে আনন্দত চকুলো টুকিছিল। এদিন মই হঠাতে এটা নিজান কোঠাত সোমাই দেখোঁ, বৌটিয়ে চকী এখনত বহি চকুলো টুকি আছে। হতভম্ব হৈ কিয় কান্দিছে বুলি বৌটিক সোধাত ক'লে— "কবি শ্ৰীশৈলধৰ ৰাজখোৱাই সন্ধিয়াৰ সুৰ কিতাপখন পঢ়ি এইটো কবিতা লিখিছে চা।" কবিতাটো পঢ়ি গলোঁ—

"কোনে গাঁথি গ'ল সুৰভি কুসুমে
সন্ধিয়া সুৰৰ মালিকা
কোন দেৱতাৰ চৰণ থিয়াই
প্ৰাণ ঢালি দিলা গায়িকা।



যদি তুমি নাৰী তোমাৰ প্ৰেমেৰে
যমুনা উজাই ব'ব,
যদি তুমি মাতৃ তোমাৰ পুত্তলী
ভুৱন বিয়পি ৰ'ব।
যদি তুমি দেৱী চিৰবিৰহিনী
বিচাৰি ফুৰিছা নয়নৰ মণি,
ত্ৰিভুৱন ভেদি সঙ্গীতে তোমাৰ
সপোন বিচাৰি পাব।

সাহিত্য-প্ৰতিভাৰ কাৰণে গৰ্বশূন্যতা বৌটিৰযে এটা স্বভাৱ আছিল, সেই কথা বহুত সভাত তেখেতৰ কবিতাৰ বিষয়ে তেখেতে কোৱা তলৰ কথাখিনিয়েই বুজায়— ... ... ... "মই এটি কথা জীৱনত বিশেষভাৱে অনুভৱ কৰি আহিছোঁ,— কবিয়ে যি কবিতা সৃষ্টি কৰে, সেই কাব্যৰসৰ ভাবধাৰা অনন্ত ব্যোমমণ্ডলত প্ৰবাহিত ৰসধাৰাত সিক্ত; সীমাহীন কোটি কোটি জ্ঞানী, ধ্যানী, কবি, ঋষি, মনীষীৰ অজস্ৰ চিন্তাধাৰাৰে ব্যোমমণ্ডল আলোড়িত। শত শত অপ্ৰকাশিত সত্য প্ৰকাশ কৰিবলৈ তত্ত্বসমূহে আধাৰ বিচাৰি ফুৰে। কবি-মানসত অপ্ৰকাশিত সত্য তত্ত্বসমূহ আহি প্ৰতিভাত হৈ পৰে। মই নিজে অনুভৱ কৰোঁ, এই মহান সত্যময় প্ৰতিক্ৰিয়াবোৰ কবি-মানসৰ নিজস্ব ব্যক্তিত্বৰ চিন্তাত সিক্ত হৈ কাব্যৰূপে ধৰা দিয়ে। মই নিজে আচৰিত হওঁ, তৃপ্ত হওঁ এই ভাবি যে সত্য চিন্তাৰ বিনাশ নাই। আনন্দিত হওঁ এই ভাবি যে মই মহান ভাৰতীয় সংস্কৃতিৰ উত্তৰাধিকাৰিণী; মোৰ মন-মানসত আহি ধৰা দিছেহি পূৰ্বপুৰুষৰ মহান চিন্তাৰ কঁপনি। এয়ে মোৰ কাব্যৰ উৎস।"

কেতিয়াবা তেখেতৰ কবিতা, প্ৰবন্ধাদি ৰচনাবিলাক ছপাবৰ কাৰণে প্ৰকাশকসকলৰ ঘৰে ঘৰে বৌটি ঘূৰি ফুৰিছিল, আৰু প্ৰায়েই বিফল হৈ ভগ্ন হৃদয় লৈ ক্লান্তিৰে উভতি আহিছিল। অথচ কিতাপ ছপা কৰি আৰ্থিক লাভ কৰাৰ উদ্দেশ্য বৌটিৰ নাছিল। তেখেতৰ একমাত্ৰ উদ্দেশ্য আছিল ভাষা-জননীক সমৃদ্ধ কৰাটোৱেই। নহ'লেনো তেখেতে মৃত্যু ওচৰ চাপিছে বুলি জানি তেখেতৰ চিৰনিদ্ৰাৰ আগ মুহূৰ্তত থোকাথুকি মাতেৰে শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱাক তেখেতৰ যুগুতাই থোৱা শেষ কবিতা-পুথি 'মন্দাকিনী'খন মৃত্যুৰ আগতে ছপাই উলিয়াবলৈ অনুৰোধ কৰে নে ? সেই অনুৰোধ শুনি ওচৰত থকা শ্ৰীদত্তবৰুৱাৰ পৰিবাৰ, শ্ৰীমতী এলী আহমেদ আৰু শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈৰ লগতে মইয়ো শোক সম্বৰণ কৰিব নোৱাৰি চকুলো টুকিছিলোঁ। হাতত সময় নিচেই তাকৰ থকা কাৰণে 'মন্দাকিনী' পুথিখন সম্পূৰ্ণ ছপাব পৰা নাযাব বুলি কিতাপখনৰ কেইবাটাও ভাগৰ ভিতৰত থকা 'অন্তিম-সুৰ' নামৰ ভাগটো খৰধৰকৈ ছপাবলৈ হাতত ললে। যেতিয়া ছপা কাম শেষ হ'ল, কোনোমতে পাঁচটা কপি কেঁচা অৱস্থাতে লৈ আহি বৌটিৰ হাতত তুলি দিবলৈ যেতিয়া চেষ্টা কৰিলোঁ, তেতিয়া বৌটি কোন স্বপ্ন-ৰাজ্যত বিচৰণ কৰি আছিল নাজানো,— কিতাপৰ বেটুপাতখিনিও চকু ফুৰাই চোৱা নেদেখি

---

( ২৩ পৃষ্ঠাৰ পিছৰপৰা )

ৰাইজেই তেখেতৰ বৃহৎ-পৰিয়াল, অসমেই তেখেতৰ ঘৰ। নিজৰ ব্যক্তিগত জীৱনৰ ধন-সম্পত্তি, সুখ-সম্পদৰ আৰু ঘৰুৱা চিন্তাৰ চাৰি দেৱৰপৰা মুক্ত হৈ ওলাই আহি ৰাইজৰ উন্নতি, ৰাজ্যৰ উন্নতি তথা ভাৰতবৰ্ষৰ উন্নতিৰ মহামন্ত্ৰেৰে দীক্ষিত হৈ উচ্চ-নীচ, স্পৃশ্য-অস্পৃশ্য জ্ঞান পৰিহাৰ কৰি জাতি-বৰ্ণ নিৰ্বিশেষে সকলোকে সমানে তেখেতৰ মৰম বিলাই, গোটেই যোৰহাট তথা অসমখনকেই তেখেতে এখন মাত্ৰ ঘৰ কৰি লৈছিল। তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰি এই নিঃকিনে ভক্তিৰা হিচাপে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। ০ ০ ০

শোকত মই কান্দিবলৈ ধৰিলোঁ।

আমাৰ ঘৰলৈ প্ৰায়েই সাধু-সন্ন্যাসীৰ সমাগম হয়। তেওঁলোকসকলে যেতিয়া ধৰ্ম আৰু ঈশ্বৰ-তত্ত্বমূলক বিষয়বোৰ আলোচনা কৰে, বৌটিয়ে তেতিয়া সেই সাধু-সন্ন্যাসীসকলক নানা ধৰণৰ প্ৰশ্ন কৰা দেখিবলৈ পাইছিলোঁ। এনে ধৰণৰ তত্ত্ব কথা সাধুসকলৰ লগত আলোচনা কৰাৰ ফলতেই আৰু নানা ধৰণৰ তত্ত্বজ্ঞানসম্পন্ন কিতাপ-পত্ৰ পঢ়ি থকাৰ ফলতেই কিজানি মোৰ ভাই পবিত্ৰৰ মৃত্যুত বৌটিক মই বাহ্যিকভাৱে বিচলিত হোৱা দেখা নাছিলোঁ। যেতিয়া বুজিলোঁ যে পবিত্ৰৰ মৃত্যু অনিবাৰ্য, তেতিয়া মোৰ একমাত্ৰ চিন্তা হৈছিল বৌটিক লৈ। ভাবিছিলোঁ, জীৱনৰ এই চৰম শোক সহ্য কৰিব নোৱাৰি হৃদপিণ্ডৰ ক্ৰিয়া বন্ধ হৈ বৌটিৰ হয়তো মৃত্যু ঘটিব; নতুবা বৌটি লৈ ঘৰৰ সমুখত থকা পুখুৰীত জপিয়াই পৰি বৌটিয়ে আত্মহত্যা কৰিব। সেই কাৰণে পবিত্ৰৰ মৃত্যু ঘোষণা কৰাৰ লগে লগে মই বৌটি লৈ বৌটিক সাৱটি মাৰি ধৰি যেতিয়া সান্ত্বনা দিয়াৰ চেষ্টা কৰিছিলোঁ, বৌটিয়ে তেতিয়া শোকাভিভূত কণ্ঠেৰে কৈছিল— "তইতো মোৰ কাৰণে চিন্তা নকৰিবি, মই ঠিকেই আছোঁ। মোৰ কলিজা পুৰি পুৰি ছাই হৈ গৈছে, বাকী আৰু একো নাই।" বৌটিয়ে এই মৰ্মান্তিক ঘটনা এনে সহজভাৱে সহ্য কৰা দেখি মই নিজে অভিভূত হৈ পৰিছিলোঁ।

সেই যুগত ভাল চিকিৎসাৰ ব্যৱস্থা নথকাৰ কাৰণে আমাৰ বিৰাট পৰিয়ালত একাধিক কঠিন ৰোগী প্ৰায়েই আছিল। সেই সকলোবোৰ ৰোগীক পৰিচৰ্যা কৰা, ঔষধ-পথ্য আদি সময়মতে খুওৱা, আন কি ৰাতিও উজাগৰে থাকি সেইবিলাক ৰোগীৰ ওচৰত বহি থকা কাম বৌটিয়ে অকলেই কৰা দেখিবলৈ পাইছিলোঁ। প্ৰথম অৱস্থাতেই মোৰ সৰু ভাই ৺পুতলী তিনি-চাৰি বছৰমান বয়সত কঠিন ধৰণৰ টাইফয়েড বেমাৰত অস্থি-চৰ্মসাৰ হৈ মৃতপ্ৰায় অৱস্থাত বিচনাত পৰি থকা দিনবিলাক বৌটিয়ে কেনে ধৰণে অতিবাহিত কৰিছিল, সেই কথা বৰ্ণোৱা কঠিন। কেইমাহমাহো দিনে-ৰাতিয়ে সমানে টোপনি ক্ষতি কৰাৰ উপৰিও খোৱাৰ লগত বৌটিৰ সম্বন্ধ প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি। তাৰ চাৰিছৰমানৰ পাছতেই মোৰ সৰু ভনী শ্ৰীমতী অৰুণাৰ (সৰুমাই) ব্ৰঙ্কাইটিচ হয়। সেই ব্ৰঙ্কাইটিচ ৰোগেই পাছত ক্ৰনিক হোৱাত ডাক্তৰসকলৰ নিৰ্দেশ মতে তাইক সকলো সময়তে অতি সাৱধানে ৰখাৰ উপৰিও ভাল ভাল পুষ্টিকৰ খাদ্য খুৱাব লগা হৈছিল। গতিকে বৌটিয়ে তাইক চৰায়ে পাখিৰ আঁৰত পোৱালিক সযত্নে ৰখাৰ দৰে ৰাখি, ডাঙৰ হোৱাত বিয়া দি উলিয়াই দিয়া পৰ্যন্ত তাইৰ যত্ন লোৱা দেখি সকলোৱেই আচৰিত হৈছিল।

এনে এটা অস্বাস্থ্যকৰ অৱস্থা হোৱাৰ কাৰণে ককাদেউতা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে এজন বিজ্ঞ হোমিওপেথিক ডাক্তৰক আমাৰ ঘৰুৱা ডাক্তৰ হিচাপে নিয়োগ কৰাৰ উপৰিও বৌটিক হোমিওপেথিক চিকিৎসা শিকিবৰ কাৰণে কেইবাখনো কিতাপ আনি দিছিল। ককাদেউতাই নিজেও হোমিওপেথিক চিকিৎসা ঘৰুৱাভাৱে বহু আগৰেপৰাই কৰি আছিল। বৌটিয়ে সেই ডাক্তৰজনৰ লগত ৰোগীবিলাকৰ লক্ষণ আৰু কি কি লক্ষণত কেনে ধৰণৰ দৰৱ দিয়ে, সেইবিলাকৰ বিষয়ে আলোচনা কৰা আৰু লগে লগে কিতাপবোৰ পঢ়ি থকা সদায় দেখিবলৈ পাইছিলোঁ। এনেকৈয়ে সদায় চৰ্চা কৰি বৌটিৰ যেতিয়া সেই বিষয়ে যথেষ্ট জ্ঞান হ'ল, তেতিয়া কলিকতাৰ পৰা নানান দৰৱ আনাই স্বাধীনভাৱেই দৰৱ ৰোগীবোৰক দিছিল। তদুপৰি, ওচৰ-চুবুৰীয়া বহু মানুহে



ঘৰত বেমাৰ হ'লে বৌটিৰপৰা ঔষধ নিছিল আৰু ব্যৱহাৰ কৰি উপকাৰ পাইছিল। সেই সময়ত প্ৰায় মানুহৰ ঘৰতেই ধাইৰ হতুৱাই প্ৰসৱ কৰোৱাৰ প্ৰথা প্ৰচলিত আছিল। সহজভাৱে প্ৰসৱ হোৱাৰ কাৰণে বৌটিয়ে দিয়া দৰৱৰ ইমান প্ৰচাৰ হ'ল যে হাঁথলী পুখুৰীৰ ওচৰত থকা ৰাজেশ্বৰী নামৰ ধাইজনীয়ে আসন্ন প্ৰসৱাসকলৰ কাৰণে সদায় বৌটিৰপৰা ঔষধ নিছিল। আনকি আমাৰ মোমাইদেউ ডাক্তৰ ৺উমেশ চন্দ্ৰ বৰদলৈয়েও তেওঁলোকৰ তেনে ৰোগীসকলৰ কাৰণে বৌটিৰপৰা দৰৱ নি খুওৱা কথা মই জানো। এনে কৰাত বৌটিয়ে দৈনিক যথেষ্ট সময় খাটিব লাগিছিল। এইবিলাকৰ উপৰিও অসহযোগ আন্দোলনৰ সময়ত হাজাৰ হাজাৰ স্বেচ্ছাসেৱকৰ কাৰণে বৌটিয়ে নিজে থানে থানে খদ্দৰৰ কাপোৰ কাটি গান্ধীটুপী, কুৰ্তা আদি দিনে-ৰাতিয়ে চিলাই-কলত তৈয়াৰ কৰা, ঘৰখনৰ সৰু ডাঙৰ সকলোৰে কাৰণে হাফ্‌পেণ্ট, ফ্ৰক, ব্লাউজ, কামিজ, পঞ্জাবী আদি যাৱতীয় পোছাক তৈয়াৰ কৰি থকা দেখিছিলোঁ।

কেইবাটাও অতি সঙ্কটজনক পৰিস্থিতিত বৌটিৰ ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীলতা আৰু বিশ্বাস দেখি সকলোৱেই আচৰিত হৈছিল। সেইটো বোধকৰোঁ ১৯৪০ চন আছিল। আমি (বৌটি, মোৰ পৰিবাৰ আৰু মই) আছিলোঁ তেজপুৰত, মোৰ কৰ্মস্থলত। মোৰ পৰিবাৰ বিকলাই ৰোগত আক্ৰান্ত হ'ল। ডাক্তৰৰ ভুল চিকিৎসাৰ কাৰণে বেমাৰীৰ অৱস্থা দিনে দিনে বেয়াৰ ফালে চাপ খাবলৈ ধৰিলে। সেই কাৰণে বৌটিক লগত লৈ তেওঁক মোৰ বৰ মামা ডাক্তৰ ৺উমেশ চন্দ্ৰ বৰদলৈৰ তত্ত্বাৱধানত ডিব্ৰুগড়ত চিকিৎসাৰ কাৰণে থৈছিলোঁ। মোৰ পৰিবাৰ সম্পূৰ্ণভাৱে আৰোগ্য নৌ হওঁতেই মোমাইদেউৰ পৰিবাৰ আৰু তিনিটা ল'ৰা-ছোৱালী কঠিন ধৰণৰ টাইফয়েড ৰোগত আক্ৰান্ত হ'ল। সেই সময়ত টাইফয়েড ৰোগৰ ভাল ঔষধ ওলোৱা নাছিল। ডাক্তৰসকলে এই ৰোগৰ চিকিৎসা কৰোঁতে কেৱল শুশ্ৰূষাৰ ওপৰতেই নিৰ্ভৰ কৰিছিল। একে সময়তে এই পাঁচজন মুমূৰ্ষু ৰোগীক বৌটিয়ে প্ৰায় অকলেই দিনে-ৰাতিয়ে সকলো ধৰণৰ শুশ্ৰূষা কৰিবলৈ ধৰিলে। প্ৰায় ডেৰ মাহ এনেদৰে বৌটিয়ে অক্লান্ত পৰিশ্ৰম আৰু ধৈৰ্যৰে চিকিৎসা আৰু শুশ্ৰূষা কৰাৰ পাছত আটাইকেইজন ৰোগী ভাল হ'ল। ডিব্ৰুগড়ৰ ৰাইজে বৌটিৰ ধৈৰ্য, একাগ্ৰতা, কৰ্মশক্তি আৰু ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীলতা দেখি ভূয়সী প্ৰশংসা কৰিবলৈ ধৰিলে।

বৌটিৰ প্ৰবল কৰ্ম-প্ৰেৰণা, আত্মনিৰ্ভৰশীলতা আৰু ভগৱানৰ ওপৰত ভাৰসাৰ নিদৰ্শন স্বৰূপে আন কেইটামান উল্লেখযোগ্য ঘটনাৰ বিষয়ে নিলিখি নোৱাৰোঁ। বৌটি জীৱনত বহুত সভা-সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হৈছিল, আৰু সেইবিলাক দায়িত্ব সদায় হাঁহিমুখে গ্ৰহণ কৰিছিল। কিন্তু যোৰহাটত অনুষ্ঠিত হোৱা ১৯৫৪ চনৰ অসম সাহিত্য সভাৰ সভানেত্ৰীৰ দায়িত্বশীল পদটো যেতিয়া তেওঁক গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হৈছিল (প্ৰথম বাৰৰ কাৰণে এগৰাকী মহিলাক), তেতিয়া এই বিৰাট অনুষ্ঠানটোৰ ভিতৰচ'ৰাত নানান আসোঁৱাহ থকাৰ কাৰণে আন সকলোৱেই সেই পদৰ দায়িত্ব গ্ৰহণ কৰিবলৈ অমান্তি হৈছিল বুলি আমি সকলোৱেই গম পাই তেওঁকো সেই দায়িত্ব লবলৈ বাধা দিছিলোঁ। সেই সময়ত তেওঁ হৃদৰোগৰপৰা আৰোগ্য হৈ উঠাৰ কাৰণে ডাক্তৰসকলেও বাধা দিছিল; কিন্তু বৌটিয়ে সকলো বাধা আওকাণ কৰি সেই গুৰু দায়িত্বৰ ভাৰ গ্ৰহণ কৰিছিল। তেওঁৰ মুখত কেৱল এষাৰেই কথা শুনিবলৈ পাইছিলোঁ; সেইষাৰ কথা আছিল— "মই কিয় নোৱাৰিম? ভগৱান মোৰ কৰ্মক্ষেত্ৰত সদায়

সহায় হৈ থাকিব।”

১৯৫২ চনত পাৰিজাত কানন (শিশু-কল্যাণ অনুষ্ঠান) স্থাপন কৰি, তাৰ পৰিচালনাৰ সমস্ত ভাৰ নিজে লৈ, শিশুবিলাকৰ উপযোগী কেইবাখনো নৃত্য-নাটিকা ৰচনা কৰি আৰু সেইবিলাক মঞ্চস্থ কৰি যি কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰে কাম কৰা দেখিছিলোঁ, সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ।

১৯৫৪ চনত শ্ৰীমতী কৃষ্ণা হাথীসিং গুৱাহাটীলৈ আহি সৰ্বভাৰতীয় শিশু-কল্যাণ সন্থাৰ শাখা এটা খুলি তেখেতক স্থায়ী সভানেত্ৰী পাতি থৈ যোৱাৰ পাছৰপৰাই যি কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছিল, তাৰ ফল স্বৰূপেই তেখেত হৃদৰোগত আক্ৰান্ত হয়। তথাপি, ডাক্তৰসকলৰ নিৰ্দেশ অমান্য কৰি নিজৰ বিচনাৰ কাষতে মেজ চপাই লৈ জাপ জাপ ফাইলৰ কাম কৰি থকা দেখি আমি সকলোৱেই বেয়া পাইছিলোঁ, আৰু বাধা দিবলৈ চেষ্টা কৰিছিলোঁ। যদিও তেখেতৰ দায়িত্ববোধ, কৰ্মপ্ৰেৰণা আৰু মনোবল দেখি আচৰিত হৈছিলোঁ।

বৌটিৰ প্ৰবল উপস্থিত বুদ্ধি, সকলো বিষয়ৰে এটা সাধাৰণ জ্ঞান আৰু অসীম সাহস থকাৰ উদাহৰণ স্বৰূপে এটা ঘটনা বিশেষভাৱে উল্লেখযোগ্য। বৰ মোমাইদেউৰ মাজু ল'ৰা শ্ৰীমান মণ্টু (শ্ৰীমিহিৰ বৰদলৈ) আৰু ছোৱালী বুলবুলি (শ্ৰীমতী মাধুৰী দেৱী) আমাৰ লগত থকাৰ সময়ত এদিন মণ্টুৱে গা ধোৱা ঘৰত সোমাই গা ধুই থাকোঁতে কেনেবাকৈ বিজুলীৰ তাঁৰ এডাল ছিগি আহি তাক মেৰিয়াই ধৰিলে। সি বিকট চিঞৰ মাৰি অজ্ঞান হৈ পৰি গ'ল। বায়েক বুলবুলিয়ে চিঞৰ শুনি টান মাৰি দুৱাৰখন খুলি হাতত থকা বাল্টিটোৰেই কোবাই তাঁৰডাল গুচাবলৈ গৈ নিজেও বিজুলীৰ কোব খাবলৈ ধৰাত বৌটিক চিঞৰি মাতিলে। বৌটি তৎক্ষণাৎ আহি সেই দৃশ্য দেখি, মেইন স্নুইচ্ বহুত দূৰত থকাৰ কাৰণে তৎক্ষণাৎ এখন ডাঙৰ কাঠৰ পীৰা আনি তাত উঠি লৈ হাতেৰে তাঁৰডাল মণ্টুৰ গাৰপৰা একত্ৰাই দূৰলৈ দলিয়াই দিলে। প্ৰায় দহ ঘণ্টা অজ্ঞান হৈ পৰি থকাৰ পাছত আৰু ডাক্তৰৰ চিকিৎসাৰ ফলত সি জ্ঞান পালে, আৰু লাহে লাহে ভাল হ'ল।

বৌটিৰ কণ্ঠস্বৰ অতি সুললিত আছিল— যদিও তেখেতে জীৱনত সঙ্গীত-সাধনাৰ সুযোগ আৰু প্ৰেৰণা নাপালে। অতি কম বয়সৰপৰাই নানান ঘাত-প্ৰতিঘাত পাই থকাৰ কাৰণেই এই সুকুমাৰ কলাৰ সাধনা তল পৰি থাকিল, আৰু তাৰ স্থান অধিকাৰ কৰিলে কবিতাই। তথাপি মাজে-সময়ে নিৰলে, শুই থকা অৱস্থাত বৌটিয়ে বৰগীত আৰু ৰবীন্দ্ৰ সঙ্গীত, আৰু গোঁসাই-ঘৰত কীৰ্তনৰ পদবিলাক গাই থকা প্ৰায়েই শুনিবলৈ পাইছিলোঁ। সেইবিলাকৰ ভিতৰত দেউতা ঢুকুৱাৰ পাছত শিৱসাগৰৰপৰা গুৱাহাটীলৈ আহোঁতে বেলৰ কান্দি কান্দি গোৱা বৰগীতৰ সুৰকেইটাই আৰু পুতলীৰ মৃত্যুৰ কিছুদিন পাছত আমাৰ গোসাঁই-ঘৰত হোৱা সমূহীয়া নামত গোৱা— “মোহন দেহু দৰিশন, গোপাল প্ৰাণ. পেখো মুখ কমল। সংসাৰ-তৰণ তোমাৰ চৰণ নভজি জন্ম বিফল।।”— এই পদফাঁকিৰ সুৰে মোৰ মনত এনে এটা করুণ স্মৃতিৰ সাঁচ বহুৱাই থৈ গ'ল আৰু এনে এটা অনুভূতিৰ সৃষ্টি কৰিলে যে মই তাক জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ। আমাৰ ঘৰলৈ যি কোনো গায়ক-গায়িকা আহিলে বৌটিক কেইটামান গীত নুশুনোৱাকৈ সাৰি যাব নোৱাৰিছিল।

আমাৰ ঘৰলৈ সদায় নানা ধৰণৰ মানুহৰ সমাগম হৈ আছিল। যেতিয়াই যি ধৰণৰ মানুহ আহে,



বৌটিয়ে প্ৰত্যেকৰ লগতে উপযোগী ধৰণৰ আলোচনা কৰি বৰ তৃপ্তি পাইছিল। ধাৰ্মিক লোকৰ লগত ধৰ্ম, ৰাজনৈতিক বা দেশৰ নেতৃস্থানীয় লোকৰ লগত দেশৰ সমস্যা আদি, সাহিত্যিকৰ লগত সাহিত্য আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীবিলাকৰ লগত তেওঁলোকৰ সমস্যা আৰু কৰ্তব্য আদিৰ বিষয়ে যথেষ্ট সময় ব্যয় কৰি আলোচনা কৰিবলৈ বৰ ভাল পাইছিল। তেনেবিলাক আলোচনা কৰি থাকোঁতে তেখেতে প্ৰায়েই সময়ৰ জ্ঞান হেৰুৱাই পেলাইছিল। উদাহৰণ স্বৰূপে মই উল্লেখ নকৰি নোৱাৰিলোঁ— আমাৰ ঘৰলৈ প্ৰায়েই আহি থকা উত্তৰ-গুৱাহাটীৰ এজন কাপোৰ বেচা ভকতীয়া বয়সস্থ মানুহৰ কথা। তেওঁক, আমি সকলোৱেই 'কাকা' বুলি সম্বোধন কৰোঁ। তেওঁ প্ৰায়েই দুপৰীয়া সময়ত আহে। সেই সময়ত প্ৰায়েই বৌটিয়ে খাই উঠি শুবলৈ যায়। বৌটিয়ে দুপৰীয়া বা ৰাতি খাই উঠি শোৱাৰ সময়ত ব্যাঘাত জন্মিলে বৰ অশান্তি পাইছিল আৰু ওজৰ-আপত্তিৰ সীমা নাছিল। কিন্তু কাকা অহাৰ গম পোৱাৰ লগে লগে বৌটিয়ে শুবলৈ এৰি উঠি আহি বাৰান্দাতে তেওঁৰ ওচৰত চকী এখনত বহি নানান ধৰণৰ কথা, বিশেষকৈ ধৰ্ম সম্বন্ধীয় কথা পাতিবলৈ আৰম্ভ কৰি দিয়ে। ফলত কাকায়ো নিজৰ ব্যৱসায়ৰ কথা পাহৰি তন্ময়ভাৱে আলোচনাত যোগ দিয়ে, আৰু শেষত বেগা-বেগিকৈ শেষ ফেৰিখনত ঘৰলৈ যাবৰ কাৰণে ঢাপলি মেলে। বৌটিয়ে এনে ধৰণে বিশ্ৰামত ব্যাঘাত বা টোপনি ক্ষতি হোৱাৰ কাৰণে কোনো দিনেই বিৰক্তি প্ৰকাশ নকৰিছিল। অথচ দুপৰীয়া সেই টোপনিকণত যদি আন কিবা কাৰণত ব্যাঘাত জন্মে, তেতিয়া বৌটিৰ বিৰক্তিৰ সীমা নাইকিয়া হয়, আৰু আমি বকনি শুনিব লগা হৈছিল। ৰাতিৰ বিশ্ৰামকণৰ বেলিকাও বৌটিৰ একে ধৰণৰ আচৰণ সদায় লক্ষ্য কৰিছিলোঁ। বাহিৰৰ মানুহ আহি বহুত ৰাতিলৈকে কথা-বতৰা পাতি থাকিলেও বৌটিয়ে শাৰীৰিক অসুস্থতা, ক্লান্তি, টোপনি, আনকি ভোক-পিয়াহ পৰ্যন্ত পাহৰি গৈছিল। অশিষ্টাচাৰ হ'লেও বহু সময়ত আমি সেইসকল অতিথিৰ বৰ্তমানতে বৌটিক ৰাতি বহুত হোৱাৰ কথা মনত পেলাই দিব লগা হৈছিল। পাছদিনা পলমকৈ খোৱা আৰু শোৱাৰ কাৰণে কিবা অসুবিধা হোৱা বুলি কোৱা কেতিয়াও নুশুনিছিলোঁ। কিন্তু ঘৰৰ মানুহখিনিৰ কাৰণে কেতিয়াবা টোপনিত ব্যাঘাত ঘটিলে পাছদিনা নানা ধৰণৰ ওজৰ-আপত্তি শুনিব লগা হৈছিল। বংশগত তীব্ৰ খং আৰু নানান ঘাত-প্ৰতিঘাত পোৱাৰ ফলত স্নায়বিক দুৰ্বলতা আৰু উত্তেজনা ক্ৰমান্বয়ে ইমান বৃদ্ধি পাইছিল যে তাৰ ফল স্বৰূপেই বৌটিৰ এনে ধৰণৰ আচৰণ দেখিবলৈ পাইছিলোঁ বুলি মোৰ ধাৰণা হয়।

বৌটিৰ অন্তৰখন ইমান কোমল আৰু মৰমিয়াল আছিল যে, দুখীয়া আৰু অসহায় মানুহৰ কাৰণে তেখেতৰ অন্তৰে সদায় কান্দিছিল। আমাৰ আৰ্থিক অৱস্থা কেতিয়াও টনকিয়াল নথকা সত্ত্বেও বৌটিয়ে অভাৱগ্ৰস্ত মানুহবিলাকক যেতিয়া যি পাৰে আৰ্থিক সাহায্য দিয়াৰ উপৰি খোৱা বস্তু, কাপোৰ আদি প্ৰায়েই নিজৰ সামান্য পেন্সনৰ পইচাকেইটাৰপৰা দিছিল। নিজৰ হাতত পইচা নাথাকিলে মোৰপৰাও খুজি লৈ দিছিল। মোৰ জীৱনত এনে এটা সময় গৈছে যি সময়ত মই কঠোৰ শাৰীৰিক পৰিশ্ৰম কৰি এবেলা কোনোমতে এমুঠি সুদা ভাতৰ যোগাৰ কৰিব পাৰিলেও সিবেলাৰ কাৰণে চিন্তা কৰিব লগাত পৰিছিলোঁ। তেনে অৱস্থাতো বৌটিয়ে একোটা পৰিয়ালক আশ্ৰয় দিবলৈ কেতিয়াও কুণ্ঠাবোধ নকৰিছিল। তেনে ধৰণে সময়ে সময়ে প্ৰায়েই অসহায় আৰু মাউৰা ল'ৰা-ছোৱালীবিলাকক লগতে ৰাখি মাতৃৱৎ আদৰ যত্ন কৰিছিল। ১৯৪১ চনত ব্ৰহ্মদেশৰপৰা যেতিয়া ভগনীয়াবিলাক আহে, সেই

সময়ত তেখেতৰ ভতিজা পুতেক শ্ৰীমান পুলিন চাংকাকতী আমাৰ লগতে থাকি পঢ়া-শুনা কৰিছিল। তেওঁ শান্তি সেনাত যোগ দি দিনে-ৰাতিয়ে ভগনীয়াবিলাকক সহায় কৰা, ৰোগীবিলাকক হাস্পতালত থোৱা, আৰু মৃতবিলাকৰ সংকাৰ কৰা কামত ঘূৰোঁতে প্ৰায়েই ৰাতি বাৰ-এক বজাত ঘৰ ওলাইছিলহি। এনে ধৰণে পলমকৈ আহিলে বৌটিৰ চিন্তাত টোপনি নাইকিয়া হোৱা আৰু ধৰফৰাই ফুৰা অৱস্থাটো মই কেতিয়াও পাহৰিব নোৱাৰোঁ। ভতিজাক ডাক্তৰ প্ৰবীৰ বৰদলৈৰ (বাপা) প্ৰতি তেখেতৰ ইমান মৰম আছিল যে সি সুদীৰ্ঘ কাল বিলাতত থকা সময়ত তাৰ লগত নিয়মিত চিঠিৰ আদান-প্ৰদান কৰাৰ উপৰিও বিলাতৰপৰা ঘূৰি অহা মানুহক লগ ধৰি তাৰ বিশদ খবৰ লৈছিল। প্ৰবীৰেও বৌটিক মাতৃৰং স্নেহ আৰু ভক্তি কৰিছিল, আৰু তাৰ কৰ্ম-ব্যস্ততাৰ মাজতো প্ৰায়েই অলপ সময়ৰ কাৰণে হ'লেও আহি বৌটিৰ খবৰ লৈছিল, আৰু নানা বিধৰ ঔষধ, টনিক আৰু বৌটিৰ প্ৰিয় মিঠাই 'কালাকান্ত' দি গৈছিলহি। বৌটিৰ মৃত্যুৰ আগমুহূৰ্তলৈকে সি তেখেতক সকলো বেমাৰতে নিজে চিকিৎসা কৰাৰ উপৰিও বহুত ডাঙৰ ডাঙৰ ডাক্তৰক মাতি আনি বৌটিক দেখুৱাইছিল। বৌটিৰ স্নেহৰ টানত সুদূৰ জেনেভাৰপৰাও তেখেতৰ ভতিজাক শ্ৰীননী চাংকাকতী তেখেতৰ টান অসুখ বুলি খবৰ পাই শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ সপৰিবাৰে আহি সাতদিনমান তেখেতৰ লগতে আছিলহি।

বৌটিয়ে যেতিয়ালৈকে উঠি-মেলি ফুৰিব পাৰিছিল, তেতিয়ালৈকে হাতত খন্তি লৈ নানা ধৰণৰ ফল-মূল, বিশেষকৈ সুগন্ধি ফুলৰ গছ কই বৰ আনন্দ পাইছিল। তেখেতে ৰোৱা নাৰিকল, তামোল, মধুৰি আম আদি গছৰ উপৰিও কেইবাবিধো সুগন্ধি ফুলৰ গছ আমাৰ ঘৰত এতিয়াও আছে। ঘৰত হোৱা শাক-পাচলি ঘৰে-ঘৰে বিলাই দি তেখেতে বৰ ভাল পাইছিল।

বৌটিয়ে তেখেতৰ পিতৃৰ উপদেশ অনুসৰি সক্ৰিয় ৰাজনীতিত কেতিয়াও যোগ নিদিলেও তেখেতৰ দেশপ্ৰেম প্ৰবল। স্বদেশ আৰু জনসাধাৰণৰ মঙ্গলৰ কাৰণে প্ৰায় সকলোবিলাক সঙ্কটৰ সময়ত তেখেতক চিন্তিত আৰু অস্থিৰ হোৱা দেখা গৈছিল। তেনেবিলাক সঙ্কটৰ সময়ত বৌটিৰ অস্থিৰতা ইমান প্ৰবল হৈছিল যে ৰাতি টোপনি নহা হৈছিল। প্ৰায়েই নেতাসকলৰ ঘৰলৈ নিজে গৈ সেইবিলাক বিষয়ৰ আলোচনা কৰি তাৰ প্ৰতিকাৰৰ উপায় উদ্ভাৱন কৰাত লিপ্ত হৈ পৰিছিল। শৰীৰৰ অসুস্থতা থাকিলে এনেবিলাক ক্ষেত্ৰত আমাৰ আৰু ডাক্তৰসকলৰ হকা-বাধাকো উপেক্ষা কৰিছিল। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি বৌটিৰ এটা বেলেগ ধৰণৰ মৰম-প্ৰীতি সদায় লক্ষ্য কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীবিলাক বৌটিৰ ওচৰলৈ নানান সমস্যা সমাধানৰ উপায় বিচাৰি বা এনেয়ে দেখা কৰিবলৈ প্ৰায়ে আহিছিল। বৌটিয়ে তেওঁলোকক বহুৱাই লৈ নানান সৎ উপদেশ দি তেওঁলোকৰ সমস্যাবিলাক সমাধানৰ উপায় উলিয়াই মনত বৰ তৃপ্তি লাভ কৰিছিল। অসমত হৈ যোৱা একাধিক ভাষা-আন্দোলনত ছাত্ৰ-ছাত্ৰীসকলে লোৱা কৰ্মপন্থাত যি জটিলতাৰ সৃষ্টি হৈছিল, সেই সমস্যা সমাধানৰ কাৰণে তেখেতে নিজে গৈ ছাত্ৰ-ছাত্ৰীসকলক বুজনি দি সমস্যাবিলাক সমাধান কৰিছিলগৈ। তেনে এটা সমস্যা সমাধান কৰাৰ পাছত, শ্ৰীশৰৎ চন্দ্ৰ সিংহ আৰু উপেন নবীশে ঘৰলৈ আহি তেখেতক ধন্যবাদ জনাই কোৱা কথা কেইষাৰ উল্লেখযোগ্য। তেখেতসকলে কৈছিল— "যিটো কামৰ পৰা কংগ্ৰেছ সভাপতি আৰু মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-সমাজক বুজনি দি বিৰত কৰিব নোৱাৰিলে, আপুনি কেনেকৈ সেইটো কাম সমাধা কৰিলে ? আমি সকলোৱেই আচৰিত হৈছোঁ।" উত্তৰত তেখেতে কৈছিল—



"ছাত্ৰবোৰক মোৰ নিজৰ পুত্ৰৰ দৰেই প্ৰাণতকৈও ভাল পাওঁ। এই কথা ছাত্ৰবোৰে জানে। সেই বাবেই বোধকৰোঁ মোৰ অনুৰোধ ৰাখিলে। এই ধন্যবাদ মোৰ প্ৰাপ্য নহয় ; ছাত্ৰ-সমাজহে প্ৰাপ্য। ছাত্ৰবোৰৰ ভৱিষ্যত অমঙ্গল আশঙ্কা কৰিয়েই মই নিজে গৈছিলোঁ। ছাত্ৰ-সমাজে মোৰ অনুৰোধ নাৰাখিলেও মোৰ উপায় নাছিল। বাছাইতে যে মোৰ কথা ৰাখিলে, এয়ে মোৰ সাৰ্থকতা"।

বৌটিৰ শহুৰ-কুলত অতিশয় নৈষ্ঠিকতা আৰু ধৃতি-নীতি থকা কাৰণেই তেখেতেও শেষ জীৱনলৈকে সেইবিলাক আচাৰ-ব্যৱহাৰ সদায় পালন কৰি আছিল। অসুস্থ অৱস্থাতো গা ধুই পূজা-অৰ্চনা আদি নিত্য-নৈমিত্তিক কামবিলাক কৰাৰ উপৰি নিজৰ আহাৰখিনি নিজে ৰান্ধি খাইছিল। আনকি তেখেতৰ সকলো বাচন-বৰ্তন পৰ্যন্ত বেলেগ আছিল। মাছ-মাংস আদি আমিষ জাতীয় কোনো বস্তু স্পৰ্শও নকৰিছিল। অথচ ঘৰৰ আন সকলোৰে প্ৰতি এই বিষয়ত ইমান উদাৰ আছিল যে, যি কোনো ধৰণৰ খাদ্য খোৱাত বা আচাৰ-ব্যৱহাৰ কৰাত কেতিয়াও আপত্তি কৰা মনত নপৰে। কিন্তু বৌটিৰ শেষ অৱস্থাত মোৰ পৰিবাৰে অসুস্থ শৰীৰেৰে গা ধুই তেখেতৰ আহাৰ প্ৰস্তুত কৰি দিয়া দেখি এদিন তেওঁক মাতি এই বুলি কৈছিল— 'শুনা মাই! (মোৰ পৰিবাৰক 'মাই' বুলি মাতিছিল) মই এতিয়াহে বুজিছোঁ যে এইবিলাক বাহ্যিক আচাৰ-ব্যৱহাৰৰ কোনো মূল্য নাই। মনৰ পৱিত্ৰতাহে আচল বস্তু। গতিকে তুমি অসুখীয়া অৱস্থাত গা ধুই মোৰ খাদ্য তৈয়াৰ কৰিব নালাগে।" বৌটিয়ে নিমখ বৰ কমকৈ খাইছিল। কিন্তু মিঠা বস্তু খাবলৈ বৰ ভাল পাইছিল। চাহত বেছিকৈ চেনি দি, গাখীৰত চেনি দি, আনকি আঞ্জা-ভাজিতো যথেষ্ট চেনি খাই ভাল পাইছিল। মিঠাই বৰ প্ৰিয় আছিল, বিশেষকৈ 'কালাকান্ত' বোলা মিঠাইটো। অথচ ১৯৪৬ চনতে কলিকতাত নাকৰ ভিতৰৰ এটা অপাৰেশ্বন কৰোঁতে বহুমূত্ৰ ৰোগ ধৰা পৰিছিল, আৰু অলপ দিন তাৰ চিকিৎসাও কৰা হৈছিল। আচৰিত কথা যে ডাক্তৰসকলৰ নিৰ্দেশ অমান্য কৰি ইমান মিঠা বস্তু খাই কোনো ঔষধ ব্যৱহাৰ নকৰা সত্ত্বেও বৌটিৰ জীৱনৰ শেষ দিনলৈকে বহুমূত্ৰ ৰোগে পুনাই কেতিয়াও দেখা নিদিলে। মোৰ ধাৰণা হয় যে তেখেতে এই ৰোগ একমাত্ৰ মানসিক শক্তিৰদ্বাৰাই নিৰ্মূল কৰিছিল।

বৌটি অতি কোমল বয়সতে বিধৱা হোৱাত, প্ৰায়েই নানান ব্ৰত পালন কৰা কাৰণে সদায় পিত্ত ৰোগত ভুগিছিল। সেই কাৰণে পিত্তৰ ঔষধ তেখেতৰ চিৰলগৰীয়া হৈ জীৱনৰ শেষ সময়লৈকে আছিল। কিন্তু ১৯৫৭ চনত জ্বৰৰোগ হৈ ভাল হোৱাৰ পাছৰ পৰাই সেই ৰোগত পুনৰ আক্ৰান্ত হোৱা বা আন কোনো কঠিন বেমাৰ হোৱা নাছিল। সৰ্বশেষত মৃত্যুৰ কাৰণ স্বৰূপে শেষ ৰোগত যেতিয়া পৰিল, তেতিয়া তেখেতে বুজিলে যে তেখেতৰ অন্তিম সময় উপস্থিত। তেখেত সদায়েই তেখেতৰ কাগজ-পত্ৰ, কাপোৰ-কানি আদি ৰখাত বৰ বিশৃঙ্খল আছিল। প্ৰায়েই একোখন চিঠি-পত্ৰ বা তেখেতৰ লিখিত পাণ্ডুলিপি বিচাৰি গোটেইখন তল-ওপৰ কৰি যথেষ্ট সময় নষ্ট আৰু অযথা পৰিশ্ৰম কৰিব লগাত পৰিছিল। সেয়েহে তেখেতে ৰোগত ভুগি থকা প্ৰথম অৱস্থাতেই তেখেতৰ সকলোবিলাক কাগজ-পত্ৰ নিজে শৃঙ্খলা লগাই থোৱাৰ উপৰিও শ্ৰীহেমন্ত শৰ্মা আৰু শ্ৰীনন্দ তালুকদাৰক মতাই আনি সেইবিলাক বুজাই দি, তিনি ঘণ্টা সময় তেখেত সকলৰ লগতে বহি সকলোবিলাক শৃঙ্খলাবদ্ধ কৰি বন্ধাই ৰাখিলে। তেখেত যেতিয়া বিচনাৰপৰা উঠিব নোৱাৰা হ'ল, তেতিয়া আকৌ শ্ৰীহেমন্ত শৰ্মা,

(৩৩ পৃষ্ঠাত চাওক)

# অসমীয়া সাহিত্য আৰু নলিনীবালা দেৱী

শ্ৰীযোগেশ দাস

অসমীয়া সাহিত্যৰ খিতোৱা আধুনিক কালক ৰোমান্টিক যুগ বোলা হয়, তাৰ মাজতে নলিনীবালা দেৱীৰ জন্ম হৈছিল (১৮৯৮ খৃষ্টাব্দ); তাৰ এটা পৰিপক্ক স্তৰতে, এটা সুপৰিণত পৰিবেশতে তেওঁ কাব্য ৰচনা কৰি সুনাম আৰ্জন কৰিছিল ('সন্ধিয়াৰ সুৰ', ১৯২৮)। যিহক আমি ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদ বোলোঁ, তাৰ অনুভৱ আৰু প্ৰয়োগ সেই যুগৰ এটা সাধাৰণ লক্ষণ : চন্দ্ৰকুমাৰ আগৰৱালাৰপৰা পাৰ্বতিপ্ৰসাদ বৰুৱালৈকে প্ৰায় প্ৰত্যেকজন কবিয়েই এই আদৰ্শৰদ্বাৰা কেতিয়াবা নহয় কেতিয়াবা অনুপ্ৰাণিত হৈছিল। কিন্তু মন কৰিবলগীয়া যে এই আদৰ্শকে বিশেষ ৰূপে লৈ কেৱল নলিনীবালা দেৱীয়েহে ঐকান্তিকভাৱে কবিতা লিখি গৈছিল ('সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ' ১৯৪৩, 'পৰশমণি' ১৯৫৪, 'অলকানন্দা' ১৯৬৭), আৰু সকলোৰে ভিতৰত একমাত্ৰ তেওঁহে এই দিশত আমাৰ সাহিত্যত গভীৰ ছাপ পেলাই প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে। অসমৰ ৰহস্যবাদী কবি বুলিলে আমি নলিনীবালা দেৱীকেই বুজোঁ। আধুনিক অসমীয়া সাহিত্যৰ আলোচনাত তেওঁৰ বিষয়ে এইটোৱেই বোধহয় প্ৰধানকৈ লক্ষ্য কৰিবলগীয়া কথা। পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়েই বোধহয় 'সন্ধিয়াৰ সুৰ'ৰ পাতনি লিখি প্ৰথমে কবিক অতীন্দ্ৰিয়বাদী বা মিষ্টিক ভাবাপন্ন বুলি আখ্যা দি সাহিত্যৰ এইটো বিশেষত্বৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। ৰোমান্টিক যুগৰ ভালে কেইজন লেখক, আৰু নলিনী দেৱীৰ অগ্ৰজ কবিৰ কবিতাতো এই বিশেষত্ব ফুটি উঠিছিল। আগৰৱালাৰ 'বীণ-বৰাগী'ত মানৱতাবোধ আৰু আধ্যাত্মিকতা দুয়োটা অঙ্গাঙ্গীভাৱে মিলিত হৈ আছে; ইটোক সিটোৰপৰা বিচ্ছিন্ন কৰি চোৱা বৰ টান। কবি হিচাপে আগৰৱালাৰ ৰচনা তাকৰ। একেবাৰে শেষলৈকে কবিতা লিখি যোৱা হ'লে কিজানি তেওঁৰ 'বীণ-বৰাগী'ত প্ৰকাশ পোৱা আধ্যাত্মিকতাই এটা বিকশিত ৰূপ ধাৰণ কৰিলেহেঁতেন। তেওঁৰ পৰম বন্ধু লক্ষ্মীনাথ বেজবৰুৱাৰ যি আধ্যাত্মিক ভাব 'মাতৃপ্ৰা[…]', 'ব'হী', 'মহাপ্ৰয়াণৰ যাত্ৰী' আদি কবিতাত ব্যক্ত হৈছে, তাক আমি বৈষ্ণৱ ভক্তিবাদৰ সমন্বয়ীৰ বস্তু বুলি নিশ্চয় কব পাৰোঁ। যতীন্দ্ৰনাথ দুৱৰা আৰু ৰত্নকান্ত বৰকাকতী এনে দুটি নাম, যাৰ প্ৰকৃতিত সাধাৰণ জনমানসৰ কবি-ধাৰণাই ৰূপ ধাৰণ কৰে। দুয়োজনেই মিষ্টিক কবিতা লিখিছে। কিন্তু এজনৰ ব্যক্তিগত আশা-নিৰাশাই সুৱদি-সুৰীয়া কোমল কোমল বনগীতিসুলভ ভাষাত বহুজনৰ মনৰ তন্ত্ৰীত আঘাত কৰি যিদৰে সহজ সহানুভূতি জগাই তুলিছে ('বনফুল' ১৯৫২), সেইদৰে ইজনৰ কবিতাতো অতি জটিল, অতি সূক্ষ্ম মনৰ অৱস্থা কেৱল শ্ৰেষ্ঠৰ প্ৰতীকেৰে তেওঁৰ সুন্দৰজনৰ ধাৰণাহে ব্যক্ত প্ৰকাশ পাইছে ; এই জটিলতা, সূক্ষ্মতা আৰু



প্ৰকাশ দিবৰ ছন্দ-বৈচিত্ৰ্যৰ সফল প্ৰচেষ্টাহে 'শেৱালি'ৰ (১৯৩২) বিশেষত্ব। এইসকলৰ মাজত অম্বিকাগিৰী ৰায়চৌধুৰীৰ কথা কবলৈ হ'লে একে আষাৰে স্বীকাৰ কৰিব লাগিব যে 'তুমি' (১৯১৫) এক বিস্ময়কৰ সৃষ্টি। বাকীসকলে শুধু কবিতাৰেহে আধ্যাত্মিক আৰু মিষ্টিক ভাব প্ৰকাশ কৰিছে; ৰায়চৌধুৰীৰ 'অনুভূতি'তো (১৯৫৪) তেনে লিৰিক কবিতা আছে; কিন্তু 'তুমি' এখনি স্বয়ংসম্পূৰ্ণ কাব্য। ৰায়চৌধুৰীৰ উগ্ৰ জাতীয়তাবোধ সৰ্বজনবিদিত; 'মোৰ জীৱন ধুমুহাৰ এছাটি'ত তেওঁ ব্যক্তিগত উগ্ৰতাৰো ইঙ্গিত দি গৈছে। তেওঁৰ নিচিনা এজন লোক (ড° কাকতিয়ে কয় দৰে) যে অন্তৰস্পৰ্শী প্ৰেমৰ কবি হৈ ডান্টেৰ দৰেই যৌৱনোচিত প্ৰণয়ৰ অলখিত উটি-বুৰি স্বৰ্গৰ আকাঙ্ক্ষিত ভগৱানৰ কাষত উপনীত হ'বগৈ, এই কথা মনলৈ আনিলে বিস্ময়াভিভূত হ'ব লাগে। কিন্তু তেওঁৰো বাজহুৱা জীৱনৰ চিৰ-অশান্ত প্ৰাণ, তেওঁৰ জাতীয় প্ৰেমমূলক কবিতাৰ আধিক্য আদিয়ে এইজন গভীৰ ভাবৰ কবিৰ সত্তাক দ্বিধাবিভক্ত কৰি থৈছে। তেওঁক একে আষাৰে মিষ্টিক কবি কোনেও বোলা নাই। অধিক দৃষ্টান্ত দিয়াৰপৰা বিৰত থাকি কওঁ যে এই সকলোৰে বিপৰীতে আমি নলিনীবালা দেৱীক মিষ্টিক কবি বুলি একে আষাৰেই আখ্যা দিওঁ, আৰু সেই আখ্যা দিলে সাধাৰণভাৱে সকলোৱেই মানি লয়। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে দুৱৰা, বৰকাকতী আৰু পাৰ্বতিপ্ৰসাদ বৰুৱাই যিদৰে তেওঁলোকৰ আত্মাৰ অতি সূক্ষ্ম অনুভূতিক সৰু সৰু কবিতাত প্ৰকাশ দি গৈছে, ৰায়চৌধুৰীয়েও সেইদৰে 'অনুভূতিৰ' কেইটিমান কবিতাত 'তুমি'তকৈ ভালেখিনি সূক্ষ্মতৰ অনুভূতি অনুভৱ আৰু প্ৰকাশ কৰি গৈছে। কিন্তু ইয়াকো উল্লেখ কৰি যাব লাগিব যে এইসকলে বিভিন্ন কাৰণত বিভিন্ন আখ্যাৰে স্বীকৃতি পাই যোৱাৰ বিপৰীতে নলিনীবালা দেৱীয়ে এই এটা দিশতেই স্বীকৃতি-সুখ্যাতি লাভ কৰিলে, যদিও তেওঁ অন্যান্য দিশতো বহু সাহিত্য ৰচনা কৰি গৈছে।

এনে গভীৰ উপলব্ধি তেওঁৰ কেনেকৈ হ'বলৈ পালে? দহ বছৰ বয়সতে 'পিতা' কবিতা লিখাটোক তেওঁৰ মাজৰ কবিতাৰ বীজ বুলিলেও বুলিব পাৰি; কিন্তু মাত্ৰ ত্ৰিশ বছৰ বয়স হওঁতেই তেওঁৰপৰা 'সন্ধিয়াৰ সুৰ' ওলাই আহিব পৰাটো আন এটা বিস্ময় বোলাৰ বাহিৰে গত্যন্তৰ নাই; বিশেষকৈ তেওঁৰ জীৱন-সন্ধিক্ষণলৈ তেতিয়াও পঞ্চাছ বছৰেই বাকী। একৈছ বছৰতে তেওঁ বিধৱা হয় ; এই অসহায় যন্ত্ৰণাৰ উপৰি তেওঁ দুটিকৈ সন্তানকো অকালতে হেৰুৱায়। এনে অৱস্থাত তেওঁ ভগৱৎ মুখী হৈ পৰাই স্বাভাৱিক।

---

( ৩১ পৃষ্ঠাৰ পিছৰপৰা )

শ্ৰীযোগেশ দাস আৰু তেখেতৰ নাতি ল'ৰা শ্ৰীপ্ৰশান্ত বৰদলৈক লগ লগাই তেখেতৰ বিচনাৰ কাষতে বহুৱাই লিখি তৈয়াৰ কৰাই সকলো কাগজ-পত্ৰ ভালদৰে যুগুতাই ৰখালে।

সাহিত্যই আছিল যৌটিৰ প্ৰাণ-স্বৰূপ। সকলো সময়তে আৰু অৱস্থাতে বিচনাৰপৰা উঠিব পৰা অৱস্থালৈকে তেখেতে সাহিত্য সৃষ্টি কৰি গ'ল। সেয়েহে তেখেতৰ অন্তিম সময় ওচৰ চপাৰ উপলব্ধি স্বৰূপে তেখেতে সৃষ্টি কৰি থ'ল তেখেতৰ কবিতা-পুথি 'অন্তিম সুৰ'। যেতিয়া বিচনাৰপৰা উঠিব নোৱাৰা হৈ প্ৰায় অজ্ঞান অৱস্থাত পৰি আছিল,তেতিয়া অলপ জ্ঞান পালেই বাৰে বাৰে কৈছিল— "মোৰ অন্তৰখন কবিতাৰে ভৰি আছে, আৰু তাৰ স্পন্দন মই অনুভৱ কৰি আছোঁ।" শেষত মৃত্যুৰ চাৰিদিনমানৰ আগৰপৰা জ্ঞান পালেই বাৰে বাৰে কৈছিল— "মই বিশ্বব্ৰহ্মাণ্ডৰ শেষ বিন্দুত উপনীত হৈছোঁ।" ০ ০ ০

এই কথাকে তেওঁ তেওঁৰ আত্মজীৱনী 'এৰি অহা দিনবোৰ'ত লিখি থৈ গৈছে : বিধৱা হৈ তেওঁ গুৱাহাটীৰ পিতৃগৃহত থকা গোপাল মন্দিৰত সাষ্টাঙ্গ প্ৰণিপাত কৰি শান্তি বিচাৰিলে, গীতা প্ৰমুখ্যে নানান আধ্যাত্মিক গ্ৰন্থত দিনে-ৰাতিয়ে মনোনিৱেশ কৰিলে, ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'গীতাঞ্জলি'ৰ কবিতাবিলাকে তেওঁৰ প্ৰাণৰ তন্ত্ৰীত সুৰৰ ঝঙ্কাৰ তুলিলে, তাৰ প্ৰেৰণাত গীত গাবলৈ ধৰিলে, কবিতাও লিখিবলৈ ধৰিলে; তদুপৰি কেইবাজনো প্ৰখ্যাত সাধকৰ সান্নিধ্যলৈ আহি তেওঁ শান্তি-পথৰ সন্ধান কৰিলে, জাগতিক মায়া-মোহলৈ ক্ৰমাৎ পিঠি দিবলৈ শিকিলে : "দুখে জুকলা কৰা কাঁইটীয়া বাটত বাট বুলোঁতেই অশান্ত প্ৰাণৰ মাজত জাগি উঠে পৰমতৃষ্ণা, সংঘাতময় জীৱনৰ সূক্ষ্ম অনুভূতি 'গৈৰিক পথৰ' পৰম বাঞ্ছনীয় তৃষ্ণাত মন বিয়াকুল হৈ উঠে। এই সময়ছোৱাত কোনো জাগতিক কামনাই অন্তৰ পৰশ কৰিব পৰা নাছিল। দুখে আবৰা, তথাপি জীৱনৰ পৰম বাঞ্ছনীয় এই মাহেন্দ্ৰ মুহূৰ্তবোৰত জীৱনৰ অনুভূতিবোৰে ছন্দৰূপ লয় 'সন্ধিয়াৰ সুৰ' ৰূপে।" ৰবীন্দ্ৰনাথ ঠাকুৰৰ "আমাৰ মাথা নত কৰে দাওহে তোমাৰ চৰণ ধূলাৰ তলে" আদি কবিতাৰ প্ৰেৰণাত গীত গোৱা আৰু কবিতা লিখা-প্ৰসঙ্গত কবিয়ে স্মৰণ কৰিছে : "গীতৰ সুৰে হৃদয়-বেদনা ঢাকি দি শান্তিময়ৰ নিচেই ওচৰ চাপি যোৱা যেন লাগে। প্ৰাণ মন শান্তিৰে ভৰি যায়। পাহৰাই দিয়ে দুখ, শোক, বেদনাৰ কথা। দুখৰ বোজা পাতলি যায়। সঙ্গীতৰ সুৰে সুৰে মন, প্ৰাণ, সত্তাই কোনোবা অতীন্দ্ৰিয় জগতলৈ গতি কৰে। প্ৰাণ-ঢলা গীতৰ সুৰে সুৰে শান্তিৰ অন্বেষণত চকুৰ পানীৰে দুগাল তিয়াই দিনৰ সৰহখিনি সময় পাৰ হৈ যায় কিবা তন্ময় ভাবত। উপনিষদ, ভগৱদ্গীতা আদিৰ পাতে পাতে বিচাৰি ফুৰোঁ শান্তিৰ সন্ধান।" শোক-তাপেৰে জৰ্জৰিত হৈ শান্তিৰ পথ বিচাৰি এইযে দহ-বাৰ বছৰ ধৰি কবিৰ অধ্যয়ন আৰু অনুসন্ধান, ইয়েই নিশ্চয় তেওঁৰ 'সন্ধিয়াৰ সুৰ'ৰ কবিতাবিলাকৰ সৃষ্টিৰ মূল উৎস।

ইয়াৰ লগতে এই সময়ছোৱাতে তেওঁ অধ্যয়ন কৰা ধৰ্ম-গ্ৰন্থৰাজিৰ কথাও বিবেচনাৰ যোগ্য। পূৰ্বৰ কাৰ্জন হলৰ লাইব্ৰেৰিয়ান গোপালকৃষ্ণ দেই সকলে তেওঁক সংস্কৃতৰ কাব্য, ছন্দ, ব্যাকৰণৰ উপৰি ইংৰাজী, অঙ্ক, ভূগোল-বুৰঞ্জীও ঘৰতে শিকাইছিল; শুদ্ধ উচ্চাৰণেৰে চাণক্য-শ্লোক আওৰাব পৰা কৰি তুলিছিল, কাব্যৰসৰ প্ৰতি অনুৰাগ জন্মাইছিল। ইয়াৰ লগতে মাজৰ জৰ্জৰিত কালছোৱাৰ আধ্যাত্মিক গ্ৰন্থাদি অধ্যয়নৰ কথা সংযোগ কৰিলে নলিনী দেৱীৰ গভীৰ আধ্যাত্মিক উপলব্ধিৰ হেতু নিৰ্ণয় কৰিব পাৰি। তদুপৰি ভাৰতৰ সুপ্ৰাচীন আধ্যাত্মিক আদৰ্শৰাজিৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধাৰ কথাও বুজিব পাৰি; এই বিষয়ক তেওঁৰ কবিতাও কেইটিমান আছে। এই প্ৰসঙ্গত তেওঁৰ কাপৰপৰাই ওলোৱা কথা প্ৰণিধানযোগ্য : "চেতন মনৰ ক্ৰিয়া প্ৰকাশশীল। অৱচেতন মন গোপন ক্ৰিয়াশীল। মনৰ অজ্ঞাতসাৰে অৱচেতন মনে গোপনে সন্তৰ্পণে বহুকৰ্ম সাধন কৰে। এই অৱচেতন মন আধ্যাত্মিক প্ৰক্ৰিয়াৰদ্বাৰাই শক্তিশালী কৰিব পৰা যায়। অৱচেতন মন শক্তিশালী হ'লে চেতন মন কেতিয়াবা ক্ৰিয়াহীন আৰু স্তম্ভিত হৈ পৰে। এনে অৱস্থাতে অৱচেতন মনত বিশ্ব-ব্ৰহ্মাণ্ডৰ বহু আৱিষ্কৃত-অনাৱিষ্কৃত তত্ত্ব, সৌন্দৰ্যৰ তথ্য প্ৰতিভাত হৈ পৰে। মানৱ-মনৰ এই স্তৰক উন্নততম স্তৰ বুলিব পাৰি। এনে স্তৰত উপনীত হ'বলৈ বহু পথ আছে। ... ... ... এনে পথেৰে অগ্ৰসৰ যাত্ৰীয়ে অনায়াসে আত্মপূৰ্ণতাৰ ক্ষেত্ৰলৈ আগবাঢ়ে। এই পথৰ যাত্ৰীয়ে নিজক পৰিপূৰ্ণভাৱে জানিলে আত্মাৰ ক্ৰিয়া অনুভৱ কৰিবলৈ সমৰ্থ হয়। এইবোৰ পথ উপনিষদে মানৱ যাত্ৰীলৈ নিৰ্দেশ কৰি গৈছে।"



(কবিৰ 'ভাৰতৰ অমৰ দান' প্ৰবন্ধৰপৰা)।

গতিকে ক'ব পাৰি যে নলিনী দেৱীৰ কাব্যৰ মূল সুৰ তেওঁৰ ব্যক্তিগত ব্যথা-বেদনাৰপৰা উদ্ধাৰ পাবৰ কাৰণে কৰা অন্বেষণ, আৰু সেই হেতু কৰা অধ্যয়নৰে পৰিণতি। এই প্ৰবন্ধটি পঢ়িলে বুজা যায়, 'তত্ত্ব-কথা'ত বেজবৰুৱাই যেনেকৈ অটল বিশ্বাস, গভীৰ উপলব্ধি আৰু বিস্তৃত অধ্যয়নেৰে বৈষ্ণৱ দৰ্শনৰ সাৰৱত্তা প্ৰতিপন্ন কৰি গৈছে, ঠিক তেনেকৈ নানান শাস্ত্ৰ মন্থন কৰি নলিনীবালা দেৱীয়েও তেওঁৰ ব্যক্তিগত জীৱন-দৰ্শন আৰু তেওঁৰ কাব্যৰ মূল সুঁতিক প্ৰতিষ্ঠা কৰি গৈছে। এনে ভাবাপন্ন কবিতা অন্যান্য যিসকল কবিয়ে লিখিছে তেওঁলোকৰ সৃষ্টিৰ অন্তৰালত এনে কথা আছেনে নাই, জনা নাযায়। পৰৱৰ্তী 'সপোনৰ সুৰ' 'পৰশমণি' আৰু 'অলকানন্দা'তো এই একেই সুৰ বাজি উঠিছে; কিন্তু অকল শেষৰ খনতহে এই ভাবৰ এটা বিকশিত ৰূপ পৰিলক্ষিত হয়। অনুমান হয় যে জীৱনৰ শেষৰ ফালে কবিৰ আধ্যাত্মিক ভাৱে এক সূক্ষ্মতৰ ৰূপ পৰিগ্ৰহ কৰিছিল, জীৱন-যোৰা অভিজ্ঞতা আৰু ঘাত-প্ৰতিঘাতে বিশাল সৃষ্টিৰ এটি স্পষ্টতৰ ৰূপ তেওঁৰ মনৰ চকুত ফুটাই তুলিছিল। সেই বাবেই ইয়াৰ কবিতা-বিশেষত তেওঁক আমি স্থূল দেহত থাকিয়েই সূক্ষ্ম দেহৰ অভিজ্ঞতা লাভ কৰাৰ অনুভূতি ব্যক্ত কৰা দেখিবলৈ পাওঁ। এইযে এটা বিকাশ, এটা বিৱৰ্তন, এইটো এক বিশিষ্ট জীৱন-জিজ্ঞাসা অনুসৰণ কৰি গৈ থকা কাৰণেহে তেওঁৰ মাজত প্ৰকটিত হোৱা আমি দেখিবলৈ পাওঁ। এই ধৰণৰ কবিতা লিখা অন্যান্য কবিৰ ক্ষেত্ৰত এইটো হোৱা আমি নেদেখোঁ। সেই বাবে ক'ব পাৰি যে নলিনীবালা দেৱীক প্ৰকৃতাৰ্থত যেনেকৈ দেশবাসীয়ে অতীন্দ্ৰিয়বাদী কবিৰূপেই গ্ৰহণ কৰাটো উপযুক্ত কথা হৈছে, তেনেকৈ 'অলকানন্দা'ৰ কাৰণে ৰাষ্ট্ৰীয় সন্মান পোৱাটোও উপযুক্ত কথা হৈছে।

সূক্ষ্মতাৰ প্ৰসঙ্গতে আন এটা দিশ উল্লেখ কৰি যোৱা ভাল হ'ব। যি পৰম শক্তিৰ অন্বেষণ এই শ্ৰেণীৰ কবিয়ে কৰে, তেওঁলোকক তেওঁলোকৰ ঐতিহ্য, স্বধৰ্ম আৰু সেই ধৰ্মৰ গ্ৰন্থাদিয়ে প্ৰেৰণা যোগোৱা স্বাভাৱিক। সেই বাবেই বহুতে পোনপটীয়াকৈ সেই শক্তিক প্ৰভু, নাথ, ভগৱান আদি বুলিয়েই উল্লেখ কৰে। কিন্তু ধৰ্ম-বিশ্বাসে সাহিত্য সৃষ্টি কৰালেও সাহিত্য এবিধ সুকুমাৰ কলাও; ধৰ্মৰ লগতে ইয়াৰ প্ৰত্যক্ষ সম্বন্ধ নাথাকিবও পাৰে, বা ই ধৰ্ম বিশ্বাসৰ ঊৰ্দ্ধলৈও উঠি যাব পাৰে। সেয়ে তেওঁলোকে 'তুমি', 'সুন্দৰ' আদি পৰোক্ষ আখ্যা প্ৰয়োগ কৰে। তেনে আখ্যাইযে ভগৱানকেই বুজাব, এইটো স্পষ্ট নহয়। ৰবীন্দ্ৰনাথ ঠাকুৰে কেতিয়াবা 'অসীম' বুলিছে, কেতিয়াবা বা 'সুদূৰ' বুলিয়ে তেওঁক বুজাব খুজিছে। নলিনীবালা দেৱীয়েও প্ৰায়েই এই প্ৰসঙ্গত 'পৰমপদ', 'পৰম প্ৰিয়' ইত্যাদি আখ্যা প্ৰয়োগ কৰিছে। ইয়াৰদ্বাৰা কলাৰ ইঙ্গিতময়তা প্ৰকাশ পাইছে, আৰু আমাৰ কবিৰ জীৱন-দৰ্শনে যি কোনো ঠেক গণ্ডীক অতিক্ৰম কৰি যাবলৈ চেষ্টা কৰি সৰ্বজনগ্ৰাহ্যতা আহৰণ কৰিছে।

ৰায়চৌধুৰীৰ দৰেই নলিনীবালা দেৱীৰো কবি-প্ৰতিভাৰ দুটা দিশ। জাতীয়তাবাদী আন্দোলনৰ পৰিৱেশত তেওঁ জীৱনৰ আটাইতকৈ বেছি প্ৰভাৱপূৰ্ণ কালছোৱা উদ্‌যাপন কৰে। পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ ব্যক্তিগত ৰাজনৈতিক প্ৰভাৱ আৰু তেওঁৰ ঘৰখনক জাতীয় আন্দোলনৰ কেন্দ্ৰ ৰূপে গঢ়ি তোলা, — এই দুটাই নলিনী দেৱীক তেওঁৰ ব্যক্তিগত দুখৰ দিনত ভালেখিনি কৰ্মব্যস্ত কৰি ৰাখিছিল। বিশেষকৈ দেউতাকে কামৰ মাজেদি, মানৱ-সেৱাৰ মাজেদি দুখ পাহৰিবলৈ সদায় তেওঁক উদগনি

দিছিল। মহাত্মা গান্ধী প্ৰমুখ্যে সৰ্বভাৰতীয় নেতৃবৃন্দৰ সান্নিধ্যলৈ আহিবলৈ তেওঁ ইয়াৰ যোগেদিয়েই সমৰ্থ হৈছিল। এনে দেশপ্ৰেমমূলক কৰ্মব্যস্ততাৰ মাজেদি তেওঁ তেওঁৰ 'পৰমপদ'কো কিজানি বিচাৰি চাইছিল। উল্লেখ কৰিব পাৰি যে দেশৰ নিমিত্তে কৰা দান-সংগ্ৰহৰ কামত বিশেষৰূপে নিয়োজিত এই কালছোৱাতে তেওঁৰ পাঁচ বছৰীয়া সৰু ল'ৰা পুতলীক হেৰুৱায়। পুতলীক কেন্দ্ৰ কৰি কবি-মাতৃয়ে 'পুতলী' কবিতাত স্বৰ্গৰ সাৰ্থক কল্পনা কৰিছে। সি যি নহওক, নলিনী দেৱীৰ জীৱনৰ এই দিশটোৱে তেওঁক ৰাজহুৱা জীৱনলৈ উলিয়াই আনিছিল, আৰু সদা-সঙ্কটপূৰ্ণ এই দেশত আমৰণ কাল তেওঁ প্ৰত্যেকটো সঙ্কটতে তাৰ সমাধানৰ চেষ্টাত আগ-ভাগ লৈ আহিছে। বাইজেও তেওঁক নেতৃত্ব দিবলৈ আহ্বান কৰি আহিছে। কেতিয়াবা কোনো অন্যায় নীতিৰ তীব্ৰ প্ৰতিবাদ কৰি, কেতিয়াবা কেন্দ্ৰীয় নেতৃবৃন্দৰ সৈতে আলোচনা কৰি, কেতিয়াবা একোটা ব্যাপক আন্দোলনৰ গুৰি ধৰি তেওঁ জাগ্ৰত দেশপ্ৰেমৰ পৰিচয় দি আহিছে। 'যুগদেৱতা' সঙ্কলনৰ কবিতাবিলাক তথা অন্যত্ৰ থকা তেওঁৰ জাতীয় ভাৱমূলক কবিতাবিলাক তেওঁৰ ব্যক্তিত্বৰ এইটো দিশৰে পৰিচায়ক। এইবিলাক কবিতাত জাতীয় জাগৰণ তথা তাৰে সৈতে জড়িত নেতৃবৃন্দৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা যেনেকৈ প্ৰকাশ পাইছে, তেনেকৈ আন হাতে আমাৰ দেশৰ সুপ্ৰাচীন, সুবিখ্যাত শিক্ষা, দৰ্শন আৰু আদৰ্শৰাজিৰ প্ৰতিও দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে। এই বৰ্গৰে অতিশয় জনপ্ৰিয় 'জন্মভূমি' কবিতাটি এক হিচাপে অনন্য এই অৰ্থত যে জন্মভূমিক অকুণ্ঠভাৱে ভাল পোৱাৰ নিদৰ্শন ইয়াত ফুটি উঠিলেও কোনো এখন দেশৰ নাম কবিয়ে উল্লেখ কৰা নাই। আমি জানো যে কবিয়ে অসমৰ কথাকে ইয়াত ইঙ্গিত কৰি গৈছে; কিন্তু আন যি কোনো দেশৰ মানুহেই ইয়াৰ ভাষাৰ জৰিয়তে নিজৰ দেশখনক অনুভৱ কৰিব পাৰিব। বেজবৰুৱাৰ 'বীণ বৰাগী'ৰ আদৰ্শৰ সৈতে কিছু পৰিমাণে 'জন্মভূমি'ক তুলনা কৰিব পাৰি: বেজবৰুৱায়ো 'আসামৰ যশৰাশি' বৰ্ণনা কৰিবলৈ বৰাগীক আহ্বান কৰিছিল; কিন্তু তেওঁ বৃহত্তৰ দেশৰ 'আই সীতা শান্তি', 'দময়ন্তী দুখ', 'শ্ৰীবৎস চিন্তাৰ কাহিনী', 'দ্ৰৌপদীৰ কথা'ও একে উৎসাহতে উচ্চাৰণ কৰি গৈছে। গতিকে আমি ক'ব পাৰোঁ যে বেজবৰুৱাৰ দেশপ্ৰেম আছিল ভাৰত-প্ৰেম, আৰু সি প্ৰকাশ পাইছিল অসম-প্ৰেমৰ যোগেদি। এই দৃষ্টিকোণৰপৰা 'জন্মভূমি'ত ব্যক্ত হোৱা দেশ-প্ৰেমক এক বিশিষ্ট স্থান দিব পাৰি। ভাৰতীয় ঐতিহ্যৰ জয়গান কৰি অহা এইগৰাকী কবিৰপৰা যে এনে এটি সাৰ্বজনীন দেশপ্ৰেমমূলক কবিতাৰ সৃষ্টি হ'ব, ভাবিলে বিস্মিত হ'ব লাগে। সেইবাবেই তেওঁৰ এই পৰ্যায়ৰ অন্যান্য কবিতাকো নিতান্ত সঙ্কীৰ্ণ ভাৱাপন্ন বুলি ভাবিবলৈ মন নাযায়; বৰং আমি তেওঁৰ ৰাজহুৱা জীৱনত দেখি অহা ঔদাৰ্যৰ আদৰ্শই এইবিলাকত প্ৰতিফলিত হোৱা বুলি ভাবোঁ।

নাটিকা, জীৱনী আৰু অন্যান্য শিশুৰ উপযোগী পুথিৰ উপৰি মৃত্যুৰ আগে আগে 'অন্তিমৰ সুৰ' বুলি কবিতাৰ ক্ষুদ্ৰ সঙ্কলন এটি তেওঁ প্ৰকাশ কৰে। এই শেষৰ সঙ্কলনটিৰ সৈতে তেওঁৰ কবি-জীৱনৰ মূল সুৰটিৰ উপযুক্ত সঙ্গতি ৰক্ষা পৰিছে,— এই মূল সুৰটিক তেওঁ কেউখন পুথিতে "সুৰ" আখ্যা দি গৈছে। শেষত উল্লেখ কৰিব খোজা গ্ৰন্থসমূহৰ ভিতৰত 'স্মৃতিতীৰ্থ' আৰু 'এৰি অহা দিনবোৰ'— এই দুখনৰ কথা বিশেষভাৱে উল্লেখযোগ্য। প্ৰথম খন কবিৰ স্বনামধন্য পিতৃ নবীনচন্দ্ৰ বৰদলৈৰ কৰ্ম-বহুল আৰু ঘটনাবহুল জীৱনৰ স্মৃতি-ৰোমন্থন, আৰু দ্বিতীয়খন কবিৰ আত্মজীৱনী। দুয়োখনৰে এক উমৈহতীয়া লক্ষণ হৈছে কবিসুলভ অনুভূতিৰ প্ৰাবল্য,



যিটো বৈশিষ্ট্য নলিনীবালা দেৱীৰ কবিতা, কথা-বতৰাৰ ভঙ্গী, সভা-সমিতিত দিয়া ভাষণ সকলোতেই দেখিবলৈ পোৱা গৈছিল। বোধহয় ই তেওঁৰ ব্যক্তিত্বৰেই বৈশিষ্ট্য আছিল। যি হওক, এই বৈশিষ্ট্য সত্ত্বেও, তেওঁ কৰ্মবীৰৰ জীয়ৰী হোৱা সত্ত্বেও, এইজনা মহৎ দেশনেতাক তেওঁ নিচেই কাষৰপৰা লক্ষ্য কৰিছিল। সেই বাবে তেওঁৰ ব্যক্তিত্বৰ বহু দিশকেই নিজা অভিজ্ঞতাৰ বলত প্ৰকট কৰি থৈ গৈছে। তেওঁৰ 'স্মৃতিতীৰ্থ'ই এহাতে যেনেকৈ সমসাময়িক ৰাজনৈতিক পৰিস্থিতিৰ সুন্দৰ আভাস দাঙি ধৰিছে, তেনেকৈ আনহাতে কৰ্মবীৰৰ ব্যক্তিত্বৰো ব্যাখ্যা দাঙি ধৰিছে।

'এৰি অহা দিনবোৰ'ৰ কথা কিছু বেলেগ। নলিনীবালা দেৱীয়ে এই আত্মজীৱনীত কৈ গৈছে যে অসমৰ তৰুণসকলে তেওঁক পোন প্ৰথমে স্মৃতিকথা লিখিবলৈ ধৰে। ই এক তাৎপৰ্যপূৰ্ণ কথা। যিবিলাক দিন কালৰ বুকুত হেৰাই গ'ল, সেইবিলাকৰ কথা জানিবলৈ পৰৱৰ্তী চামৰ এই ঔৎসুক্য এক শুভ লক্ষণ। 'এৰি অহা দিনবোৰে' দুটা যুগৰ মাজত যোগসূত্ৰ স্থাপন কৰি দিছে: নলিনীবালা দেৱী সেই যোগসূত্ৰৰ প্ৰতীক। বেজবৰুৱা-গোহাঞিবৰুৱাৰ আত্মজীৱনী দুখন একেবাৰে সুখপাঠ্য আৰু তথ্যবহুল সামাজিক দলিল; এই দুখনত জোনাকী যুগৰ অসমীয়া সাহিত্য আৰু সমাজৰ চিত্ৰ লিপিবদ্ধ হৈ আছে। হেমচন্দ্ৰ বৰুৱাৰ আত্মকথা অসম্পূৰ্ণ হৈ ৰ'ল। জে বৰুৱাৰ 'মোৰ কথা' হেৰাই যোৱাটো জাতিৰ কাৰণেই দুৰ্ভাগ্যজনক। ৰঘুনাথ চৌধাৰীয়ে তেওঁৰ আত্মজীৱনী আৰম্ভ কৰিছিল বুলি শুনা যায়; কিন্তু সেই অসমাপ্ত কথাখিনি ক'ত আছে, কোনেও নাজানে। বেণুধৰ ৰাজখোৱা, শৈলধৰ ৰাজখোৱা, পদ্মধৰ চলিহা, ৰায়চৌধুৰী আদিৰ আত্মজীৱনী ওলাই বিগত দিনবিলাকৰ সামাজিক ইতিবৃত্ত ভৱিষ্যতে লিখিবলৈ যথেষ্ট তথ্য-পাতি আমালৈ থৈ গৈছে। 'এৰি অহা দিনবোৰ' যেতিয়া এখন আলোচনীত ওলাবলৈ আৰম্ভ কৰে, তেতিয়া এশ বছৰমান আগৰ অসম আৰু অসমীয়া সমাজৰ এটি সুন্দৰ আভাস পাব পাৰি আমি সাধাৰণ পাঠক হিচাপে বৰ ৰং পাইছিলোঁ। সম্প্ৰতি সেইখন পুথি হৈ ওলোৱাত (১৯৭৬) আমি কবিৰ বৰ্ণনাত সেই দিনৰ এখনি সুন্দৰ স্পষ্ট ছবি চকুৰ আগত ভাঁহি থকা দেখিবলৈ পাইছোঁ। সেই দিনৰ জীৱন-যাত্ৰা আজি আৰু নাই। কিন্তু সেই জীৱনৰ আভাস জানিব পৰাটোও লাভৰ কথা; আমি তাৰদ্বাৰাই বিৱৰ্তনৰ ইঙ্গিত পাওঁ। বহু বিচিত্ৰ লোকৰ চৰিত্ৰ তেওঁ ইয়াত অঙ্কন কৰি গৈছে। সেইবিলাক চৰিত্ৰ চিত্ৰায়নে যুগপৎ আমোদো যোগায় আৰু মানৱ-চৰিত্ৰৰ বৈচিত্ৰ্যৰো আভাস দাঙি ধৰে। আধ্যাত্মিক জীৱন যাপনৰ যি আভাস ইয়াত দাঙি ধৰা হৈছে, সেইটোৱেইহে বেছিকৈ আমাৰ মনোযোগ আকৰ্ষণ কৰে। কিয়নো যি ধৰণৰ ঘটনা ঘটাৰ কথা উল্লেখ কৰা হৈছে, তেনেবিলাক ঘটনাই কবিৰদ্বাৰা অনুসৃত ঐতিহ্যৰ সৈতে এটা সম্পৰ্ক স্থাপন কৰি দিয়ে। তাৰ উপৰি ইয়াত স্বাধীনতা লাভলৈকে, আৰু তাৰ পাছৰ ডেৰকুৰি বছৰ জোৰা ঘাত-প্ৰতিঘাতপূৰ্ণ ঘটনাৱলী সম্বন্ধে তেওঁৰ ব্যক্তিগত অভিজ্ঞতা-পুষ্ট সজীৱ বৰ্ণনা দিয়া আছে।

০ ০ ০

# নলিনীবালা দেৱীৰ কবিতা

শ্ৰীৰাম গোস্বামী

ৰহস্যবাদী কবি-জীৱনৰ এক উল্লেখযোগ্য কাম হ'ল— পোহৰৰ সন্ধান, যি পোহৰে বাস্তৱ আৰু কল্পলোকৰ মাজত যোগসূত্ৰ স্থাপন কৰে, এক পৰম সত্য উপলব্ধি কৰাত সহায় কৰে। কবিয়ে মানসিক পবিত্ৰতা আৰু আত্মশুদ্ধিৰ পথ নিৰ্ণয় কৰোঁতে কেতিয়াবা নিৰাশ হয়, কেতিয়াবা নিঃসঙ্গ জীৱন অতিবাহিত কৰিব লগাত পৰে। সেই বুলি, কবিৰ অন্তৰ ভাগি নপৰে। কবিৰ হৃদয় আশা-নিৰাশাৰ মাজেদি এক পৰম সৌন্দৰ্যৰ সন্ধানত অগ্ৰসৰ হয়। এনে বাসনা আগত লৈ আগবাঢ়ি যাওঁতে কবিয়ে তেওঁৰ জীৱনৰ কথা, কোনো এক মুহূৰ্তৰ কথা পাঠকক কৈ যাবলৈ হাবিয়াস কৰে, নিজৰ বিৰহ-বেদনা আৰু চৰম দুৰ্যোগৰ বতৰা প্ৰতিবেশী পাঠকৰ আগত বৰ্ণনা কৰি মনৰ দুখ পাতলাব খোজে, পাঠকৰপৰা এযাৰি সুৱলা মাত কামনা কৰি বিয়া-কুল জীৱনৰ নিৰ্মম পৰিহাস ক্ষণিকৰ বাবে হ'লেও আঁতৰ কৰিব খোজে। কবি প্ৰকৃততে মানৱপ্ৰেমী। মানুহৰ মঙ্গল কামনাই তেওঁৰ ধৰ্ম। তেওঁৰ হৃদয়ত মানুহৰ হাজাৰ কথা সোমাই থাকে। কবিয়ে কাকো প্ৰতাৰণা নকৰে, কাকো আক্ৰোশ বা কপটতাৰে ক্ষত বিক্ষত নকৰে। কবিৰ ভাৱাত আত্মকেন্দ্ৰিকতা নাই, কু-অভিলাষ নাই। জীৱনৰ শত-সহস্ৰ সংঘাতত আক্ৰান্ত হৈ কবিৰ যি আত্ম-প্ৰত্যয় লাভ হয়, যি অভিজ্ঞতা অৰ্জন হয়, তাক মাথোন হিয়া উবুৰিয়াই ক'বলৈ কবিয়ে হাবিয়াস কৰে।

নলিনীবালা দেৱী এনে এগৰাকী কবি যাৰ অন্তৰ্ভেদী দৃষ্টি আছিল অন্ধকাৰৰপৰা পোহৰলৈ। ঈশ্বৰ-ভক্তক স্নেহ আৰু শান্ত পৰিৱেশেৰে মানৱিক কৰা তেওঁৰ ধৰ্ম আছিল। পাৰ্থিৱ বাসনাৰ অনাৱশ্যক মোহ, হেঁপাহ, উত্তাপ, বিভেদ প্ৰভৃতি আঁতৰ কৰি এক পৰম সত্তাৰ অন্বেষণ কৰা আৰু সেই সত্তাক মানৱ জীৱনৰ মহাসঙ্গীত ৰূপে লিপিবদ্ধ কৰা তেওঁৰ জীৱনৰ ব্ৰত আছিল। ভাৰতীয় সংস্কৃতিক মনে-প্ৰাণে আদৰ কৰি ইয়াৰ বিভিন্ন উপাদান তেওঁ আহৰণ কৰিছিল আৰু তেওঁৰ কবিতাৰে সেইবোৰৰ মহত্ত্ব দাঙি ধৰিছিল।

অসমীয়া কবিতা-জগতত নলিনীবালা দেৱী যথাৰ্থতে এগৰাকী খ্যাতিসম্পন্না কবি। ইয়াৰ সুস্পষ্ট উদাহৰণ কবিগৰাকীৰ প্ৰতি থকা অসমীয়া জাতিৰ অগাধ শ্ৰদ্ধা আৰু সমাদৰ, সৰ্বভাৰতীয় একাডেমী বঁটা প্ৰাপ্তি, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আগবঢ়োৱা সাৰ্থক ৰচনাৱলী, অসমৰ কাব্য-জগত উজ্জ্বলাই ৰখা ভক্ত গধুৰ কবিতাৰ পুথি যথা, সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগদেৱতা, অলকানন্দা প্ৰভৃতি। যি সকলে তেওঁৰ কবিতা পঢ়িছে, হৃদয়ঙ্গম কৰিব পাৰিছে,



সেইসকলে কবিৰ 'হৃদয়ৰ ৰস', ঘটনাৰ ৰস' নিশ্চয় উপ-ভোগ কৰিছে আৰু কবিক অনুসৰণ কৰি উৎসাহিত হৈছে

নলিনীবালা দেৱীৰ কবিতা পঢ়িলে আমি মূলতঃ তিনি প্ৰকাৰ কাব্যিক অনুভূতিৰ পৰিচয় পাওঁ। সেইয়া হৈছে আত্মনিবেদন, মানৱ প্ৰেম আৰু দেশ-প্ৰীতি। কবিৰ আত্মনিবেদন ভাৰতীয় আদৰ্শৰে অনুপ্ৰাণিত। 'প্ৰেমৰ প্ৰদীপ জ্বলাই' বিস্মিত নয়নেৰে ভগৱানৰ সৌন্দৰ্য আৰু মহিমা পান কৰিবলৈ কবিৰ দেহ-মন ব্যাকুল হৈ পৰিছে। ব্যক্তি-জীৱনৰ নিদাৰুণ অভিজ্ঞতাই কবিৰ হৃদয় দুখবাদী মনোভাৱেৰে ওপচাই পেলাইছে। কবিৰ এই দুখবাদে বিশ্বজনীনতা লাভ কৰিছিল ভাৰতীয় দৰ্শনৰ মাজেদি। ৰহস্যবাদ আৰু আধ্যাত্মিকবাদ ভাৰতীয় দৰ্শনৰ ভিত্তি স্বৰূপ। কবিয়ে বিস্মিত দৃষ্টিৰে যি আধ্যাত্মিক অৱলম্বন কামনা কৰিছে, তাত ৰহস্যবাদী সুৰ বাজি উঠিছে। শান্তিৰ ঐতিহ্য, মানৱতাৰ ঐতিহ্য ৰক্ষা কৰা ভাৰতীয় আদৰ্শ। সমগ্ৰ জগত আৰু জীৱনৰ সামগ্ৰিক উৎকৰ্ষ সাধনত এই ভাৰতীয় আদৰ্শই যুগে যুগে জ্ঞান-প্ৰেৰণা দি আহিছে। এই জ্ঞান তেওঁ লাভ কৰিছিল — যি পৰিয়ালত তেওঁ জন্ম গ্ৰহণ কৰিছিল, ডাঙৰ-দীঘল হৈছিল সেই পৰিয়ালে বহন কৰি অহা ধৰ্মীয় আচৰণৰ বিভিন্ন ক্ৰিয়া-কাণ্ডৰ ভিতৰেদি। তেওঁৰ পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ বহুবিস্তাৰিত প্ৰতিভাই নলিনীবালা দেৱীৰ আধ্যাত্মিক প্ৰস্তুতিত বিস্তৰভাৱে সহায় কৰিছিল। ধৰ্মীয় আচৰণে তেওঁৰ মন-প্ৰাণ, চিন্তা-ভাৱনা, আচাৰ-ব্যৱহাৰ সাত্ত্বিক স্বভাৱেৰে নিকা কৰিছিল। ধৰ্মীয় আৰাধনাৰ যি অসামান্য দান বা মহিমা, সেই কথা তেওঁৰ জীৱনৰ 'পৰম উপলব্ধি' বুলি জ্ঞান কৰিছিল আৰু সযত্নে তাক নৈতিক উন্নতিৰ হকে প্ৰয়োগ কৰিছিল।

নলিনীবালা দেৱীৰ ককাদেউতাক মাধৱচন্দ্ৰ বৰদলৈ, পিতৃ নবীনচন্দ্ৰ বৰদলৈ, শিক্ষাগুৰু, সেইকালৰ কাৰ্জন হলৰ গ্ৰন্থাগাৰিক গোপালকৃষ্ণ দে, মামাদেউতাক কীৰ্তিনাথ বৰদলৈ প্ৰভৃতি গুণী-জ্ঞানী পুৰুষসকলৰ প্ৰচুৰ স্নেহ, অফুৰন্ত আগ্ৰহ, ফলদায়ক প্ৰচেষ্টাৰ সফল ৰূপায়ণত তেওঁৰ জ্ঞান, বুদ্ধি, অনুসন্ধিৎসা এক বেলেগ ধাতুৰে নিৰ্মিত হৈছিল। গীতা-ভাগৱত, ৰামায়ণ-মহাভাৰত, পুৰাণ-উপনিষদ আদি শাস্ত্ৰৰ গভীৰ আলোচনাত তেওঁৰ মানসিক গাঁথনি ধৰ্মীয় বিশ্বাস আৰু অনুভূতিৰে দৃঢ় হৈ পৰিছিল। স্কুলীয়া পাঠ্যক্ৰমৰ জখলাত ভৰি নিদিয়াকৈ তেওঁ জ্ঞান অৰ্জন কৰিবলৈ সুবিধা পাইছিল। দেউতাকে বাছি দিয়া শিক্ষা-পদ্ধতিত অসীম শ্ৰদ্ধা আৰু গভীৰ মনোযোগ অৰ্পণ কৰি তেওঁৰ মনক সংযতভাৱে অধ্যয়নশীল কৰি তুলিছিল আৰু ধৰ্মাচৰণ সহকাৰে পবিত্ৰ জীৱন যাপনৰ সঙ্কল্প গ্ৰহণ কৰিছিল।

নলিনীবালা দেৱীৰ প্ৰথম কবিতা 'পিতা'। এঘাৰ বছৰমান বয়সত এই কবিতাটো লিখি তেওঁ কাব্য-জগতত প্ৰৱেশ কৰে। সৰ্বনিয়ন্তা পৰমেশ্বৰক উপ-লক্ষ্য কৰি ৰচনা কৰা এইটো এটা ঈশ্বৰ-বন্দনা।

হে'ৰা প্ৰভাতৰ অৰুণ কিৰণ  
ক'ত পালা এনে উজ্জ্বল বৰণ  
ইমান কোমল মাধুৰী সনা  
যি জনে বিলালে এই উজ্জ্বলতা  
সিজনে আমাৰ পিতা।

শেষ কৰিছে আত্মনিবেদনেৰে—

আমাৰ যি পিতা চিৰ স্নেহময়,  
চৰণত কোটিবাৰ প্ৰণামিছোঁ মই।

তেওঁৰ কোমল মনত ভগৱানৰ যি ধাৰণা, তাক সুৰৰ ব্যঞ্জনাৰে এই কবিতাৰ মাজেদি ব্যক্ত কৰা হৈছে। সংস্কৃত গ্ৰন্থত থকা নানা উপাদেয় কাহিনীয়ে, শ্লোকেই তেওঁক অপূৰ্ব পুলকেৰে আনন্দ-মুখৰ কৰি তুলিছিল। ভগৱানৰ প্ৰতি মানুহৰ

যি সনাতন আবেগ, যি অনিবাৰ্য আকৰ্ষণ, তাক নলিনীবালাই মৰ্মে মৰ্মে হৃদয়ঙ্গম কৰিছিল আৰু কবিতাৰ ভিতৰেদি একাগ্ৰভাৱে সেইবোৰ দাঙি ধৰিছিল। সমগ্ৰ জীৱনত তেওঁৰ মনত সদায় ভগৱৎ চিন্তাই ঠাই পাইছিল আৰু তেওঁৰ কাব্যিক আৰাধনাত এই পৰম পুৰুষে 'যুগদেৱতা', 'পৰশমণি' প্ৰভৃতি নামেৰে প্ৰতিষ্ঠা লাভ কৰিছিল।

তেওঁৰ দীৰ্ঘ জীৱনৰ কালছোৱাত কবি-হৃদয়ৰ যি মৰ্মান্তিক বেদনা, তাৰ সন্ধান পোৱা যায়। কবি-প্ৰাণতযে শোক সন্তাপ আছে, হাহাকাৰ-ব্যৰ্থতা আছে, জয়-পৰাজয় আছে,— সেই কথা অতি নিষ্ঠাৰে কবিয়ে তেওঁৰ কবিতাৰ মাজেদি প্ৰকাশ কৰিছে। সমাজত বৰ্তি থকা, কু-আচৰণ, শঠতা, নীচতা, বিষাদ, প্ৰতাৰণাৰ লগত তেওঁৰ মুখামুখি হৈছিল; জীৱনৰ আশা-আকাঙ্খা পূৰণৰ যি পাৰ্থিৱ বাসনা, সুখ ভোগৰ যি অদম্য কামনা, তাতো তেওঁ হতাশ হৈছিল। সাংসাৰিক জীৱনৰ ঘাত-প্ৰতিঘাতত তেওঁৰ দেহ-মন বিষাদেৰে ভৰি পৰিছিল। স্বামী জীৱেশ্বৰ চাংকাকতীৰ তেত্ৰিছ বছৰ বয়সত ঘটা অকাল মৃত্যু নলিনীবালা দেৱীৰ পাৰিবাৰিক জীৱনৰ এটা মৰ্মান্তিক ঘটনা। এৰৈকছ বছৰ বয়সতে বৈধব্যৰ শুভ্ৰ সাজ পিন্ধি যেতিয়া তেওঁ কঠোৰ জীৱন যাপনৰ সঙ্কল্প ল'লে, তেতিয়া মৰ্মাহত পিতৃ নবীনচন্দ্ৰ বৰদলৈয়ে কৈছিল— "সৰ্ব-শুক্লা মহাশ্বেতা"। এই স্মৰণীয় বাণীয়ে কবিৰ নিঃসঙ্গ জীৱনৰ গৈৰিক পথত শক্তি প্ৰদান কৰিছিল, আৰু ভৱিষ্যত কৰ্মপন্থা নিৰ্ণয় কৰাত প্ৰেৰণা যোগাইছিল।

সংসাৰ-যন্ত্ৰণাৰ বিষাদময় অভিজ্ঞতাই তেওঁৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। "প্ৰাণস্পৰ্শী করুণ বেদনাৰ অৱসান ক'ত?" "মায়াময় সংসাৰৰপৰা পৰিত্ৰাণ পাবৰ উপায় ক'ত?" "বিস্তীৰ্ণ কৰ্মপথত বাধা-বিঘিনিৰ শেষ নাই, অনিশ্চয়তাৰ অন্ত নাই।" তেওঁৰ মনত যি তীব্ৰ সংঘাতৰ সূচনা হৈছিল, তাৰ পৰিণতিত নলিনীবালা দেৱীৰ যাত্ৰাপথ পৰিষ্কাৰ হৈ পৰিছিল। তন্ময় তপস্যাই তেওঁৰ কৰ্মপন্থা স্থিৰ কৰিলে, সক কালৰ সংস্কৃতিমূলক শিক্ষাই তেওঁৰ বৃত্তিক বিশেষ শক্তিৰে উৎসাহ যোগালে। সকলোতকৈ শ্ৰেষ্ঠ পথ— অহঙ্কাৰশূণ্যভাৱে ভগৱানৰ ওচৰত আত্ম-সমৰ্পণ। তেওঁ উপলব্ধি কৰিলে যে দুখ-যাতনাৰ মাজেদিহে সত্য-পথত আগবাঢ়িব পাৰি; ত্যাগৰ মাজেদিহে শৰীৰ-মন শুদ্ধ কৰিব পাৰি। কামনা-মুক্ত অন্তৰ নহ'লে আত্মাৰ আৰু দেহৰ বিভীষিকা নুগুচে। কবিয়ে সেইবাবে চিত্তৰ উৎকৰ্ষ সাধনত চিৰসুন্দৰৰ আৰাধনাত নিজকে উচৰ্গা কৰিলে।

ভাৰতীয় সংস্কৃতিৰ অন্যতম বাহক কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ আছিল কবি নলিনীবালা দেৱীৰ বাৰ্তা-বাহী বিশ্বকবি। কবিগুৰুৰে লিখা 'গীতাঞ্জলি'য়ে তেওঁৰ দুখক্লিষ্ট প্ৰাণত নতুন আশাৰ সঞ্চাৰ কৰিছিল। ৰবীন্দ্ৰনাথৰ অক্ষয় বাণী "দুঃখ দিছ যদি তাহে নাহি ক্ষতি, সহিবাৰে দেহ শকতি" আৰু সেই আত্ম-নিবেদনৰ বাণী—

> "আমাৰ মাথা নত কৰে দাও হে তোমাৰ
> চৰণ-ধূলাৰ তলে,
> সকল অহঙ্কাৰ হে আমাৰ
> ডুবাও চোখেৰ জলে"— দৈৱবাণীৰ দৰেই

নলিনীবালাৰ অন্তৰত প্ৰতিধ্বনিত হৈছিল। এইয়া আত্ম-নিবেদনৰ আকুল প্ৰাৰ্থনা মাথোন।

> নিবল পাটীত দেহ
> ভাগকৰা তন্দ্ৰাৰ কোলাত
> নিতো তোমাকে দেখোঁ
> মানসৰ কল্প কাননত।

কবিয়ে অসীমৰ বুকুলৈ উৰা মাৰিব খোজে। কবিৰ তৃষ্ণা এটা ক্ষুদ্ৰ বাসনা নহয়। ইয়াত সুদূৰপ্ৰসাৰী উপলব্ধি আছে। ভগৱানক নোপোৱাত তেওঁৰ অন্তৰ কান্দি উঠিছিল।

> আজি এই বিষাদৰ সন্ধিয়া পৰত, গহীন এন্ধাৰে ঢকা
> সীমাহীন সাগৰ পাৰত, তোমালৈ পৰিছে মনত;
> অ' মোৰ পৰম প্ৰিয়! তুমি ক'ত! তুমি ক'ত!
> (অনাহূত, সন্ধিয়াৰ সুৰ)

মৃত্যুৰ পাছত অজ্ঞেয় পৰম পুৰুষজনৰ সৈতে মিলিত হোৱাৰ যি আকাঙ্ক্ষা, সি কবিৰ 'শেষ অৰ্ঘ্য' নামৰ কবিতাটোত ব্যক্ত হৈছে।

> ৰচিম হোমৰ বেদী
> চিৰশেষ শ্মশান-চিতাত;
> নিবেদিত অৰ্ঘ্য মোৰ
> পূৰ্ণ হ'ব হে পূৰ্ণ! তোমাত।
> চিতাগ্নি হোমাগ্নি হ'ব,
> সমীৰণ মলয় চন্দন;
> সিদিনা সাৰ্থক হ'ব
> পূৰ্ণ অৰ্ঘ্য পূৰ্ণ ই জীৱন।

জীৱন-দেৱতা আৰু অন্তৰ্যামী — এই দুই অজানা পুৰুষৰ আধ্যাত্মিক আৱৰণে কবিৰ তপস্যাত একাগ্ৰতাৰ গভীৰতা দান কৰিছিল। আৰাধ্য গোপালৰ লগত জীৱৰ যি জন্ম-জন্মান্তৰৰ সম্পৰ্ক, সেইয়া 'সোঽহং' ধ্বনিৰ এক কাব্যিক প্ৰকাশ মাথোন। এই উপলব্ধি পৰম সত্তাক লাভ কৰাৰ মহত্তম আনন্দ।

> তুমি জ্যোতি, মই ৰেণু
> হে অৰূপ. ৰূপৰ আলয়,
> অনু ৰূপে অনাদিত
> তোমাতেই লীন হ'মগৈ।

কবিৰ এই আত্মনিবেদনত জ্ঞান, বৈৰাগ্য, প্ৰেম আৰু ৰসময়ী ভক্তি ব্যাপ্ত হৈ পৰিছে। ভাৰতীয় দৰ্শনৰ এই ভাবধাৰা অত্যন্ত ৰহস্যপূৰ্ণ।

কবি মানৱ-প্ৰেমী ৰূপেও আমাৰ মাজত জনাজাত।



মানৱ-ধৰ্ম তেওঁৰ বাবে আছিল তপস্যা স্বৰূপ। মানুহৰ প্ৰতি শ্ৰদ্ধা, সহৃদয়তা, নিভাঁজ মৰম তেওঁৰ কবিতাৰ মাজেদি, গীতৰ মাজেদি সুন্দৰ ৰূপে প্ৰকাশ পাইছে। মানুহৰ নৈৰাশ্যৰ দিশটোৰ প্ৰতি তেওঁৰ লক্ষ্য আছিল সমবেদনাপূৰ্ণ। নিয়তিৰ নিৰ্মম পৰিহাসত তেওঁ যি জীয়াতু ভুগিছিল, তেনে বেদনা-গ্ৰস্ত লোকৰ সংস্পৰ্শলৈ আহিলে তেওঁৰ কবি প্ৰাণ কান্দি উঠিছিল। অমৃতবৰষা আধ্যাত্মিক ব্যাখ্যাৰে তেওঁ মানুহৰ দুখ-শোক প্ৰশমিত কৰিবলৈ পাৰ্যমানে যত্ন কৰিছিল। কবিৰ দৃষ্টিত সকলো মানুহ ভগৱানৰে সৃষ্টি। ৰাষ্ট্ৰীয় বা ভৌগোলিক সীমা-ৰেখাই, নাইবা সমাজ-ব্যৱস্থাৰ কট্‌কটীয়া অনুশাসনে মাথোন ভেদাভেদৰ সূচনা কৰিছে। মানুহ কিন্তু বিধাতাৰ সন্তান। সেইবাবে বাহিৰৰ ভেদাভেদ, উচ্চ-নীচ ভাৱ মিছা। কবিয়ে ক'বৰ দৰে, "সবাৰ উপৰে মানুষ সত্য, তাহাৰ উপৰে নাই"। কৃত্ৰিম ভেদাভেদৰ প্ৰাচীৰ নিৰ্মাণ কৰি মানুহ আজি ভ্ৰান্ত হৈছে, জাতি-বিদ্বেষ-ব্যাধিত ভুগিছে। কবিয়ে কৈছে—

> ধৰ্ম-ভেদ মানুহ-সৃজিত,
> উচ্চ-নীচ মানুহ-কল্পিত।
> মানুহৰ সুন্দৰ আত্মা,
> সুন্দৰৰ ৰূপেৰে সৃজিত।

কবিৰ সান্নিধ্যলৈ অহাসকলে কবিগৰাকীৰ মানুহৰ প্ৰতি কিমান শ্ৰদ্ধা, সেই কথা বঢ়িয়াকৈ উপলব্ধি কৰিছিল। তেওঁৰ আলাপ-আলোচনাত, কথা-বতৰাত, বক্তৃতা-অভিভাষণত সদায় মানৱ-প্ৰেম গভীৰ ঐতিহাসিক তথ্যৰূপে প্ৰকাশ পাইছিল। মানুহৰ হৃদয়ত প্ৰকৃতিৰ গুপ্ত ৰহস্য বিৰাজমান। এই প্ৰকৃতি, কবিৰ ভাষাত পৰমেশ্বৰ, ৰহস্যৰ উদ্ঘাটক। মানুহৰ সামগ্ৰিক প্ৰচেষ্টাত সমাজ গঢ়ি উঠিছে, সংস্কৃতি গঢ়ি উঠিছে। মানুহৰ মাজত যি অনিয়ম আছে, যি অতুলনীয় আছে, সেইয়া কবিৰ

ৰাবে উপভোগৰ বস্তু। 'মানুহ অমৃতৰ পুত্ৰ' বুলি কোৱা হয়। কবিৰ জ্ঞান, কৰ্ম আৰু ভক্তিৰ সমাহাৰত সেই বাবে মানুহৰ প্ৰতি প্ৰেম, শ্ৰদ্ধা সদায় জাগ্ৰত হৈ আছে।

শ্ৰীকৃষ্ণ আধাৰ মন্দিৰ,
মানুহৰ পবিত্ৰ অন্তৰ,
ভাগৱতী মহান ধৰ্মত,
ভেদাভেদ নাই মানুহৰ।

সত্য, নিষ্ঠা আৰু কৰ্তব্য পথত সদায় ব্ৰতী হ'বলৈ কবিয়ে আমাক সকীয়াইছিল। হিংসা, দ্বেষ, সঙ্কীৰ্ণতাই মানৱিকতাক ধ্বংস কৰে। ভগৱানে স্বাৰ্থপৰসকলৰ মন্দিৰত বন্দী হৈ পূজা খাই থাকিব নোখোজে। ভাগৱতী ধৰ্মই মানুহৰ হিয়াতে ভগৱানৰ বৈকুণ্ঠৰ আসন পাতি থৈছে। মানুহৰ ভিতৰতে নাৰায়ণ জাগ্ৰতমান। কবিৰ এই মানৱ-প্ৰেম তেওঁৰ সংস্কৃতি-শিক্ষাৰ ফল স্বৰূপ বুলি কব পাৰি।

নলিনীবালা দেৱীৰ আন এক দৃষ্টি আছিল স্বদেশৰ প্ৰতি। জাতীয়তাবাদী চিন্তাধাৰাই তেওঁৰ দেশপ্ৰেম সমুজ্জ্বল কৰি তুলিছিল। স্বদেশৰ দেশপ্ৰেমী, আত্মত্যাগী নেতাসকলৰ ভাবোদ্দীপক বক্তৃতা শুনিবলৈ তেওঁ অনেক সুবিধা পাইছিল। বিশেষকৈ, পিতৃ নবীনচন্দ্ৰ বৰদলৈৰ লগত থাকি স্বদেশ-প্ৰেমৰ চিন্তাই তেওঁৰ মনত গভীৰ ৰেখাপাত কৰিছিল। কবিৰ 'জনমভূমি' নামৰ সুবিখ্যাত কবিতাটোত আছে,—

মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত,
মুদিম আকৌ চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।

• • • •

দুখীয়াৰ ভগা পঁজা
একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম,
মৰিলে পুনৰ আহি
দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।

নিজৰ দেশৰ মানুহ, প্ৰাকৃতিক সৌন্দৰ্য, আনকি প্ৰতিটো ধূলিকণাকো কবিয়ে আদৰ কৰিছিল। নিজৰ দেশক, নিজৰ জাতিক তেওঁ সদায় গৌৰৱময় আসনত অলঙ্কৃত কৰি থৈব দেখুৱাইছিল। নিজৰ ধৰ্ম, সমাজ, ভাষা, সাহিত্য, এইবোৰৰ প্ৰতি কবিৰ যি অনুৰাগ পৰিলক্ষিত হৈছিল, তাক জাতীয়তাবোধৰ অভিব্যক্তি বুলি আখ্যা দিব পাৰি। নিজৰ দেশখনৰ অনেক দোষ তেওঁৰ চকুত পৰিছিল আৰু সেইবোৰ তেওঁ স্বীকাৰ কৰিছিল; কিন্তু সেই বুলি নিজৰ দেশখনক আনে বেয়া বুলিলে তেওঁ গৰজি উঠিছিল। হাতত কলম লৈ হীনবাক্য প্ৰয়োগ কৰাৰ কাৰণে গৰিহণা দিছিল, ডেকা শক্তিক অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আহ্বান জনাইছিল।

"জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী"- এই বাণী কবি নলিনীবালা দেৱীৰ সাহিত্যৰ মাজেদি প্ৰতিধ্বনিত হৈছিল। দেশমাতৃকাৰ প্ৰতি তেওঁৰ আনুগত্য আছিল তেওঁৰ সাধনাৰে আন এটি দিশ—

ইখনি সোণৰ দেশ
সোণৰ চেকুৰাবোৰ
মাটিত বাগৰে
কৰ্মকুশল যত ভীমকৰ্মীগণে
কোচ ভৰি ভৰি এই
সোণবোৰ তোলে
নিজৰ ঘৰৰ সোণ নিজে হায় বিচাৰি নাপালে।

(৪৪ পৃষ্ঠাত চাওক)

# নলিনীবালা দেৱীৰ সোঁৱৰণত

শ্ৰীমতী ব্ৰজবালা দেৱী

নলিনীবালা দেৱীয়ে 'শেষ অৰ্ঘ্য' কবিতাত লিখিছিল—

"লৈ আছোঁ শেষ অৰ্ঘ্য লৈ
পূজোঁ বুলি তোমাৰ চৰণ,
জীৱনৰ সন্ধিয়া পৰত
কৰোঁ বুলি তোমাক বৰণ।"

দেৱতাই পূজাৰ অৰ্ঘ্য গ্ৰহণ কৰি ৺নলিনী বাইদেউক আদৰি-সাদৰি লৈ গ'ল।

১৯৩৩-৩৪ চনত বাইদেউক মই অতি ঘনিষ্ঠভাৱে লগ পাইছিলোঁ। বাইদেউৰ ভায়েক ৺উমেশচন্দ্ৰ বৰদলৈ নগাঁৱৰ আমোলাপট্টিৰ আমাৰ ভাড়াঘৰত দুবছৰ আছিল। ডাঃ বৰদলৈৰ লগত মাক, বাইদেৱেক সকলো নগাঁৱতে আছিল। বাইদেউৰ পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ তেতিয়া কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ সভ্য আছিল। বাইদেউৰ কনিষ্ঠা কন্যা শ্ৰীঅৰুণা বৰদলৈ (ডিব্ৰুগড়ৰ শ্ৰীদেৱ বৰদলৈৰ পত্নী) মোৰ সমবয়সীয়া। ৺নলিনী বাইদেউৰ কথা লিখিবলৈ কলম হাতত লওঁতেই বাইদেউৰ দুকুৰি বছৰৰ আগতে দেখা হিন্দু বিধৱাৰ সহজ-সৰল মুখৰ চেহেৰাটো চকুৰ আগত ভাঁহি উঠিছে। তেওঁ অতি সহজ-সৰল জীৱন যাপন কৰিছিল। পুৱা-গধূলি নিৰলে এটা কোঠাত দুঘণ্টা সময় উপাসনাত কটাইছিল। প্ৰথমতে তেওঁক লগ পোৱাৰ দিনাই কথা পাতি মোৰ ইমান ভাল লাগিল যে মই প্ৰকাশ কৰিব নোৱাৰোঁ। লাহে লাহে চুম্বকে লোক আকৰ্ষণ কৰাৰ দৰে নলিনী বাইদেৱেও মোক আকৰ্ষণ কৰিছিল। ৺জোনাৰাম বৰা ছাৰ দুপৰীয়া মোক পঢ়াই উঠি গ'লেই মই বাইদেউৰ ওচৰত কিবা সুধিবলৈ যাওঁ বুলি আইক কৈ বাইদেউৰ ওচৰ পাওঁগৈ। আমাৰ ভাড়া ঘৰটোৰ (বৰ্তমান ৰাষ্ট্ৰীয় স্বয়ংসেৱক সঙ্ঘৰ কাৰ্যালয়) এটা সৰু আওহতীয়া কোঠাত বাইদেউ, অৰুণা আৰু মই বহি নানা বিষয়ৰ কথা পাতি থাকোঁ। বাইদেৱে 'সন্ধিয়াৰ সুৰ' এখন প্ৰথম দিনাই মোক লগ পাওঁতেই উপহাৰ দিছিল। কেতিয়াবা মোক তাৰ কবিতা আবৃত্তি কৰিবলৈ কয়। ৰবি ঠাকুৰৰ গীতাঞ্জলিৰ কবিতা নিজেও আবৃত্তি কৰে। গুৱাহাটীত ১৯২৬ চনত হোৱা কংগ্ৰেছৰ কথা কয়। নিজৰ জীৱনৰ কথাও মাজে মাজে কয়। তেখেতৰ স্বামী অতি মহান আৰু উদাৰ আছিল। বাইদেৱে এবাৰ হাৰ্ণিয়া অসুখত বৰ যন্ত্ৰণা ভুগিছিল। তেখেতৰ স্বামীৰ শুশ্ৰূষা আৰু স্নেহপূৰ্ণ আদৰ-যত্নত যন্ত্ৰণা কেনেকৈ লাঘৱ হৈছিল, এই কথা কৈ কেতিয়াবা মাত করুণ আৰু থোকাথুকিও হয়। এদিনৰ কথা মোৰ মনত আছে। এনেকৈ কথা কওঁতে তেওঁ বৰ আবেগপূৰ্ণ হোৱাত মই তেওঁৰ কথা-প্ৰসঙ্গ অন্যফালে নিবলৈ কৈছিলোঁ— "বাইদেউ! আমাৰ ঘৰৰ ওচৰতে কবি ৰত্নকান্ত বৰকাকতীৰ ভনীয়েক থাকে। তেখেত বিধৱা। ল'ৰা ছোৱালীৰ সৈতে ভায়েকৰ ঘৰত

আছে। মই আজি আপোনাক আবেলি তেওঁৰ ওচৰলৈ লৈ যাম। আপুনি কথা পাতি ভাল পাব।" এই বুলি মই শ্ৰীযুক্তা হেমপ্ৰভা হাজৰিকাৰ ওচৰলৈ আবেলি লৈ যোৱা মনত আছে। বাইদেৱে তেওঁক লগ পাই কথা পাতি বৰ ভাল পাইছিল। আবেলি আমি প্ৰায় নৈৰ পাৰে পাৰে ফুৰোঁ। এদিন ফুৰোঁতে স্বামী বিবেকানন্দৰ লেখা—

বহু ৰূপে সন্মুখে তোমাৰ
ফিৰি কোথা খুজিছ ঈশ্বৰ,
জীৱে সেৱা কৰে যেই জন
সেই জন সেৱিছে ঈশ্বৰ।

এই কথাফাঁকি শুনোৱাত তেওঁ বৰ ভাল পালে। সেই কথাৰ ওপৰতে তেখেতে বহুত কথা কৈছিল। ৰামকৃষ্ণ পৰমহংসৰ কথা কোৱাও মনত আছে। শিশুসুলভ সৰল মনটোৰে বাইদেউ আমাৰ মাজত সোমাই পৰে। প্ৰাণ খুলি কথা পাতি নৈৰ পাৰে পাৰে ফুৰি থাকে। আমাৰ দেউতাৰ আজৰি সময় চাই বাইদেউ প্ৰায়েই আহি দেউতাৰ ওচৰত জ্যোতিষৰ কথা পাতে, শিকে আৰু সংস্কৃত শ্লোকৰ অৰ্থও কেতিয়াবা সুধি লয়। কেতিয়াবা হোমিও-পেথিক ঔষধৰ কথা আলোচনা কৰে। তেওঁ নিজে খোৱাৰ উপৰিও ঘৰৰ বোৱাৰীয়েক আৰু ল'ৰা-ছোৱালীক হোমিওপেথিক ঔষধ খুৱাইছিল। নিজেই সেই ঔষধ দিছিল।

এবাৰ জন্মাষ্টমীৰ দিনা আমাৰ গোসাঁই-ঘৰত ওচৰৰ আইসকলে মিলি ৰাতি নাম পাতিছিল। বাইদেৱে সেই দিনা পদ দি সুললিত কণ্ঠেৰে গোৱা নামৰ স্মৃতি তেওঁৰ কথা লিখিবলৈ লওঁতে মোৰ কাণেৰে আকৌ শুনা যেন অনুভৱ কৰিছোঁ। বাইদেউৰ স্বভাৱৰ এটা বিশেষত্ব আছিল যে তেওঁৰ তৃষ্ণাৰ সীমা নাই। তেওঁৰ তৃষ্ণা ধন-সম্পত্তিৰ বা ক্ষমতাৰ কাৰণে নহয়। সেইয়া ভগৱানৰ প্ৰতি তৃষ্ণা। তেওঁৰ 'পৰমতৃষ্ণা' কবিতাত সেই ভাব ফুটি ওলাইছে—

"ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'লে,
বাসনাও নোৱাৰে থাকিব;
মানুহৰ আত্মাৰ চৰম সমাধি হ'লে
জীৱন মৰণো নাথাকিব।
মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য তৃষা
সুখ আশা হেঁপাহ বুকুৰ
নহয় ই মৰতৰ, ক্ষন্তেকীয়া জীৱনৰ,
সুখ আশা পৰম পদৰ
ৰূপ তৃষা চিৰসুন্দৰৰ।"

নলিনী বাইদেউক এদিন কথা প্ৰসঙ্গত দেউতাই কোৱা মনত আছে— "আইদেউ! আমাৰ শাস্ত্ৰত

( ৪২ পৃষ্ঠাৰ পিছৰপৰা )

অসমক তেওঁ মনে-প্ৰাণে ভাল পাইছিল। অসমৰ লোকগীত, বৰগীত, বিহুগীত, আইনাম প্ৰভৃতিক তেওঁ কাব্যিক জগতত সোণ জিলিকাৰ দৰে জিলিকাই ৰাখিছে। তেওঁৰ ভাৱত, কৰ্মত অসম দেশ সদায় শৌৰ্য-বীৰ্যৰে ভৰা "বীৰ প্ৰসৱিনী অসমী আই।"

এইখন বিনন্দীয়া দেশ
শৌৰ্য প্ৰতিভাৰে ভৰা
মহাভাৰতৰ অসম জননী
ইখনি দেশত বিধিয়ে বিলাই দিছে
ঐশ্বৰ্য ওপচা সুদুৰ্লভ মাণিক মুকুতা।

নলিনীবালা দেৱীৰ কবিতাত সুন্দৰ ছন্দ আছে, আবৃত্তিৰ মধুৰ নিচা আছে। 'অলকানন্দা'ত থকা গীতসমূহ তেওঁৰ সঁচাকৈয়ে অনুপম সৃষ্টি। এফালে প্ৰবাহিত হৈছে সঙ্গীতৰ সুৰ-মূৰ্চ্ছনা, আনফালে প্ৰবাহিত হৈছে দৰ্শনৰ গভীৰ তত্ত্ব। তেওঁৰ গীতবোৰ মানুহৰ গান, জীৱনৰ গান। কবিয়ে নিজে কৈছে— "জীৱন মাথোন এটি আৱহ সঙ্গীত, মই গীতকাৰ।"

০ ০ ০



আছে— নাম মঙ্গলজনক, অৰ্থব্যঞ্জক আৰু সুশ্ৰাব্য হ'ব লাগে। তোমাৰ পিতৃদেৱৰ মুখেৰে ওলোৱা নলিনী নামটো তুমি সাৰ্থক কৰিছা।" নলিনী দেৱীয়ে শাস্ত্ৰৰ কথা শুনি বৰ ভাল পাইছিল আৰু এই শ্লোকটো তেওঁৰ বৰ প্ৰিয় আছিল—

"সৰ্বে অত্ৰ সুখিনঃ সন্তু সৰ্বে সন্তু নিৰাময়াঃ।
সৰ্বে ভদ্ৰাণি পশ্যন্তু মা কশ্চিৎ দুঃখমাপ্নুয়াৎ॥"

এদিন ৰাতিৰ কথা। সৰু দাদা আইনৰ শেষ পৰীক্ষা দি সেই সময়ত ঘৰতে আছিল। সৰু দাদাই ৰাতি ভাত খাই গীতা পঢ়ে, আমি শুনো। এদিন তেওঁৰ কাণত পৰিল। পাছ দিনা মোক বাইদেৱে কৈছিল— "কালি প্ৰমোদ বপাই গীতা পঢ়িছিল, মই এনে ভাল শুনিছিলোঁ! তুমি কৰাচোন, মোকো মাজে মাজে শুনাব।" মই সৰু দাদাক কৈ কেইবাদিনো বাইদেউক গীতা শুনোৱা মনত আছে।

মোৰ পৰীক্ষাৰ দিনা যাবলৈ ওলোৱা সময়ত তেওঁ মোক মূৰত হাত দি "কৃতিত্বৰে পাছ কৰিবা" বুলি আশীৰ্বাদ দিছিল। পাছত মোৰ পৰীক্ষাৰ ফল ওলালত অসমীয়া আৰু বুৰঞ্জীত 'লেটাৰ' পোৱাত বৰ আনন্দ পাইছিল। ইয়াৰ পাছত ১৯৩৭ চনত মই যোৰহাটলৈ গলোঁ। তাৰ পাছত বাইদেউক কলেজৰ বন্ধত নগাঁৱলৈ আহোঁতে এবাৰহে লগ পাইছিলোঁ। বাইদেউৰ ভায়েক গুৱাহাটীলৈ বদলি হৈ গ'লগৈ। বাইদেউ, অৰুণা সকলো নগাঁৱৰপৰা গ'লগৈ। যোৰহাটত থাকোঁতে কেতিয়াবা বাই-দেউলৈ চিঠি দিওঁ আৰু উত্তৰো পাওঁ।

মোৰ চনটো মনত নাই, পাহৰিলোঁ। ভগৱন্তই বাইদেউৰ জীৱনত আকৌ দ্বিতীয়বাৰ পুত্ৰ-শোক দিলে। মোৰ বাইদেউ, আই আৰু মই গুৱাহাটীৰ ঘৰলৈ গৈ বাইদেউৰ কাষলৈ গৈছিলোঁ। বিচনাত পৰি থকা, পুত্ৰ-শোকত কাতৰ বাইদেউৰ মুখখন দেখি মোৰ অন্তৰে কান্দি উঠিল। কেৱল অলপ সময় ধৰ লাগি চাই গুচি আহিলোঁ। মুখৰ কথা নোলাল। ১৯৩৪ চনত মোক বাইদেৱে প্ৰথম পুত্ৰৰ মৃত্যুৰ কথা কোৱা মনলৈ আহিছিল। আমি গুৱাহাটীত ১৯৪১-৪২ চনত থাকোঁতে বাইদেউৰ ওচৰলৈ মাজে মাজে যাওঁ।

বাইদেউ ৰবীন্দ্ৰ-জয়ন্তীৰ সভানেত্ৰী হৈ নগাঁৱলৈ আহিছিল। মই নিউ আমোলাপট্টিত আছিলোঁ। বাইদেউ আহি তেওঁৰ বৰ জীয়াৰী শ্ৰীমতী উষা বাইদেউৰ ঘৰত নামিছিলহি। তেওঁ আহিয়েই মোক চাবলৈ আহিছিল। একেলগে বঙালী নাট্যমন্দিৰত ৰবীন্দ্ৰ-জয়ন্তী উৎসৱত যোগ দি ৰাতি ১১ বজাত উভতি অহা মনত আছে। আহোঁতে বাইদেউক এটা কথা সোধা মনত আছে— "বাইদেউ! আপুনি 'সন্ধিয়াৰ সুৰ' লিখাৰ আগতে ৺মানকুমাৰী বসুৰ 'কাব্য কুসুমাঞ্জলি'খন পঢ়িছিল নেকি?" বাইদেৱে উত্তৰ দিলে— "মানুহৰ জীৱনৰ গতিবোৰ একে হ'লে চিন্তাধাৰাবো মিল হয়।"

'জনমভূমি' কবিতাত নলিনী বাইদেৱে লিখিছিল—

মেলিলোঁ প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত।
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।
মৰাৰ পিছতো যেন পাওঁহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত......"

হিন্দু দৰ্শনৰ মতে জীৱৰ জীৱনটোৰ কৰ্ম আৰু মৃত্যুৰ সময়ৰ বাসনাতেই পাছৰ জন্ম। নলিনী দেৱীৰ শেষ ইচ্ছানুসৰি তেওঁ আকৌ অসমতে জনম লৈ ফুলৰ সৌৰভ বিলাবহি। ০ ০ ০

# নলিনীবালা দেৱীৰ জীৱনালেখ্য

ড° হেমন্তকুমাৰ শৰ্মা

যিগৰাকী কবিৰ হাতত অসমীয়া কাব্য সাহিত্যই ৰোমাণ্টিক যুগত ৰহস্যবাদ তথা আধ্যাত্মিক বিষয়ত পৰিপুষ্টি লাভ কৰিলে, অসমৰ শ্ৰেষ্ঠ মহিলা কবি বুলি যাৰ খ্যাতি আজি অসমৰ উপৰি ভাৰতৰ বিভিন্ন প্ৰান্ততো পৰিব্যাপ্ত, বহিৰ্জগতৰ শোক-বেদনাৰ আন্ধাৰৰ মাজত থাকিও যি অন্তৰ্জগতৰ, অন্তৰাত্মাৰ হিৰণ্ময় জ্যোতিৰে নিজে উদ্ভাসিতা হৈ আনকো প্ৰদীপ্ত কৰি তুলিলে, সেই মহীয়সী কবিগৰাকীয়েই হ'ল— এসময়ত ভাৰত চৰকাৰৰদ্বাৰা পদ্মশ্ৰী সন্মানেৰে ভূষিতা নলিনীবালা দেৱী কাব্যভাৰতী।

সোণ-ৰূপৰ চামুচ মুখত লৈয়ে নলিনীবালাই জন্ম গ্ৰহণ কৰিছিল অসমৰ এটি প্ৰাচীন সম্ভ্ৰান্ত পৰিয়ালত। তেওঁৰ বংশৰ অষ্টম উপৰিপুৰুষ বেদজ্ঞ, জ্যোতিষী ব্ৰাহ্মণ কন্দ্ৰধৰিক আহোম ৰজাই কান্যকুব্জৰপৰা আনাই ৰৰদলৈ বাৰ দি শিৱসাগৰত ব্ৰহ্মোত্তৰ মাটি-বৃত্তি দি ৰাখিছিল। মানৰ আক্ৰমণৰ সময়ত নলিনীবালাৰ আজোককাক কমলনাথ বৰদলৈয়ে গৃহ-বিগ্ৰহ বাসুদেৱ শালগ্ৰামটি লৈ সপৰিয়ালে ভটিয়াই আহি উত্তৰ গুৱাহাটীত বাস কৰিবলৈ লয়। নলিনীবালাৰ পিতৃ 'অসমৰ মুকুট বিহীন সম্ৰাট', অসমৰ মুক্তি-আন্দোলনৰ প্ৰধান হোতা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু ককাদেউতাক অসমীয়া ৰামায়ণৰ প্ৰথম প্ৰকাশক ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ। মাধৱচন্দ্ৰ বৰদলৈ বৰপেটাত মহকুমাধিপতি হৈ থাকোঁতে তাতে ১৮৯৮ চনৰ ২৩ মাৰ্চত নলিনীবালা দেৱীৰ জন্ম হয়। ককাদেউতাকে তেওঁৰ নাম থৈছিল পদ্মিনী; কিন্তু দেউতাকে সেই নাম ভাল নোপোৱাত পাছত 'নলিনী' থলে আৰু সেই নামেৰেই তেওঁ জনাজাত হ'ল। ঐশ্বৰ্য-বিভূতি, সুখ-স্বাচ্ছন্দ্যৰে ভৰা আৰু শিক্ষা-সংস্কৃতিসম্পন্ন এটা বিখ্যাত পৰিয়ালত জন্ম গ্ৰহণ কৰি আৰু কৰ্মবীৰ বৰদলৈৰ প্ৰথম সন্তানৰূপে নলিনীবালাৰ বাল্যকাল আনন্দ-উচ্ছ্বাস-পূৰ্ণ বৈচিত্ৰ্যৰ মাজেদিয়ে অতিবাহিত হৈছিল।

সেই কালত স্ত্ৰী-শিক্ষাৰ প্ৰচলন নাছিল যদিও দেউতাকে নলিনীবালাক উচ্চ শিক্ষিতা কৰি তোলাৰ উদ্দেশ্যে গুৱাহাটীৰ কেইবাগৰাকী কৃতী শিক্ষক ঘৰুৱা শিক্ষকৰূপে নিযুক্তি দি শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। নলিনীবালাই ঘৰত পঢ়িয়েই অসমীয়া, বঙলা, সংস্কৃত, ইংৰাজী, বুৰঞ্জী, অঙ্ক, ভূগোল আদি বিষয়ে জ্ঞান লাভ কৰিছিল।

বাল্যকালতেই নলিনীবালাৰ কবি-প্ৰতিভাৰ উন্মেষ হয়। তেওঁৰ প্ৰথম কবিতা 'পিতা'। দহ বছৰ বয়সত লিখা দোজৰ শৰীয়া এই কবিতাটোৰ প্ৰথম





দহ শাৰী হ'ল—

"হেৰা প্ৰভাতৰ অৰুণ কিৰণ,  
ক'ত পালা এনে উজ্জ্বল বৰণ ?  
ইমান কোমল মাধুৰী সনা  
যিজনে বিলালে এই উজ্জ্বলতা  
সিজনে আমাৰ পিতা।  
হেৰা সৰু নদী খৰ স্ৰোতস্বিনী  
ক'তনো শিকিলা মধুৰ গাইনি  
অসীম অনন্ত মাধুৰী সনা,  
যিজনে শিকালে এই মধুৰ গান  
সিজন আমাৰ পিতা।"

স্বনামধন্য পিতৃৰ তত্ত্বাৱধানত নলিনীবালাই ঘৰতে সঙ্গীত শিক্ষাও লাভ কৰিছিল। তেওঁ পিতৃৰপৰাই সংস্কৃত শ্লোকৰ উপৰি বৰগীত, ঘোষা-কীৰ্তন, আধুনিক গীতৰ সুৰো আয়ত্ত কৰিছিল। পিতৃৰ উপৰি বুঢ়ীমাকেও বৰগীত গোৱাত তেওঁক অনুপ্ৰেৰণা যোগাইছিল। ইয়াৰ বাহিৰে নলিনীবালাই চিত্ৰবিদ্যা আৰু সৰুৱা কামতো পাৰদৰ্শিতা দেখুৱাইছিল। ককাদেউতাকে শিশু নলিনীবালাক খেলাৰ লগৰী হিচাপে কলিকতা আদি বিভিন্ন ঠাইৰপৰা নানা জাতীয় চৰাই আনি দিছিল। এই চৰাইবোৰ মিলি ঘৰতেই এটি সৰু চিৰিয়াখানা হৈছিল। নলিনীবালাই চৰাইবোৰক লগৰী হিচাপে লৈ আপভাল কৰিছিল আৰু ফলত প্ৰকৃতি জগতৰ লগত বাল্যাবস্থাতেই তেওঁৰ নিবিড় সম্বন্ধ গঢ় লৈ উঠিছিল। ১৯০৯ চনত শিৱসাগৰৰ বিখ্যাত নিত্যানন্দ চতুৰ্বেদীৰ বংশৰ কৃষ্ণপ্ৰাণ চাংকাকতীৰ পুত্ৰ জীৱেশ্বৰ চাংকাকতীৰ লগত নলিনীবালাৰ বিবাহ হয়। তেওঁলোকৰ দাম্পত্য জীৱন অতি মধুৰ আছিল যদিও ১৯১৭ চনত পাঁচোটা সন্তানৰ মাতৃ হোৱাৰ পাছতেই নলিনীবালাৰ স্বামীৰ অকাল বিয়োগ ঘটে। তেতিয়া আমা-ভিমা সন্তানকেইটি লৈ নলিনীবালা পিতৃ-গৃহলৈ উভতি আহে; কিন্তু যেতিয়া নলিনীবালাই বৈধব্যৰ সাজ-পাৰ লৈ প্ৰাচুৰ্যৰে ভৰা পিতৃ-গৃহত পদাৰ্পণ কৰিছিল, তেতিয়াই তেওঁক দেখি ঘৰত হাহাকাৰৰ ৰোল উঠিছিল। বুঢ়ীমাকে কৈছিল, "আই, তই এনে বগা সাজ পিন্ধি মোৰ আগত নোলাবি। মই সহিব নোৱাৰোঁ। তই পাটৰ মেখেলা পিন্ধি থাকিবি আই।" কিন্তু তেতিয়া পিতৃ নবীন বৰদলৈয়ে কৈছিল, "কিয় নিপিন্ধিবি আই ? মোৰ আইক মই অন্তদিনে ৰঙা ৰঙা সাজ অলঙ্কাৰেৰে সজাইছিলোঁ। আজিৰপৰা মোৰ আইক মই 'মহাশ্বেতা' ৰূপে চাবলৈ ভাল পাম। মোৰ আয়ে চিৰশুভ্ৰ সাজ পিন্ধি তপস্বিনী হৈ মহাশ্বেতা ৰূপ পাব, জীৱনে ধন্য মানিব।" এই বুলি দেউতাকে নলিনী দেৱীক এখন 'ভগৱদ্গীতা' দি কলে, "লোৱা আই, এই ভগৱদ্গীতাই তোমাক জীৱনৰ সঙ্গীৰূপে বাট দেখুৱাব।"

দেউতাকৰ এই বাণীয়ে নলিনীবালাৰ জীৱনত এনে এক স্বৰ্গীয় জ্যোতি পেলাই দিলে— যি জ্যোতিত তেওঁ বিচাৰি পালে 'সত্য-শিৱ-সুন্দৰ'ক লাভ কৰাৰ পথ। এয়ে নলিনীবালাক আধ্যাত্মিক জীৱন যাপন আৰু আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰিবলৈ প্ৰেৰণা আনি দিলে। দেউতাকৰ এই প্ৰেৰণাপূৰ্ণ বাণীৰ বিষয়ে নলিনীবালাই 'এৰি অহা দিনবোৰ'ত লিখিছে— "এয়া মোৰ পূজনীয় পিতৃগুৰুৰ মুখৰপৰা মই কি বাণী শুনিলোঁ ? কেতিয়াও নুশুনা চাৰিটি আখৰৰ 'মহাশ্বেতা' মন্ত্ৰধ্বনি। সেই অমৃত মুহূৰ্তত পিতৃৰ আবেগময় কণ্ঠত উচ্চাৰিত হোৱা এই মহান বাণীটিত কি শক্তি আছিল নাজানো; সেই মুহূৰ্তৰেপৰা সন্মুখত পৰি থকা মোৰ দীঘলীয়া জীৱন-বাটত আঁকি দিলে এখনি মহাপথৰ চিত্ৰ। নিঃসঙ্গ, অকলশৰীয়া জীৱন-বাটৰ বাট-বুলনি পোহৰাই তুলিলে এছাটি পবিত্ৰ পোহৰ-ৰশ্মিয়ে। হিয়াৰ মাজত এই মহামন্ত্ৰ-ধ্বনি গুঞ্জৰিত হ'বলৈ ধৰিলে— 'মই মহাশ্বেতা, মই মহাশ্বেতা। পৃথিৱীৰ কোনো কালিমাই মোক স্পৰ্শ কৰিব

নোৱাৰে। সন্মুখৰ বিস্তীৰ্ণ কৰ্মপথ, কৰ্তব্যপথ অকলশৰে অতিক্ৰম কৰিব লাগিব ; পিতৃদত্ত মহা-মন্ত্ৰৰ সন্মান ৰাখিব লাগিব।' আমাৰ গৃহ-বিগ্ৰহ ৺গোপাল মন্দিৰলৈ গৈ সাষ্টাঙ্গে দীঘল হৈ পৰি দুধাৰি লোতক বোৱাই প্ৰাৰ্থনা কৰিলোঁ।— 'গ্ৰহণ কৰা প্ৰভু মোৰ সৰ্বভাৰ; তোমাৰ চৰণত এই জীৱনৰ সৰ্বস্বত্ব উচৰ্গা কৰিলোঁ। তোমাৰ চৰণত উৎসৰ্গিত এই জীৱন; লৈ যোৱা মোক সৰ্বশুদ্ধ পবিত্ৰ পথেৰে। দীঘলীয়া জীৱন-বাটত আগবাঢ়োঁতে যেন মোৰ পিতৃদত্ত পবিত্ৰ মন্ত্ৰৰ সন্মান ৰাখিব পাৰোঁ।"

সঁচাকৈয়ে নলিনীবালাই তেওঁৰ জীৱনত 'পিতৃদত্ত পবিত্ৰ মন্ত্ৰৰ সন্মান' সম্পূৰ্ণ ৰক্ষা কৰিছিল।

স্বামীৰ মৃত্যুৰ কেইবছৰমান পাছত নলিনীবালাৰ দুটি পুত্ৰ পবিত্ৰ আৰু ৰামমূৰ্ত্তিয়েও মাতৃক শোক-সাগৰত পেলাই থৈ ইহসংসাৰৰপৰা বিদায় লয়। স্বামী আৰু পুত্ৰৰ শোকত নলিনীবালা প্ৰথমে অস্থিৰ হৈ পৰিছিল যদিও সেই শোক তেওঁৰ কাৰণে আছিল যেন সোণ-পোৰা জুই। জুয়ে সোণ পুৰি উজ্জ্বল কৰাৰ দৰে সেই শোকে নলিনী দেৱীক ভগৱদ্ভক্তি গভীৰতৰ কৰি তোলাতহে সহায় কৰিছিল। সেই ভক্তিভাৱ তেওঁৰ কবিতাৰাশিত উদ্ভাসিত হৈ উঠিছে।

নলিনীবালাই দহ বছৰ বয়সৰপৰা মৃত্যুৰ প্ৰায় দুমাহ আগলৈকে (আন গ্ৰন্থৰ উপৰিও) অজস্ৰ কবিতা লিখি থৈ যায়। সেই কবিতাবোৰৰ সঙ্কলনসমূহ হ'ল : (১) 'সন্ধিয়াৰ সুৰ' (১৯২৮), ইয়াৰ ইংৰাজী ভাঙনিও ওলায়, (২) 'সপোনৰ সুৰ' (১৯৪৮), (৩) 'পৰশমণি' (১৯৫৫), (৪) 'যুগদেৱতা' (১৯৫৮), (৫) 'জাগৃতি' (১৯৬২), (৬) 'অলকানন্দা' (১৯৬৪) আৰু (৭) মৃত্যুৰ কেইদিনমান আগতে প্ৰকাশ পোৱা 'অন্তিম সুৰ' (১৯৭৭)। ইয়াৰ উপৰি অপ্ৰকাশিত কবিতা-পুথিসমূহ হ'ল (১) জোনাকী-স্বপ্ন-সুৰভি, (২) মন্দাকিনী, (৩) সন্ধিয়াৰ সপোন পৰশ, (৪) সাঁজৰ পূৰবী আৰু (৫) মেঘদূত (অনূদিত)। নলিনী কাব্যৰ প্ৰধান সুৰ হ'ল অতীন্দ্ৰিয়বাদ, আৰু আধুনিক যুগত অসমীয়া সাহিত্য-জগতত তেওঁকেই শ্ৰেষ্ঠ অতীন্দ্ৰিয়-বাদী কবি বুলি ক'ব পাৰি। অৱশ্যে অতীন্দ্ৰিয়বাদৰ উপৰি তেওঁৰ কিছুমান কবিতাত বীৰ-প্ৰশস্তি আৰু স্বদেশপ্ৰেমৰ সুৰ ধ্বনিত হৈছে। নলিনীবালাৰ 'জন্মভূমি', 'পৰমতৃষ্ণা', 'নাটঘৰ', 'নাৰী' আদি কবিতা অসমীয়া কাব্যমালাৰ একোটি উজ্জ্বল মুকুতা।

কবিতাৰ উপৰিও নলিনীবালাই 'স্মৃতিতীৰ্থ' (১৯৪০) নামে পিতৃ নবীনচন্দ্ৰ বৰদলৈৰ এখনি সুন্দৰ জীৱনী আৰু 'এৰি অহা দিনবোৰ' (১৯৭৬) নামে বিস্তৃত আত্ম-জীৱনী এখন লিখে। তেওঁৰ আন দুখন জীৱনী-গ্ৰন্থ 'চৰ্দাৰ বল্লভভাই পেটেল' (১৯৬৬) আৰু 'বিশ্বদীপা'।

নলিনী দেৱীয়ে শিশুৰ উপযোগীকৈ ভালেমান নাট ৰচনা কৰিছিল। তেওঁৰ মানত শিশুবোৰ হ'ল 'দেৱ পাৰিজাত'; সিহঁতক উচ্চ নৈতিক আদৰ্শৰধাৰা অনুপ্ৰাণিত কৰিব পাৰিলে ভাবধাৰা সিহঁতৰ লগতে দেশৰো ভৱিষ্যত কল্যাণ হ'ব। তেওঁৰ প্ৰকাশিত শিশু-নাটিকা 'পাৰিজাতৰ অভিষেক', 'শেষ পূজা' আৰু 'প্ৰহ্লাদ'। ইয়াৰ উপৰি অপ্ৰকাশিত অৱস্থাত আছে 'ৰূপৰেখা', 'অসম আঁউসী', 'মীৰাবাই' আদি নখন নাটক। 'মহিষাসুৰ মৰ্দিনী', 'জন্মাষ্টমী' আদি তেওঁৰ অনাতাঁৰত ৰূপায়িত নাটিকা। 'নৱজন্ম', 'হোলি' আৰু 'নেতাই ধুবুনী ঘাট' তেওঁৰ নৃত্য-নাটিকা। এই তালিকাৰপৰা এনে এটি ধাৰণা কৰিব পাৰি যে বিভিন্ন শ্ৰেণীৰ নাট ৰচনাতো নলিনীবালা দেৱীয়ে নৈপুণ্য দেখুৱাব পাৰিছিল।



নলিনীবালাৰ একমাত্ৰ প্ৰকাশিত প্ৰবন্ধৰ পুথি হ'ল 'শান্তিপথ'। 'মানস-তীৰ্থ' আৰু 'নাৰদীয় ভক্তি-সূত্ৰ' আন দুখনি অপ্ৰকাশিত পুথি।

নলিনীবালা দেৱীয়ে অসম সাহিত্য সভা, মইনা পাৰিজাত, সৰ্বভাৰতীয় শিশু অনুষ্ঠান মণিমেলা, বিভিন্ন কবি সন্মিলন, মহিলা সমিতি আদি অনুষ্ঠান-বোৰত সভানেত্ৰী হিচাপে অসংখ্য লিখিত আৰু মৌখিক ভাষণ দিছিল। লিখিত ভাষণবোৰ একে-লগে পুথিৰ আকাৰত ছপাই উলিয়াব পাৰিলে নলিনী দেৱীৰ বিবিধ বিষয়ত জ্ঞানৰ পৰিচয় পোৱা যাব।

কোমল বয়সতে নলিনীবালা দেৱীয়ে সাহিত্য-প্ৰতিভাৰ স্বীকৃতি পাইছিল। তাৰ প্ৰমাণ— তেওঁৰ প্ৰথম কবিতা পুথি 'সন্ধিয়াৰ সুৰ' ১৯২৮ চনতে কলিকতা বিশ্ববিদ্যালয়ে আৰু পাছত গুৱাহাটী বিশ্ব-বিদ্যালয়ে কলেজৰ পাঠ্যৰূপে মনোনীত কৰে। এই পুথিখনৰ বিষয়ে সাহিত্যৰথী বেজবৰুৱাই লিখিছিল— "...... পঢ়ি গলোঁ, পঢ়ি গলোঁ। শেষলৈকে আনন্দ আৰু গৌৰৱত মন উল্লাসিত হৈ পৰিল। ইমান ধুনীয়া অসমীয়া কবিতা লিখিছে অসমৰ এজনী ছোৱালীয়ে। প্ৰত্যেকটি কবিতাৰ ভাব-ভাষাৰ মাধুৰ্য্যই মোক মুগ্ধ কৰিলে।" নলিনী-দেৱীৰ ইয়াৰ পাছত ৰচিত পুথি 'সপোনৰ সুৰ' আৰু 'পৰশমণি' গুৱাহাটী বিশ্ববিদ্যালয়ে কলেজৰ পাঠ্যপুথি ৰূপে মনোনীত কৰে। ১৯৬৪ চনত তেওঁ সৰ্বভাৰতীয় কবি সন্মিলনত সভানেত্ৰী ৰূপে নিৰ্বাচিত হয় আৰু ৰাষ্ট্ৰপতিৰ আমন্ত্ৰণক্ৰমে দিল্লীত অনুষ্ঠিত কবি সন্মিলনত স্বৰচিত কবিতা পাঠ কৰে। ইয়াৰ আগতে তেওঁৰ সাহিত্য-প্ৰতিভাক স্বীকৃতি দি অসমৰ ৰাইজে তেওঁক অসম সাহিত্য সভাৰ ২৩শ অধিৱেশনৰ সভানেত্ৰীৰূপে বৰণ কৰে। ১৯৫৮ চনত তেওঁক ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান আৰু নলবাৰী সংস্কৃত সঞ্জীৱনী সভাই 'কাব্য ভাৰতী' উপাধি প্ৰদান কৰে। তেওঁ ১৯৭৫ চনত 'বিশ্ব হিন্দী সন্মি-লন'ত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি স্বৰচিত কবিতা পাঠ কৰিছিল।

সৰুৰেপৰাই নলিনীবালাই পিতৃৰপৰা দেশসেৱা-ব্ৰতত দীক্ষিতা হৈ দেশৰ বিভিন্ন অনুষ্ঠানৰ লগত নিবিড় ভাৱে জড়িত হৈ আছিল। ১৯২১ চনত অসহযোগ আন্দোলনৰ সময়ত তেওঁ দেউতাকক সহযোগ কৰি দেশসেৱাৰ কামত ব্ৰতী হৈছিল। ১৯৪৭ চনত দিল্লীত বহা সদৌ ভাৰত লেখক সন্মিলনলৈ আমন্ত্ৰিত হৈ তেওঁৰ ৰচিত 'সন্ধিয়াৰ সুৰ'ৰ ইংৰাজী অনুবাদ এটি পঠায় আৰু তেতিয়াৰেপৰা তেওঁ সৰ্বভাৰতীয় সাহিত্যত সুপৰিচিতা হৈ পৰে। তেওঁ কলিকতাত থকা কালছোৱাত (১৯৪৪-৪৬) অসম সঙ্ঘৰ সভানেত্ৰী হৈ সমষ্টিৰ (grouping) বিৰোধিতা কৰিছিল আৰু লীগ-নেতা চাহল্লালৈ মুকলি চিঠি দিছিল। ১৯৪৬ চনত তেওঁক কাশী হিন্দু বিশ্ব-বিদ্যালয়ে সম্বৰ্দ্ধনা জনায়। ১৯৫৭ চনত প্ৰাদেশিক মহিলা সমিতিৰ নগাঁও অধিৱেশনত তেওঁ সভা-নেতৃত্ব কৰে। তেওঁ অসম সাহিত্য সভাৰ সভানেত্ৰী হৈ থকা সময়ত ৰাজ্য পুনৰ্গঠন আয়োগৰ ওচৰত গোৱালপাৰা আৰু কোচবিহাৰ অসমৰ ভিতৰত থাকিব লাগে বুলি সাক্ষ্য দান কৰিছিল। তেওঁ সীমা-আয়োগৰ আগত কৈছিল— "মই অসমৰ এজনী সাহিত্য-সেৱিকা হিচাপে ক'ব খোজোঁ যে ভাৰত চৰকাৰে গ্ৰহণ কৰা ভাষাৰ ভিত্তিত প্ৰদেশ গঠন— এই পন্থাটোৱেই এটা মাৰাত্মক ভুল পন্থা স্বৰূপ হৈছে— যিহেতু এই সৰ্বনাশীয়া পন্থাটোৱে ঐক্যপূৰ্ণ ভাৰত-শক্তিক শতধা বিচ্ছিন্ন কৰি পেলোৱাৰ বাট উলিয়াব। জাতিৰ পিতা বাপুজীৰ জীৱনজোৰা সাধনাৰে বন্ধা একতাৰ ভেটি ভাষাৰ কন্দলে ছিন্ন-ভিন্ন কৰি বাপুজীৰ

স্বপ্ন-স্বৰ্গ ভাৰত ৰচনাত দাৰুণ আঘাত হানিব। এতেকে মই আপোনালোকক ইয়াকে অনুৰোধ জনাওঁ এই ভাষাৰ ভেটিত প্ৰদেশ ৰচনা কৰা সৰ্বনাশীয়া পন্থাটি ভাৰত চৰকাৰে যাতে পৰিহাৰ কৰে, সেই বিষয়ে আপোনালোকেও যেন যত্ন কৰে। ... ... বিশেষ মোৰ দেশৰ বাবে আপোনালোকক অনুৰোধ জনাওঁ যাতে বহু প্ৰাচীন সংস্কৃতিৰ আধাৰ ভূমি পৌৰাণিক প্ৰাগজ্যোতিষ তথা কামৰূপৰ প্ৰাচীন সভ্যতাৰ লীলাভূমি অসমীয়া জাতি, প্ৰাচীনতম বুৰঞ্জী-বিখ্যাত অসমীয়া ভাষা, যি ভাষাই তেৰ শ শতিকাত উন্নত ভাষা পৰ্যায়লৈ ঠন ধৰি উঠিছিল, সেই সুপ্ৰাচীন উন্নত অসমীয়া ভাষাৰ প্ৰতি যেন কোনো অবিচাৰ কৰা নহয়। ··· ··· ··· অসমক খণ্ডিত কৰিলে ভাৰতবৰ্ষ বিপদাপন্ন নহৈ নাথাকে, ই ধ্ৰুৱ।"

এইদৰে সীমা-আয়োগক জনোৱা আবেদন-নিবেদনৰ ফলস্বৰূপেই গোৱালপাৰা জিলাখন ৰক্ষা পৰিল, যদিও কোচবিহাৰ অসমৰ অন্তৰ্ভুক্ত নহ'ল।

নলিনীবালা দেৱীয়ে অসমৰ ভাষা আন্দোলন [১৯৬০], শোধনাগাৰ আন্দোলন [১৯৫৬] আদিতো সক্ৰিয় ভূমিকা লৈছিল। ১৯১৪ চনত আন্তৰ্জাতিক শিশু-অনুষ্ঠান 'চিলড্ৰেন অব ষ্টেট কাউন্সিল'ৰ অসম শাখাৰ সভানেত্ৰী হয়। তেওঁ অসমৰ 'মইনা পাৰিজাত' নামৰ শিশু অনুষ্ঠানটিৰ সভানেত্ৰী হৈ বহুদিন তাৰ গুৰি বঠা ধৰিছিল। এইদৰে দেখা যায় নলিনীবালা দেৱী মূলতঃ কবি, অতীন্দ্ৰিয়বাদী কবি যদিও তেওঁ কেৱল কাব্য-জগততে বিচৰণ নকৰি বাস্তৱ জগত-খনৰ লগত নিজক মিলাই দেশৰ আহ্বান অনুসৰি কৰ্মক্ষেত্ৰত আগবাঢ়ি গৈছিল। এফালে ভগৱৎ-ভক্তি আৰু আনফালে স্বদেশ-প্ৰীতি— এই দুই ভাৱধাৰাৰ অপূৰ্ব সমন্বয়ে নলিনীবালাক প্ৰখ্যাত কবি কৰি তোলাৰ উপৰি এগৰাকী ভাৰতীয় মহীয়সী নাৰী ৰূপতো প্ৰতিষ্ঠিত কৰিছে। এয়েই নলিনীবালাৰ জীৱনৰ প্ৰধান বৈশিষ্ট্য।

এটি চমু আলোচনাত নলিনীবালাৰ বহুমুখী কৰ্মময় জীৱনৰ সকলো দিশ সামৰি লোৱাটো সম্ভৱ নহয়। পিতৃয়ে কোৱাৰ দৰে তেওঁ সঁচাকৈয়ে আছিল মহাশ্বেতা। ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে তেওঁ ইহ সংসাৰৰপৰা বিদায় ললে। আজি নলিনীবালা দেৱী নাই যদিও তেওঁৰ কীৰ্তি আমাৰ মাজত চিৰ-সমুজ্জ্বল হৈ থাকিব। ০ ০ ০

# গিৰিধৰ শৰ্মা আৰু আৰ্যবিদ্যাপীঠ

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

এই আঠসত্তৰ চনৰে যোৱা দহ মে' বুধবাৰে শেষ নিশা অধ্যক্ষ গিৰিধৰ শৰ্মা পৰলোকপ্ৰাপ্ত হ'ল, তাত আচৰিত হ'বলগীয়া একো নাই ; কাৰণ 'জন্মিলে মৰিব লাগে, ৰীতি এই বন্ধা-ধৰা, একেবাহে চলি আছে সৃষ্টি পাতনিৰেপৰা।" তেৰোঁ মানুহ আছিল, অদ্ভুতকৰ্মা বীৰ হ'লেও মানুহ আছিল, গতিকে গ'ল। কিন্তু তেওঁ যোৱাৰ লগে লগে বহুতৰে হৃৎকম্প উপস্থিত হৈছে। কাৰণ তেওঁৰ দৰে পূৰ্ণ স্বাস্থ্যৰ ৬৫ বছৰীয়া লোক এজন— দেখাত ৪৫ বছৰীয়া ডেকা এজন— যদি তেনেকৈ যাওঁ বুলিয়েই যায়, তেনেহ'লে তেওঁতকৈ নেৰপেটীয়াসকলৰ দেখোন মাহৰ মাৰ দেখি তিলে বৈত মেলাৰ দৰেহে হ'ব। শৰ্মাৰ মুক্ত আত্মাই শান্তি লভক, তাকে কামনা কৰিছোঁ।

স্বৰ্গীয় গিৰিধৰ শৰ্মাৰ মাতৃভক্তি, ভাতৃবৎসলতা, কৰ্মশক্তি, দেশপ্ৰেম, ধৈৰ্য আদিৰ কথা যোগ্যজনে যোগ্যভাৱে বৰ্ণনা কৰিব ; কাৰণ তেনে বৰ্ণনা এই সময়ৰ অতিশয় সমীচীন কাম। আমি ইয়াত আজি তেওঁৰ শেষ জীৱনৰ দ্বিতীয় আত্মা স্বৰূপ আৰ্যবিদ্যাপীঠ কলেজখনৰ ভেটি-মাটিৰ লগত তেওঁৰ সম্বন্ধ কি আছিল, সেই বিষয়েহে অভিজ্ঞতাৰপৰা অলপ ক'ব খুজিছোঁ।

১৯৫৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহ মানৰ কথা। তেতিয়া আমি গুৱাহাটী চাৰ্কোলৰ এছিষ্টেণ্ট ছেটেলমেণ্ট অফিচাৰ। বন্দৱস্তিৰ কাম চলি আছে। এদিন দেওবাৰে বাতিপুৱা গাত এৰীয়া তেলাচ লৈ শৰ্মা আমাৰ চানমাৰিৰ ঘৰত ওলালহি। লগত আৰু কোনোবা এজন আহিছিল ; কোন মনত নাই। ভদ্ৰতাৰ সাধাৰণ সৌজন্য-খিনিৰ পৰস্পৰ বিনিময়ৰ অন্তত তেওঁ কলে— "ড° কাকতিৰ ঠাই বিহাবাৰী অঞ্চলত শিক্ষালাভৰ কাৰণে আজি কি কি সুবিধা আছে, আপুনি জানে নে ? তাত এম, ই, স্কুল এখনত বাহিৰে আৰু একো শিক্ষানুষ্ঠান নাই। আমি এতিয়া তাত সম্প্ৰতি এখন হাইস্কুল পাতিব খোজোঁ, পাৰিলে সেইখনকে বুলাই নি কলেজ কৰিম। এতিয়া আপোনাৰ সহ-যোগ লাগে।"

— "আপুনি তাত প্ৰিন্সিপাল হ'বলৈ বহুত দিন বাকী হবলা দেখোন"— মই কলোঁ। — "প্ৰিন্সিপাল কিয়, আৰু দুবছৰমানৰ মূৰত লাগিলে তাৰ চকীদাৰ, অধ্যাপক, প্ৰিন্সিপাল— সকলো হৈ হ'লেও কলেজ পতা হ'ব। আপুনি কেৱল অলপ মাটিৰ ব্যৱস্থা কৰি দিয়ক। তাৰ পাছত আপোনাক দেখুৱাম নহয় আমি কি কৰিব পাৰোঁ।"

—"হ'ত এম-ই স্কুল এখন মাত্ৰ আছে, তাত কলেজ

পাত্তিবলৈ হ'লে কিন্তু আপুনি কটন কলেজৰ অধ্যাপনা বাদ দিব লাগিব। এক বুঢ়াৰ দুই কাম, ধান বানে চোহে আম— নচলিব।"

—"কৈছোঁ নহয়, আগতে মাটি এটুকুৰা আপুনি আমাক দিয়ক, তাৰ পাছত চাব আমি কি কৰোঁ। মন্ত্ৰী মতিৰাম বৰাক আমি ছিলঙত লগ ধৰিছিলোঁ, তেওঁ আপোনালৈ আঙুলিয়ালে। গতিকে আপুনি এতিয়া যি কৰে কৰক। মাটি নিদিলে কিন্তু আপোনাৰ গুৰু ডঃ কাকতিয়ে সিপুৰীৰপৰাই আপোনাক খং কৰি উঠিব।"

"ক'ত কোন ঠাইত মাটি বিচাৰে" বোলাত প্ৰথমে চেৰাপ-ভাটীৰ ওচৰৰ আলিটোৰ (পূবা-পশ্চিমাকৈ থকা) উত্তৰ ফালৰ মুকলি ঠাইবোৰলৈ তেওঁ টোঁৱালে। মুকলি মানে তেতিয়া মুকলি আছিল। "সেইবোৰ কোন কাৰ্গানিবাই মানুহে প্ৰিমিয়াম দি ম্যাদী পট্টা কৰি লৈছে, তাত নহ'ব" বোলাত এইবাৰ তেওঁ আলিৰ দক্ষিণে থকা বৰদলৈ ক্লিনিকৰ উত্তৰৰ সমস্ত মুকলি পথাৰখনলৈ আঙুলিয়ালে। "তাতো নহ'ব, সেই ডোখৰ ঠাইত চৰকাৰৰ নিজৰে একুৰি-এটা অ'চনি আছে" বোলাত শেহত তেওঁ গড়ভঙা আলিৰ (আজি-কালিৰ বৰদলৈ ক্লিনিক ৰোডৰ) পশ্চিমৰ ঠাইবোৰলৈ আঙুলিয়ালে। ঠাইখিনি দ যদিও মোৰো মনত লাগিল। হ'লে সেই ঠাইতো হ'ব পাৰে বুলি তেখেতক মই অফিচলৈ পাছদিনা ৩/৪ মান বজাত যাবলৈ কলোঁ। তেখেত মান্তি হ'ল। কাৰণ মাটি থাকে মণ্ডলৰ মেপ-চিঠাতহে, শৰ্মাদেৱে সেই কথা জানে।

সোমবাৰে চাৰি বজাৰ পাছত দুয়ো অফিচত দুৱাৰ বন্ধ কৰি বহি সংশ্লিষ্ট মণ্ডল-কাননগোক লগত লৈ মেপ-চিঠা পৰীক্ষা কৰাত লাগি গলোঁ। মেপত স্থান একৰকম নিৰ্দ্ধাৰণ কৰা হ'ল। পাছদিনা দুয়ো সদল-বলে গৈ মাটিডোখৰৰ থান-থিতি চাই ললোঁ। এতিয়াও মনত আছে— মাটিডোখৰৰ কিছু অংশত এজন দেছোৱালী লোকে ধান খেতি কৰি আছিল। খেতি কৰা মাটিৰ কিছু অংশত তেওঁৰ একচনা পট্টা আছিল, বাকীখিনি চৰকাৰী। চৰকাৰী অংশত তুৰন্তে বে-দখলী ৰিপোৰ্ট দিবলৈ চিঠাত হুকুম দিয়া হ'ল। থাউকতে থকা ন বিঘা তিনি কঠা কেইলোচামান মাটিৰ বিবৰণ তন্নতন্নকৈ পৰীক্ষা কৰি চাই পোৱা গ'ল। তাৰে এক অংশত এজনৰ একচনা পট্টাৰ মাটি আন এজনে দখল কৰি আছে। গতিকে এই ডোখৰৰো পট্টা কৰ্তনৰ বাবে নোটিচ দিবলৈ ব্যৱস্থা কৰা হ'ল। চৰকাৰী মাটিসহ ন বিঘা তিনি কঠাৰ অধিক মাটি পোনতে লোৱা স্থিৰ হ'ল। পিছে এই নিৰ্বাচিত মাটিডৰালৈ যাবলৈ হ'লে অইনৰ ম্যাদী পট্টাৰ মাটিৰ ওপৰেদি বাট নললে নচলে। অঙ্ক কৰি চাই দেখা গ'ল তিনি কঠামান মাটি লাগে,— নৰ্দমাৰ সৈতে আলিৰ কাৰণে ; কাৰণ, বৰ দ মাটি। শৰ্মাই আমাৰ পৰামৰ্শমতে তাৰে দুকঠা কিনি ললে, সম্ভৱ, কঠাত ১৫০০ টকাকৈ দিছিল। বাকী একঠা আমি ধৰি-মেলি মালিকৰপৰা দান ললোঁ। তাতো বহুত কথা আছে। পোন আঙুলিৰে ঘিউ আনিব নোৱাৰি। সি যি হওক, কলেজৰ মাটিৰ প্ৰায় ঠিক-ঠাক হ'ল। খৰচ মাত্ৰ তিনি হাজাৰ টকা।

ৰাজহ মন্ত্ৰী মতিৰাম বৰাই গুৱাহাটী চাৰ্কিট হাউছতে মাটি সম্পৰ্কীয় কাকত-পত্ৰ চাই ডেপুটি কমিছনাৰক শীঘ্ৰে পঠাবলৈ মুখে মুখে নিৰ্দেশ দি গ'ল। এইদৰে সম্ভৱ ১৯৫৭ চনৰে নবেম্বৰ-ডিচেম্বৰ মাহত মাটিৰ এক প্ৰকাৰ দখল দিয়া হ'ল। গৃহ নিৰ্মাণৰ কাম দোপত দোপে আগবাঢ়ি আহিবলৈ ধৰিলে। শৰ্মাই পেটৰ ভাত চকুৰ নিদ্ৰা এৰি দেহেকেহে খাটিবলৈ ধৰিলে।

(৫৪ পৃষ্ঠাত চাওক)

# উত্তৰ-পূব ভাৰতৰ মুদ্ৰা অধ্যয়নৰ পৰিচয়

ডঃ ৰবীন দেৱ চৌধুৰী

অসম আৰু ইয়াৰ দাঁতি-কাষৰীয়া ৰাজ্যসমূহৰ পুৰাতাত্বিক সমলৰ ওপৰত অধ্যয়ন আৰম্ভ হ'বৰ আজি প্ৰায় ১০০ বছৰৰ ওপৰ হৈছে। এই অধ্যয়নৰ সূচনা কৰে জন লুবোক চাহাবে ১৪৬৭ চনৰ ২২ জুনৰ ২০৬৯ সংখ্যাৰ 'এথেনিউম' নামৰ ইংৰাজী কাকতত অসমৰ শৈল যুগৰ ওপৰত প্ৰবন্ধ এটি প্ৰকাশ কৰি। মুদ্ৰা অধ্যয়নৰ কাম কিন্তু আগতেই আৰম্ভ হোৱা যেন লাগে। ইয়াণ্ডাবু সন্ধিৰ পাছ-তেই ১৮২৮ চনত কেপ্তেইন নিউফিলিয়ে বহু সংখ্যক মুদ্ৰা অসমৰপৰা সংগ্ৰহ কৰি লণ্ডনত এইবোৰ কাউণ্টেছ অৱ আমহাৰ্ষ্টক উপহাৰ স্বৰূপে দিয়ে। সেই সময়ত ডঃ হোৰেচ হায়মন উইলছন আছিল এছিয়াটিক ছোচাইটি অৱ বেঙ্গলৰ সম্পাদক। ডঃ উইলছনে ১৮২৮ চনতেই অসমৰ এখনি চমু ইতিহাস আৰু কেপ্তেইন নিউফিলিৰ সংগৃহীত মুদ্ৰাবোৰৰ ওপৰত এটি প্ৰবন্ধ লিখে। ১৯৩৪ চনৰ ৩০ জুলাইত মুদ্ৰাবোৰ ডঃ উইলছনৰ প্ৰবন্ধটোৰে সৈতে লণ্ডনত নিলাম কৰা হয়। সেই সময়ত তেতিয়াৰ বঙ্গদেশৰ শিক্ষাধিকাৰ আৰু এছিয়াটিক ছোচাইটিৰ অবৈতনিক সম্পাদক মিঃ এইচ ই ষ্টেপেলটন লণ্ডনত কিবা কাৰণত উপস্থিত আছিল। তেখেতে এই বস্তুখিনি কিনি ভাৰতলৈ লৈ আহে আৰু ১৯৩১ চনত (?) ৰায়বাহাদুৰ কনকলাল বৰুৱাদেৱক Assam Coin Cabinet-অত ইয়াক সংৰক্ষণ কৰিবৰ নিমিত্তে দিয়ে। ইতিমধ্যে ষ্টেপেলটনে ১৯৩৬ চনত Royal Asiatic Society-ৰ Journal-অত ইয়াৰ ওপৰত এটি প্ৰবন্ধ প্ৰকাশ কৰে।

ইতিমধ্যে ছাৰ এডৱাৰ্ড গেইট চাহাবে তেতিয়াৰ অসমৰ কমিছনাৰ ছাৰ উলিয়াম ৱাৰ্ড চাহাবক অসমৰ প্ৰাচীন সম্পদসমূহৰ বিষয়ে সন্ধান চলাবলৈ এটি পৰামৰ্শ দিয়ে আৰু তেখেতৰ পৰামৰ্শ মানি উইলিয়াম চাহেৱে ১৪৯৪ চনৰ ২ জুলাই তাৰিখে সেই মৰ্মে সকলো জিলাধিপতিক নিৰ্দেশ দিয়ে। এই বৃহৎ কামত কিদৰে আগবঢ়া যাব, সেই বিষয়ে আলোচনা কৰি গেইটে Proceedings of the Asiatic Society of Bengal-অত ১৮৯৫ চনৰ জুন মাহত প্ৰকাশ কৰে। ইয়াৰ পাছত আৱিষ্কৃত মুদ্ৰাসমূহৰ ওপৰত তেখেতে কেইবাটাও প্ৰবন্ধ প্ৰকাশ কৰে।

১৯০৪ চনত ছিলঙত Assam Provincial Coin Cabinet স্থাপন কৰা হয়। এই অনুষ্ঠানটোক প্ৰথমে ৰাজহুৱা পুথিভঁড়ালৰ লগতে ৰখা হৈছিল। এই অনুষ্ঠানলৈ চৰকাৰৰ নিৰ্দেশানুক্ৰমে বিভিন্ন জিলাৰপৰা প্ৰায় ৩০ টামান মুদ্ৰা সংগ্ৰহ কৰা হৈছিল। ইয়াৰ পাছত ২২ টা মুদ্ৰা যোৰহাটৰ মুন্সি মহম্মদ চাহে দিয়ে। এই Cabinet-অৰ দায়িত্বত থকা পি আৰ টি গৰ্ডন চাহাবে Asiatic Society-ৰপৰাও বহু মুদ্ৰা ইয়ালৈ আনে। শিৱসাগৰৰ দফলা চাহ-

বাগিছা কৰ্তৃপক্ষ আৰু কোচবিহাৰৰ মহাৰজায়ো এই অনুষ্ঠানলৈ বহুতো মুদ্ৰা আগবঢ়ায়। ১৯০৬ চনত দফলা চাহবাগিচাৰপৰা প্ৰায় ১০০০ মুদ্ৰা পোৱা হয়। কোচবিহাৰৰ ৰজাই দিয়া মুদ্ৰাৰ ভিতৰত কোঁচ মুদ্ৰাই প্ৰাধান্য লাভ কৰিছিল। মণিপুৰী আৰু কছাৰী ৰজাৰ মুদ্ৰাও কিছু সংগ্ৰহ কৰা হৈছিল। এ ডবলিউ বোথাম চাহাবে শিৱসাগৰ জিলাত জিলাধিপতি হৈ থাকোঁতে বহুতো মুদ্ৰা সংগ্ৰহ কৰি ইয়ালৈ পঠায়। এই মুদ্ৰাবোৰৰ সংৰক্ষক মৌলবী আফ্‌তাব্ উদ্দিন আহমেদে ষ্টিপেলটন চাহাবৰ তত্ত্বাৱধানত শ্ৰেণীবদ্ধভাৱে বৰ্ণনা কৰি ১৯১১ চনত 'A Catalogue of the Assam Provincial Coin Cabinet' নামৰ গ্ৰন্থখন প্ৰকাশ কৰি উত্তৰ ভাৰতৰ মুদ্ৰাৰ ওপৰত প্ৰথম কিতাপখন বাইজলৈ আগবঢ়ায়। এইখন কিতাপত প্ৰায় ৬০০ মুদ্ৰা বৰ্ণনা কৰা হৈছিল। সংগৃহীত মুদ্ৰাৰ সংখ্যা বাঢ়ি যোৱাত ১৯১৯ চনত 'A Supplement of the Catalogue of the Assam Provincial Coin Cabinet' নামক গ্ৰন্থত বোথাম আৰু ক্ৰীল চাহাবে প্ৰায় ১,৩০০০ মুদ্ৰা ওপৰঞ্চি হিচাপে বৰ্ণনা কৰে। ইয়াৰ পাছত ১৯৩০ চনত বোথাম চাহাবে Catalogue খনৰ দ্বিতীয় তাঙৰণ প্ৰকাশ কৰি উলিয়ায়। এই তাঙৰণত গ্ৰন্থখনিত (৪০০০) চাৰি হাজাৰতকৈও অধিক মুদ্ৰাৰ বৰ্ণনা সন্নিবিষ্ট হয়।

Assam Coin Cabinet-টো শ্বিলঙৰপৰা ১৯৪৮ চনত অসমৰ ৰাজ্যিক সংগ্ৰহালয়লৈ স্থানান্তৰ কৰি অনা হয়। তেতিয়াৰপৰা এই সংগৃহীত মুদ্ৰাবোৰ গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰহালয়তেই আছে। অৱশ্যে ইয়াক সুকীয়া ব্যৱস্থা কৰি ৰখা হৈছে। এই মুদ্ৰাবোৰৰ ভিতৰত উত্তৰ-পূৱ ভাৰতৰ আহোম, কোঁচ, কছাৰী, জয়ন্তীয়া আৰু ত্ৰিপুৰা ৰাজ্যৰ মুদ্ৰা আছে। ইয়াৰ উপৰিও ভাৰতৰ অন্য ৰাজ্যৰপৰা সংগ্ৰহ কৰা মুদ্ৰা বহুতো আছে। এইবোৰৰ সময় খৃঃ পূঃ ২০০-ৰপৰা আৰম্ভ কৰি ১৯০০ শতিকাৰ ভিতৰত পৰে। ইয়াত সোণ, ৰূপ আৰু তামৰ মুদ্ৰাৰ সংখ্যায়েই অধিক। উল্লেখযোগ্য কথা যে আহোম ৰজাসকলে কেৱল সোণ আৰু ৰূপৰ মুদ্ৰাহে তৈয়াৰ কৰিছিল। ইয়াৰ প্ৰমাণ আমি আৱিষ্কৃত মুদ্ৰাৰপৰা পাওঁ। অৱশ্যে আহোম যুগৰ শেহৰ ফালৰ ৰজা ব্ৰজনাথসিংহৰ এটি তামৰ মুদ্ৰা পোৱা গৈছে। নগাসকলৰ মাজত প্ৰচলিত মুদ্ৰা কিবা আছিলনে, আমি ভালকৈ নাজানো। কিন্তু

( ৫২ পৃষ্ঠাৰ পিছৰপৰা )

তেওঁ কৈছিল— তেওঁ ইয়াক এখন প্ৰকৃত হিন্দু আদৰ্শৰ জ্ঞানপীঠ কৰি তুলিব : তাত বিজ্ঞান, কলা সকলো শিকোৱা হ'ব ; তাৰ ছাত্ৰ আত্মনিৰ্ভৰশীল হ'ব, অধ্যাপকসকল হ'ব পুৰণি কালৰ ঋষিৰ দৰে জ্ঞানযোগী কৰ্মী লোক। সেই উদ্দেশ্যেই তেওঁ এই অনুষ্ঠানৰ নাম দিছিল আৰ্যবিদ্যাপীঠ। মই যিমান দূৰ জানো, ১৯৫৮ চনৰ এপ্ৰিল মাহত তাত হায়াৰ ছেকেণ্ডেৰী স্কুল আৰম্ভ হয় আৰু সেই বছৰৰে জুন মাহত কলেজ আৰম্ভ কৰা হয়। তাৰ প্ৰথম হেড্‌মাষ্টাৰ আছিল হৰিনাথ শৰ্মা আৰু পৰিচালনা সমিতিৰ প্ৰথম সভাপতি অধ্যক্ষ ৰাধানাথ দাস। ১৯৬২ চনত কটন কলেজৰপৰা অৱসৰ লৈ গিৰিধৰ শৰ্মাই পূৰ্ণ দায়িত্ব কান্ধ পাতি লোৱাৰ লগে লগে কলেজ লহপহকৈ বাঢ়ি আহিল। মানুহে আজিও আৰ্যবিদ্যাপীঠ মহাবিদ্যালয় বুলিলেই স্বৰ্গীয় গিৰিধৰ শৰ্মাৰ কথাকে ভাবে আৰু শৰ্মাৰ নাম উলালেও সেই অনুষ্ঠানটোৰ কথাকে মনত পেলায়। বি বৰুৱা কলেজ, প্ৰাগজ্যোতিষ কলেজ আৰু গুৱাহাটী কলেজৰ ভেটি-মাটিৰ লগত সম্পৰ্কিত হোৱাৰ দৰে স্বৰ্গীয় শৰ্মাৰ জৰিয়তে আমিও এই অনুষ্ঠানটিৰ লগত কৰ্তব্য-সূত্ৰেদি জড়িত হ'বলৈ পাই তেওঁলৈ স্মৃতি তৰ্পণ আগবঢ়ালোঁ। শৰ্মা আছিল এটি মূৰ্ত প্ৰেৰণা, জীৱন্ত অনুষ্ঠান। ০ ০ ০



নগা পাহাৰ ( এতিয়া নগাৰাজ্য )ৰপৰা সংগৃহীত ৪ ডাল সক লোৰ দাবি ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। এইবোৰ কাঁড়ৰ দৰে। ইয়াক জাবিলি ( Jubilee Coin ) মুদ্ৰা বোলে। অৱশ্যে ইয়াক চেকো নগাৰ ঘৰতে পোৱা গৈছিল। সৰ্বসাধাৰণৰ মাজত ই মুদ্ৰাৰূপে প্ৰচলিত হোৱা নাছিল।

উত্তৰ-পূৱ ভাৰতৰ মুদ্ৰা সম্পৰ্কে অধ্যয়নৰ দৰকাৰ অনুভৱ কৰি ভাৰতীয় মুদ্ৰা পৰিষদৰ পঞ্চষষ্ঠিতম অধিৱেশন নৰ্থ ইষ্ট হিল ইউনিভাৰছিটিৰ আমন্ত্ৰণক্ৰমে এইবাৰ শ্বিলঙত যোৱা ২৮ নবেম্বৰৰপৰা ৩০ নবেম্বৰলৈ অনুষ্ঠিত হয়। ইয়াত 'Coinage and Economy of N. E. States of India' শীৰ্ষক সুকীয়া আলোচনা চক্ৰ এখনো অনুষ্ঠিত হৈছিল। ইয়াত বহুতো তথ্যপূৰ্ণ প্ৰবন্ধ পাঠ কৰা হয়। ইয়াৰ ভিতৰত ড° দীনেশচন্দ্ৰ সৰকাৰদেৱৰ 'Money in Pre-Ahom Assam and its neighbourhood', এই প্ৰবন্ধ লেখকৰ 'A note on the newly discovered coins from Dhulapadung T. E.', বসন্ত চৌধুৰী আৰু পৰিমল ৰয়ৰ 'An Assamese Trade Rupee' প্ৰবন্ধকেইটা নৱাবিষ্কৃত মুদ্ৰাৰ ওপৰত লিখা হেতু বেছি উল্লেখযোগ্য বুলি ধাৰণা হয়। ড° সৰকাৰে তেখেতৰ প্ৰবন্ধত অলপতে আবিষ্কৃত ধুলাপাদুং চাহবাগিছাত প্ৰাপ্ত মুদ্ৰাকেইটাৰ কথা উল্লেখ কৰি কয় যে মুদ্ৰাবোৰ হৰ্জ্জৰবৰ্মণ আৰু বনমালবৰ্মণৰ বুলি অনুমান কৰিব পাৰি। 'ৰ' আৰু 'ব'ৰ যিহেতু সেই সময়ত বিভিন্নতা নাছিল, সেইকাৰণে কোনোবাই কিছুমান মুদ্ৰা বলবৰ্মণৰ বুলিও যুক্তি দৰ্শাব পাৰে। আমাৰ প্ৰবন্ধত আমিও সেই একে মতকে পোষণ কৰিছোঁ। ২৭-১১-৭৭ ৰ 'দৈনিক অসম'ত প্ৰকাশ হোৱা 'ধুলাপাদুং চাহ বাগিচাৰ মুদ্ৰা' নামক প্ৰবন্ধতো শ্ৰীসতীশচন্দ্ৰ ভট্টাচাৰ্যই একে মতকে পোষণ কৰিছে। শ্ৰীচৌধুৰী আৰু শ্ৰীৰয়দেৱে তেখেতসকলৰ প্ৰবন্ধত আঠচুকীয়া ৰূপৰ মুদ্ৰা এটিৰ আলোচনা কৰিছে। মুদ্ৰাটোৰ দুয়ো পিঠিতেই চীনা লিপিৰ আখৰ আছে ; কিন্তু ১৫৭০ শক বুলি অসমীয়া আখৰত মুদ্ৰাৰ সময় লিখা আছে। মুদ্ৰাটোৰ ওজন, সময় আদিলৈ চাই তেখেতসকলে এইটো জয়ধ্বজসিংহৰ বুলি কৈছে। শ্ৰীচৌধুৰী আৰু শ্ৰীৰয়ে অনুমান কৰিছে যে জয়ধ্বজ সিংহই চীনদেশৰ লগত বেহা-বেপাৰৰ বিশেষ উন্নতি লাভাৰ্থে এই মোহৰ মৰোৱাইছিল।

উক্ত অধিৱেশনৰ অন্তত যোৱা ২ আৰু ৩ ডিচেম্বৰত ভাৰতীয় মুদ্ৰা পৰিষদৰ সভাপতি ড° বি এন মুখাৰ্জী আৰু উপসভাপতি ড° এ এন লাহিড়ীয়ে ক্ৰমে 'নৱ আবিষ্কৃত পূৰ্ব ভাৰতীয় মুদ্ৰা' আৰু 'ভাৰতীয় মুদ্ৰা আৰু উত্তৰ-পূৱ ভাৰতীয় মুদ্ৰাৰ' ওপৰত দুটা তথ্যপূৰ্ণ বক্তৃতা অসম ৰাজ্যিক সংগ্ৰহালয়ত দিয়ে। এই বক্তৃতামালা 'কামৰূপ অনুসন্ধান সমিতিৰ' তৰফৰপৰা আয়োজন কৰা হৈছিল। ড° মুখাৰ্জীয়ে কয় যে ধুলাপাদুং বাগিছাত নৱ আবিষ্কৃত মুদ্ৰাবোৰৰ বাংলাদেশৰ হৰিকেল (চিটাগং জিলা)ত আবিষ্কৃত মুদ্ৰাৰ লগত কিছু পৰিমাণে মিল দেখা যায়। হৰিকেলৰ মুদ্ৰাবোৰ ধুলাপাদুং চাহবাগিছাৰ মুদ্ৰাৰ দৰে এপিঠিত আখৰ বা ছবি একো নথকা। অৱশ্যে অন্যান্য লক্ষণবোৰৰ কোনো মিল নাই। হৰিকেলৰ মুদ্ৰাবোৰ সপ্তম শতিকাৰ বুলি অনুমান কৰা হৈছে। সেই ফালৰপৰা চাই ড° মুখাৰ্জীয়ে ক'ব খোজে যে মুদ্ৰাৰ এপিঠিত একো নথকা আৰ্হি খুব সম্ভৱ ধুলাপাদুং বাগিছাৰ মুদ্ৰাই হৰিকেলৰ মুদ্ৰাৰপৰাই লোৱা। কাৰণ ধুলাপাদুঙৰ মুদ্ৰা নৱম শতিকাৰ বুলি অনুমান কৰা হৈছে। বঙ্গদেশতো অসমৰ দৰে প্ৰায় অষ্টম শতিকাৰপৰা দ্বাদশ শতিকা মানলৈ মুদ্ৰা প্ৰচলনৰ একো নিৰ্ভৰযোগ্য প্ৰমাণ এতিয়ালৈকে পোৱা নাই— অৰ্থাৎ পাল আৰু সেন

ৰাজত্ব কালৰ কোনো ৰজাৰে এতিয়ালৈ এটাও মুদ্ৰা আৱিষ্কৃত হোৱা নাই। এইটো অৱশ্যে বৰ তাৎপৰ্যপূৰ্ণ কথা। পশ্চিম বঙ্গ আৰু বাংলাদেশত বহুতো খনন কাৰ্য চলোৱা হৈছে,— পাল আৰু সেন ৰাজত্বৰ আগৰ বা পাছৰ বহুতো মুদ্ৰা পোৱা গৈছে; অথচ এই পৰাক্ৰমী বংশ দুটাৰ ৰজাসকলৰ মুদ্ৰা এতিয়াও নোহোৱা কথাটো গুৰুত্বপূৰ্ণ।

অসমতো আমি তদ্ৰূপ ছবি এখনকেই পাওঁ। পাগলাতেকৰ গুপ্ত আহিত নিৰ্মিত সোণৰ মুদ্ৰাবোৰযে কামৰূপৰ কোনোবা ৰজাৰ মুদ্ৰা, তাক আমি সঠিককৈ ক'ব নোৱাৰোঁ। সদ্য আৱিষ্কৃত 'হ' আৰু 'ৱ' আখৰ থকা ধুলাপাদুং বাগিছাৰ মুদ্ৰাবোৰ হৰ্জৰ বৰ্মণ আৰু বলবৰ্মণৰ (বা বনমালবৰ্মণৰ) বুলি অনুমানহে কৰিব পাৰি,— সঠিককৈ ক'ব নোৱাৰি। অৱশ্যে সেই সময়ত বঙ্গদেশ আৰু কামৰূপতযে কড়িৰ প্ৰচলন আছিল, তাক আমি জানো। হৰ্জৰবৰ্মণৰ তেজপুৰৰ শিলালিপিখনৰপৰা আমি জানো যে সেই সময়ত কামৰূপত কড়িৰ প্ৰচলন আছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে Assam Coin Cabinet-অৰ ভিতৰত মাত্ৰ কেইমাহমান আগতে অন্য কিছুমান মুদ্ৰাৰ লগত ঠিক ধুলাপাদুং বাগিছাৰ মুদ্ৰাৰ দৰে দুটা মুদ্ৰা আমি পাইছোঁ। এই মুদ্ৰা দুটাত 'ৱ' আখৰ লিখা আছে। নিঃসন্দেহে ক'ব পাৰি যে ধুলাপাদুং বাগিছাৰ মুদ্ৰা এই মুদ্ৰাৰ লগৰেই হ'ব— যিহেতু একো বিভিন্নতা ইয়াত পৰিলক্ষিত হোৱা নাই। তেতিয়াহ'লে দেখা যায় এনেকুৱা 'ৱ' থকা মুদ্ৰাৰ আৱিষ্কাৰ বহু বছৰৰ আগতেই হৈছিল। ৰাজ্যিক সংগ্ৰহালয়ৰ অৱসৰপ্ৰাপ্ত সঞ্চালক শ্ৰীমুৰাৰিচৰণ দাসৰ লগত কথাটো আলোচনা কৰোঁতে আমি জানিব পাৰিলোঁ যে এইবোৰ কামৰূপ অনুসন্ধান সমিতিৰ ভাহানিতেই কৰা সংগ্ৰহ আছিল। খুব সম্ভৱ তেতিয়া এই মুদ্ৰা সংগ্ৰাহক বা ৰক্ষকসকলে ইয়াক মুদ্ৰা বুলি ক'বলৈ টান পাইছিল বা অকল 'ৱ' আখৰ থকা মুদ্ৰা দুটা কোন ৰজাৰ মুদ্ৰা হ'ব পাৰে, তাক অনুমান কৰিব পৰা নাছিল— যাৰ ফলত ধুলাপাদুং বাগিছাত আৱিষ্কৃত মুদ্ৰাতকৈও বহুবছৰৰ আগতেই আৱিষ্কৃত তদ্ৰূপ মুদ্ৰা আৱিষ্কৃত হোৱা কথাটো বাইজৰ অবিদিত হৈয়েই আছিল। এই মুদ্ৰা দুটা অন্যান্য মুদ্ৰাৰ লগত মিলতত হোৱা ভাৰতীয় মুদ্ৰা পৰিষদৰ অধিৱেশনৰ প্ৰদৰ্শনীত দেখুৱা হৈছিল। অসম ৰাজ্যিক সংগ্ৰহালয়ত আৰু এটা এপিঠিত আখৰ থকা মুদ্ৰা পোৱা গৈছে,— অৱশ্যে এইটো সময়ৰ ফালৰপৰা পাছৰ। এই মুদ্ৰাটোৰ প্ৰথম পিঠিত আৰবী আখৰ আছে, দ্বিতীয় পিঠি ধুলাপাদুঙৰ মুদ্ৰাৰ দৰে খালী। ড° মুখাৰ্জীয়ে মুদ্ৰাটো সম্প্ৰতি অধ্যয়ন কৰি আছে। অৱশ্যে ই প্ৰায় সমসাময়িক এটা আখৰযুক্ত মণিপুৰী মুদ্ৰাৰ আকাৰৰ ক্ষেত্ৰত নিমিলে। মুদ্ৰাটো পাতল; কিন্তু বহল আৰু ঘূৰণীয়া।

Journal of Indian Numismatic Society-ৰ ১৯৭৮ চনত প্ৰকাশ হ'বলগা সংখ্যাত উত্তৰ-পূৰ্ব ভাৰতীয় মুদ্ৰা-বিষয়ক বিভিন্ন দিশত কেইবাটাও প্ৰবন্ধ প্ৰকাশ হ'ব। আমি আশা কৰোঁ অলপতে অনুষ্ঠিত হোৱা উত্তৰ-পূৰ্ব ভাৰতীয় মুদ্ৰা-বিষয়ক আলোচনা চক্ৰৰ পাচতে প্ৰকাশ হ'বলগীয়া এই প্ৰবন্ধসমূহে এই অঞ্চলৰ মুদ্ৰা বিষয়ত অধ্যয়নকাৰী সকলক বিশেষভাৱে সহায় আগবঢ়াব।

—:×:—

# পুৰালেখ অধ্যয়নৰ সমস্যা

নাৰায়ণ দাস

পুৰালেখে বিভিন্ন কালৰ নানা ধৰণৰ নৃপতিমণ্ডলীৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক কিম্বা ধৰ্মীয় অৱস্থাৰ ইঙ্গিত বহন কৰা গুণে বিগত দিনৰ বিজ্ঞানসন্মত ইতিহাস প্ৰণয়নকাৰীয়ে আন আন উপাদানতকৈ পুৰালেখক সৰ্বদা অগ্ৰাধিকাৰ দিয়ে। সাধাৰণতে শৈলপৃষ্ঠ বা স্তম্ভ, মন্দিৰৰ জংঘা, পোৰামাটি, তাম্ৰ, ব্ৰঞ্জ বা লৌহপৃষ্ঠ (লৌহ-নিৰ্মিত স্তম্ভ বা বৰটোপ) প্ৰভৃতিত খোদিত পুৰালেখ অধ্যয়নৰ কাৰণে পুৰালিপিতত্ত্বত পৰিষ্কাৰ জ্ঞান থকাৰ লগতে পুৰালেখৰ স্থান আৰু কালৰ ভাষাৰ ওপৰতো দখল থকা নিতান্ত প্ৰয়োজন। প্ৰত্নলেখ লেখন-কালৰ ইতিহাস জনা থাকিলে সেই লিপিৰ কথাখিনিত টীকা টিপনী দিয়াত অধিক সুচল হয়। শৈলশাসন খোদিত কৰাৰ সময় যিমানে পুৰণি হৈ আহে, সিমানে ৰ'দ, বতাহ আৰু বৰষুণৰ ফলত শৈলপৃষ্ঠ ওখোৰা-মোখোৰা হয়,— বিভিন্ন স্থানৰ শৈলখণ্ড উফৰি যায়, আৰু আন ক'ৰবাত উদ্ভৱ হয় নতুন ৰেখা বা বিন্দুৰ। তেতিয়া সিবোৰত উৎকীৰ্ণ লিপি অধ্যয়নৰ প্ৰযত্ন হৈ পৰে কষ্টসাধ্য। কিয়নো ক্ষয়ীভৱন বা বিচূৰ্ণীভৱন (weathering) হোৱা শৈলপৃষ্ঠত খোদিত লিপিৰ ছাব (estampage) পৰিষ্কাৰ নহয়, আদিতে খোদিত নোহোৱা ভালেখিনি নতুন ৰেখাও ছাবত স্পষ্ট হৈ উঠে। ফলত সেই নতুন ৰেখাসমূহে মূল ৰেখাৰ অৰ্থকে বহুসময়ত ইফাল-সিফাল কৰি পেলায়। কিয়নো পুৰালেখ অধ্যয়নকাৰীয়ে কোনো এডাল ৰেখা বা বিন্দুৰ অধ্যয়নকে অদৰকাৰী জ্ঞান নকৰে। তাম্ৰপট্ট বা লৌহপৃষ্ঠত খোদিত লিপিৰ ক্ষেত্ৰতো শৈললিপিৰ কথাই প্ৰযোজ্য। কাৰণ, সময়ৰ অগ্ৰগতিৰ লগে লগে ইবোৰৰ ওপৰতো বিভিন্ন ৰাসায়নিক প্ৰক্ৰিয়া ঘটাত আদিম অক্ষৰ লোপ পায়; নতুন ৰেখাৰ উদ্ভৱে নতুন অক্ষৰৰ সৃষ্টি কৰে।

অতি পুৰণি পুৰালেখসমূহৰ লিপি অধুনা ব্যৱহৃত লিপি নোহোৱাৰ সম্ভাৱনাই সৰহ। দীৰ্ঘম্যাদী অধ্যৱসায় অবিহনে অচিন লিপিৰ পাঠোদ্ধাৰ অসম্ভৱ। মহাৰাজ অশোকৰ অভিলেখসমূহেই তাৰ জ্বলন্ত প্ৰমাণ। অশোকৰ অভিলেখসমূহ খোদিত হোৱা আজি বহু শতাব্দী হ'ল। তেওঁৰ সৰহ সংখ্যক অভিলেখত ব্যৱহৃত ব্ৰাহ্মীলিপিয়ে সময়ৰ অগ্ৰগতিত পৰিবৰ্তনৰ দীৰ্ঘ পথ অতিক্ৰম কৰি অধুনা ভাৰতীয় ভাষাসমূহত ব্যৱহৃত লিপিৰূপে আত্ম-প্ৰকাশ কৰিছে। গতিকে দিল্লীৰ চুলতান ফিৰোজ শ্বাহ তোগলকে তোপ্ৰা আৰু মিৰাটৰপৰা অশেষ কষ্টেৰে দিল্লীলৈ কঢ়িয়াই অশোক স্তম্ভত খোদিত লিপি তৎকালীন ভাৰতীয় লিপিত অভ্যস্ত দেৱভাষাৰ পণ্ডিতে উদ্ধাৰ কৰে কেনেকৈ? সম্ৰাট আকবৰৰ ৰাজসভাত থকা পণ্ডিত মণ্ডলীও সেই স্তম্ভলিপিৰ পাঠোদ্ধাৰত ব্যৰ্থ হোৱাৰ সংবাদ 'আকবৰনামা'ত বিবৃত হৈছে। অৱশ্যে অচিন লিপিৰ লগতে চিনাকি লিপি থাকিলে চিনাকি লিপিৰ

সহায়ত অচিন লিপিৰ পাঠোদ্ধাৰ সম্ভৱ হয়। গ্ৰীক আৰু খৰোষ্ঠী লিপিত খোদিত বিভিন্ন পুৰণি মুদ্ৰাৰ খৰোষ্ঠী লিপিৰ পাঠত গ্ৰীক লিপিয়ে আগবঢ়োৱা সাহায্যৰ কথা এইখিনিতে উল্লেখনীয়। অৱশ্যে দ্বি-ভাষিক পুৰালেখবোৰত কথাৰ গড়-মিলো নথকা বুলিব নোৱাৰি। দৃষ্টান্তস্বৰূপে, মহাৰাজ অশোকৰ কান্দাহাৰ লিপিলৈকে আঙুলিয়াব পাৰি। গ্ৰীক আৰু আৰমেইক ভাষাত খোদিত এই প্ৰখ্যাত দ্বিভাষিক লিপিখনৰ মূল আৰু অনুবাদলৈ লক্ষ্য কৰিলেই দুয়োটা ভাষাত খোদিত পাঠৰ পাৰ্থক্য ওলাই পৰে।[১] অসমৰ আহোম স্বৰ্গদেউসকলৰ অধিকাংশ লিপিৰ এপিঠিত অসমীয়া আখৰত সংস্কৃত আৰু অসমীয়া পাঠ, আৰু আনটো পিঠিত 'অসমাক্ষৰেণ লিখিতং' টাইলিপি দেখা যায়। সংস্কৃত-অসমীয়া অংশৰ লগত টাইলিপি অংশৰ সাৰাংশৰ মিল থাকিলেও বাক্যাংশৰ অমিল লক্ষ্যনীয়। গতিকে এনে ক্ষেত্ৰত দুয়োটা ভাষাৰেই প্ৰাথমিক জ্ঞান আৱশ্যক।

শৈলপৃষ্ঠ বা তাম্ৰপট্টত পুৰালিপিবোৰ খোদিত কৰোঁতে লিপিকৰ বা তক্ষকাৰে তেওঁলোকৰ ওপৰত জ্ঞাতে বা অজ্ঞাতে সিবোৰ ভুল কৰে, সিবোৰে পুৰালেখ অধ্যয়নকাৰীক বিমোৰত পেলোৱাটো সাধাৰণ কথা। পুৰণি লিপিৰ ভালেমানত বিৰাম চিন পাবলৈ নাই।[২] একেলেঠাৰিয়ে লিখা বাক্যবোৰ ঠিক কৰি সিবোৰৰ অৰ্থ উলিওৱা সহজ নহয়। কিছুমান শিলালেখৰ অপ্ৰয়োজনীয় অংশত ফুট চিহ্ন খোদিত কৰাত অৰ্থৰ বিসঙ্গতি ঘটে। বিৰাম চিহ্ন সূচনা কৰিবলৈ এডাল দণ্ড ব্যৱহাৰ কৰা শিলালেখ এখনত হঠাতে যেতিয়া দুডাল বা তিনিডাল দণ্ড খোদিত কৰে, তেতিয়া অধ্যয়নকাৰী বিপদত পৰা স্বাভাৱিক। অকল তিমানে নহয়, কোনো কোনো স্থানত বিৰাম চিন বুজোৱা দণ্ড দুডালৰ মূৰ দুটা সেঁ'-বাওঁ দুয়োফালে সম্প্ৰসাৰিত হয়, দণ্ডৰ ওপৰত সৰল ৰেখাই ইংৰাজী 'টি'ৰ সৃষ্টি কৰে। শিলালেখ বা তাম্ৰলেখত বৈ যোৱা শব্দ বা আখৰ লিখিবলৈ 'হংসপাদ' বা 'কাকপাদ'ৰ সৃষ্টি হয়; পৰৱৰ্তী কালত অশোকৰ দিনত তাৰ প্ৰয়োগ নথকাত লিপিকৰে যত্ৰ-তত্ৰ বৈ যোৱা শব্দ বা বাক্যবোৰ খোদিত কৰা দেখা যায়। কালসীৰ অভিলেখত এনে প্ৰমাদ একাধিক।[৩] তাম্ৰপট্টত লিখোঁতে পৰি যোৱা আখৰ ঠিক আগৰ আখৰটোৰ তলত খোদিত কৰি বহুসময়ত পঢ়াটোকে অস্পষ্ট কৰি পেলায়। কেতিয়াবা কেতিয়াবা ভুলকৈ লিখি সিবোৰ হাতুৰীৰে পিটি তাৰ ওপৰত পুনৰ্বাৰ অশুদ্ধ লিখে যদিও আগতে লিখা আখৰবোৰ বৈ যোৱাত সেই অংশৰ পাঠোদ্ধাৰ বহুসময়ত কষ্টসাধ্য হৈ পৰে।[৪] কিছুমান শাসনৰ আৰম্ভণি, মধ্য আৰু অন্তিম স্থানত মঙ্গল, স্বস্তিক, তাৰকা আদিৰ চিহ্ন থাকে। সিবোৰ অক্ষৰৰূপে গণ্য কৰিলে অসুবিধাত পৰাটো খাটাং। সগোৰৰ ব্ৰহ্মলেখ এখনিত খোদিত মঙ্গল-চিহ্নই ড° কে পি জয়স্বালৰ দৰে পুৰালিপিতত্ত্ববিদকো বিপাঙত পেলোৱাটো পুৰালিপিতত্ত্বৰ ছাত্ৰ মাত্ৰেই জানে।[৫]

পুৰালেখবোৰত আখৰৰ ভিন্ন ৰূপ প্ৰায়ে দেখা যায়। অশোকৰ অনুশাসনবোৰত একো একোটা আখৰৰ ৰূপ বেলেগ বেলেগ। ড° চন্দ্ৰিকা সিং উপাসকে তেওঁৰ গৱেষণা-গ্ৰন্থ 'দ্য হিষ্ট্ৰি এণ্ড পেলিওগ্ৰাফি

1. Sircar, D. C — Epigraphia Indica ( E. I. ) Vol. XXXIII; Mukharjee, R. K — Asoka ( 1972 ) Pp 263—68.
2. Pandey, R. B — Indian Palaeography ( 2nd ed ) Pp 105. ৩ E. I. III, Pp 314, l. 5.
4. Indian Antiquary ( I. A. ) VII. Pp 351. ৫ Joyswal, S. P—E. I. Vol XXII, P 1-13



অৱ মৌৰ্য্য ব্ৰাহ্মী স্ক্ৰিপ্ট'ত ( ১৯৬০ ) অশোক-লিপিত ব্যৱহৃত অক্ষৰমালাৰ ভিন্ন ৰূপৰ দীঘলীয়া লেখ দিছে।[৬] এই ভিন্ন ৰূপৰ কাৰণেই বেলেগ বেলেগ পুৰালিপিতত্ত্ববিদে অশোকলিপিৰ ভিন ভিন পাঠ গ্ৰহণৰ সুবিধা পাইছে। ১৮৭৭ চনত প্ৰথম কানিংহাম-সম্পাদিত 'দ্য ইনস্ক্ৰিপ্‌শ্বন্‌ছ অৱ অশোক'ৰ (Corpus Inscriptionum Indicarum) লগত E. Hultzsch-সম্পাদিত 'ইন্‌স্ক্ৰিপ্‌শ্বন্‌ছ অৱ অশোক' ( ১৯২৫ ) বা জুল্‌ছ ব্লক-সম্পাদিত 'Les Inscriptions d' Asoka' ( ১৯৫০ )ৰ পাঠ মিলাই চালেই এই ভিন্নতা পৰিষ্কাৰ হ'ব।

একো একোটা শিল বা শৈলস্তম্ভত ভিন্নযুগীয় একাধিক পুৰালেখৰ অৱস্থিতি মন কৰিবলগীয়া। এনে ধৰণৰ পুৰালেখ অধ্যয়নত অধিক সাৱধান হোৱা প্ৰয়োজন। দৃষ্টান্তস্বৰূপে, এলাহাবাদ কোৰ্টত সুৰক্ষিত অশোক স্তম্ভত ছখন অশোকৰ অভিলেখ আছে যদিও তাৰ মাজতেই সম্ৰাট সমুদ্ৰগুপ্তৰ ( ৩৩০—৩৭৬ খৃঃ ) দিগ্বি-জয় বৰ্ণাই লিখা কবি হৰিসেনৰ প্ৰশস্তিৰ উপৰি মোগল সম্ৰাট জাহাঙ্গীৰবো (১৬০৫ খৃঃ) এখনি লিপি উৎকীৰ্ণ হৈছে। একেদৰে দিল্লীৰ তোপ্‌ৰাত সুৰক্ষিত স্তম্ভটোত মহাৰাজ অশোকৰ সাতখনি চমু লেখৰ লগতে চাহ-মান বংশীয় নৃপতি বিশালদেৱৰো তিনিখনি লিপি দেখা যায়। ভিন্নকালীন ভাৰতীয় লিপিত হাত নাথাকিলে এনে ধৰণৰ লিপিৰ প্ৰকৃত পাঠোদ্ধাৰ সম্ভৱ নহয়।

সকলোবোৰ পুৰালেখৰ মূল ফলি অধ্যয়ন কৰাই সৰ্বোত্তম ব্যৱস্থা হ'লেও ই সকলোৰে পক্ষে সম্ভৱ নহয় গুণে সাধাৰণতে ফটোগ্ৰাফ আৰু ছাবৰ সহা-য়তেই ফলিৰ পাঠ উদ্ধাৰ কৰা হয়। পৰিষ্কাৰভাৱে ছাব ল'বলৈ ধৈৰ্য আৰু অনুশীলনৰ দৰকাৰ। সাধা-ৰণতে এখন ফলিৰ তিনিটাকৈ ছাব লৈ তাৰ সহা-য়ত ফলিৰ পাঠৰ চয়-নিচয় নিৰূপণৰ ব্যৱস্থা থাকি-লেও এই ব্যৱস্থাক সম্পূৰ্ণ বিজ্ঞান-ভিত্তিক বোলা টান। ইয়াৰ কাৰণ [ক] বিচূৰ্ণীভৱন আৰু ৰাসায়নিক প্ৰক্ৰিয়াত শিল বা তাম্ৰপট্টৰ ওপৰত নতুন ৰেখাৰ আগম আৰু [খ] ছাব বা ফটোগ্ৰাফ লোৱাজনৰ ইচ্ছামতে বিভিন্ন ৰেখাৰ সংযোজন বা বিলুপ্তিসাধন। এইখিনিতে উপৰোক্ত সগোৰ ব্ৰহ্মলিপিৰ পাঠোদ্ধাৰৰ কাহিনী উনুকিয়াবলগীয়া। ২½″ × ১½″ × ⅟₁₆″ জোখৰ এই ক্ষুদ্ৰ ফলিখন ১৮৯৩ চনত স্থানীয় উপ-প্ৰতি সমাহৰ্তাই ৰয়েল এছিয়াটিক ছোচাইটিৰ কাৰ্যা-লয়লৈ পঠিয়াই দিয়াৰ পাছৰেপৰা ইয়াৰ পাঠোদ্ধাৰৰ শুভাৰম্ভ হ'ল। ভিনচেন্ট স্মিথ আৰু হৰ্ণলি,[৭] জৰ্জ বুহ্লাৰ[৮], ড° বেণীমাধৱ বৰুৱা, এছ কে চক্ৰৱৰ্তী প্ৰমুখ্যে এদল পুৰালিপি বিশাৰদে ইয়াৰ পাঠ আৰু ঐতিহাসিক তাৎপৰ্যৰ বহল বিশ্লেষণ আগবঢ়াইছে। ড° দীনেশ চন্দ্ৰ চৰকাৰেও তেওঁৰ প্ৰখ্যাত 'Select Inscriptions Vol. 1.' [১৯৪১] সম্পাদনা কৰা কালত তেতিয়ালৈ উদ্ধাৰ কৰা পাঠকে গ্ৰহণ কৰিলে।[৯] পাছত ১৯৫২ চনত ড° সৰকাৰে ভাৰত

৬ ড° উপাসকে অশোকলিপিমালাৰ আদি স্থানত ব্যৱহৃত অৰ ১৯টা, আৰ ২৮টা, ইৰ ৪টা, উৰ ৪টা, ইৰ ৮টা, ওৰ ৪টা, কৰ ১১টা, খৰ ১০টা, গৰ ৯টা, ঘৰ ৩টা, চৰ ৯টা, ছৰ ৪টা, জৰ ১৩টা, ঝৰ ৪টা, ঞৰ ৩টা, টৰ ৯টা, ঠৰ ৫টা, ডৰ ১১টা, ঢৰ ৭টা, ণৰ ৫টা, তৰ ১০টা, থৰ ৭টা, দৰ ১৪টা, ধৰ ১০টা, নৰ ১১টা, পৰ ৪টা, ফৰ ২টা, বৰ ৫টা, ভৰ ৬টা, মৰ ১৫টা, যৰ ১৩টা, ৰৰ ৫টা, লৰ ৫টা, ৱৰ ৮টা, শৰ ৫টা, ষৰ ৫টা, সৰ ৮টা, আৰু হৰ ১১টা ভিন্ন ৰূপ শ্ৰেণীবদ্ধ কৰিছে। সংযুক্ত অক্ষৰবোৰবো ৰূপ-ভিন্নতা নথকা নহয়।
৭ Smith & Hoernle - Journal of the Asiatic Society of Bengal ( J. A. S. B. ) 1894, Pp 85
৮ Buhlar, G. — Indian Antiquary ( J. A. ) vol. XXV, Pp 261.
৯ Sircar, D. C. — Select Inscriptions vol. 1. Pp 85.

চৰকাৰৰ ইপিগ্ৰাফি বিভাগত কাৰ্যনিৰ্বাহ কৰিবলৈ লওঁতে মূল ফলিখন পৰীক্ষা কৰাৰ সুযোগ পায়। মূল ফলি পৰীক্ষা কৰাৰ পাছত ড° সৰকাৰ বিস্ময়াভিভূত হ'ল। কাৰণ "The reading of the inscription preferred by scholars who did not examine the original, contains several mistakes." আন পণ্ডিতৰ কথাই নকওঁ, স্বয়ং সৰকাৰে "own transcript and interpretation of the record, having been based not on the original but on its representation, are not free from errors"[১০] ড° ঠাকুৰপ্ৰসাদ বৰ্মাই আলোচিত ফলিখনৰ পাঠ-বিভ্ৰাটৰ চিত্ৰ এটি 'ৰয়েল এছিয়াটিক ছোচাইটি অৱ বেঙ্গল'ত প্ৰকাশিত দুখন আলোকচিত্ৰৰ সহায়ত সুন্দৰকৈ বিশ্লেষণ কৰিছে।[১১] ইয়াৰে প্ৰথমখন ১৯৩৭ চনত Numistismatic Supplement হিচাপে আৰু দ্বিতীয়খন ১৯৫২ চনৰ অষ্টাদশ সংখ্যাত ড° সৰকাৰৰ প্ৰবন্ধৰ তলতে প্ৰকাশিত। দুয়োখন ফটোগ্ৰাফৰ ব্লকৰ ভিতৰত প্ৰথম শাৰীৰ দ্বিতীয় আখৰ, দ্বিতীয় শাৰীৰ দ্বিতীয়, ষষ্ঠ, ত্ৰয়োদশ আৰু অষ্টাদশ আখৰ, তৃতীয় শাৰীৰ দ্বিতীয়, আৰু চতুৰ্থ শাৰীৰ সৰ্বশেষ আখৰটিৰ ভিন্নতা চকুত লগা। ড° সৰকাৰৰ ফটোগ্ৰাফৰ ব্লক মূলৰ অধিক ওচৰ চপা; আনখন আলোকচিত্ৰ মূলৰপৰা আঁতৰি থোৱা। কাৰণ, ড° বৰ্মাৰ ভাষাতেই ক'বলৈ হ'লে—"atleast thirty percent of the letters appear to have been retouched unjustly."[১২]

অসমৰ পুৰালেখ অধ্যয়নৰ ক্ষেত্ৰতো এনে উদাহৰণৰ অভাৱ নাই। প্ৰাক-আহোম যুগীয় শাসনমালাৰ ভিতৰত মহাৰাজাধিৰাজ ভূতিবৰ্মণৰ বৰগঙ্গা শৈললেখ অন্যতম। এই শাসনৰ প্ৰাথমিক পৰিচয় দাঙি ধৰে ড° এন কে ভট্টশালীয়ে কামৰূপ অনুসন্ধান সমিতিৰ জাৰ্ণেলৰ যোগেদি।[১৩] তাৰ পাছত তাৰ আহল-বহল আলোচনা 'ইপিগ্ৰাফিয়া ইণ্ডিকা'ত প্ৰকাশ পায়।[১৪] ড° ভট্টশালীৰ প্ৰবন্ধত প্ৰকাশ পোৱা ছাপৰ ছবি পৰীক্ষা কৰি পূৰ্বোক্ত পণ্ডিতজনে যিটো আখৰ ৩০ ৰূপে পঢ়িছিল, সেইটো আখৰ ৪০ হ'ব পৰাৰ সম্ভাৱনা অনুসন্ধান সমিতিৰ জাৰ্ণেলতে প্ৰকাশ কৰে।[১৫]

ভাৰত-প্ৰখ্যাত পুৰালিপিতত্ত্ববিদ কাশীনাথ দীক্ষিত, এন পি চক্ৰৱৰ্তী, এম জগন্নাথ আগ্ৰৱাল প্ৰমুখ্যে এদল পণ্ডিতে ড° সৰকাৰৰ শুধৰণিক স্বাগত জনায়। ড° ভট্টশালীয়ে নিজৰ প্ৰবন্ধত এটা কথা উল্লেখ কৰে যে, বৰগঙ্গা শাসনখনি ভালদৰে ৰক্ষণাবেক্ষণ নিদিয়াত ইয়াৰ বহুতো আখৰ উঠি গৈ পঢ়াৰ অলায়ক হৈছে। ফলিখনৰ অৱস্থা 'doctored'। তথাপি তেওঁ বহু কষ্টেৰে মূল লিপিৰ সৈতে ছাপ মিলাই পাঠ গ্ৰহণ কৰিছে এনেদৰে : "স্বস্তি শ্ৰীপৰম দৈৱত পৰম ভাগৱত মহাৰাজা-/ধি ৰাজা শ্বমেধ যাজিন শ্ৰীভূতিবৰ্ম্মণা [= বৰ্ম্মণদেৱ] পদানাংসং/২০০—৩০—৪ মা বিষয়ামাত্ত্যা আৰ্য গুণস্য ইদং আশ্ৰমং।"

১৯৫২ চনৰ কথা। ড° সৰকাৰ আহক ভাৰত চৰকাৰৰ ইপিগ্ৰাফিষ্ট হিচাপে ৰবগঙ্গালৈ। ড° সৰকাৰে ফলিখন পৰিষ্কাৰ কৰি দেখিলে যে ড° ভট্টশালীয়ে উল্লেখ কৰাৰ দৰে ইয়াৰ অৱস্থা 'doctored' নহয়। একাধিক ছাপ লৈ দেখে যে পূৰ্বোক্ত পণ্ডিতজনাৰ ছাপৰ সৈতে তেওঁৰ ছাপৰ পাৰ্থক্য হ'ল ভালেখিনি। তৃতীয় শাৰীৰ যি স্থলত ড° ভট্টশালীয়ে ২০০—৩০—৪ পাঠ গ্ৰহণ কৰিছে [তেওঁৰ ছাপত সেয়াই স্পষ্ট, মাত্ৰ ৩০ টো ৪০ৰ দৰে দেখি], সেই স্থলত ড° সৰকাৰৰ ছাপত ওলাল 'আয়ুক্ষাস্নম'। ক'ত গুপ্ত শকাব্দ, আৰু ক'ত দীৰ্ঘজীৱী হোৱা! অকল ইমানেই নহয়, ড° ভট্টশালীৰ যি 'পৰম ভাগৱত' পাঠৰ আলমত অসমীয়া সংস্কৃতিৰ ইতিহাস-প্ৰণয়নকাৰী পণ্ডিতসকলে ষষ্ঠ শতিকাৰ প্ৰাৰম্ভৰেপৰা অসমত বৈষ্ণৱ ধৰ্মৰ স'চ দেখিছিল, সেই 'পৰম ভাগৱত' আচলতে 'পৰম ভট্টাৰক'হে। তদুপৰি ড° সৰকাৰে 'শ্ৰীভূতিবৰ্ম্মণ্য'ক 'শ্ৰীভূতিবৰ্ম্মস্য' আৰু 'আৰ্যগুণস্য'কো 'অৱগুণ'ৰূপেহে পাঠ গ্ৰহণ কৰি পূৰ্বপঠিত পাঠক 'অপপাঠ'ৰ শাৰীত স্থান দিছে।[১৬] ['অসম সাহিত্য সভা পত্ৰিকা'ৰ হীৰক জয়ন্তী সংখ্যাত প্ৰকাশিত মহাৰাজাধিৰাজ বলবৰ্মাদেৱৰ উলুবাৰী তাম্ৰশাসনৰ তৃতীয় ফলকৰ প্ৰথম পৃষ্ঠাৰ একাদশ পংক্তিত থকা মাটিৰ সীমাসূচক শব্দটি পণ্ডিতদ্বয়ে পঢ়িছে 'দিমগেদো' বুলি। প্ৰবন্ধৰ লগত ছপা আলোকচিত্ৰৰ ব্লকত তেনে দেখা গ'লেও মূল ফলিখনত দেখা যায় 'দিমদো']।

অসমৰ প্ৰাক-আহোম যুগীয় শিলালেখতহে যে পাঠৰ খেলিমেলি হৈছে, তেনে নহয়; পৰৱৰ্তী শাসনমালাৰ পাঠতো গড়-মিল ঘটিছে। গছতল শিলালিপিখনৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰদ্বাৰা সংগৃহীত এই অষ্টকোণী স্তম্ভটিত মুঠতে ২৪ শাৰী লেখা। ড° ভট্টশালীয়ে ইয়াৰ প্ৰথম পাঠোদ্ধাৰ কৰে।[১৭] সেই পাঠকে ৰাজমোহন নাথ প্ৰমুখ্যে এদল পণ্ডিতে গ্ৰহণ কৰি পুথি-পাঁজি ৰচনাত প্ৰবৃত্ত হয়। গছতল লিপিৰ পাঠ এনেধৰণৰ :

"শ্ৰীমদ বিশ্বসুন্দৰ দেৱস্য শাকে ১১৪৯। পূৰ্ণস্য ৰাষ্ট্ৰে শ্ৰেষ্ঠ নৃপখ্যাত। শ্ৰীবিষ্ণু ৰবাহাৱতাৰস্য সেৱাকৃত। ম্লেছ বৃন্দান্ জয়ামাস। ৰণস্থলে যৱন বৃন্দান বহুনি ৰাজ্যে কাশহ ঘাতকস্য বহুনি জন্তু ঘাতক। কাছাড় ৰাজ্যাদ্ জন্তুতায় লঙ্কাস্তা ৰাজা বোত জঞ্জমেনং ডবেকা মণ্ডলি মঠৰ্ব্ব কাৰয়ামাস। বৈ—৮।" পাছত ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে এই লিপিৰ যি পাঠ প্ৰকাশ কৰিছে, তাৰ লগত পূৰ্ব-উদ্ধৃত পাঠৰ মিলতকৈ অমিলহে দেখা যায় সৰহ। ড° চৌধুৰীৰ পাঠ হ'ল—

'সীমা এৰিয়া সৱন ভৰাকত গৱত। [শক] ১২৮ (৪) বেদাষ্ট ৰাশি গণ শ্ৰীবিষ্ণু বাসৱৰ শৈলকাৰ শকত ম্লেছ ই থান উয়াসা দেখহু শত ত্ৰিশ বৈৰ বংগাল বহু কাৰ্যা (ত) ইহাত কণ্ড ৰহাখ জন তোসৱ সঞ্জাত যায় জনশ্ৰী পঞ্জাকাযা বাদা বোল জলসেনাই বৈৰীক ভাখি জলাত শেষ খেদাৰি।"[১৮] পাঠৰ এনে গণ্ডগোলৰ মূলতে হ'ল ছাপ লোৱাৰ তাৰতম্য। ড° ভট্টশালীয়ে মূল স্তম্ভটিৰ লিপিখন পৰীক্ষা কৰাৰ সংবাদ আমি পোৱা নাই।

১০ Sircar, D. C. — Journal of the Asiatic Society of Bengal, Letters (J A S L) XVIII, Pp 1—4
১১ Verma, T. P. — The Palaeography of Brahmi Script, (1971) Pp 13—14
১২ উপৰোক্ত গ্ৰন্থ, পিষ্ঠি — ১৪
১৩ Journal of the Assam Research Society, Vol. VIII Pp 138—39
১৪ E. I. Vol. XXVII, Pp 18—23
১৫ Journal of the Assam Research Society, Vol X, Pp 63—67
১৬ Sircar, D. C. — E. I. Vol. XXX, Pp 62—67; On Some Early Inscriptions of Assam in Journal of Assam Research Society (1974), Pp 1—3
১৭ Indian Historical Quarterly, Vol. XXII, Pp 12—14
১৮ Vishveshvaranand Indological Journal, Vol. IX, (1971)

প্ৰত্নলেখ অধ্যয়নকাৰীয়ে পুৰালেখত প্ৰকৃততে যি লেখা আছে, তাকেই ব্যক্ত কৰিবলৈ বিচাৰিলেও বিভিন্ন জনৰ অধ্যয়নত ভিন ভিন পাঠে আত্মপ্ৰকাশ কৰে। একেখন ফলিৰে যেতিয়া একাধিক পাঠ পাওঁ, তেতিয়া সমস্যা হয়— কোনটো পাঠ আমি গ্ৰহণ কৰিম কিম্বা কোনটো পাঠ বৰ্জন কৰা দৰকাৰ। এনেক্ষেত্ৰত মূল লিপিখন অধ্যয়নৰ সুবিধা থাকিলে সমস্যাৰ কিছু সমাধান হয়। নহ'লে পাঠ-সমীক্ষা পদ্ধতিত ( Textual Criticism )শৰণ লোৱাত বিনে গত্যন্তৰ নাই। পাঠ-সমীক্ষা পদ্ধতিত পাঠ গ্ৰহণৰ ৰীতি দুটা— বিচেন্‌চিঅ' বা পাণ্ডুলিপিৰ পুনৰ্মূল্যায়িত পাঠ আৰু এমেণ্ডেচিঅ' বা সংশোধনী পাঠ। পুৰালেখৰ ক্ষেত্ৰত বিচেন্‌চিঅ' পদ্ধতি সৰ্বাগ্ৰে গ্ৰহণীয়। লিপিকৰৰ দোষত প্ৰত্নলেখত আখৰ পৰি যোৱা, পৰি যোৱা আখৰ বা বাক্যাংশ শাৰীৰ তলত লিখা, এটা শাৰীকে দুবাৰ লিখা— প্ৰায়ে দেখা যায়। ভুল-শুদ্ধ যিয়েই নাথাকক, তাৰ গম পাঠকে পোৱা প্ৰয়োজন। কোনো কোনোৱে অৱশ্যে শুদ্ধ পাঠ ( পাঠ-সমীক্ষা পদ্ধতিৰ এমেণ্ডেচিঅ' ) ওপৰত দি মূল পাঠ পাদটীকাত উল্লেখ কৰে। পাঠ উদ্ধাৰকাৰীজনে ভুল গণ্য কৰা পাঠে কেতিয়াবা আন দিগন্তৰ সন্ধানো দিব পাৰে। 'কামৰূপ শাসনাৱলী'য়েই তাৰ প্ৰমাণ। বিজ্ঞ সম্পাদক পদ্মনাথ বিদ্যাবিনোদে ভুলৰূপে পাদটীকাত উল্লেখ কৰা শব্দমালাইযে 'কামৰূপী প্ৰাকৃত'ৰ লক্ষণসমূহ প্ৰোজ্জ্বল কৰি তুলিব, তাক তেওঁ নিশ্চয়কৈ ভাবিব পৰা নাছিল।

ভিন্ন কাৰণত বহুতো ফলিৰ কিছু সংখ্যক আখৰ বা বাক্যাংশ নষ্ট হয়। তেনে অসম্পূৰ্ণ লিপিৰ পূৰ্ণ পাঠ দিবলৈ হ'লে অনুৰূপ আন লিপিৰ আৱশ্যক। অশোকৰ অভিলেখসমূহৰ পূৰ্ণ পাঠোদ্ধাৰ সম্ভৱ হৈছে বিভিন্ন স্থানত প্ৰাপ্ত লিপিবোৰৰ পাঠ একত্ৰীকৰণ কৰাৰ ফলত। পুৰণি অসমৰ নৃপতি বলবৰ্মাৰ বৰ্তমানলৈ যি তিনিখনি তাম্ৰশাসন উদ্ধাৰ হৈছে, তাৰে নগাঁও ফলিখনৰ প্ৰথম ফলকৰ প্ৰথম শাৰীৰ দুয়োমুৰ আৰু দ্বাদশ শাৰীৰ সোঁহাতৰ কেইটিমান আখৰ নষ্ট হ'লেও উত্তৰ বৰবিল নাইবা উলুবাৰী শাসনৰ পাঠৰ দ্বাৰা পূৰ্বোক্ত অসম্পূৰ্ণ পাঠৰ পূৰ্ণ ৰূপ দিব পাৰি। সংস্কৃত ভাষাত লিখা অনুশাসনবোৰত প্ৰায়ে ছন্দৰ প্ৰয়োগ ঘটে। ছন্দৰ সহায়ত নষ্টপ্ৰাপ্ত ফলিৰ পাঠ পুণৰ্গঠন কৰা প্ৰায়ে দেখা যায়। পাছে এনেদৰে দিয়া পাঠ পাঠোদ্ধাৰকাৰীৰহে, — শাসন-ৰচয়িতা বা লিপিকৰৰ নহয়। সেইগুণে তেনে পুনৰ্মূল্যায়িত পাঠ সৰ্বদা বৰবন্ধনীৰ ভিতৰত [ ] ৰখা উচিত। একেদৰে ফলিৰ সন্দেহজনক পাঠো চন্দ্ৰবন্ধনীৰ ( ) ভিতৰত ৰখা ভাল।

এনেদৰে দেখা যায় যে পুৰালেখ অধ্যয়নৰ সমস্যা ভালেখিনি। অৱশ্যে য'তেই সমস্যাৰ উদ্ভৱ হৈছে, তাতেই সমাধানৰ পথো পণ্ডিতমণ্ডলীয়ে আবিষ্কাৰ কৰিছে। এজনে দিয়া পাঠৰ আন এজনে সংশোধনী দিছে; সেই সংশোধনীৰো আকৌ সংশোধনী হৈছে। এনেদৰেই 'গুহায়াং নিহিত' তথ্যই পোহৰৰ মুখ দেখিবলৈ সুযোগ পাইছে। কিয়নো পুৰালেখ অধ্যয়নকাৰীৰ প্ৰকৃত উদ্দেশ্যই হ'ল সত্যৰ অনুশীলন কৰা।

---

# আধুনিক অসমীয়া সাহিত্যৰ পৰিবৰ্তিত পটভূমিত নাৰী চৰিত্ৰৰ বিকাশ

শ্ৰীপ্ৰহ্লাদকুমাৰ বৰুৱা

সাহিত্যৰ ভাবধাৰাৰ পৰিবৰ্তনত সমকালীন সমাজৰ ধ্যান-ধাৰণাৰ প্ৰভাৱ যিদৰে অনস্বীকাৰ্য, ঠিক সেইদৰে সৃষ্টিশীল লেখকসকলৰ নতুন দৃষ্টি-ভঙ্গীসম্ভূত সাহিত্য-কৰ্মযোগে সমাজৰ পৰিবৰ্তন সাধন কৰে, সেই কথাও সত্য। উনবিংশ শতিকাৰ তৃতীয় আৰু চতুৰ্থ দশক দুটা অসমীয়া জাতীয় জীৱন তথা অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এনে দুটা ঐতিহ্যপূৰ্ণ দশক যে এই দুটা দশকৰপৰাই অসমীয়া জাতি আৰু অসমীয়া সাহিত্যৰ নব্য-মূল্যায়নৰ বুৰঞ্জী আৰম্ভ হৈছে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিয়েই আধুনিক অসমীয়া সমাজ-বুৰঞ্জীৰ অভ্যুত্থানস্বৰূপ, আৰু ১৮৪৬ চনত প্ৰকাশিত 'অৰুনোদই' কাকতেই আধুনিক অসমীয়া সাহিত্যৰো প্ৰাথমিক পটভূমিস্বৰূপ। 'অৰুনোদই'ৰ এই শিথিল পটভূমি বহুপৰিমাণে সবল আৰু বিস্তৃত কৰি তোলে ১৮৮৮ চনত প্ৰকাশিত জোনাকী কাকতে।[1] ইতিমধ্যে প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধই সৰ্বভাৰতীয় সমাজ-জীৱনৰ লগতে অসমৰ জাতীয় জীৱনৰো পৰম্পৰাগত ধ্যান-ধাৰণাত জোকাৰ মাৰি যায়।[2] গতিকে উনবিংশ শতিকাৰ চল্লিছৰ দশকৰপৰা বিংশ শতিকাৰ চল্লিছৰ দশকলৈকে এই শতাব্দীজোৰা কালছোৱা আধুনিক অসমীয়া জাতীয় জীৱন তথা আধুনিক অসমীয়া সাহিত্যৰ ঐতিহ্যপূৰ্ণ পটভূমিস্বৰূপ।[3] এই শতাব্দীটোৰ বুকুতে আধুনিক অসমীয়া সাহিত্যৰ পৰিবৰ্তনৰ হেতুবোৰ নিহিত হৈ আছিল। এই হেতুকেইটা হৈছে বিশ্বযুদ্ধই সৃষ্টি কৰা জটিল মানসিকতা, ভাৰতৰ স্বাধীনতা সংগ্ৰামজনিত ৰাজনৈতিক সচেতনতা আৰু ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ।

বৃটিছ শাসনৰ প্ৰভাৱে অসমীয়া জাতীয় মানসৰ প্ৰায়বোৰ দিশ স্পৰ্শ কৰাৰ লগতে সমাজত নাৰীৰ স্থান আৰু স্ত্ৰীশিক্ষাৰ প্ৰশ্নটোও পোন প্ৰথম উত্থাপন কৰে। প্ৰাক-স্বাধীনতা কালত অসমত স্ত্ৰীশিক্ষাৰ প্ৰচলন আছিল যদিও ই আছিল অতি সীমিত।[4] কিন্তু সমগ্ৰ ভাৰত যেতিয়া বৃটিছৰ শাসনৰপৰা মুক্ত হ'ল

---

১ নেওগ, ডিম্বেশ্বৰ : নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃঃ ৩৪১

২ গোস্বামী, কুমুদ : যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটি গল্প, গ্ৰন্থ প্ৰকাশন, চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত, পৃঃ ২১

৩ উনবিংশ শতিকাৰ তৃতীয় দশকৰপৰা বিংশ শতিকাৰ চতুৰ্থ দশকলৈকে এই এক শতাব্দীৰ কালছোৱাত অসমীয়া জাতীয় জীৱনৰ এনে পৰিবৰ্তন ঘটিছিল যে ইয়াৰ প্ৰতিফলন সমকালীন অসমীয়া সাহিত্যত স্পষ্ট হৈ পৰিছিল। গতিকে এই কালছোৱাৰ সাহিত্য একশবছৰীয়া অসমীয়া সমাজ পৰিবৰ্তনৰ দলিল স্বৰূপ আৰু এনে ঐতিহাসিক বৈশিষ্ট্যৰ বাবেই এই একশবছৰীয়া অসমীয়া সাহিত্যৰ ওপৰত গৱেষণাৰ সাকৰা থকা পৰি আছে।

৪ শৰ্মা, সত্যেন্দ্ৰনাথ : পাততনি, অসমীয়া উপন্যাসৰ গতিধাৰা, পৃঃ ২

তেতিয়া অসমীয়া সমাজে অগ্ৰগতিৰ পথত আগবাঢ়িবলৈ ধৰিলে। সেয়ে স্বৰাজোত্তৰ কালত স্ত্ৰী-শিক্ষা আৰু স্ত্ৰী-স্বাধীনতাই গা কৰি উঠিল আৰু অন্যান্য দিশৰ লগতে অসমীয়া নাৰীয়ে দেশ আৰু জাতিৰ মঙ্গলৰ কাৰণে ৰাজনীতিতো কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰিবলৈ ধৰিলে। অসমীয়া নাৰীৰ এনে প্ৰগতি সমকালীন সৃজনীশীল অসমীয়া সাহিত্যত প্ৰতিফলিত হোৱা দেখা যায়। মুঠতে সমকালীন অসমীয়া সাহিত্যত এনে কিছুমান ৰাজনীতি-সচেতন নাৰী চৰিত্ৰৰ সৃষ্টি হৈছিল, যিবোৰে সাহিত্যকৰ্মৰ নাৰী চৰিত্ৰৰূপে সাৰ্থকতা লাভ কৰাৰ উপৰিও বাস্তৱত নাৰীসকলকো উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল।

বৃটিছ শাসনে অসমৰ সামগ্ৰিক সমাজ আৰু নাৰী সমাজৰ বহুখিনি পৰিবৰ্তন অনাৰ পাছত বিংশ শতিকাৰ দ্বিতীয় আৰু চতুৰ্থ দশকৰ মহাযুদ্ধ দুখনে অসমীয়া জাতিৰ প্ৰভূত পৰিবৰ্তন আনে। সৰ্বোপৰি দ্বিতীয় বিশ্বযুদ্ধই অসমীয়া জাতীয় জীৱন তথা অসমীয়া সাহিত্যৰ অন্তৰ্বৰ্তী ধাৰা পৰিবৰ্তনত গভীৰ ছাপ পেলাই গৈছে। সেইবাবে যুদ্ধপূৰ্ব সহজ-সৰল জীৱনৰ পৰিবৰ্তে জটিল জীৱন-পদ্ধতি চিত্ৰিত হ'বলৈ ধৰে যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যত।[৫] যুদ্ধপূৰ্ব অসমীয়া সাহিত্যত যি সহজ-সৰল নাৰী চৰিত্ৰ চিত্ৰিত হৈছিল, তাৰ বিপৰীতে যুদ্ধোত্তৰ কালত অধিক জটিল মানসিকতাৰ নাৰী চৰিত্ৰ সৃষ্টি হ'বলৈ ধৰে। মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলিৰাম ডেকা, ৰমা দাস আৰু নলিনীকান্ত বৰুৱা আদি লেখকে তেওঁলোকৰ গল্পত জটিল নাৰী চৰিত্ৰ (complex women characters) সৃষ্টি কৰিবলৈ লয়। আনকি যুদ্ধোত্তৰ অসমীয়া সাহিত্যত নৰ-নাৰীৰ প্ৰেমবিষয়ক মধ্যযুগীয়া ৰক্ষণশীল ধ্যান-ধাৰণাক খৰ্ব কৰি প্ৰেমৰ নতুন ব্যাখ্যা আগবঢ়াবলৈ ধৰিলে আৰু এই ব্যাখ্যা সম্পূৰ্ণ পশ্চিমীয়া ভাবধাৰাৰে পৰিপুষ্ট। সেইবাবেই যুদ্ধোত্তৰকালীন অসমীয়া সাহিত্যই আগবঢ়োৱা নৰ-নাৰীৰ প্ৰেমৰ ব্যাখ্যা বহু পৰিমাণে মনস্তাত্ত্বিক ব্যাখ্যা (Psychological interpretation)[৬]। পাশ্চাত্য যৌনবিষয়ক দৃষ্টিভঙ্গীয়ে আধুনিক অসমীয়া সাহিত্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ ফলত অসমীয়া সাহিত্যত এনে কিছুমান নাৰী চৰিত্ৰৰ সৃষ্টি হ'বলৈ ধৰিলে, যিবোৰ প্ৰচলিত পৰম্পৰাক স্বেচ্ছাৰে আওকাণ কৰি প্ৰেমৰ ক্ষেত্ৰত মুক্ত জীৱন যাপনৰ প্ৰতি আগ্ৰহী হৈ পৰিল।[৭]

যুদ্ধোত্তৰ যুগৰ অসমীয়া লেখকসকল পশ্চিমীয়া সাহিত্যৰ মূল্যবোধৰ প্ৰতি অত্যন্ত আকৃষ্ট হয়। ইতিমধ্যে অসমত বৃটিছ শাসনে ইংৰাজী ভাষা-শিক্ষাৰ প্ৰচলন সৃষ্টি কৰাত অসমীয়া সাহিত্যলৈ পশ্চিমীয়া সাহিত্যৰ আদৰ্শ আমদানি কৰিবলৈ সুচল হৈ পৰে।[৮] গতিকে প্ৰাক-স্বাধীনতা কালত অসমীয়া সাহিত্যত মুক্ত নাৰী চৰিত্ৰ সৃষ্টি হ'বলৈ উপক্ৰম হৈছিল যদিও স্বাধীনোত্তৰ কালত যোগেশ দাস, চৈয়দ আব্দুল মালিক, হোমেন বৰগোহাঞি

৫ শৰ্মা, উপেন্দ্ৰনাথ : অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ, গ্ৰন্থ প্ৰকাশন, চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত, পৃঃ ৫৪।

৬ বৰগোহাঞি, হোমেন : বিশ্বসাহিত্যত অসমীয়া চুটি গল্পৰ স্থান, প্ৰবন্ধ চয়ন, ত্ৰৈলোক্যনাথ গোস্বামী সম্পাদিত, পৃঃ ৫১।

৭ বৰগোহাঞি, হোমেন : পাতনি, গল্প সঙ্কলন, ১ম খণ্ড, পৃঃ ২৪।

৮ শৰ্মা, উপেন্দ্ৰনাথ : অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ, গ্ৰন্থ প্ৰকাশন, চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত, পৃঃ ৫৪।



আদিয়ে পশ্চিমীয়া আহিত অধিক মুক্ত নাৰী চৰিত্ৰ অঙ্কন কৰিবলৈ আগবাঢ়ি আহিছিল। সাধাৰণতে পশ্চিমৰ অন্যান্য সাহিত্য-দৰ্শনৰ লগতে ফ্ৰয়ডীয় দৰ্শনে অসমীয়া লেখকসকলক অধিক প্ৰভাৱান্বিত কৰে. আৰু লক্ষ্মীধৰ শৰ্মাৰ হাতত লিলি, মালিকৰ বেদানা আৰু হোমেন বৰগোহাঞিৰ হাতত সুবালাৰ দৰে মুক্ত নাৰী চৰিত্ৰৰ সৃষ্টি হ'ল।

মহাযুদ্ধৰ উপৰিও স্বাধীনতা সংগ্ৰাম অসমৰ কেৱল জাতীয় জীৱনৰ বাবেই এক স্মৰণীয় ঐতিহাসিক ঘটনা নহয়; অসমীয়া সাহিত্যৰ পৰিবৰ্তনৰ ক্ষেত্ৰতো ইয়াৰ ভূমিকা অনস্বীকাৰ্য। সমগ্ৰ ভাৰত জোৱা স্বাধীনতা আন্দোলনৰ প্ৰভাৱত অসমীয়া সাহিত্যই অসমীয়া মানুহৰ মনত জাতীয়তাবোধ জাগ্ৰত কৰাৰ ভূমিকা গ্ৰহণ কৰিছিল।[৯] আন কি বিংশ শতিকাৰ মধ্য কালছোৱাৰ অসমীয়া নাটক মাত্ৰেই জাতীয়তাবাদী অথবা স্বদেশ-প্ৰেমোদ্দীপক আছিল।[১০] সাধাৰণতে ১৯৪২ চনৰ ভাৰতৰ গণ-আন্দোলনৰপৰাই দেশাত্মবোধৰ ভাবধাৰাই অসমীয়া সাহিত্যত গভীৰভাৱে প্ৰভাৱ পেলাইছিল।[১১] এইবাবেই সেই সময়ৰ অসমীয়া সাহিত্যত ভালেকেইটা নাৰী চৰিত্ৰ পোৱা যায়, যিবোৰে স্বাধীনতা সংগ্ৰামত সংগ্ৰামী ভূমিকাৰে তথাকথিত সমাজক আলোড়িত কৰিছিল। অৱশ্যে এইটো লক্ষ্য কৰিবলগীয়া যে আধুনিক অসমীয়া সাহিত্যত সংগ্ৰামী নাৰী চৰিত্ৰ যথেষ্ট পৰিমাণে সৃষ্টি হোৱা দেখা নাযায়। কিন্তু সংখ্যাৰদ্বাৰা কোনো বস্তুৰে যথাৰ্থ প্ৰমূল্য নিৰ্ণয় কৰিব নোৱাৰি। গতিকে সংখ্যাত কম হ'লেও কেইটামান দেশাত্মবোধসম্পন্না উজ্জ্বল নাৰী চৰিত্ৰক লৈ বিংশ শতিকাৰ মধ্য ভাগৰ অসমীয়া সাহিত্যই যথেষ্ট গৌৰৱ কৰিব পাৰে। নাৰী চৰিত্ৰ সৃষ্টিৰ দিনৰপৰা অসমীয়া সাহিত্যক গৌৰৱান্বিত কৰিব পৰা নাৰী চৰিত্ৰ হিচাপে জ্যোতিপ্ৰসাদ আগৰৱালাৰ লভিতা (১৯৪৭) নাটকৰ নাম-ভূমিকাৰ নাৰী চৰিত্ৰটো, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ মৃত্যুঞ্জয় (১৯৭০) উপন্যাসৰ ডিমি, পত্তপতি ভৰদ্বাজৰ (উমাকান্ত শৰ্মাৰ ছদ্মনাম) বড়া বড়া তেজ (১৯৬৭) উপন্যাসৰ সাবিত্ৰী, সুমিত্ৰা আৰু উমাৰ নাম উল্লেখযোগ্য। এইকেইটা নাৰী চৰিত্ৰক দেশাত্মবোধত উদ্বুদ্ধ কৰি এনেদৰে চিত্ৰণ কৰা হৈছে যে কেউটা নাৰী চৰিত্ৰই কম-বেছি পৰিমাণে দেশৰ জনগণৰ মুক্তিৰ হকে যুদ্ধক্ষেত্ৰলৈ ওলাই আহি সমসাময়িক সমাজৰ তথাকথিত পৰম্পৰাৰ বান্ধোন ছিন্ন কৰিছে, আৰু তাৰ লগে লগে সমাজত প্ৰাচীন সংস্কাৰাবদ্ধ নাৰীৰ পৰিবৰ্তে পশ্চিমীয়া আহিৰ নতুন নাৰী চৰিত্ৰৰ প্ৰতিনিধিত্ব কৰিছে।

ই সৰ্বজনসন্মত যে আধুনিক অসমীয়া সাহিত্যৰ ভাব-বস্তুৰ পৰিপুষ্টি সাধন হৈছে পশ্চিমীয়া সাহিত্যৰ ভাব-বস্তুৰে। সেইবাবে আধুনিক অসমীয়া সাহিত্য পুৰণি অসমীয়া সাহিত্যৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে এক

৯ অসমীয়া নাট্য সাহিত্যই গল্প আৰু উপন্যাসৰ তুলনাত দেশাত্মবোধৰ ভাবধাৰা অধিক প্ৰবলভাৱে প্ৰচাৰ কৰে। কাৰণ ভাৰতৰ স্বাধীনতাৰ কাল পৰ্যন্ত গাঁৱে-ভূঞে সম্পূৰ্ণ অৰ্থত শিক্ষা সম্প্ৰসাৰিত হোৱা নাছিল। সেয়ে নাট্যাভিনয়ৰ যোগেদি হাতে সাধাৰণ লোকসকলকো স্বদেশ-প্ৰেমত উদ্বুদ্ধ কৰি তুলিব পৰা যায়, তাৰ বাবে নাট্য সাহিত্যক মাধ্যমৰূপে গ্ৰহণ কৰা হৈছিল।

১০ Baruah, Birinchi Kumar : Assamese Literature, Contemporary Indian Literature, Sahitya Academy. P. 10

১১ Goswami, Dr. P. D and Baruah, Dr. B. K : Assamese Literature, Indian literature, ed. Dr. Nagendra. P. 459

বলিষ্ঠ প্ৰত্যাহ্বান স্বৰূপ। অৱশ্যে এই প্ৰত্যাহ্বানৰ গুৰি কথা পশ্চিমীয়া সাহিত্য যদিও ১৮৪৬ চনৰ 'অৰুনোদই' কাকতৰপৰা ১৮৮৯ চনত প্ৰকাশিত জোনাকীলৈকে এইছোৱা কালৰ অসমীয়া সাহিত্যলৈ পশ্চিমীয়া সাহিত্যৰ ভাব-বস্তু আহৰণ কৰা হৈছিল বহু পৰিমাণে কাষৰীয়া বঙলা সাহিত্যৰপৰাহে।[12] আনহাতে, জোনাকী আলোচনীৰপৰাই অসমীয়া সাহিত্যত পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ পোনপটীয়া হোৱাৰো উপক্ৰম হয়।[13] কাৰণ, এইখিনি সময়ৰ পৰাই অসমীয়া শিক্ষিত মাত্ৰেই ইংৰাজী সাহিত্যৰ সৈতে পৰিচিত হৈছিল আৰু এই শ্ৰেণী শিক্ষিত লোকে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত নিজকে দায়বদ্ধ বুলি ভাবি সাহিত্য-সৃষ্টিত আত্মনিয়োগ কৰিছিল। যি কি নহওক,— জোনাকী আলোচনীৰ মাজেদি প্ৰকাশ আৰু বিকাশ হোৱা অসমীয়া সাহিত্য আছিল ৰমন্যাসবাদী সাহিত্য। সেইবাবে এইছোৱা কালত যিবোৰ নাৰী চৰিত্ৰ সৃষ্টি হৈছিল, সেই সকলোবোৰ নাৰী চৰিত্ৰই প্ৰাচীন পৰম্পৰাবাদী নাৰী চৰিত্ৰৰ পৰা বৰ বেছি দূৰ আঁতৰি আহিব পৰা নাছিল। তথাপি জোনাকী আলোচনী-কেন্দ্ৰিক অসমীয়া সাহিত্যত যিকেইটা উল্লেখযোগ্য নাৰী চৰিত্ৰৰ সৃষ্টি হৈছিল, সেইকেইটা জনপ্ৰিয়তাৰ এনে এক শীৰ্ষ স্তৰলৈ উন্নীত হৈছিল যে পৰৱৰ্ত্তী কালৰ নাৰী চৰিত্ৰই এই ৰমন্যাসিক চৰিত্ৰ কেইটাৰ জনপ্ৰিয়তাৰ পৰিসীমা অতিক্ৰম কৰি যাব পৰা নাই। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কপালীম (১৯৬০) নাটকৰ কপালীম আৰু ইভিডেন, ৰাম্না বৰুৱা (বিৰিঞ্চি কুমাৰ বৰুৱা) ৰ সেউজী পাতৰ কাহিনীৰ (১৯৪৪) চনিয়া আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ ভদৰী গল্পৰ ভদৰী চৰিত্ৰ অসমীয়া সাহিত্যত জনপ্ৰিয় ৰমন্যাসিক নাৰী চৰিত্ৰ। কিন্তু লাহে লাহে উত্তৰ-জোনাকী যুগত অসমীয়া সাহিত্যৰ ভাবমণ্ডলৰ পৰিসৰ অধিক গভীৰ আৰু ব্যাপক হবলৈ ধৰে। বিশ্বৰীক্ষাই অসমীয়া সাহিত্যৰ পৰিধি বহল কৰাৰ লগে লগে অসমীয়া সাহিত্যৰ পৰা ৰমন্যাসিক ধ্যান-ধাৰণা নিৰ্বাসিত হোৱাৰ উপক্ৰম হয়। আনকি যুগৰ দ্ৰুত প্ৰগতিৰ ফলত আধুনিক অসমীয়া সাহিত্যত প্ৰায় আৱাহন যুগৰপৰাই ৰমন্যাসবাদৰ ঠাই দখল কৰিলে বাস্তৱবাদে।[14] গতিকে বাস্তৱবাদী সাহিত্যত ৰমন্যাসিক চৰিত্ৰৰ স্থান নিষ্প্ৰয়োজন হৈ পৰিল, আৰু লগে লগে বাস্তৱবাদী নাৰী চৰিত্ৰ সৃষ্টিৰ ওপৰত অধিক পৰিমাণে গুৰুত্ব আহি পৰিল।

দৰাচলতে পশ্চিমীয়া বাস্তৱবাদী সাহিত্যৰ প্ৰভাৱতেই আধুনিক অসমীয়া সাহিত্যৰ গতি সলনি হ'ল।[15] আধুনিক অসমীয়া সাহিত্যত পশ্চিমৰ প্ৰভাৱত যিবোৰ উল্লেখযোগ্য নাৰী চৰিত্ৰৰ সৃষ্টি হ'ল, সেই চৰিত্ৰবোৰৰপৰা পূৰণি অসমীয়া সাহিত্য আৰু ৰমন্যাসিক যুগৰ নাৰী চৰিত্ৰৰ মাজৰ দূৰত্ব যিমান বেছি, পশ্চিমীয়া সাহিত্যৰ নাৰী চৰিত্ৰৰপৰা ইয়াৰ দূৰত্ব সিমান বেছি নহয়। প্ৰাচীন পৰম্পৰাগত মূল্যবোধৰপৰা মুক্ত নাৰী চৰিত্ৰ হিচাপে লক্ষ্মীধৰ শৰ্মাৰ ব্যৰ্থতাৰ দান গল্পৰ লিলি, চৈয়দ আব্দুল মালিকৰ কাঠফুলা গল্পৰ বেদানা আৰু হোমেন বৰগোহাঞিৰ সুবালা উপন্যাসৰ সুবালা আধুনিক অসমীয়া সাহিত্যৰ

(৬৮ পৃষ্ঠাত চাওক)

১২ বৰুৱা, হেম : অসমীয়া সাহিত্য, পৃঃ ১৮৯।
১৩ ঐ পৃঃ ১৮৯।
১৪ ভট্টাচাৰ্য, বীৰেন্দ্ৰকুমাৰ : ডেৰ শ বছৰৰ অসমীয়া সাহিত্য, প্ৰকাশ, প্ৰথম বছৰ, প্ৰথম সংখ্যা।
১৫ দত্ত, হীৰেন : সপ্তম দশকৰ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ ; সপ্তম দশকৰ অসমীয়া সাহিত্য, আব্দুছ ছাত্তাৰ সম্পাদিত, পৃঃ ৭৩।

# গিৰিধৰ শৰ্মা

শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺গিৰিধৰ শৰ্মাৰ কথা স্মৰণ কৰিলে মনলৈ আহে এজন সংগ্ৰামী, সংগঠন-পটু আৰু কৰ্মপ্ৰাণ লোকৰ কথা। আমাৰ সকলোৰে আগত অতি কম সময়ৰ ভিতৰতে তেওঁ তেওঁৰ বিচক্ষণ ব্যক্তিত্বৰ মচিব নোৱাৰা সাঁচ এৰি গ'ল।

১৯১২ চনৰ ৩০ জুলাই তাৰিখে নলবাৰী থানাৰ অন্তৰ্গত ককয়া গাঁৱৰ এটি গৰিব ব্ৰাহ্মণ পৰিয়ালত তেওঁ জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ ৺ৰাধাকান্ত শৰ্মা আৰু মাতৃ ৺দশমী প্ৰিয়া দেৱী। গিৰিধৰ আৰু তেওঁৰ ভাতৃ উমাকান্ত বাল্যাৱস্থাতে পিতৃহাৰা হয়। কিন্তু দুয়ো সৰুৰেপৰা প্ৰতিভাশালী আছিল। ঘৰৰ আৰ্থিক অৱস্থা নিতান্ত বেয়া আছিল যদিও মাতৃৰ তত্বাৱধানত আৰু সদাশয় ওচৰ-চুবুৰীয়াৰ সহায়ত দুই ভাতৃয়ে প্ৰাথমিক আৰু মজলীয়া স্তৰৰ স্কুলত পঢ়ি থাকিল। পৰীক্ষাত লাভ কৰা জলপানীয়ে সহায় আৰু উদগনি যোগালে।

১৯৩৩ চনত যথেষ্ট সুখ্যাতিৰে গিৰিধৰে চামতা হাইস্কুলৰপৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিলে। কিন্তু অৰ্থৰ অভাৱত তেওঁ নিজে কলেজীয়া শিক্ষালৈ মন মেলিব নোৱাৰি গাঁৱৰ ওচৰৰে প্ৰাথমিক স্কুল এখনত শিক্ষক হৈ সোমাল। ১৯৩৪ চনত যেতিয়া কনিষ্ঠ ভাতৃ উমাকান্তই জলপানীসহ মেট্ৰিক পাছ কৰিলে, তেতিয়া তেওঁ ভাতৃৰ কলেজীয়া শিক্ষাৰ খৰচ বহন কৰিবলৈ ধৰিলে। ইতিমধ্যে তেওঁ নৰ্মাল পাছ কৰিলে আৰু বিয়াও কৰালে। তেতিয়া তেওঁ নলবাৰীলৈ আহিল আৰু এখন মজলীয়া স্কুলত স্বামী-স্ত্ৰী দুয়ো শিক্ষক-শিক্ষয়িত্ৰীৰ কাম কৰিবলৈ ললে। এই সময়ছোৱাত তেওঁলোকে নলবাৰী গৰ্ডন হাইস্কুলৰ শিক্ষক, সাহিত্যিক ৺ধনেশ্বৰ শৰ্মাৰপৰা যথেষ্ট সহায়-সহানুভূতি আৰু দিহা-পৰামৰ্শ লাভ কৰিছিল। প্ৰকৃতপক্ষে, নলবাৰীত এওঁলোকে এই শিক্ষকজনৰ বহাৰ চৌহদত অন্য ঘৰ এটাত বাস কৰিছিল। গাঁৱতো এই শিক্ষকজন এওঁলোকৰ প্ৰধান সহায় আছিল। এখেতৰ ঘৰ ককয়াৰ ওচৰৰ পিপলি বাৰীত আছিল। এই সময়ছোৱাত তেওঁ অসম সংস্কৃত বৰ্ডৰ আদি, মধ্য আৰু উপাধি পৰীক্ষা দি কৃতিত্বেৰে পাছ কৰে, আৰু শেষত চৰকাৰী স্কুলৰ সংস্কৃত শিক্ষক হিচাপে নিযুক্তি পায়।

কটন কলেজত ৪ বছৰ আৰু কলিকতাত ২ বছৰ কাল ভায়েকৰ শিক্ষাৰ খৰচ বহন কৰোঁতে তেওঁ যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। ১৯৪০ চনত ভায়েক উমা শৰ্মাই কলিকতা বিশ্ববিদ্যালয়ৰপৰা ১ম শ্ৰেণীত দৰ্শনৰ এম, এ, পাছ কৰিলে। অলপ পাছতে তেওঁ তেতিয়া নতুনকৈ আৰম্ভ কৰা সন্দিকৈ ছোৱালী কলেজত অতি কম দৰমহাতে দৰ্শনৰ লেকচাৰাৰ নিযুক্ত

হ'ল। ভাতৃৰ শিক্ষাৰ খৰচ বহনৰ দায়িত্ব নে'হোৱা হ'লত এতিয়া গিৰিধৰ শৰ্মাই নিজে কলেজীয়া শিক্ষা লাভত মন দিলে। প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে তেওঁ ক্ৰমে আই এ. আৰু বি, এ, পাছ কৰিলে, আৰু শেষত তেওঁ অসম ক্লাব ছাভিচত গ্ৰেজুৱেট শিক্ষক হিচাপে নিযুক্তি লাভ কৰিলে। ইতিমধ্যে ১৯৪৭ চনত তেওঁৰ ভায়েক উমাকান্ত শৰ্মা প্ৰাথমিক শিক্ষাৰ বিশেষ বিষয়া হিচাপে নিযুক্ত হৈ ষ্টিলঙলৈ যায় আৰু ককায়েকক দিহা-পৰামৰ্শ আদিৰে সহায় কৰিবলৈ আৰম্ভ কৰে। শেষত গিৰিধৰ শৰ্মাই প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে অসমীয়া বিষয়ত এম, এ, পাছ কৰে আৰু কটন কলেজত অসমীয়া বিষয়ত লেকচাৰাৰ নিযুক্ত হয়। প্ৰায় ১৯৫০ চনলৈ তেওঁ এই কামত আছিল। উমাকান্ত শৰ্মা শেষত গৈ শিক্ষাধিকাৰ হ'ল।

১৯৫০-৫১ চনত তেওঁ গুৱাহাটীৰ বিহাবাৰীত মাটি কিনি ঘৰ-দুৱাৰ বান্ধে আৰু তাতে থাকিবলৈ লয়। তেতিয়াৰ পৰা তেওঁ আমাৰ প্ৰতিবেশী হ'ল। গতিকে তেওঁৰ কাৰ্যাৱলী নিচেই ওচৰৰপৰা দেখাৰ সুবিধা পালোঁ।

---

( ৬৬ পৃষ্ঠাৰ পিছৰপৰা )

উল্লেখযোগ্য বাস্তৱধৰ্মী নাৰী চৰিত্ৰ।

মুঠতে বিশ্বযুদ্ধই ব্যক্তি তথা সমাজ-জীৱনলৈ অনা জটিলতাৰ ফলত অসমীয়া মানুহৰ মনত উদয় হোৱা ৰাজনৈতিক চেতনা, ভাৰতৰ স্বাধীনতা আন্দোলনে সৃষ্টি কৰা অসমীয়া মানুহৰ গভীৰ আত্মপ্ৰত্যয় আৰু পশ্চিমীয়া সাহিত্যৰ মুক্ত ধ্যান-ধাৰণাই আধুনিক অসমীয়া সাহিত্যৰ পটভূমিটো গঢ় দিয়াত সহায় কৰে, আৰু এই নতুন গঢ়ত যিবোৰ চৰিত্ৰৰ সৃষ্টি হ'ল, সেই নাৰী চৰিত্ৰবোৰ অসমীয়া নাৰী সমাজলৈ যেন নতুনৰ বাৰ্তাস্বৰূপ। ০ ০ ০

পোনতে তেওঁ বিহাবাৰীত এটা 'উন্নয়ন সমিতি' স্থাপন কৰি এদল কৰ্মী সংগ্ৰহ কৰি ললে। এই সমিতিৰ জৰিয়তে ইয়াত এটা ৰাজহুৱা নামঘৰ, হল, এটা সৰু নাট্যমঞ্চ, এটা পুথিভঁৰাল— আদি কেইবাটিও সজ অনুষ্ঠানৰ প্ৰতিষ্ঠা হ'ল। এইটো নকলেও হ'ব যে ইয়াৰ ভিতৰৰ মানুহ কেইজনৰ মাজত গিৰিধৰ শৰ্মাই বেছি উৎসাহী কৰ্মী আছিল। এই নামঘৰত তেওঁ আইসকলৰ নিয়মীয়া নাম-প্ৰসঙ্গবো প্ৰৱৰ্তন কৰালে। মহাপুৰুষসকলৰ তিথি উদ্‌যাপন, দৌল, দুৰ্গাপূজা, লক্ষ্মীপূজা, কালীপূজা আদি পূজা-উৎসৱ পালন আদিৰদ্বাৰা এই অঞ্চলটোৰ লোকসকলক এটা অপেক্ষাকৃতভাৱে আটিল গোটত পৰিণত কৰিলে। মাজে-সময়ে এই নামঘৰত উচ্চ পৰ্যায়ৰ, তত্ত্বগধুৰ ধৰ্মালোচনী সভাবো আয়োজন কৰি তালৈ অসমৰ বিভিন্ন ঠাইৰপৰা কৃতী পণ্ডিত কেইবাজনকো আনি তেওঁলোকৰ হতুৱাই দাৰ্শনিক বক্তৃতা দিয়াইছিল। এনে সভা এখনৰ কথা আনন্দেৰে আমি আজিও স্মৰণ কৰিছোঁ। ৺পণ্ডিত জীৰেশ্বৰ গোস্বামী, আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী, শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰু, অধ্যক্ষ বিজ্ঞানী উপেন্দ্ৰ কুমাৰ দত্ত, ইঞ্জিনিয়াৰ হৰিনাথ ভট্টাচাৰ্য আদি পণ্ডিতসকলে ইয়াত অংশ গ্ৰহণ কৰিছিল। এই নিচিনা ৰাজহুৱা কামৰ লগে লগে সমান্তৰাল ভাৱে তেওঁ কিতাপ প্ৰণয়নত লাগিল। অসমীয়া অভিধান, ইংৰাজী অভিধান, অসমীয়া ব্যাকৰণ, প্ৰবেশিকা ৰচনা শিক্ষা— এই কেইখন গ্ৰন্থ লিখি তেওঁ পঞ্চাছৰ দশকৰ ভিতৰতে উলিয়ায়। ইয়াৰদ্বাৰা, তেওঁৰ কিছু আৰ্থিক লাভৰ উপৰিও সামাজিক প্ৰতিপত্তি বাঢ়িবলৈ ধৰিলে।

বিহাবাৰীত থকা প্ৰাইমাৰী স্কুলখনৰ চেক্ৰেটাৰী হৈ সেই স্কুলখনৰ উন্নতিৰ কাৰণে চেষ্টা কৰাৰ উপৰিও তেওঁ ১৯৫৬ চনত ইয়াত এখন মজলীয়া ইংৰাজী



স্কুল প্ৰতিষ্ঠা কৰাত আগ-ভাগ লয়। প্ৰকৃতপক্ষে এইখনেই আৰ্যবিদ্যাপীঠ কলেজৰ আৰম্ভণী বীজ। এই স্কুল বিহাবাৰী নামঘৰৰ হলতে প্ৰথমে বহিছিল। পাছত এই স্কুল বৰ্তমান আৰ্যবিদ্যাপীঠ শিক্ষানুষ্ঠান প্ৰকল্প য'ত অৱস্থিত, তালৈ নিয়া হয়। এই ঠাইত বহুতো চৰকাৰী মাটি আছিল। স্কুল আদিৰ কাৰণে তাত ৯ বিঘা মাটি মঞ্জুৰি হিচাপে লোৱা হ'ল। মাটি ইমান দ যে তাক উন্নত কৰিবলৈ যি প্ৰচুৰ পৰিমাণৰ ধন লাগিব, তাৰ কথা তেতিয়া ভাবিবই নোৱাৰি। কিন্তু শ্ৰীশৰ্মা তাত বিমুখ্ধি নহ'ল।

তেওঁ এই নতুন মজলীয়া ইংৰাজী স্কুলখনক এখন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী স্কুললৈ উন্নীত কৰি আৰু এবছৰ পূৰ হওঁতে-নহওঁতেই আৰ্যবিদ্যাপীঠ কলেজ স্থাপনৰ কথা ঘোষণা কৰিলে। ইয়াকে কৰোঁতে অসম চৰকাৰ আৰু শিক্ষাধিকাৰৰপৰা সকলো সহায় পোৱা গ'ল। মাধ্যমিক শিক্ষা পৰিষদ আৰু শিক্ষাধিকাৰৰ বিভাগৰপৰা সম্ভৱপৰ সকলো সহায়-সাহায্য আদায় কৰোঁতে তেওঁ যথেষ্ট দক্ষতাৰ পৰিচয় দিছিল। অসমত নতুনকৈ প্ৰতিষ্ঠিত হোৱা মাধ্যমিক শিক্ষা পৰিষদৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পাঠ্যক্ৰম আদি ৰচনা কৰাত আৰু তাক বিহাবাৰী আৰ্যবিদ্যাপীঠ উচ্চতৰ বিদ্যালয়ত কাৰ্যকৰী কৰি দেখুৱাত তেওঁৰ অৱদান উল্লেখযোগ্য। কাম কৰি যাওঁতে কামৰপৰা তাৎকালিক অভিজ্ঞতা লাভ কৰিব পৰা অদ্ভুত শক্তি তেওঁৰ আছিল। এই স্কুলৰ প্ৰাৰম্ভণিত ইটা, টকা আদি দান সংগ্ৰহ কৰা কামত আমিও তেওঁৰ লগত আছিলোঁ। এই বিষয়ে তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ডঃ শ্ৰীমালী আৰু অসমৰ তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীকামাখ্যা ত্ৰিপাঠীক লগ ধৰাৰ কথা মনত পৰে।

উচ্চতৰ মাধ্যমিক স্কুলখনৰ ভেটি কৰাৰ আগতে যেতিয়া কলেজ এখনবো স্থাপন ঘোষণা কৰা হ'ল— তেতিয়া স্থানীয় কিছু লোকে তাত সম্মতি দিব খোজা নাছিল। কিন্তু তেওঁৰ যুক্তি হ'ল— উচ্চতৰ মাধ্যমিকত যি এম-এ, এম-এছ-চি পাছ শিক্ষক লাগিব,— কলেজ নহ'লে সেই শিক্ষকক স্বাধীন ভাৱে নিয়োগ কৰিবলৈ ধন নহ'ব। এনেকৈয়ে আৰ্যবিদ্যাপীঠ কলেজৰ জন্ম হ'ল।

ইয়াৰ কাৰণে দান, বৰঙনি আদিৰ কামত তেওঁ কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হ'ল। পোনতে কোনো এটা কোঠালিৰ নাম দাতাৰ নামেৰে দি তেওঁৰ পৰা দান সংগ্ৰহ কৰা আদি উপায়েৰে অৰ্থ সংগ্ৰহৰ চেষ্টা চলিল আৰু এই বিষয়ত কিছু কৃতকাৰ্যতাও তেওঁ লাভ কৰিলে। প্ৰকাণ্ড দ পিতনি এখনৰ মাজত যেতিয়া মাঙ্গলিক অনুষ্ঠানেৰে উচ্চতৰ মাধ্যমিক স্কুল আৰু কলেজ-ভৱনৰ প্ৰথম আধাৰশিলা স্থাপন কৰা হয়, তেতিয়া তেওঁৰ সাহস দেখি বহুতে মনে মনে হাঁহিছিল। কিন্তু ১০/১২ বছৰৰ ভিতৰতে তাত এখন বৃহৎ কলেজ প্ৰতিষ্ঠা কৰি তেওঁ তাৰ নীৰৱ প্ৰতিশোধ লৈছিল। সেই কলেজত থকা প্ৰেক্ষাগৃহটো শিখ নেতাৰপৰা দান হিচাপে গ্ৰহণ কৰা। পোনতে কলেজৰ অধ্যক্ষা হিচাপে ডঃ লক্ষ্মী দেৱী আছিল। শেষত শ্ৰীশৰ্মাই কটন কলেজৰ লেকচাৰাৰৰ পদৱী ইস্তফা দি আহি নিজে অধ্যক্ষ হয়।

নানান আহুকালৰ মাজেৰে কঠোৰ পৰিশ্ৰম কৰি অলপ অলপকৈ তেওঁ কলেজ আৰু স্কুলৰ ঘৰ-দুৱাৰ নিৰ্মাণ কৰি গৈ থাকিল। ইয়াত অসম চৰকাৰৰ উপৰিও বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা যথেষ্ট আৰ্থিক সাহায্য পোৱা হ'ল। এই অনুদান পাবলৈ কেনেকৈ বিত্তং পৰিকল্পনা আদি সময়মতে দাখিল কৰিব লাগে, এই আটাইবিলাক কথা তেওঁ ভালদৰে

বুজি পৈছিল। বিজ্ঞান শাখা আৰু ছাত্ৰ-নিবাস, এই দুটা কলেজত থাকিলে গুৱাহাটীৰ ক্ৰমবৰ্দ্ধমান ছাত্ৰ-ছাত্ৰীৰ ভিৰে স্থান বিচাৰি আৰ্যবিদ্যাপীঠলৈযে সোঁত বোৱাব, এই কথা তেওঁ জানিছিল। দুবছৰমানৰ ভিতৰতে এই সম্ভাৱনাই বাস্তৱ আকৃতি ধাৰণ কৰিলে আৰু কলেজত ছাত্ৰ ছাত্ৰীৰ সংখ্যা যথেষ্ট হ'ল।

নতুন কলেজখনৰ শিক্ষা-দীক্ষা, খেল-ধেমালি, আলোচনী, সাংস্কৃতিক বিভাগ— সকলো ফালে তেওঁ মনোযোগ দিলে আৰু কলেজখনৰ পৰীক্ষাৰ ফলাফল উন্নত হবলৈ ধৰিলে। তেওঁৰ কৰ্তৃত্ব সকলোৱে মানিছিল। গতিকে গঠনমূলক কামত তেওঁ বৰ বেগ পাবলগীয়া নহৈছিল। ক্ৰমে এই কলেজৰ ছাত্ৰই পৰীক্ষাত উচ্চ স্থান লাভ কৰি অন্যান্য সুখ্যাতিসম্পন্ন কলেজ কেইখনমানৰ লগত প্ৰতিযোগিতা আৰম্ভ কৰি দিলে। শেষলৈ তেওঁ এই কলেজত অঙ্ক বিষয়ত এম, এ, শ্ৰেণীও খুলিলে। তেওঁ আৰ্যবিদ্যাপীঠ কলেজক এখন স্বয়ংশাসিত কলেজ (Autonomous College) ত পৰিণত কৰিবৰ যি সপোন দেখিছিল, সি অৱশ্যে পূৰ্ণ নহ'ল। অসমত অৱশ্যে এনে পৰ্যায়ৰ কলেজ এখনো হোৱা নাই। সদ্যজাত কলেজ এখনক এনে পৰ্যায়লৈ উন্নীত কৰিবলৈ চেষ্টা কৰোঁতে বিকাশ আৰু ক্ৰমোন্নতিৰ যাজন স্তৰ কিছুমানক অস্বীকাৰ কৰাত উগ্ৰ আদৰ্শবাদৰ ফাল এটা দেখা পোৱা যায়।

এই বিষয়ত তেওঁ কোনো কোনো শক্তিশালী গোষ্ঠীৰ পৰা প্ৰতিবন্ধকো পাইছিল। সেইদৰে আৰ্যবিদ্যাপীঠ কলেজৰ দক্ষিণ-পশ্চিমে, ওচৰতে থকা চৰকাৰী পতিত মাটিত একাদিক্ৰমে দুবছৰ দুবাৰ মহাবিষ্ণু যজ্ঞ পাতি তাত আশ্ৰম, টোল আদি স্থাপন কৰি প্ৰস্তাৱিত চৰকাৰী সংস্কৃত কলেজখন তাত অৱস্থিত কৰিবৰ পক্ষে যুক্তি দাঙি ধৰিছিল। কিন্তু শেষাশেষত জানুকৰানীত, বিশ্ববিদ্যালয়ৰ কাষত এই টোলৰ স্থান নিৰ্ণিত হ'লত সেই প্ৰচেষ্টা এৰি পেলোৱা হ'ল। বিষ্ণুযজ্ঞতো তেওঁৰ সংগঠন-শক্তি আৰু জনসাধাৰণক আকৰ্ষণ কৰিব পৰা ক্ষমতা দেখা পোৱা যায়। কোনো এটা নতুন অনুষ্ঠানৰ আৰম্ভণি চকুত লগা ধৰণে কেনেকৈ কৰিব পাৰি, তাক তেওঁ জানিছিল।

সাহায্যপ্ৰাপ্ত কলেজ সন্থাৰ প্ৰতিনিধি হিচাপে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহক কাউন্সিলৰ সভ্য হৈ সাহায্যপ্ৰাপ্ত কলেজৰ শিক্ষকসকলৰ স্বাৰ্থ সংৰক্ষণৰ চেষ্টা কৰাৰ উপৰিও উচ্চ শিক্ষা পৰিচালনাৰ মন্ত্ৰণালয়ত প্ৰৱেশ কৰে। বিশ্ববিদ্যালয়ৰ দীৰ্ঘ অধ্যয়নৰ মাজেৰে কিছু লোকে ঔদাৰ্যৰ বিনিময়তো হয়তো নিজস্ব মতামত কোনো কোনো ক্ষেত্ৰত হেৰুৱাই পেলায়। শ্ৰীশৰ্মাৰ ক্ষেত্ৰত ইয়াৰ ওলোটাটোহে হোৱা যেন লাগে। তেওঁৰ দৃষ্টিভঙ্গীৰ এটা বলিষ্ঠ সংৰক্ষণশীল দেশজ মনোভাৱ পৰিলক্ষিত হয়। নিজৰ ধ্যান-ধাৰণাৰে তেওঁ আমাৰ প্ৰাচীন কথাবোৰৰ যিবোৰ চিৰস্থায়ী, তাৰ সমাদৰ কৰিছিল। প্ৰাচীন আৰু নবীনৰ সুন্দৰ সমাহাৰ সাধন কৰা অৱশ্যে সহজ কথা নহয়।

আৰ্যবিদ্যাপীঠ কলেজখন সুপ্ৰতিষ্ঠিত হোৱাৰ পাছত তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ বাবে দুই-তিনিবাৰ প্ৰতিদ্বন্দ্বিতা কৰি শেষত ১৯৭৩ চনৰ ৰঙিয়া অধিবেশনৰ সভাপতি নিৰ্বাচিত হৈ তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ সন্মান লাভ কৰে। তেওঁৰ যি সহকাৰে উপস্থিতি কৰা জীৱনৰ ই যেন সৰ্বোচ্চ পৰিণতি। এবছৰীয়া কাৰ্যকালৰ এই পদবীত থাকি তেওঁ সাহিত্য সভা পত্ৰিকাখনি মাহেকীয়া আলোচনীলৈ ৰূপান্তৰিত কৰিলে। তদুপৰি অসমৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি সাহিত্য সভাৰ নতুন শাখা স্থাপন কৰি নেতৃত্ব দিয়াৰ লগতে বিভিন্ন জনগোষ্ঠীৰ মিলনপ্ৰীতি



এই ৰাজ্যত ৰাজ্যভাষা অসমীয়াইহে যে স্থায়ী ঐক্য স্থাপন কৰি দেশৰ মঙ্গল সাধিব পাৰে, তাৰ বাণী প্ৰচাৰ কৰিলে। মাধ্যম আন্দোলনৰ সময়ত তেওঁ বিপদসঙ্কুল ঠাইলৈ যাবলৈও দ্বিধা বোধ কৰা নাছিল।

১৯৭৫ চনত আৰ্যবিদ্যাপীঠ কলেজৰ অধ্যক্ষ পদৰপৰা অৱসৰ গ্ৰহণ কৰি নিজ ঘৰতে স্থাপন কৰা নিজৰ 'পূৰ্বদেশ মুদ্ৰণ' প্ৰেছত আত্মনিয়োগ কৰে আৰু অতি কম সময়ৰ ভিতৰতে প্ৰেছটো কিছু শক্তিশালী কৰি তোলে। তেওঁৰ নিজৰ প্ৰেছ 'পূৰ্বদেশ মুদ্ৰণ'ত মাহিলি 'সাহিত্য সভা পত্ৰিকা'ৰ সংখ্যাকেইটি ছপা কৰিছিল বাবে যিসকল সমালোচকে বিৰূপ মন্তব্য দিছিল, তেওঁলোকে কাকতখন নিখুঁতভাৱে উলিয়াওঁতে শ্ৰীশৰ্মাই স্বেচ্ছাকৃতভাৱে যি শ্ৰম কৰিছিল, সেইটো পাহৰি পেলোৱাটো পৰিতাপৰ কথা। তেওঁৰ কাৰ্যকালৰ পাছতে আলোচনীখন মাহিলি কৰাটো এৰি দিয়া হ'ল।

কিছুকাল আগতেপৰা তেওঁ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘৰ অসম প্ৰান্তীয় শাখাৰ কামৰ লগত ঘনিষ্ঠভাৱে সংশ্লিষ্ট হৈ পৰে আৰু শেষত তেওঁ ইয়াৰ প্ৰান্তীয় সঙ্ঘচালক হয়। তেওঁৰ কলেজ-চোতালত কলেজ বন্ধ থকা সময়ত এই স্বেচ্ছাসেৱকসকলৰ শিবিৰ বহিছিল। তেওঁৰ নিজৰ ল'ৰা এটিকো ইয়াৰ স্বেচ্ছাসেৱক বাহিনীত ভৰ্তি কৰি দিছিল। ইয়াতো তেওঁৰ ৰক্ষণশীল, আৰু ভাৰতীয় সংস্কৃতিৰ পুনৰ প্ৰচলনৰ প্ৰতি থকা প্ৰীতি প্ৰকাশ পায়। জৰুৰী অৱস্থাৰ সময়ত এই সংযোগৰ কাৰণে তেওঁ কৰ্তৃপক্ষৰ ৰোষত পৰিবলগীয়া হৈছিল যদিও সাময়িকভাৱে সেই সম্পৰ্ক ছেদ কৰি সেই বিপদ আঁতৰাইছিল। জৰুৰী অৱস্থাৰ অৱসান হ'লত তেওঁ নাগপুৰলৈ গৈ সঙ্ঘৰ প্ৰধান কৰ্তাসকলৰ লগত পুনৰ আলাপ-আলোচনা কৰিছিল। সঙ্ঘ-প্ৰধান বালাচাহেব দেওৰাছ অসম-ভ্ৰমণত আহোঁতে শ্ৰীশৰ্মাৰ ঘৰলৈকো আহিছিল। এই সংযোগৰ ভৱিষ্যতে তেওঁ হয়তো ৰাজনৈতিক, সমাজনৈতিক কামত নিজৰ নতুন কৰ্মক্ষেত্ৰ তৈয়াৰ কৰি লবলৈ বিচাৰিছিল। অন্ত নহলেও ইয়াৰ ভিতৰেদি তেওঁৰ মনৰ অন্য ফাল এটাৰ আভাস পোৱা যায়।

প্ৰকাণ্ড কলেজ এখন পাতি আহি এতিয়া আকৌ ডাঙৰ প্ৰেছ এটাৰ কামত লাগি প্ৰকৃততে তেওঁ নিজৰ স্বাস্থ্যক প্ৰয়োজনীয় জিৰণি লোৱাৰপৰা বঞ্চিত কৰাৰ দৰে হ'ল। কিন্তু কৰ্মই যাৰ ধ্যান, তেনে মানুহে কৰ্ম নকৰি থাকিব নোৱাৰে; তেনেহলে শৰীৰে সহ্য কৰিব পাৰক বা নোৱাৰক। ইয়াৰ অৱশ্যম্ভাৱী ফল হ'ল— ১৯৭৭ চনৰ শেষৰ ফালে তেওঁ প্ৰথম বাৰ সাংঘাতিক হৃদৰোগত আক্ৰান্ত হ'ল। তেতিয়াৰপৰা ডাক্তৰৰ পৰামৰ্শমতে তেওঁ বাহিৰলৈ যোৱা আদি কষ্টসাধ্য কামৰপৰা বিৰত থাকিল। শৰীৰ অলপ সুস্থ হ'লত গোলাঘাট অধিবেশনত সাহিত্য সভালৈ অৱশ্যে তেওঁ গৈছিল আৰু তাত নতুন গ্ৰন্থ উন্মোচন শাখাত সভাপতিৰ ছপা ভাষণ পাঠ কৰিছিল। এই ছপা ভাষণেই হয়তো তেওঁৰ শেষ ছপা লেখা।

ইয়াৰ পাছত তেওঁৰ শৰীৰ ক্ৰমে দুৰ্বল হৈ আহিল। হ'লেও তেওঁৰ দিন শেষ হৈ আহিছে, এনে ধাৰণা কোনোৱে কৰা নাছিল। শেষত ২০ মে' তাৰিখে ৰাতি ২ বজাত হঠাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৬৬ বছৰ পূৰ হোৱা নাছিল।

শ্ৰীশৰ্মাৰ অকাল মৃত্যুৱে সমকালীন সমাজৰপৰা এজন অতি শক্তিশালী, মেধাবী আৰু কৰ্মী লোকৰ অন্তৰ্দ্ধান ঘটালে। সৃজনীমূলক বিশেষ কিতাপ

(৭৩ পৃষ্ঠাত চাওক)

# যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য

শ্ৰীবাপচন্দ্ৰ মহন্ত

যোগমাৰ্গ :—"যোগশ্চিত্তবৃত্তিনিৰোধ :"।। [ যোগদৰ্শন ১।২ ] "যোগঃ কৰ্মসু কৌশলম্" [ ২।৫০, গীতা ]। যোগদৰ্শন আৰু গীতাৰ এই উক্তি দুটাৰ সহায়েৰে যোগমাৰ্গৰ স্বৰূপ সম্বন্ধে আমি বিচাৰ কৰি চাব পাৰোঁ। প্ৰমাণ, বিপৰ্যয়, বিকল্প, নিদ্ৰা আৰু স্মৃতি এই পাচোঁটাকে যোগদৰ্শনত চিত্তবৃত্তি বুলিছে [১।৬]। প্ৰত্যক্ষ, অনুমান আৰু আগম [বেদ, শাস্ত্ৰ, আপ্তবাক্য আদিক আগম বোলা হৈছে] এই তিনিবিধ প্ৰমাণৰ ভিতৰত পৰে। বস্তুৰ স্বৰূপজ্ঞান নোহোৱা ভ্ৰমাত্মক জ্ঞানক বিপৰ্যয় বোলে। শব্দ শুনি পূৰ্বসংস্কাৰ মতে হোৱা জ্ঞানক 'বিকল্প' বোলা হয়। সকলো প্ৰকাৰৰ জ্ঞানৰ অভাৱকে নিদ্ৰা বোলা হৈছে। পূৰ্বৰ অনুভৱ বা জ্ঞান সময়মতে মনলৈ অহাকে স্মৃতি বুলি কোৱা হয়। চিত্তৰ এই পাঁচোটা বৃত্তি বা স্বভাৱক বাধা দি ৰাখি স্বৰূপজ্ঞান লাভ কৰিব পৰা অৱস্থাকে যোগ বোলা হয়। গতিকে স্বৰূপজ্ঞান লাভ বা সত্তাৰ উপলব্ধিকে যোগ বোলা হৈছে বুলি সাধাৰণ ভাষাত কব পাৰি। পিছে এই স্বৰূপজ্ঞান লাভৰ কাৰণে চিত্তবৃত্তিক নিৰোধ কৰাটো কষ্টসাধ্য কথা। চিত্তবৃত্তি নিৰোধৰ কাৰণে ইন্দ্ৰিয়সমূহক শাসনত ৰাখিব পাৰিব লাগিব। ইন্দ্ৰিয়সমূহক শাসনত ৰখা মানে সকলো শাৰীৰিক ক্ৰিয়াকে শাসনৰ ভিতৰত ৰখা বুলিও বুজিব লাগিব। এই শাসনত ৰখা কামটো মনৰ সহায়েৰেহে কৰিব পাৰি; কিন্তু মনকো শাসনত ৰখাৰ প্ৰয়োজন আছে। কিয়নো, বোধ কৰিবলগীয়া চিত্তবৃত্তিসমূহো মনৰেই বৃত্তি আৰু চিত্তও মনৰেই এটা অৱস্থাহে। সেইবাবে যোগমাৰ্গই শৰীৰ আৰু মন উভয়কে সবল আৰু শাসন কৰাৰ ব্যৱস্থা দিছে। এই ব্যৱস্থাৰেই 'সমাধি' অৰ্থাৎ স্বৰূপ জ্ঞান লাভৰ আনন্দময় অৱস্থা লাভ কৰিব পাৰি।

গীতাত সমত্ব বুদ্ধিযুক্তজনে পাপ-পুণ্য উভয় ফলৰ পৰা নিজক মুক্ত কৰি আনন্দময় স্বৰূপজ্ঞানৰ অৱস্থা লাভ কৰাৰ কথা কৈছে। পাপ-পুণ্য উভয় ফলৰপৰা মুক্ত চিত্তৰ অৱস্থাই বিশুদ্ধ চিত্ত বা বিশুদ্ধ মনৰ অৱস্থা। চিত্তবৃত্তিৰ নিৰোধ বা চিত্তশুদ্ধিৰ অৱস্থা বুলিও ইয়াকে কব পাৰি। এই অৱস্থাত মন শান্ত অৰ্থাৎ ক্ষোভ বা বিকাৰহীন কাৰণে তাক 'সমত্ব বুদ্ধি-যুক্ত' বুলি কোৱা হৈছে। কৰ্ম স্বাভাৱিকতেই বন্ধন-কাৰক। সমত্ব বুদ্ধিযুক্তজনৰ কৰ্ম বন্ধনকাৰক নোহোৱা হৈ পৰে। অৰ্থাৎ জীৱন-কালত প্ৰয়োজন হোৱা শাৰীৰিক আৰু মানসিক সকলো প্ৰকাৰৰ ক্ৰিয়া তেওঁৰ কাৰণে স্বৰূপজ্ঞানৰ বাধক হৈ নাথাকে। যোগৰ-দ্বাৰা এই সমত্ব বুদ্ধি লাভ হ'ব পাৰে। সেইবাবে যোগক কৰ্মৰ কৌশল বোলা হৈছে। এই জ্ঞানৰ পৰা চালে যোগমাৰ্গীসকল কৰ্মকৌশলী। জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলো কাৰ্য কৰিও তেওঁলোকে শৰীৰ আৰু মনক সমাধি অৱস্থা লাভৰ অনুকূলে শাসনত ৰখাৰ কৌশল জানে। এই দৃষ্টিত যোগদৰ্শন আৰু গীতাৰ লক্ষ্য তথা সাধন-পদ্ধতিৰ



ঐক্য দেখা যায়।

গীতাৰ লগত যোগমাৰ্গৰ সম্পৰ্ক কেনে ধৰণৰ, সেইটো বিচাৰ কৰি চাবলগীয়া। গীতাক উপনিষদ আৰু যোগশাস্ত্ৰও বোলা হৈছে। উপনিষদ আৰু যোগ দুয়োটাৰ চৰম লক্ষ্য সমত্ব বুদ্ধিসম্পন্ন জ্ঞান বা সমাধি অৱস্থা। উপনিষদ বেদৰ জ্ঞানকাণ্ডৰ নাম। উপনিষদৰ আগতে বেদ কৰ্মকাণ্ডপ্ৰধান আছিল। বেদৰ কৰ্মকাণ্ড সকাম ভাৱপ্ৰধান আছিল যদিও উপনিষদৰ জ্ঞানকাণ্ডই বৈদিক সমাজক সকাম কৰ্মৰপৰা নিষ্কাম কৰ্মপ্ৰধান জ্ঞানৰ প্ৰতি আকৰ্ষণ কৰিলে। গতিকে কৰ্মকাণ্ডী বেদতকৈ জ্ঞানকাণ্ডী বেদ যোগমাৰ্গৰ বেছি ওচৰ চাপি আহিল। আনহাতে যোগদৰ্শনকো আস্তিকবাদী দৰ্শন অৰ্থাৎ বেদ-গ্ৰাহ্য দৰ্শন বোলা হৈছে। এই ক্ষেত্ৰত এটা কথা বিচাৰ কৰি চাবলগীয়া যে কৰ্মকাণ্ডই প্ৰাধান্য লাভ কৰি থকা সময়ৰ বৈদিক সমাজত যোগমাৰ্গৰ স্থান কেনে আছিল? এই প্ৰশ্নৰ উত্তৰ কেনে হ'ব পাৰে, তাৰ এটা চমু আভাস ঐতিহাসিক দৃষ্টিৰে তলত দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

যজ্ঞপ্ৰধান কৰ্মকাণ্ডী বৈদিক সমাজত সম্ভৱতঃ যোগ-মাৰ্গৰ প্ৰচলন নাছিল। তেতিয়া যোগমাৰ্গ কোনোবা অবৈদিক সমাজত আছিল। পাছত অবৈদিক আৰু বৈদিক উভয় শ্ৰেণীৰে সামাজিক সংমিশ্ৰণ ঘটাৰ ফলত অবৈদিক সমাজত বৈদিক প্ৰভাৱ পৰাৰ দৰেই বৈদিক সমাজতো অবৈদিক যোগ প্ৰভৃতি অন্যান্য ধৰ্মীয় সাধনমাৰ্গৰ প্ৰভাৱ পৰিল। বৈদিক সমাজ-ব্যৱস্থাৰ প্ৰথম অৱস্থাত বানপ্ৰস্থ আৰু সন্ন্যাস আশ্ৰমৰ প্ৰচলন আছিল নে নাছিল, সেই সম্বন্ধে বিচাৰ কৰি চাবলগীয়া আছে। সম্ভ-ৱতঃ বানপ্ৰস্থী আৰু সন্ন্যাসী জীৱনৰ আদৰ্শ বৈদিক সমাজে যোগমাৰ্গীসকলৰ প্ৰভাৱত গ্ৰহণ কৰিছিল। বেদৰ কৰ্মকাণ্ডই জীৱনক ভোগৰপৰা বিমুখ হোৱাৰ উপদেশ দিয়া যেন পোৱা নাযায়; কিন্তু বানপ্ৰস্থ আৰু সন্ন্যাস এই দুয়োটাই অনাসক্তি আৰু ত্যাগৰ ওপৰত নিৰ্ভৰ কৰিছে। তদুপৰি যৌগিক কৌশলৰ সহায় নহ'লে বানপ্ৰস্থী আৰু সন্ন্যাসীসকল শৰীৰ আৰু মন উভয় ক্ষেত্ৰতে সবল হৈ তিষ্ঠি থাকিব নোৱাৰে। গতিকে বানপ্ৰস্থী আৰু সন্ন্যাসীসকলে যোগমাৰ্গৰ সহায় লোৱাটো স্বাভাৱিক আছিল। পৌৰাণিক সাহিত্যত

---

( ৭১ পৃষ্ঠাৰ পিছৰপৰা )

লিখিবলৈ এই সংগ্ৰামী লোকজনে সুবিধা আৰু আহৰি নাপালে। কিন্তু প্ৰতিভাৱান তৰুণ লেখক আৰু শিক্ষকসকলক তেওঁ উৎসাহ-উদগনি দিছিল। তেওঁৰ কাৰ্যকালতে তেওঁৰ কলেজৰ একাধিক তৰুণ শিক্ষকে ডক্টৰেট লাভ কৰে। 'কামৰূপ সাহিত্য পৰিষদ'ৰ জৰিয়তে যি এলানি 'জীৱনীমালা' ছপা হৈ ওলাই-ছিল, তাৰ ভিতৰৰ উদ্যোগী মানুহ তেৱেঁ। এজন আছিল। 'অসম লাইব্ৰেৰী সংঘ'ৰ জৰিয়তে তেওঁ এই অৱহেলিত বিষয়টোৰ প্ৰতি মানুহৰ দৃষ্টি আকৰ্ষণ কৰিছিল। পাৰিবাৰিক জীৱনত তেওঁ অতিথি-পৰায়ণ আছিল আৰু নিত্য-নৈমিত্তিক কৰ্মবোৰ যত্নেৰে পালন কৰিছিল। এটা উজ্জ্বল তৰাৰ দৰে তেওঁ খুব কম সময়ৰ ভিতৰতে জীৱনত দোপত দোপে উঠিছিল। ইয়াকে কৰোঁতে তেওঁ যে কিমান কষ্ট কৰিব লাগিছিল, আৰু প্ৰতিবন্ধক নাইবা বিৰো-ধিতাৰ সন্মুখীন হৈছিল, তাক নকলেও হয়, বিশেষকৈ আধুনিক প্ৰতিযোগিতামূলক গণতান্ত্ৰিক গাঁথনিত। কিন্তু তেওঁৰ সকলো প্ৰতিদ্বন্দ্বী শুই থকা সময়তে তেওঁ জাগ্ৰত হৈ উঠি আগবাঢ়ি গৈছিল। কৰ্মই আৰু বাস্তৱ জীৱনে তেওঁক এনেকৈ গ্ৰাস কৰি পেলাই-ছিল যে তাত জিৰণি-কবিতাৰ ছাঁ-পোহৰৰ প্ৰৱেশ বন্ধৰ নিচিনা হৈ পৰিছিল। অক্লান্ত কৰ্মী শ্ৰীশৰ্মাৰ সুকৰ্মই অৱশ্যে বহুত দিনলৈ তাৰ সুবাস বিয়পাই যাব আৰু তেওঁৰ স্মৃতি যুগমীয়া কৰিব। ০ ০ ০

তপস্বী আৰু ঋষি-মুনিসকলে যোগ সাধন কৰা কথা পাওঁ। অনাহাৰ, অনিদ্ৰাৰ উপৰিও নানা প্ৰকাৰৰ প্ৰাকৃতিক দুৰ্যোগ সুৰ পাতি লৈ সাধন কৰা তপস্যাৰ কাহিনী আৰু যোগবলেৰে সকলো কথা জনা হোৱাৰ লগতে অনেক চমৎকাৰপূৰ্ণ কাৰ্য কৰা সন্ন্যাসী বা ঋষি-মুনিৰ কথাৰে মহাভাৰত, ৰামায়ণ আৰু পুৰাণ-বোৰ ভৰি আছে। এই চমৎকাৰপূৰ্ণ কাৰ্যবোৰে যোগমাৰ্গৰ অষ্টসিদ্ধিৰ কথাকে মনত পেলায়। অনুমান হয় যে পৌৰাণিক ধৰ্মত যোগমাৰ্গৰ প্ৰভাৱ বহুত বেছি হৈ পৰিল আৰু যৌগিক চমৎকাৰ নথকা বস্তুৱে জনসাধাৰণক আকৰ্ষণ কৰিব পৰা নাছিল। সেইবাবে জনসাধাৰণৰ উদ্দেশ্যে চমৎকাৰপূৰ্ণ কাহিনীৰে পৰিপূৰ্ণ নানা আখ্যান ৰচনা কৰা হ'ল আৰু উপাস্য দেৱতাসকলকো যোগৰ লগত জড়িত কৰি পেলোৱা হ'ল। ব্ৰহ্মা, বিষ্ণু, শিৱ, শক্তি বা দেৱী সকলোৱেই যোগবিদ্যাৰ লগত জড়িত দেৱতা হৈ পৰিল।

উপনিষদৰ যুগতেই অনাসক্তি আৰু ত্যাগপ্ৰধান সামাজিক আদৰ্শই গঢ় লোৱা দেখা যায়। উপনিষদৰ সময়ত গঢ় লোৱা অন্যান্য সাধনমাৰ্গতো যোগৰ প্ৰভাৱ পৰিলক্ষিত হয়। গৌতম বুদ্ধই বুদ্ধত্ব লাভ কৰাৰ আগতে তপস্যা কৰিছিল। যম, নিয়ম, আসন, প্ৰাণায়াম আৰু প্ৰত্যাহাৰ এই— পাঁচ প্ৰকাৰৰ বহিৰঙ্গ তথা ধ্যান, ধাৰণা আৰু সমাধি— এই তিনি প্ৰকাৰৰ অন্তৰঙ্গসহ মুঠতে আঠ অঙ্গবিশিষ্ট যোগৰ প্ৰভাৱ কম-বেছি পৰিমাণে ভাৰতীয় সকলো সাধন-মাৰ্গতেই দেখা যায়। জৈনসকলৰ মাজত যোগৰ প্ৰভাৱ সম্ভৱতঃ বেছি প্ৰাচীন কালৰেপৰা আছিল। বুদ্ধৰ সমকালীন মহাবীৰ জিনতকৈ আগতে থকা জৈনসকলৰ প্ৰাচীন পৰম্পৰাৰ গুৰু ঋষভ, দত্তাত্ৰেয় প্ৰভৃতি যোগমাৰ্গী আছিল। যোগমাৰ্গৰ আশ্ৰয় নহ'লে দিগম্বৰ আৰু শ্বেতাম্বৰ কোনো শ্ৰেণীৰে পৰ-ব্ৰতী জৈন শ্ৰমণো নিজ সাধনাৰ আদৰ্শত আগবাঢ়িব নোৱাৰে। এনেস্থলত অনুমান হয় যে বৈদিক ধৰ্মৰ লগে লগে শ্ৰমণ বা সন্ন্যাসী সম্প্ৰদায় এটাও যোগমাৰ্গক আশ্ৰয় কৰি চলি আছিল। মহাবীৰ বা জিন বৰ্দ্ধমানৰ পাছত সেই সম্প্ৰদায়টো জৈন নামে পৰিচিত হয়। তেওঁলোকে অৱলম্বন কৰা এই যোগমাৰ্গটো আৰ্যমূলৰ নাছিল; কিন্তু ভাৰতত প্ৰাচীন কালৰেপৰা থকা দ্ৰাবিড় বা অষ্ট্ৰিক প্ৰভৃতি অন্য গোষ্ঠীৰ লোকৰ মাজত সি গা কৰি উঠিছিল। মহেঞ্জোদাৰোত পোৱা মূৰ্তিতো যোগৰ ইঙ্গিত আছে। গতিকে যোগমাৰ্গ প্ৰাকবৈদিক ভাৰতীয় সাধনমাৰ্গও হ'ব পাৰে।

যোগৰ বিবিধ সম্প্ৰদায় :— যোগমাৰ্গ যেনেদৰে প্ৰাচীন, তেনেদৰে বহু শাখা-প্ৰশাখাযুক্ত আৰু বিস্তৃতো আছিল। অতি প্ৰাচীন কালত মানৱ শৰীৰত থকা অদ্ভুত শক্তিশালী বস্তুবোৰৰ ভিতৰত মন, প্ৰাণ, বিন্দু ( শুক্ৰ ) আৰু বাক্ এই চাৰিটাৰ কথা অনেক ঠাইত পোৱা যায়। ছান্দোগ্য প্ৰভৃতি প্ৰাচীন উপনিষদ গ্ৰন্থসমূহত এই চাৰিটা বস্তুকে ব্ৰহ্ম বুলি উপাসনা কৰাৰ বিধানো আছে। এই চাৰিওটা বস্তুৰ ভিতৰৰ একোটাৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিয়েই ৰাজযোগ, হঠযোগ, মন্ত্ৰযোগ বা জপযোগ আৰু কুণ্ডলিনীযোগ প্ৰভৃতি নানা শ্ৰেণীৰ যোগসাধনাই গঢ় লৈছিল। সময়ৰ দৃষ্টিৰে চালে যোগমাৰ্গক এই চাৰিটা যুগত বিভক্ত কৰিব পাৰি :— (১) প্ৰাচীন যুগ [ খৃঃ পূঃ ৬০০ শতিকাৰ আগলৈকে ], (২) পতঞ্জলিৰ যোগদৰ্শন আৰু মহাভাৰত, পুৰাণ আদি পৌৰাণিক সাহিত্যত প্ৰচাৰ বিস্তাৰ কৰা বিস্তাৰ যুগ, (৩) তান্ত্ৰিক যুগ [ বৌদ্ধ সিদ্ধ আৰু তান্ত্ৰিক সাধনমাৰ্গত প্ৰচলিত যোগমাৰ্গ এই শ্ৰেণীৰ ], (৪) নাথপন্থী যোগমাৰ্গৰ সাম্প্ৰদায়িকতাযুক্ত যোগ।



ধৰন আস্তিক দৰ্শনৰ ভিতৰত ঠাই পোৱা যোগ দৰ্শন বা পাতঞ্জল যোগক মনৰ ওপৰত গুৰুত্ব দিয়া ৰাজযোগৰ শ্ৰেণীত ধৰা হয়। বজ্ৰযানী বৌদ্ধ তন্ত্ৰত কুণ্ডলিনী যোগৰ প্ৰাধান্য আছিল। প্ৰাণক বশ কৰাত গুৰুত্ব আৰোপ কৰা যোগ 'হঠযোগ' নামে পৰিচিত হয়। বিস্তাৰ যুগত যোগ শব্দৰ অৰ্থ বহুত ব্যাপকভাৱে গ্ৰহণ কৰা হৈছিল। গীতাত 'বিষাদ' অৱস্থাকো যোগ বুলি কোৱা হৈছে। কোনো কোনো ক্ষেত্ৰত আধ্যাত্মিক সাধনাৰ সকলো উপায় বা পদ্ধতিকে যোগ বোলা হৈছিল নেকি, এনে প্ৰশ্নও মনলৈ আহে। গতিকে যোগমাৰ্গ বুলিলে কেৱল পতঞ্জলিৰ যোগদৰ্শন বা ৰাজযোগ বুলি ধৰি ল'লে ভুল কৰা হ'ব। কুণ্ডলিনী শক্তি আৰু ষট্-চক্ৰৰ কথা পাতঞ্জল যোগত নাই; কিন্তু বেদগ্ৰাহ্য পাতঞ্জল যোগত নাথাকিলেও বেদবাহ্য অন্য যোগমাৰ্গৰ পৰা ষট্ চক্ৰ চিন্তনৰ প্ৰথা পৌৰাণিক ধৰ্মীয় ব্যৱস্থাই গ্ৰহণ কৰা দেখা যায়। এনে ধৰণৰ অনেক উদাহৰণৰ ওপৰত নিৰ্ভৰ কৰি এনে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰি যে পাতঞ্জল যোগদৰ্শনৰ পাছতো বৈদিক পৰম্পৰাৰ পৌৰাণিক ধৰ্ম গ্ৰহণ কৰাসকলে অবৈদিক যোগমাৰ্গৰ বিবিধ শাখাৰপৰা নানা উপাদান গ্ৰহণ কৰি থাকিবলৈ ধৰিলে। সেইদৰে যোগমাৰ্গীসকলেও নিজক বৌদ্ধ, জৈন আৰু পৌৰাণিক ধৰ্মত মিলাই দিলে।

মহাযান বৌদ্ধ ধৰ্মত মন্ত্ৰ আৰু হঠযোগৰ বিপুল প্ৰয়োগৰ কথা ইতিহাস গ্ৰন্থত পোৱা যায়। মদ্য, মাংস আৰু মৈথুন আদি অন্যান্য শ্ৰেণীৰ বিলাসিতাৰ প্ৰভাৱো মহাযানীসকলৰ বিবিধ শাখা-প্ৰশাখাত দেখা যায়। অন্ধবিশ্বাসী লোকক আকৰ্ষণ কৰিব পৰা জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰৰ ওপৰতো মহাযানী বৌদ্ধসকলৰ বিশ্বাস বাঢ়ি অহা দেখা গ'ল। এই দৰে মন্ত্ৰৰ ওপৰত বিশ্বাসৰ প্ৰাচুৰ্যই মহাযানৰপৰা মন্ত্ৰযানৰ সৃষ্টি কৰিলে। পণ্ডিত ৰাহুল সাংকৃত্যায়নে মন্ত্ৰযানৰ সময় খৃঃ পূঃ ৪০০ চন মানৰপৰা খৃঃ ৭০০ চনলৈকে ধৰিছে। এই সম্পৰ্কত ৰাহুলে কৈছে-- "কিছুমান যৌগিক প্ৰক্ৰিয়াৰ অভ্যাস বুদ্ধ দেৱতকৈ আগৰেপৰা মানুহে কৰি আহিছিল। বুদ্ধৰ পাছত তাৰ অভ্যাস আৰু বাঢ়িল। × × (পাছলৈ) এফালে যোগৰ সহায়েৰে মানসিক শক্তি বঢ়াবলৈ ধৰিলে আৰু আনফালে ভক্তসকলৰ মাজত শ্ৰদ্ধা বৃদ্ধি কৰিবৰ উদ্দেশ্যে নানা প্ৰকাৰৰ হঠ, ত্ৰাটক (হঠযোগত কোনো এটা বিন্দুত দৃষ্টি নিবদ্ধ কৰা ক্ৰিয়াক ত্ৰাটক বোলে) আৰু মন্ত্ৰ-তন্ত্ৰৰ প্ৰয়োগ বৃদ্ধিৰ লগত হাজাৰ হাজাৰ নতুন দেৱ-দেৱীও সৃষ্টি কৰিবলৈ লাগিল। × × × যেতিয়া তেওঁলোকে দেখিলে যে বুদ্ধৰ শিক্ষাৰপৰা তেওঁলোক বহুত দূৰলৈ আঁতৰি গ'ল, তদুপৰি মানুহ শ্ৰদ্ধাত অন্ধ হৈ পৰিছে, এনে অৱস্থাত সকলো প্ৰকাৰৰ ভোগ সুলভ হৈ পৰিছে। গতিকে তেওঁলোকে সেই সুযোগতে বিষয়-ভোগৰ সকলো সঁজুলি ব্যৱহাৰ কৰিবলৈ স্থিৰ কৰিলে। এনে স্থলত মদ্য আৰু স্ত্ৰী-সম্ভোগো আৰম্ভ হ'ল। এইদৰে মন্ত্ৰ, হঠযোগ আৰু মৈথুন এই তিনিওটা বস্তু ক্ৰমশঃ বৌদ্ধ ধৰ্মত সোমাই পৰিল। এই বৌদ্ধ ধৰ্মকে মন্ত্ৰযান বোলে।" খৃঃ ৭০০ চন মানৰ পাছত এই মন্ত্ৰযানেই খৃঃ ১২০০ চন মানলৈকে ( ইছলাম ধৰ্মৰ প্ৰভাৱ পৰাৰ সময়লৈকে ) বজ্ৰযানক মন্ত্ৰযানৰ উগ্ৰ ৰূপ বুলিও কব পাৰি। বজ্ৰযানৰ এই উগ্ৰ ৰূপটোৰ সম্বন্ধে এটা উদাহৰণ ৰাহুলৰ উক্তিৰেই দিয়া হৈছে— "মদ্য, মন্ত্ৰ, হঠযোগ আৰু স্ত্ৰী— এই চাৰিটাই বজ্ৰযানৰ মুখ্য বস্তু। চতুৰ্থ বস্তু তিৰোতাৰ ক্ষেত্ৰত তেওঁলোকে কেৱল জাত কুলৰ বিচাৰেই এৰা নাছিল, আনকি মাক আৰু ভনীয়েকৰ সম্বন্ধও পাহৰি গৈছিল। × × ×"[১] (ক্ৰমশঃ)

১ 'পুৰাতত্ত্ব নিবন্ধাৱলী'ৰ 'বজ্ৰযান ঔৰ চোৰাশী সিদ্ধ' নামৰ নিবন্ধৰপৰা উদ্ধৃত।

# টোকা

## অসমীয়া সাহিত্যত শঙ্কৰাচাৰ্যৰ চিন্-ছাপ

( ১ )

শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ প্ৰবন্ধটোত মূল কিছু খবৰকে দেখা পোৱা নাযায়। প্ৰথমতে উদ্ধাৰ কৰা 'নামঘোষা'ৰ "শোক-মোহ-মহাপঙ্ক মাজে" ঘোষাটি শ্ৰীধৰ স্বামীৰ (গীতা-) সুবোধিনী টীকাৰ "শোক-পঙ্ক-নিমগ্নং যঃ সাংখ্য-যোগোপদেশতঃ উজ্জহাৰাৰ্জুনং ভক্তং স কৃষ্ণঃ শৰণং মম ॥" (২.৭২)— এই শ্লোকৰহে অনুবাদ, সেই কথা তেখেতে মোৰ সংস্কৰণৰ 'নামঘোষা' দেখা হ'লেই গম পালেহেঁতেন।

শঙ্কৰদেৱে 'ভক্তি-ৰত্নাকৰ'ত শঙ্কৰাচাৰ্যৰ "(বিষ্ণু-) ভুজঙ্গ-প্ৰয়াত-স্তোত্ৰ"ৰপৰা দুটাকৈ শ্লোক উদ্ধাৰ কৰিছে। পঞ্চম "ভজনীয়-দেৱ-মাহাত্ম্য"ত আছে শঙ্কৰাচাৰ্যৰ নাম নোকোৱাকৈ (বোধ হয় ক'বই নালাগিছিল নেকি সেই কালত!):

ক "ভুজঙ্গপ্ৰয়াতে পৰমহংসভট্টাচাৰ্য্যেণোক্তম্ :
মুখে মন্দহাসং নখেন্দুপ্ৰকাশং
কৰে চাৰুচক্ৰং সুৰেশাভিৱন্দ্যং।
ভুজঙ্গে শয়ানং ভজে বিশ্বনাথং
হৰেৰন্যদেৱং ন মন্যে ন মন্যে ॥"

আকৌ ভক্তিপ্ৰাৰ্থনামাহাত্ম্যত দ্বিতীয় এটি শ্লোক উদ্ধৃত হৈছে :

খ লপন্নচ্যুতানন্ত গোৱিন্দ বিষ্ণো
মুৰাৰে হৰে নাথ নাৰায়ণেতি।
যথানুস্মৰিষ্যামি ভক্ত্যা ভৱন্তং
তথা মে দয়াশীল দেৱ প্ৰসীদ ॥

'ভক্তি-ৰত্নাকৰ'ৰ লগতে এই শ্লোক দুটিৰো অসমীয়া ভাঙনি হৈছিল। গোপালচৰণ দ্বিজে 'ভক্তি-ৰত্নাকৰ-কথা'ত তাক অনুবাদ কৰিছে: ক "ভুজঙ্গপ্ৰয়াত নাম স্তোত্ৰত পৰমহংস ভট্টাচাৰ্য্যে কহিছা ॥ যাৰ মুখত অল্পহাস : নখ চন্দ্ৰসম প্ৰকাশ : কৰত ৰথচক্ৰ: ব্ৰহ্মা মহেশে। জাৰ সেৱক : অনন্ত শয্যাত শয়নকাৰী : এনয় বিশ্বনাথক মঞি ভজো। তান্ত পৰে আন দেৱক নমানো নমানো।" খ "ভুজঙ্গপ্ৰয়াতত আচাৰ্য্যে প্ৰাৰ্থন্ত ॥ হে দয়াশীল : অচ্যুত : অনন্ত : গোৱিন্দ : বিষ্ণু : মুৰাৰি : হৰি : নাৰায়ণ : এৱমাদি তোমাৰ নামক : যেমনে সন্ততে স্মৰিবে পাৰো : তেমনে মোত প্ৰসন্ন হোৱা ॥"

গোপালচৰণ শঙ্কৰদেৱৰ শিষ্য; তেওঁ শঙ্কৰদেৱৰ কথা কওঁতে "তেহে, আমাক দিলাহা চক্ষু-দান, বান্ধৱ কৃষ্ণক তেহে আমাসাক চিনাইলন্ত ভক্তক কৰাইলা পৰিচয়" বুলি লিখিছে। তেৰেঁা কিন্তু শঙ্কৰাচাৰ্যৰ নাম নোলোৱাটো মন কৰিবলগীয়া। শঙ্কৰদেৱক "পৰমহংসভট্টাচাৰ্য্য" কোন, সেই বিষয়ে তেওঁ নিশ্চিত হ'ব পৰা নাছিল নেকি? শঙ্কৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱৰ ভাগিন 'কীৰ্তন ঘোষা'- সঙ্কলক ৰামচৰণ ঠাকুৰৰ অনুবাদত কিন্তু শঙ্কৰাচাৰ্যৰ নামটি আছিছে :

ক আছিল পৰমহংস ভট্টাচাৰ্য্য যতি।
নামত শঙ্কৰ তান সুনিয়ো সম্প্ৰতি।
বোলন্ত জাহাৰ মুখে সদা অল্পহাস।
হাতে চাৰু চক্ৰ ধৰি কৰন্ত প্ৰকাশ।
চাৰু নখচয় চন্দ্ৰসম প্ৰকাশয়।
দূৰ কৰে ভকতসৱৰ তাপচয় ॥
দেৱৰ ঈশ্বৰ যত ব্ৰহ্মা আদি কৰি।
তাসম্বাৰো বন্দনী হৱন্ত জিটো হৰি ॥
ভুজঙ্গ-শয্যাত জিটো শয়ন কৰন্ত।
ত্ৰিজগতপতি এক দেৱ ভগৱন্ত ॥



হেন বিশ্বনাথ কৃষ্ণকেসে কৰোঁ সেৱ।
নমানো নমানো হৰি বিনে আন দেৱ ॥
শঙ্কৰ-আচাৰ্য্য-মত ভুজঙ্গ-প্ৰয়াত।
কহিলোহো সাধুসৱ সুনিলা সাক্ষাত ॥

খ ভুজঙ্গ-প্ৰয়াতে আৰো শঙ্কৰে বোলন্ত।
গোৱিন্দ মুৰাৰি বিষ্ণু অচ্যুত অনন্ত ॥
মুকুন্দ মাধৱ কৃষ্ণ নাৰায়ণ হৰি।
ইসৱ নামক মাত্ৰ মুখত উচ্চৰি ॥
ভক্তিভাৱে অনুক্ষণ স্মৰে যেনমতে।
হয়োক প্ৰসন্ন নাথ মোত সেহিমতে ॥

মাধৱদেৱৰ 'নামঘোষা'ৰ "স্মৰহু গোবিন্দ মূঢ়" আদি ঘোষাটি অজ্ঞাত মূলৰ তলৰ শ্লোকটিৰহে অধিক ওচৰৰ : স্মৰ গোবিন্দং ব্ৰদ গোবিন্দং গোবিন্দং ভজ মূঢ়মতে। প্ৰাপ্তে সন্নিহিতে মৰণে ন হি ন হি ৰক্ষতি ডুকৃঞ্ কৰণে ॥ এই শ্লোকটিৰো মূল উৎস অৱশ্যে 'মোহ-মুদ্গৰে'ই হ'ব পাৰে। 'নামঘোষা'ৰ "যদি ভৱ-ভয়-ভঙ্গ / মনে ইচ্ছা কৰ ভাই / সদা সাধু-সঙ্গ কৰা সাৰ ॥ এক ক্ষণমানে মাত্ৰ / কেৱল সাধুৰ সঙ্গে / হোৱে নাৱ ভৱ তৰিবাৰ।" —এইটি ঘোষাৰ মূল 'মোহ-মুদ্গৰ' : ইচ্ছসি চেত্তুং ভৱভৱভঙ্গং কুৰু সজ্জনসংসাৰোঃ সঙ্গং। ক্ষণমপি সজ্জনসঙ্গতিৰেকা ভৱতি ভৱাৰ্ণৱতৰণে নৌকা ॥ সেই কালত 'মোহ-মুদ্গৰ' টোলবোৰৰ পাঠ্যক্ৰমৰ ভিতৰত আছিল যেন অনুমান হয়।

অসমৰ বৈষ্ণৱ কবিসকলে শ্ৰীধৰ স্বামীৰ ভাগৱত-ভাৱাৰ্থ-দীপিকা আৰু গীতা-সুবোধিনী টীকাৰ ওপৰত বহুল-ভাৱে নিৰ্ভৰ কৰিছিল। ১৪০০ চনমানত স্বামিপাদ শঙ্কৰাচাৰ্যৰ সম্প্ৰদায়ৰ পুৰীৰ গোবৰ্দ্ধন মঠৰ মহন্ত আছিল। তেওঁ মায়াবাদী সন্ন্যাসী হৈও ভক্তিৰ পৰাকাষ্ঠাৰ নিদৰ্শন হৈছিল। আনফালে, মূল 'ভক্তি-ৰত্নাৱলী' গ্ৰন্থৰ সঙ্কলয়িতা বিষ্ণুপুৰী সন্ন্যাসীও অদ্বৈত সম্প্ৰদায়ৰে লোক আছিল। এইদৰে অদ্বৈত সম্প্ৰদায়ত ভক্তি প্ৰৱৰ্ত্তিলেও কোনো কোনো কিম্বদন্তীত শঙ্কৰাচাৰ্যক যেনেকৈ ভক্তিৰ প্ৰৱৰ্তক ৰূপে দেখুৱাব খোজা হয়, সেইটো পণ্ডিতসকলে গ্ৰহণ নকৰে।

ড° মহেশ্বৰ নেওগ।

('পুৰণি অসমীয়া সাহিত্যত দাৰ্শনিক চিন্তাধাৰা' প্ৰবন্ধৰ সম্পৰ্কতো ড° মহেশ্বৰ নেওগে কৈছে :— 'ডক্টৰ কালীচৰণ দাসে তেখেতৰ প্ৰবন্ধৰ শেহৰ স্তম্ভত মোৰ এটা বাক্য উদ্ধাৰ কৰি দিছে, 'অসমীয়া সাহিত্যৰ শঙ্কৰোত্তৰ যুগটো শঙ্কৰী যুগৰ মাহাত্ম্যৰ ছাঁ মাথোন।' তাৰ লগে লগেই তেখেতে লিখিছে, 'তথাপি শঙ্কৰোত্তৰ যুগৰ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱ সেই যুগৰ উৎকৃষ্ট গদ্য সাহিত্য আৰু সংস্কৃত লেখক।' মোৰ মূল কিতাপমতে (অসমীয়া সাহিত্যৰ ৰূপৰেখা) কিন্তু বৈকুণ্ঠনাথ গৌৰৱময় শঙ্কৰী যুগৰহে, অৱসাদ-গ্ৰস্ত শঙ্কৰোত্তৰ যুগৰ নহয়।"

পত্ৰিকা সম্পাদক)

( ২ )

শ্ৰদ্ধেয় প্ৰবীণ সাহিত্যিক শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে যোৱা প্ৰথম সংখ্যাৰ অসম সাহিত্য সভা পত্ৰিকাত উক্ত বিষয়ে লিখা প্ৰবন্ধটি পঢ়ি সেই বিষয়ে এষাৰ জনাবলৈ আগবাঢ়িছোঁ। শৰ্মাদেৱে তেখেতৰ প্ৰবন্ধত মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ 'ভক্তি-ৰত্নাকৰ' মহা-গ্ৰন্থত শঙ্কৰাচাৰ্যৰ উক্তি দুঠাইত দি থৈ গৈছিল, এই কথা তেখেতে উল্লেখ কৰিবলৈ থাকি গৈছে। উক্ত মহাগ্ৰন্থৰ পৰমদেৱতা-মাহাত্ম্য বা ঈশ্বৰ-নিৰ্ণয়-মাহাত্ম্য আৰু ভগৱদ্ভক্তি-প্ৰাৰ্থনা-মাহাত্ম্যত শঙ্কৰা-চাৰ্যৰ বিষ্ণু-ভুজঙ্গপ্ৰয়াত স্তোত্ৰৰ যথাক্ৰমে তলত দিয়া দুটি শ্লোক আছে—

(১) মুখে মন্দহাসং নখেন্দুপ্ৰকাশং
কৰে চাৰুচক্ৰং সুৰেশাভিৱন্দ্যং।
ভুজঙ্গে শয়ানং ভজে বিশ্বনাথং
হৰেৰন্যদেৱং ন মন্যে ন মন্যে ॥

(২) লপৰচ্যুতানন্ত-গোবিন্দ-বিষ্ণো
মুৰাৰে হৰে নাথনাৰায়ণেতি ।
যথানুস্মৰিষ্যামি ভক্ত্যা ভৱন্তং
তথা মে দয়াশীল দেৱ প্ৰসীদ ॥

গতিকে, মাধৱদেৱৰ 'পুথি-চাত'ৰ উপৰিও শঙ্কৰদেৱৰ 'ৰত্নাকৰ'তেই শঙ্কৰাচাৰ্যৰ স্থান আছিল ।

সুবিজ্ঞ শৰ্মাদেৱে তেখেতৰ প্ৰবন্ধৰ আদিতে উদ্ধাৰ কৰা "শোক-মোহ-মহাপঙ্ক মাজে, অৰ্জ্জুন মগন ভৈল দেখি, পৰম ঈশ্বৰ দৈৱকী (১) নন্দনন্দন" বোলা নাম ঘোষাৰ পদটি শ্ৰীধৰ স্বামীৰ শ্ৰীমদ্ভগৱদ্গীতাৰ দ্বিতীয় অধ্যায়ৰ শেষত নিয়োজিত সুবোধিনী টীকাৰ টিপনী

"শোকপঙ্কনিমগ্নঃ যঃ সাংখ্যযোগোপদেশতঃ ।
উজ্জহাৰাৰ্জ্জুনং ভক্তং স কৃষ্ণঃ শৰণং মম ॥"

বুলি অধ্যায়টিৰ সাৰবণিত দিয়া শ্লোকৰ ভাবানুবাদহে । শ্ৰীধৰ স্বামী অদ্বৈতবাদী আছিল বুলি জনা যায় । প্ৰায় ছুশ বছৰৰ আগতে বিভুদেৱে ৰচনা কৰা 'সন্তাখ্যান' নামৰ পুথিখনিত অসমৰ চাৰিও সংহতিৰে সত্ৰসমূহৰ বিবৰণ দিয়া আছে । তাত শঙ্কৰদেৱৰ ধৰ্ম-সম্প্ৰদা সম্পৰ্কে বৰ্ণাই লিখা এই পদকেইটিত শঙ্কৰাচাৰ্যৰপৰা ক্ৰমান্বয়ে জগদীশ মিশ্ৰ, আৰু জগদীশ মিশ্ৰৰপৰা শঙ্কৰদেৱে লাভ কৰাৰ কথা এইদৰে পোৱা যায় :—

শঙ্কৰে আচাৰ্যাত হন্তে পাই ।
পদ্ম আচাৰ্যাক দিলা চুনাই ॥
পদ্মাচাৰ্যে ভট্টাচাৰ্যাত স্থিত ।
ভট্টাচাৰ্যে জগমিশ্ৰে বিদিত ॥
জগদীশ মিশ্ৰে শঙ্কৰৰ ঠাই ।
পূৰ্ণকৃষ্ণ আনি দিলা যোগাই ॥

গাংমৌ থানত শঙ্কৰদেৱক জগদীশ মিশ্ৰই পুৰীৰ জগন্নাথ মহাপ্ৰভুৰ স্বপ্নাদেশমতে শ্ৰীধৰ স্বামীৰ টীকাসহ শ্ৰীমদ্ভাগৱত ব্যাখ্যা কৰি শুনোৱাৰ পাছৰপৰাহে শঙ্কৰদেৱে ভাগৱতৰ মত প্ৰচাৰ কৰিবলৈ লৈছিল বুলি পুৰণি নিৰ্ভৰযোগ্য দৈত্যাৰি ঠাকুৰ আৰু দ্বিজ ৰামানন্দ-ৰচিত দুয়োখনি চৰিত্ৰ পুথিৰপৰা জানিবলৈ পোৱা যায় । (২) শঙ্কৰদেৱৰ ভাগৱতী ব্যাখ্যাযে শ্ৰীধৰ স্বামীৰ অনুকুল, সেইটি বঢ়াই নকলেও হয় । শঙ্কৰাচাৰ্যৰ জ্ঞানমাৰ্গৰযে শঙ্কৰদেৱৰ মতবাদৰ ওপৰত প্ৰভাৱ আছে, সেই কথা ভক্তি-ৰত্নাকৰ গ্ৰন্থৰ আনন্তৰিতে 'গুৰু-সেৱা-মাহাত্ম্য'ৰ বৰ্ণনাই সঙ্কেত দিয়ে । ভক্তি কৰিবলৈকো জ্ঞানদাতা গুৰুৰ আৱশ্যকতা শঙ্কৰদেৱৰ মতে অপৰিহাৰ্য । অৱশ্যে শঙ্কৰদেৱৰ মতবাদ পূৰ্বতন কোনো ধৰ্মাচাৰ্যৰ লগতে সম্পূৰ্ণ মিলি যোৱা পোৱা নহয়; সকলোৰে সাৰ সংগ্ৰহ

(১) "দেৱকী নন্দনন্দন' বুলিহে কোনো কোনো পুথিত পোৱা যায়, আৰু আমাৰ মনেৰে এনে পাঠহে শুদ্ধ ।
—লেখক ।

(২) "পাছে ভাগৱত, শাস্ত্ৰক পাইলন্ত, সবাতো
কৰি উত্তম ॥
ভাগৱত তত্ত্ব, জানিয়া পাছত, এৰিলা যোগ-অভ্যাস ।"
"শুনি দেৱ শঙ্কৰ ভৈলন্ত হৰষিতে ।
আৰম্ভিলা ভাগৱত শাস্ত্ৰক শুনিতে ॥
শুনিলন্ত ভাগৱত আনন্দে পৰম ।
জানিলন্ত ভাগৱত শাস্ত্ৰ নিৰুপম ॥
কৃষ্ণ-দেৱ নামধৰ্ম একান্ত শৰণ ।
সাধুসঙ্গ আকে মাত্ৰ কৰে নিৰূপণ ॥
দেখিলন্ত ভাগৱত শাস্ত্ৰৰ মহত্ব ।
× × ×
বিচাৰ কৰিয়া পাছে ভাগৱত গ্ৰন্থ ।
কৰিলন্ত শঙ্কৰে প্ৰকাশ ভক্তি-পথ ॥" (দৈত্যাৰি)
"শুনিয়া শঙ্কৰদেৱে আনন্দ লভিলা ।
তান মুখে (জগন্নাথ ওৰফে জগদীশ মিশ্ৰৰ মুখে)
ভাগৱত শুনিবে লাগিলা ॥
সেহি দিনা হন্তে ভাগৱত প্ৰচাৰিলা ।"—
(দ্বিজ ৰামানন্দ)



কৰি আনিহে তেৰাই তেৰাৰ ধৰ্মমত সংগঠন কৰিছিল । এনে কৰোঁতে সাধাৰণতে ভক্তিবাদী অন্যান্য বৈষ্ণৱাচাৰ্যৰ লগত তেৰাৰ দাৰ্শনিক মত নিমিলাও হৈছিল । শঙ্কৰাচাৰ্যৰপৰা শ্ৰীধৰ স্বামী আৰু জগদীশ মিশ্ৰ কিমান দূৰ প্ৰভাৱান্বিত হৈছিল, সেইটি অনুসন্ধান আৰু গৱেষণাৰ বিষয় । জগদীশ মিশ্ৰৰপৰা ভাগৱত শুনাৰপৰা শঙ্কৰদেৱৰ মতবাদৰ মৌলিক পৰিৱৰ্তন ঘটিছিল বুলিবলৈ যথেষ্ট থল আছে ।

শ্ৰীমোহন চন্দ্ৰ মহন্ত,
যোৰহাট ।

## স্পষ্টীকৰণৰ পাছত

পদ্মশ্ৰী অতুলচন্দ্ৰ হাজৰিকা ডাঙৰীয়াৰ ওচৰত কৃতজ্ঞ । তেখেতে তেখেতৰ কথাবোৰ 'পতান' বুলিবলৈ আমাক অধিকাৰ দিছে, আৰু আমি সেই অধিকাৰৰ ব্যৱহাৰ কৰিছোঁ । পতনুৱা কথাৰ লগত কাজিয়া নচলে । প্ৰবাদ এটা নুবুজি ঠেঁহ পতাতহে বেজাৰ পাইছোঁ ।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ।

## পত্ৰিকা সম্পাদকৰ টোকা :

( ১ )

অসম সাহিত্য সভা পত্ৰিকাৰ পঞ্চত্ৰিংশ বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশিত ড° মহেশ্বৰ নেওগৰ 'পাঠ-সমীক্ষা সম্পৰ্কত' শীৰ্ষক প্ৰবন্ধটিত যোৱা পত্ৰিকাৰ সম্বাদ-পত্ৰখনিৰ নামৰূপে লিখা 'অৰুনোদই' শব্দটো আমাৰ অনৱধানতাবশতঃ 'অৰুণোদই' ৰূপত ঠুঠাইত ছপা হৈছে । তাৰ বাবে আমি দুঃখিত ।

( ২ )

অসম সাহিত্য সভা পত্ৰিকাৰ চতুস্ত্ৰিংশ বছৰৰ তৃতীয় সংখ্যাত প্ৰকাশিত ড° লক্ষ্মী দেৱীৰ 'প্ৰকৃত দেশদ্ৰোহী কোন : এটি সমালোচনা' শীৰ্ষক প্ৰবন্ধ সম্পৰ্কত প্ৰতিবাদমূলক ভালেকেইটা প্ৰবন্ধ আমাৰ হাতত পৰিছেহি যদিও এনেধৰণৰ প্ৰতিবাদে অসম সাহিত্য সভা পত্ৰিকাৰ উদ্দেশ্য সাধনত সহায় নকৰে বুলি বিবেচনা কৰি এই সম্পৰ্কীয় আলোচনাসমূহৰ প্ৰকাশ বন্ধ কৰা হ'ল ।

০ ০ ০

# গ্ৰন্থ-পৰিচয়

## চিন্তা আৰু চৰ্চা

লেখক : শ্ৰীনগেন শইকীয়া
প্ৰকাশক : শ্ৰীঅম্বিকাপদ চৌধুৰী (বাণী প্ৰকাশ)
পৃষ্ঠা : ১২৬
মূল্য : ৮·০০ টকা

সাহিত্য আৰু সংসাৰ সম্পৰ্কীয় সাতোটা প্ৰবন্ধৰ সমষ্টি। ভাঠ দুটা বেটুপাতৰ মাজত পুৰণি আৰু অতি আধুনিক— শ্ৰীমন্ত শঙ্কৰদেৱৰপৰা বিশ্ৰী হিপ্পিলৈকে— বিষয় সাগ লাগিছে। প্ৰবন্ধবোৰৰ প্ৰত্যেকৰ ওজনো বেলেগ।

অসমীয়া সাহিত্যত সক গল্প, উপন্যাস, একাঙ্কিকা, তথাকথিত কবিতাৰ তুলনাত প্ৰবন্ধৰ ( essay ) প্ৰকাশ নগণ্য। প্ৰবন্ধৰ পাঠকৰ সংখ্যা বাঢ়িছে, এইটো শুভ লক্ষণ। মানুহক মূৰ খজুৱাবলৈকো অভ্যাস কৰাব লাগে।

কীৰ্তন-ঘোষা প্ৰবন্ধটো ছাত্ৰৰ কাৰণে যুগুত কৰা যেন লাগিলেও ইয়াত জানিবলগীয়া কথা ভালেখিনি সোমাই আছে। আমাৰ মহাপুৰুষসকলে নিজে কোন দাৰ্শনিক ধৰাধাত ( school ) পৰিব পাৰে, সেই সম্পৰ্কে নিজে চিন্তা কৰা নাই; তেনেদৰে চিন্তা কৰোঁতাকো উৎসাহ নিদিয়াৰ প্ৰমাণ আছে। তেওঁবিলাক একশৰণীয়া ভক্ত, এয়ে যথেষ্ট। বঙ্গদেশৰ বৈষ্ণৱ পণ্ডিতসকলে বৃন্দাবনত বহি বহি ভাবে ভাবে পুথি লিখিলে চৈতন্য-প্ৰচাৰিত ধৰ্মৰ দাৰ্শনিক তত্ত্বৰ ব্যাখ্যা-বিশ্লেষণ কৰি। অসমত তেনে প্ৰতিক্ৰিয়া নঘটিল।

অসমৰ মহাপুৰুষসকলে ভাগৱত পুৰাণক চেৰাই একো নতুন কথা সংযোজন কৰিবলৈ সাহ নকৰিছিল। ই অসমীয়া বৈষ্ণৱ সাহিত্যৰ গুণ, ইয়াতে তাৰ সীমাবদ্ধতাও। ভাগৱত বা ভক্তি-শাস্ত্ৰৰ অনুকূল গ্ৰন্থৰ সম্পূৰ্ণ অনুগত অনুবাদ আমাৰ বৈষ্ণৱ সাহিত্যৰ সৰ্বস্ব বুলিব পাৰি। অনুবাদত ভাষাৰ শক্তি-সৌন্দৰ্য আছে। সেই কালত ওবেষা-বাৰাণসী আদিত প্ৰসিদ্ধি লাভ কৰা জয়দেৱ কবিৰ প্ৰভাৱো অলপ থাকিব পাৰে, ক্ষেমেন্দ্ৰৰো ক্ষীণ প্ৰভাৱ আহিব পাৰে। আমাৰ পুৰণি কবিতা সাহিত্যৰ বুৰঞ্জীক অসমীয়া সঙ্গীতৰ বুৰঞ্জী বুলিলেও দায় নাই। কীৰ্তনৰ প্ৰত্যেক পদৰ শিৰত থকা ৰাগৰ গুৰি ক'ত? দেশী নে মাৰ্গ? ঘোষাৰ নাম-ছন্দবোৰ এক?

ধৰ্মীয় আৰু সাম্প্ৰদায়িক সাহিত্যত বিশ্বজনীন আবেদন ধৰা টান, শক্তিমন্ত দূৰদীপৰ আৱশ্যক। এনে দূৰদীপ সকলোৱে সংগ্ৰহ কৰিব নোৱাৰে। সাহিত্যৰ আবেদন গাত লগা (immediate) হ'ব লাগে, ধৰ্মীয় সাহিত্যত এই immediacy বা সান্নিধ্য লাভ কৰা সকলোৰে পক্ষে সম্ভৱ নহয়। Immediacy আৰু বিশ্বজনীনতা আমাৰ বৈষ্ণৱ সাহিত্যত কিমানখিনি পাব পাৰি, তাৰো সূক্ষ্ম আলোচনাৰ থল আছে। অলঙ্কাৰপাতি আৰু কাপোৰ-কানিয়ে ভিতৰটোৰ কথা নকয় বৰকৈ। ধৰ্মশাস্ত্ৰত বৰ্ণনা কৰা সুখ-দুখবোৰ দেৱতাৰ, তাক কোনোৱে মানবীয় কৰি লব পাৰে— "দেৱতাৰে প্ৰিয় কৰি।" নোৱাৰিলে ঢুকিব নোৱাৰি।

নামঘোষাত কৃষ্ণ-উপাসনা (যষ্ঠপতি) তথা নামধৰ্মৰ অনুকূল বিভিন্ন শ্লোক নানা শাস্ত্ৰৰপৰা সংগ্ৰহ কৰি শক্তিমন্ত অসমীয়া পদ কৰি থৈছে। কৰ্মৰ ওপৰত ভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপাদন এই ঘোষাসমূহৰ এটা উদ্দেশ্য। Polemic নহ'লেও তৰ্কপ্ৰধান। কথাখিনি গদ্যতো লিখিব পাৰিলেহেঁতেন; — পদ্যত লিখিছে যুগধৰ্ম অনুসৰি তত্ত্ব বুজাবলৈ প্ৰয়াস কৰি। ঠায়ে ঠায়ে ভক্ত কবিয়ে নিজৰ হিয়া ভৰাইকে উদঙাই দিছে; সেইখিনি মৰ্মস্পৰ্শী আৰু সম্পূৰ্ণ লিৰিকেল, পেথনেট্।

অসমৰ বৈষ্ণৱ সাহিত্যই সৰ্বভাৰতীয় কৃষ্ণ-উপাসনাৰ সাহিত্যৰ লগত অসমীয়াৰ সংযোগ সাধন কৰিলে দকৈ আৰু বহলকৈ। ভাৰতীয় দৰ্শনৰ শব্দৰ লগত অসমীয়াৰ পৰিচয় ঘটালে। History of poetry, with little exception, is the history of poetic diction— কবিতাৰ বুৰঞ্জী কবিতাত ব্যৱহৃত শব্দ বা শব্দসমষ্টিৰ বুৰঞ্জী বুলিব পাৰি; অলপ ব্যতিক্ৰম থাকিব পাৰে। দাৰ্শনিক শব্দবোৰে সমাজতত্ত্বে কিবা অনুসন্ধিৎসাৰ সৃষ্টি কৰিলে, এনে কথা কোৱা টান। থাপনাত থৈ সেৱা কৰিছোঁ, পুণ্য হৈছে। সামন্তচৰণৰ পদ গাই সবাহত মাহ-চাউল মোকোলাইছোঁ, লাভ হৈছে। বেজবৰুৱাই হৰমোহনৰ ফুলৰ বৰ্ণনা ইটালিৰ বেনেছ'া চিত্ৰকৰৰ চিত্ৰকৰ্মৰ লগত বিজাইছে। বং পাইছোঁ, পুলকিত হৈছোঁ।

গীতাৰ শেষৰ ফাললৈ গীতা-বচকে নিজৰ সিদ্ধান্তক সকলোৰে ওপৰত জাপি দিবলৈ বুলি ঐশ্বৰিক আদেশৰূপে দাবি ধৰিলে, মানুহৰ স্বাধীন চিন্তালৈ একো নাৰাখিলে, স্বাধীন চিন্তাৰ মূৰত মুদ্গৰ হানিলে। আংশিক আৰু ক্ৰমবৰ্দ্ধমান জ্ঞানক সম্পূৰ্ণ আৰু শেষ (final) বুলি বিশ্বাস কৰোৱা আৰু কৰা বুৰঞ্জীত হৈয়ে আহিছে। ইয়াৰ গুণত বা দোষত নিজৰ ঐতিহ্যত থকা যুক্তিযুক্ত আৰু ভাল কথাখিনিকো ভাল বুলি চিনিব নোৱাৰা হয়। বুৰঞ্জীৰ ইও এটা ট্ৰেজেডি। অনুষ্ঠান আৰু ব্যক্তি one dimensional (একমাত্ৰিক) হ'লেই মৰে।

আজিকালি অসংখ্য সক গল্প কাকত-পত্ৰত ওলায়; এনে এটা বিদেশী গল্প কেতিয়াবা ৰেল-জাহাজত পঢ়া মনত পৰে। কথাটো এনে :— এখন জাহাজৰপৰা বহুত যাত্ৰী নামি বালিয়ে বালিয়ে খোজ কাঢ়ি ৰেলত উঠিবলৈ গৈছিল। সেই সময়ত প্ৰবল ধূলি-ধুমুহা; চকু মেলিব নোৱাৰি, নিজৰ গাটোকে নেদেখি। অন্ধীভূত পতিয়ে আন এজনৰ পত্নীৰ হাতত ধৰি গৈ-আছে; সেইদৰে এগৰাকী ভাৰ্যাই আনৰ পতিৰ হাতত ধৰি গৈ আছে। ৰেল ধৰিব লাগে। গল্পটোৰ পাছত বোধহয় ভ্ৰান্তি-নিৰসন হৈছে। পাহৰিলোঁ, বহুত দিনৰ কথা।

"ফিৰে দাও সে অৰণ্য, লহ এ নগৰ" বুলি ৰবীন্দ্ৰনাথে প্ৰথম জীৱনত কৈছিল। পাছলৈ তেওঁ ইউৰোপ ভ্ৰমণক তীৰ্থযাত্ৰা বুলিছে (পথেৰ সঞ্চয়)। মহাত্মা গান্ধীয়ে ইয়ং ইণ্ডিয়াত (১৯২০) মন্তব্য কৰিছিল — ভাৰতৰ inert মানুহতকৈ পাশ্চাত্যৰ উদ্যমশীল জনসাধাৰণহে তেওঁৰ প্ৰৱৰ্তিত আন্দোলনত অংশ গ্ৰহণ কৰিবৰ উপযুক্ত। "কৰ্ময়োপাত্ৰ মোহিতাঃ"।

নগেন শইকীয়াৰ চন্দ্ৰধৰ বৰুৱা সম্পৰ্কীয় ৰচনা বেলেগ পুস্তিকাৰূপেও প্ৰকাশ কৰিলে বেয়া নহয়। সাহিত্যৰথীদেৱৰ জন্মশতবাৰ্ষিকী উপলক্ষে উলিয়াব পৰা প্ৰবন্ধ। চন্দ্ৰ বৰুৱাৰ সাহিত্য-কৃতিত্বতকৈও তেখেতৰ মধুৰ ব্যক্তিত্ব এটি অনুষ্ঠান আছিল। তেখেতৰ বিষয়ে লিখা জীৱনী আৰু ৰচনাত এই delightful figure-টি স্পষ্টকৈ কোনেও তুলিব পৰা নাই যেন লাগিছে। যি লোক কাৰো উদ্বেগৰ কাৰণ

নহয়, যিজন নিজেও কাৰোপৰা উদ্বিগ্ন নহয়, এনে ব্যক্তি আছিল চন্দ্ৰ বৰুৱা। চাহবাগিচাৰ কলঘৰৰ ঘেৰ্ঘেৰণি, মজদুৰ কৰ্মীৰ চিঞৰ-বাখৰ আৰু আনুষঙ্গিক হুলস্থুলৰ মাজতো পকেট গীতা এখন আগত লৈ ক্ষন্তেকাল নিৰ্লিপ্ত হৈ থাকিব পৰা লোক এইজন আছিল। তেনে ব্যক্তি আজি-কালি অতি কম। তেখেতৰ সাহিত্যকৰ্মৰ স্থায়িত্ব কম হ'ব পাৰে; কিন্তু 'গীতাৰপৰা মাছলৈকে' থকা 'ৰঞ্জন' আৰু তেখেতৰ খেমেলাৰ নাট অসমীয়া সাহিত্যৰ বুৰঞ্জীত বাদ নপৰিব।

অসমীয়া গল্প সাহিত্য আৰু আধুনিক উপন্যাসৰ বিষয়ে লিখা প্ৰবন্ধ দুটিতো তথ্যৰ সম্ভাৰ আছে। প্ৰথম গল্প লিখক হিচাপে শৰৎ চন্দ্ৰ গোস্বামীৰ নাম সৰু গল্পৰ ইতিহাসত বাদ দিব নোৱাৰি; তেখেতৰ দুটিমান গল্পত সৰু গল্পৰ 'কায়দা' আছে। মিতভাষী, ব্যঞ্জনাধৰ্মী। আমাৰ সৰহভাগ উপন্যাস-গল্পত প্ৰচাৰৰ প্ৰলোভন আছে, সংস্কাৰৰ উৎসাহ আছে। এই ভাগটো এতিয়াও দুৰ্বল। আমাৰ সাহিত্যিক মানেই শিক্ষক,-- স্কুল-কলেজৰ। বৃহৎ বাস্তৱ জীৱনৰ বুকুত সোমাব পৰা লোকে লিখিবলৈ নোলোৱালৈকে জীয়া আৰু তেজাল সাহিত্য নোলাইছে। নিৰাশ হোৱা নাই,— ভূমিকম্প কেতিয়া আহে ক'ব নোৱাৰি: অৰণ্যে মটৰ আৰু বাছে ঘৰ-দুৱাৰ প্ৰতি মুহূৰ্তে কঁপাই আছে। ইতিমধ্যে ছপাশালৰ পৰাকীয়েও ভাতমুঠি খাওক, প্ৰকাশন উদ্যোগো বৈ থাওক। চাউলো সিজিব, মিজিবো ব'ব।

'চিন্তা আৰু চৰ্চা'ৰ দৰে প্ৰবন্ধ আৰু ওলালে ভাল। মনৰ জড়তাও জোকাবিব লাগে। তথ্যও জনাব লাগে।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা।

ৰঙা জিয়ৰী।

লেখক: শ্ৰীমহিম বৰা।

প্ৰকাশক: গুৱাহাটী বুক ষ্টল।

পৃষ্ঠা: ৪৭।

মূল্য: ৩·০০ টকা।

মহিম বৰাযে এজন কবি, আৰু এমুঠি সাৰ্থক কবিতাৰ কবি, সেই কথা বহুসময়ত মনত পৰিবই নোখোজে। কাৰণ, বৰাৰ জনপ্ৰিয় পৰিচয় সাৰ্থক চুটিগল্পকাৰ স্বৰূপে। ষাঠিৰ দশকত গ্ৰন্থাকাৰে ওলোৱা 'কাঠনিবাৰী ঘাট' নামৰ সঙ্কলনটিয়ে অসমীয়া আধুনিক চুটিগল্পৰ বুৰঞ্জীত এটি স্মৰণীয় নাম সংযোগ কৰি দিলে। তাৰ পাছতো তেখেতে গল্প লিখিছে, আৰু তেখেতৰ গল্পৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিয়েই গল্প লিখিছে। মাজে মাজে হাস্যৰসাত্মক বুদ্ধিদীপ্ত গল্প লিখিছে আৰু উপন্যাসো লিখিছে।

যি মিতবাক, ব্যঞ্জনাময় আৰু ৰসঘন বৰ্ণনা-ৰীতিয়ে চুটিগল্পক সাৰ্থক কৰি তোলে, দক্ষ চিত্ৰকৰৰ হাতৰ তুলিৰ স্পৰ্শই যিদৰে এটি ৰূপৰ ভাব আৰু ভাবৰ ৰূপ ফুটাই তোলে,— তেনে চিত্ৰময়, ব্যঞ্জনাদীপ্ত ৰচনা-ৰীতিৰ মাজত নিশ্চয় এটি কবিতাৰ আস্বাদ সহজেই পাব পাৰি। মহিম বৰাৰ গল্পৰ মাজতো তেনে কবিতা বিচাৰি উলিয়াবলৈ ৰসজ্ঞ পাঠকক দেখুৱাই দিব নালাগে। আৰু এটা কথা কৈ দিব নালাগে যে তেওঁৰ গল্পৰ উপমা আৰু চিত্ৰৰ মাজত চিনাকি জগত এখনৰ লগত থকা সহজ, নিবিড় সম্পৰ্কৰ কবিত্বময় অভিব্যক্তিয়েই নতুন অৰ্থ লৈ ধৰা দিয়েহি।

'ৰঙা জিয়ৰী' নামৰ তেখেতৰ ১৯৫৭-ৰপৰা ১৯৭৬ চনৰ ভিতৰত লিখা ২৯ টা কবিতাৰ প্ৰথম সঙ্কলনটি হাতত লৈয়েই গল্পকাৰ বৰালৈ মনত পৰাৰ কাৰণ



আছে। কাৰণ এয়ে যে— তেখেতৰ গল্পৰ দৰে তেখেতৰ কবিতাৰ পৃথিৱীখনো কবিৰ একান্ত নিবিড় আত্মিক অনুভূতিৰ পৰিধিয়ে সামৰি থৈছে; শব্দচয়ন, উপমা, চিত্ৰকল্পতে কেৱল নহয়, বিষয়-বস্তুৰ মাজতো আছে পৰিচিত জগতৰ ব্যঞ্জনাময় ৰূপৰ ৰসঘন প্ৰকাশ। আন বিষয়ত তুলনা নহ'লেও উপমা, চিত্ৰকল্প আদিৰ উৎস সন্ধান কৰিলে জীৱনানন্দৰ লগত সাদৃশ্য অনুভৱ কৰিব পাৰি। —ফিঙা দাড়ি বাগ টানে বহিকৰবাই, আবেলিটো বহি থাকে এগোছা ঘঁাহত, শৰালিৰ নীড় যেন তোমাৰ এযুৰি চকু, আৰু এনা লাগুৰিটো যেন থিয় হৈ আছে ইতিহাস, জিকাৰি জিকাৰি নাচে কেঁতুৰিৰ গোৰ, বালিমাহীৰ ফিছাত মন্দ্ৰ কঁপিছিল ছেকেণ্ডৰ কাঁইটৰ দৰে, জিয়ৰীৰ পাখিয়ে তোলা ৰৰণী-পুতাৰ কঁপনিত, সিপাৰৰ ৰোৱোণৰ নিৰ্মম শুভ্ৰতা— ইত্যাদি এনে ধৰণৰ অনেক উপমা আৰু চিত্ৰকল্পৰ মাজত পৰিচিত প্ৰকৃতি-জীৱনৰ প্ৰকাশ সহজেই অনুভৱ কৰিব পাৰি।

বৰাৰ কবিতাক কোনো বিশেষ জীৱন-জিজ্ঞাসাই নিয়ন্ত্ৰণ কৰা নাই; বৰং কবিৰ কোনো একোটা মুহূৰ্তত যেন খোৱা সৌন্দৰ্য-বোধৰ দৃষ্টিত ধৰা পৰা একোটি বিষয়ে যিভাৱে তেওঁৰ আবেগত আলোড়ন তুলিছে, তেওঁৰ কবিতা তাৰেই সংহত প্ৰকাশ। সেইবাবেই তেওঁৰ কবিতা খণ্ডিত উপলব্ধিৰ একো একোটি প্ৰকাশ স্বৰূপেই গণ্য হ'ব পাৰে। বহুসময়ত এনে উপলব্ধিৰ মাজত ৰোমাণ্টিক আবেগৰ সংযত পদধ্বনি আৰু নষ্টালজিয়াবোধৰ অনুৰণন শুনিবলৈ পোৱা যায়: বসন্ত আহিব মাৰ এই বাটেদিয়ে / বাট ঘাট চিকণাই কলপুলি পোতা, জাকানিৰ আবীৰৰ ৰঙা বোল লগা / তেওঁ যেন ৰজাঙনা কোনোবা নায়িকা, কুলিটোৱে মাতি উঠে কলিজা বিদাৰি, উৰি যায় জাকে জাকে ফুটুকী পখিলা / ফাগুনীৰ জঁয়পৰা ফুলনি নেওঁচি, মোৰ হাড় মোৰ অস্থি মজ্জাৰ সাৰেৰে তোক / সেউজীয়া কৰি / কুঁহি খোৰ এটি হৈ উভতিম কোলালৈ তোৰেই দুৱৰি, নেঘেৰী খোপাত ফুলা নাহৰ কপৌয়ে পৈপাটিকা বজালে গগনা / সুহুৰি সুৰত হ'ল তাল-ফাল আৱল মঞ্জিয়া......, নগতি নগতি পহা কাঞ্জিপুৰী শাড়ীৰ আঁচল / বেজওৱাড়া ষ্টেশনৰ / ৰেচম পিচল চকু পাৰিজাত পাটনায়িকৰ, ফুটুকা-ফুটুকী প্ৰেমে বুটা বাছে জিকমিক / মন চেলেঙত, বদালি তোমাৰ চুমাৰ উমেৰে / জীৱন আমাৰ শ্যামল কৰা / স্বপ্নৰ তোমাৰ দীপ্তিৰে চুই / আকৌ আমাক বালক কৰা...., মানসৰ মোহনাত স্তৰে স্তৰে মোৰ / গঢ়ি যায় স্মৃতি-চৰ বহু বাসনাৰ— ইত্যাদি অনেক পংক্তি উদাহৰণ স্বৰূপে বাছি উলিয়াব পাৰি। তদুপৰি তেওঁৰ বিষয়-বস্তুসমূহেও তেওঁৰ কল্পনা আৰু ভাব-জগতৰ আভাস প্ৰথমেই দিব পাৰে।

তথাপি তেওঁ আধুনিক কবি। কাৰণ, তেওঁৰ কবিতাত যন্ত্ৰ-জীৱনৰ যন্ত্ৰণাৰ কৰ্কশ ধ্বনিৰ সলনি শান্ত-স্নিগ্ধ সুখ আৰু আনন্দৰ সঙ্কেত থাকিলেও, তেওঁৰ কবিতাৰ প্ৰকাশ-ৰীতিত বা তেওঁৰ কবিতাৰ নিৰ্মিতিত বা তেওঁৰ কবিতাৰ স্থাপত্যত মিতবাক্ ব্যঞ্জনাৰ দীপ্তি প্ৰতিফলিত। 'দৃষ্টি', 'পৃথিৱী', 'সৰু মানি-মুনি', 'মাছ', 'ভৰলী পাৰৰ আবেলি', 'ৰঙা জিয়ৰী', 'অনুৰ্বৰা' আদি কেইটিমান কবিতাৰ মাজেৰে বৰাৰ কবি-প্ৰতিভাই স্ব-প্ৰকাশ লাভ কৰিছে।

বৰাৰ অনুজ দলৰ এগৰাকী প্ৰতিষ্ঠিত কবিয়ে লিখা নাতি-দীৰ্ঘ ভূমিকাত তেখেতৰ কবিতাৰ বিশেষত্বৰ ইঙ্গিত দিছে।

কবিতাৰ আধাৰশিলা বুদ্ধি নহয়, বোধ। বৰাৰ সেই ভেটিটো আছে; সেই বোধৰ বৌদ্ধিক উত্তৰণৰ বাবে কবিৰকণীয়া সযত্ন প্ৰয়াসৰ সলনি, অনেক কবিতাত

আবেগ আৰু কল্পনাৰ সহজ প্ৰকাশ ধ্বনিত। তেনে কবিতাৰ মাজত শেষ ৰোমাণ্টিকতাৰ পদধ্বনি অনুৰণিত। বুদ্ধিদীপ্ত ৰসগ্ৰাহী আধুনিক মনৰ বাবে তেনে পদধ্বনি আমনিদায়ক হ'ব পাৰে। তথাচ যি কেইটি আঙুলি-মূৰত গণিব পৰা সাৰ্থক কবিতা তেখেতে সৃষ্টি কৰিছে, সেই কেইটিয়েই তেখেতৰ যথাৰ্থ কবি-প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে,— সেই বিষয়ে দ্বিমত হ'বলগীয়া নাই।

শ্ৰীনগেন শইকীয়া।

প্ৰাপ্তি-স্বীকাৰ :

১। মইনা মালীৰ মেলৰ মিঠৈ
লেখক : শ্ৰীলক্ষ্মীচন্দ্ৰ গোস্বামী
প্ৰকাশক : শ্ৰীগিৰীশচন্দ্ৰ গোস্বামী
মূল্য : ২·৫০ টকা

২। সাহিত্য সমন্বয় ( পঞ্চম খণ্ড )
সম্পাদক : শ্ৰীচিত্তৰঞ্জন চৌধুৰী
প্ৰকাশক : কোকৰাঝাৰ সাহিত্য সভা
মূল্য : ৩·০০ টকা

৩। নৱজ্যোতি
লেখক : মোঃ নৌছাদ আলী
প্ৰকাশক : মঃ পিয়াৰ আলী
মূল্য : ২·৫০ টকা

৪। ওদালগুৰি সাহিত্য সভা পত্ৰিকা ( ৩য় প্ৰকাশ )
সম্পাদক : শ্ৰীদ্ৰোণকুমাৰ উপাধ্যায়
প্ৰকাশক : ওদালগুৰি সাহিত্য সভা
মূল্য : ৩·০০ টকা

৫। শিৱসাগৰ জিলা সাহিত্য পৰিষদৰ মুখপত্ৰ ( উদ্বোধনী সংখ্যা )
সম্পাদক : শ্ৰীসোণাৰাম বৰুৱা
প্ৰকাশক : শ্ৰীকৃষ্ণকুমাৰ মিশ্ৰ
মূল্য : ( অনুল্লেখিত )

৬। জোনাকী : ১ম বছৰ, ২য় সংখ্যা
( শিলচৰ সাহিত্য সভাৰ মুখপত্ৰ )
সম্পাদক, প্ৰকাশক : শ্ৰীনিৰঞ্জন মহন্ত
মূল্য : ৩·০০ টকা

৭। ত্ৰিশূল
লেখকত্ৰয় : কনক গগৈ, নবেন হাজৰিকা, ক্ষীৰোদ গগৈ
প্ৰকাশক : মৰাণ লেখক সন্থা
মূল্য : ২·০০ টকা

৮। মোৰ দুচকুত ভাঁহে
লেখক : শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দাস
প্ৰকাশক : গোলোক সাহিত্য মন্দিৰ
মূল্য : ৩·৫০ টকা

৯। কামাখ্যা তীৰ্থ
লেখক, প্ৰকাশক : শ্ৰীধৰণীকান্ত দেৱশৰ্মা বৰপূজাৰী
মূল্য : ২·৭৫ টকা

১০। বন্ধু
লেখিকা : শ্ৰীমতী সৌজন্যময়ী ভট্টাচাৰ্য
প্ৰকাশক : শ্ৰীদীপকৰাম ভট্টাচাৰ্য
মূল্য : ৩·০০ টকা

১১। সাহিত্য-সংস্কৃতিৰ প্ৰবাহ ( ২য় খণ্ড )
লেখক, প্ৰকাশক : শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
মূল্য : ১০·০০ টকা

১২। ৰাতি ফুলা ফুল
লেখক : শ্ৰীমহিম বৰা
প্ৰকাশক : ফ্ৰেণ্ডছ বুক এজেন্সি, গুৱাহাটী
মূল্য : ৬·০০ টকা

১৩। সাগৰ তীৰ্থ আৰু পূৰ্ণকুম্ভ
লেখিকা : শ্ৰীমতী নিৰুপমা কটকী
প্ৰকাশক : শ্ৰীশিৱপ্ৰসাদ কটকী
মূল্য : ১২·০০ টকা

০ ০ ০

# অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

## কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশন

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

২১।৪।৭৮ : সন্ধ্যা ৬ বজা

উপস্থিত সদস্যৰ চহী : ( সৰ্বশ্ৰী ) যোগেশ দাস— উপ-সভাপতি, যোগেন্দ্ৰনাৰায়ণ ভূঞা — পত্ৰিকা সম্পাদক, নগেন শইকীয়া — ধনভঁৰালী, ড° নিৰ্মলপদ চৌধুৰী — সহকাৰী সম্পাদক ( গুৱাহাটী ), বসন্তকুমাৰ গোস্বামী — সহকাৰী সম্পাদক ( যোৰহাট ), মহেশ-চন্দ্ৰ ভট্টাচাৰ্য — ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিৱ, বীৰেন বৰকটকী, দেউৰাম তাছা, প্ৰেমময়ী দাস, মতিলাল বৰ্মণ, সতীশ চন্দ্ৰ চৌধুৰী, ভৱানীপ্ৰসাদ অধিকাৰী, গোবিন্দচন্দ্ৰ পৈৰা, পোনাৰাম বৰুৱা, মোহনচন্দ্ৰ ভূঞা, ইন্দ্ৰপ্ৰসাদ শইকীয়া, আব্দুল মালিক চৌধুৰী, আব্দুছ ছাত্তাৰ, লীলা গগৈ — প্ৰধান সম্পাদক।

নিমন্ত্ৰিতসকল — ( সৰ্বশ্ৰী ) যতীন্দ্ৰনাথ গোস্বামী, দেৱপ্ৰসাদ বৰুৱা, ড° হেমন্তকুমাৰ শৰ্মা, পদ্মিত্ৰ বৰা, হেমচন্দ্ৰ ভঁড়ালী, ভৃগুৰাম দাস, অৰুণচন্দ্ৰ গোস্বামী, ভিখেশ্বৰ শৰ্মা, প্ৰকাশ গোস্বামী, অমল ৰাজখোৱা, দেৱেশ্বৰ শইকীয়া।

১। সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰীয়ে শাৰীৰিক অসুস্থতাৰ বাবে উপস্থিত থাকিব নোৱাৰাত উপ-সভাপতি শ্ৰীযোগেশ দাসে সভাত সভাপতিত্ব কৰে। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা আৰু শ্ৰীৰাজেন ৰাভাই উপস্থিত থাকিব নোৱাৰে বুলি জনায়।

২। সভাই বিশ্ববিখ্যাত ঢোলবাদক মধাই ওজা আৰু আজীৱন সভ্য শ্ৰীচেনীলট গোহাঁইৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু এক মিনিট সময় মৌন হৈ মৃতকৰ আত্মাৰ সদগতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

৩। প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে কাৰ্যনিৰ্বাহক সদস্যসকলৈ স্বাগত সম্ভাষণ জনায় আৰু সদস্য-সকলক পৰিচয় কৰাই দিয়ে।

৪। বিদায়ী প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰে পাৰ হৈ যোৱা বছৰটোত তেওঁক সহায়-সহযোগ কৰি কামত আগবাঢ়িবলৈ সুবিধা দিয়াৰ বাবে কাৰ্য-নিৰ্বাহকৰ সদস্যসকলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

৫। প্ৰাক্তন প্ৰধান সম্পাদকে পূৰ্ববৰ্তী বৈঠকৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে। শ্ৰীনগেন শইকীয়াই আঙু-লিয়াই দিয়া কেইটামান খুঁত সম্পৰ্কে আলোচনা কৰি সমিতিয়ে তলত দিয়া সংশোধনিৰে কাৰ্যবিৱৰণি গ্ৰহণ কৰে।

(ক) ২য় পৃষ্ঠাৰ ৫ (ঘ) অংশটো সম্পূৰ্ণৰূপে বাদ দি ৬ পৃষ্ঠাৰ ২নং ছেদৰ অন্তত "ড° নিশিপদ চৌধুৰী, ড° হেমন্তকুমাৰ শৰ্মা আৰু শ্ৰীৰামচৰণ ঠাকুৰীয়াক উক্ত দহ হাজাৰ টকা অনুদান দিবলৈ চৰকাৰৰ লগত প্ৰয়োজনীয় যোগাযোগ কৰিবৰ বাবে দায়িত্ব অৰ্পণ কৰে",

(খ) ১০ নম্বৰ দফাৰ (ঙ) বিষয়টোত "মুদ্ৰণ আৰু অলঙ্কৰণৰ বাবে ছয়োখন পুথিৰ প্ৰকাশকক বটাৰ সমনি শলাগনি-পত্ৰ দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে",

(গ) ১২ নম্বৰ দফাৰ ৪ নম্বৰ শাৰীটোত "প্ৰতিশ্ৰুতি দি অহা সত্বেও আৰু প্ৰয়োজনীয় নিৰ্দেশ আদি দি অহা সত্বেও প্ৰশাসনত যথাৰ্থতে বিবেচনা হোৱা নাই",

(ঘ) ১৩ নম্বৰ দফাৰ ১ (ক) সিদ্ধান্ত ৮ নম্বৰ শাৰীৰ "অনুভৱ কৰে" এই বাক্যাংশৰ ঠাইত "আশা কৰে" হ'ব।

৬। সমিতিয়ে উপসমিতিসমূহৰ ক্ষমতা আৰু কাৰ্যপৰিচালনা নীতি নিৰ্দ্ধাৰণৰ কাৰণে প্ৰয়োজনীয় উপবিধি প্ৰণয়ন কৰিবলৈ প্ৰধান সম্পাদক, সহকাৰী সম্পাদক আৰু কোষাধ্যক্ষক লৈ এখনি উপসমিতি গঠন কৰি দিয়ে।

৭। ভূতপূৰ্ব প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰে বিষয়-বাহনী সভাৰ কাৰ্য-বিৱৰণি উত্থাপন কৰি অৱগত কৰায় আৰু প্ৰস্তাৱসমূহ যথাস্থানলৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে বুলি সভাক জানিবলৈ দিয়ে।

৮। পূৰ্ববৰ্তী বৈঠকৰ কাৰ্য-বিৱৰণিৰপৰা উদ্ভিত বিষয় সম্পৰ্কত হোৱা আলোচনাৰ অন্তত—

(ক) অভয়াপুৰী অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীজ্যোতিষ বৰুৱাৰ চিঠি পাঠ কৰা হয় আৰু ড° হেমন্তকুমাৰ শৰ্মাই অভ্যৰ্থনা সমিতিৰ লগত হোৱা আলোচনাৰ আভাস দিয়ে। সমিতিয়ে নিয়মাৱলীৰ উপবিধি ১৪ (খ) নিয়ম অনুসৰি বাৰ্ষিকী প্ৰকাশ কৰিবৰ কাৰণে অভ্যৰ্থনা সমিতিৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। আৱশ্যকীয় পৰিমাণৰ ধন হাতত নপৰালৈকে বাৰ্ষিকী ছপাশালত নিদিবলৈ সিদ্ধান্ত কৰে।

(খ) অভয়াপুৰী অধিৱেশনৰ সভাপতিৰ অভিভাষণৰ ছপা সংক্ৰান্ত টকা-পইচাৰ বেমেজালিৰ লেঠা মাৰিবলৈ লুইত প্ৰিন্টাৰ্ছক ইংৰাজী অভিভাষণৰ ছপা পুথিৰ কুটামান চানেকী অভ্যৰ্থনা সমিতিলৈ পঠাবলৈ অনুৰোধ জনাবৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(গ) প্ৰাক্তন প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰে জনায় যে যোৱা বছৰ ছপাশালত থকা পুথি টলষ্টয়, আধুনিক অসমীয়া কবিতা, অসম সাহিত্য সভাৰ ৰূপলেখাৰ হিন্দী সংস্কৰণ, নগাভূমি, অসমীয়া গল্পগুচ্ছ ছপাশালত আছে।

৯। প্ৰধান সম্পাদকে ১৯৭৮-৭৯ চনৰ বাবে আঁচনি উত্থাপন কৰে। আলোচনাৰ অন্তত সমিতিয়ে আঁচনি গ্ৰহণ কৰে।

## আঁচনি :

| বিষয় | প্ৰস্তাৱিত ব্যয় |
|---|---|
| ১। প্ৰকাশন | |
| ২। লেখক শিবিৰ | ১০,০০০·০০ |
| ৩। ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰ | ৩১,০০০·০০ |
| ৪। শতবাৰ্ষিকী উদ্‌যাপন আৰু সোঁৱৰণী বক্তৃতা | ১৫,০০০·০০ |
| ৫। সাংস্কৃতিক ভ্ৰমণ (ক) অৰুণাচল, (খ) নগাভূমি, (গ) মেঘালয়, (ঘ) মণিপুৰ, (ঙ) উত্তৰ কাছাৰ, (চ) কাৰ্বি আংলং | ২২,০০০·০০ |
| ৬। ৰাধাকান্ত সন্দিকৈ ভৱন | ৩,০০,০০০·০০ |
| ৭। সাহিত্য সভা সপ্তাহ | ৫,০০০·০০ |

১। পুথি প্ৰকাশন

### জন্মশতবাৰ্ষিকী প্ৰকাশন :



| | |
|---|---|
| ১। (ক) কালিৰাম মেধি ৰচনাৱলী (ইংৰাজী আৰু অসমীয়া) | ৩৩,০০০·০০ |
| (খ) কালিৰাম মেধি স্মৃতিগ্ৰন্থ | ১০,০০০·০০ |
| ২। ৰঘুনাথ চৌধাৰী ৰচনাৱলী | ১৫,০০০·০০ |
| ৩। নীলমণি ফুকন ৰচনাৱলী | ৩৫,০০০·০০ |
| (ক) কবিতা (খ) গদ্য | ৩০,০০০·০০ |
| ৪। দুৰ্গেশ্বৰ শৰ্মা ৰচনা-সম্ভাৰ | ৩০,০০০·০০ |

### দুষ্প্ৰাপ্য গ্ৰন্থৰ প্ৰকাশন :

| | |
|---|---|
| ১। ব্ৰণছনৰ অসমীয়া অভিধান | ৩৫,০০০·০০ |
| ২। কালিকা পুৰাণ | ২৫,০০০·০০ |
| ৩। যোগিনী তন্ত্ৰ | ১২,০০০·০০ |
| ৪। প্ৰহ্লাদ চৰিত (কালিৰাম মেধি সম্পাদিত) | ৫,০০০·০০ |

### সভাৰ প্ৰকাশনৰ পুনৰ্মুদ্ৰণ :

| | |
|---|---|
| ১। খণ্ডবাক্যকোষ | ৮,০০০·০০ |
| ২। অসমীয়া লোকগীতি | ৮,০০০·০০ |
| ৩। সাহিত্য দৰ্পণ | ১০,০০০·০০ |
| ৪। অসমৰ জনজাতি | ১০,০০০·০০ |
| ৫। সাহিত্য সমীক্ষা | ৭,০০০·০০ |
| ৬। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ১২,০০০·০০ |
| ৭। দিছ ইজ আছাম | ১০,০০০·০০ |

### সাধাৰণ প্ৰকাশন :

| | |
|---|---|
| ১। গোলাঘাট সন্মিলন বাৰ্ষিকী | ১০,০০০·০০ |
| ২। অভয়াপুৰী সন্মিলন বাৰ্ষিকী | ১০,০০০·০০ |
| ৩। তৰুণৰাম ফুকন সোঁৱৰণী বক্তৃতা | ৭,০০০·০০ |
| ৪। লেখক শিবিৰৰ প্ৰতিবেদন, ১৯৭৬,৭৭,৭৮ | ২৫,০০০·০০ |
| ৫। হেম বৰুৱা সোঁৱৰণী গ্ৰন্থ | ১৫,০০০·০০ |
| ৬। আধুনিক অসমীয়া কবিতা | ১০,০০০·০০ |
| ৭। অসমীয়া ভাষাত মধ্য এচিয়াৰ শব্দ-সম্ভাৰ | ৮,০০০·০০ |
| ৮। অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰবন্ধসমূহৰ বৰ্ণনামূলক তালিকা | ৭,০০০·০০ |
| ৯। সাহিত্য কোষ | ১৫,০০০·০০ |
| ১০। নলিনীবালা দেৱী স্মৃতিগ্ৰন্থ | ৮,০০০·০০ |
| ১১। লোক সাহিত্য সংগ্ৰহ | ১০,০০০·০০ |
| ১২। গল্পগুচ্ছ | ৮,০০০·০০ |
| ১৩। সাহিত্য সভা পত্ৰিকা | ৩০,০০০·০০ |

### জনজাতীয় সাধু :

| | |
|---|---|
| ১। সোণোৱালৰ সাধু | ৭,০০০·০০ |

### নাগামিজ পুথি :

| | |
|---|---|
| ১। নগালেণ্ড | ৮,০০০·০০ |
| ২। নগাকৌৰৱ | ৮,০০০·০০ |

### হিন্দীত অনুবাদ :

| | |
|---|---|
| ১। অসম সাহিত্য সভাৰ ইতিবৃত্ত | ৭,০০০·০০ |
| মুঠ— | ৮,৭১,০০০·০০ |

১০। (ক) সকলো পুথিৰে পাণ্ডুলিপি প্ৰধান সম্পাদকৰ যোগেদিহে ছপাশাললৈ পঠাব লাগে বুলি সভাই সিদ্ধান্ত কৰে।

(খ) 'অসমৰ জনজাতি' পুথিখন মে' মাহৰ ১৫ তাৰিখৰ ভিতৰত ড° প্ৰমোদ ভট্টাচাৰ্যই পুনৰ সম্পাদনা কৰি দাখিল নকৰিলে উক্ত পুথিখন প্ৰয়োজনীয় সম্পাদনাৰে প্ৰকাশ কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(গ) অসমৰ চাহ বনুৱা জনজাতি আৰু মেঘালয়ৰ জনজাতি সম্পৰ্কে ৰচনা যুগুত কৰিবলৈ যথাক্ৰমে শ্ৰীদেউৰাম তাছা আৰু শ্ৰীমতিলাল বৰ্মণক দায়িত্ব দিয়ে।

(ঘ) ড° মহেশ্বৰ নেওগে সম্পাদনা কৰা হস্তমুক্তাৱলী পুথিখন ছপাশাললৈ পঠোৱাৰ বাবে অনুমোদন জনায়।

(ঙ) কালিকা পুৰাণ পুথিখন অসমীয়ালৈ অনুবাদ কৰি অসমীয়া লিপিৰে প্ৰকাশ কৰিবৰ বাবে শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীক দায়িত্ব দিয়া হয় আৰু পুনৰীক্ষণ কৰিবলৈ শ্ৰীৰজনীকান্ত শৰ্মাদেৱক অনুৰোধ জনায়।

(চ) 'খণ্ডবাক্য কোষ' গ্ৰন্থখন পুনৰ্মুদ্ৰণ কৰিবলৈ শ্ৰীবদনচন্দ্ৰ বৰুৱাৰ অনুৰোধক্ৰমে গুৱাহাটীৰ বৰুৱা এজেন্সীক প্ৰকাশৰ দায়িত্ব দিবলৈ যোগাযোগ কৰিবৰ বাবে প্ৰধান সম্পাদকক কৰ্তৃত্ব দিয়া হয়। প্ৰকাশকে শতকৰা ১০'০০ টকা হাৰত ৰয়েলিটি আৰু ১০০ খন পুথি সভাক বিনামূলীয়াকৈ দিব লাগিব।

(ছ) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য পুথিখন সাৱতীয় সংযোজন আৰু সম্পাদনাৰে সৈতে শ্ৰীজ্যোতিপদ চৌধুৰীৰ অনুৰোধ অনুসৰি বাণী প্ৰকাশক দিবলৈ প্ৰয়োজনীয় যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক কৰ্তৃত্ব দিয়ে। প্ৰকাশকে শতকৰা ১০'০০ টকা হাৰত ৰয়েলিটি আৰু ১০০ খন কিতাপ সভাক বিনামূলীয়াকৈ দিব লাগিব।

(জ) 'দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনা-সম্ভাৰ' আৰু কালিৰাম মেধিৰ ৰচনাৱলীৰ ইংৰাজী ভাগটো ছপাশালৰ উপযোগী হৈছে বুলি প্ৰধান সম্পাদকে জনায় আৰু উক্ত পুথি দুখন ছপাশালত দিবলৈ অনুমোদন জনায়।

১১। প্ৰকাশন সংক্ৰান্ত ইতিমধ্যে পোৱা খনচেৰেক চিঠি প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু সমিতিয়ে তলত দিয়া ধৰণেৰে সিদ্ধান্ত কৰে :—

[ক] ৰংপুৰ সাহিত্য সভা আৰু শ্ৰীপ্ৰফুল্লকুমাৰ বৰুৱাই যুগুত কৰা পুথিকেইখন প্ৰয়োজনীয় পৰীক্ষাৰ অৰ্থে দাখিল কৰিবলৈ আৰু মনোনীত হ'লে পৰবৰ্তী কাৰ্যনিৰ্বাহকত সিদ্ধান্ত লবলৈ থিৰাং কৰে।

[খ] স্বৰ্গীয় সৰ্বানন্দ ৰাজকুমাৰে যুগুতাই থোৱা ফকৰা-যোজনাৰ পুথিখন বিহিত ব্যৱস্থা গ্ৰহণৰ অৰ্থে পাণ্ডুলিপি দাখিল কৰিবলৈ অনুৰোধ জনায়।

[গ] পূৰ্ণানন্দ শইকীয়া, ৰমণীকান্ত শৰ্মা আৰু পুৰুষোত্তম ভট্টাচাৰ্যই যুগুত কৰা গ্ৰন্থ সম্প্ৰতি প্ৰকাশ কৰিব পৰা নহ'ব বুলি জনাই দিবলৈ সম্পাদকক নিৰ্দেশ দিয়ে।

[ঘ] পূৰ্ব আঁচনি অনুসৰি অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰবন্ধাৱলীৰ বৰ্ণানুক্ৰমিক তালিকা এখন যুগুত কৰিবলৈ অধ্যাপক যতীন্দ্ৰনাথ গোস্বামীক দায়িত্ব অৰ্পণ কৰা হয়।

[ঙ] শ্ৰীপ্ৰফুল্ল বৰুৱা আৰু শ্ৰীমতী শুচিব্ৰতা ৰায় চৌধুৰীয়ে কৰা Serpant and the Rope পুথিখনৰ চম্ অনুবাদৰ প্ৰকাশন সাময়িকভাৱে স্থগিত ৰখা হয়।

১২। ১৯৭৮-৭৯ চনত কৰিবলগীয়া কামৰ আঁচনি দাখিল কৰি ৰাধাকান্ত সন্দিকৈ ভৱনত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উচ্চ গৱেষণা প্ৰতিষ্ঠান এটি গঢ় দিয়াৰ অৰ্থে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ হাতত দিয়া আঁচনি দাখিল কৰা হয় আৰু সভাই অনুমোদন জনায়।

(১৩) অসমীয়া সাহিত্যৰ 'ন-প্ৰতিভাৰ সন্ধান' শিতানত ২৫ বছৰ বয়সৰ তলৰ লোকৰ মাজত উপন্যাস আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে লিখা মৌলিক ৰচনাৰ এটা মুকলি প্ৰতিযোগিতা পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু শ্ৰেষ্ঠ প্ৰতিযোগী দুজনক গাইপতি ৩০০'০০ টকাকৈ দুটা পুৰস্কাৰ দিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। নিয়মাৱলী এই উদ্দেশ্যে গঠিত উপসমিতিয়ে কৰিব।

১৪। সভাৰ কাৰ্য পৰিচালনা কৰিবলৈ তলত নাম দিয়া সদস্যসকলক লৈ উপসমিতিসমূহ গঠন কৰা হয়।

[১] প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা উপসমিতি :— শ্ৰীদীনেশচন্দ্ৰ দত্ত, চাবুৱা কলেজ, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীঅৰুণা গোহাঁই, শ্ৰীঅৰুণ গোস্বামী, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীঅমল ৰাজখোৱা, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক। সমিতি যোৰহাটত বহিব।

[২] হৰিহৰ চৌধুৰী বঁটা উপসমিতি :— প্ৰধান সম্পাদক, সহকাৰী সম্পাদক (যোৰহাট), শ্ৰীনগেন শইকীয়া, শ্ৰীপৰীক্ষিত হাজৰিকা, ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, শ্ৰীঅশ্বিনীচৰণ চৌধুৰী। সমিতি ডিব্ৰুগড়ত বহিব।



[৩] বনমালী শইকীয়া বঁটা উপসমিতি :— সম্পাদক মাকুম সাহিত্য সভা, প্ৰধান সম্পাদক, শ্ৰীপ্ৰফুল্ল ভট্টাচাৰ্য, শ্ৰীহেৰম্ব বৰদলৈ, ড° কেশৱানন্দ দেৱগোস্বামী, শ্ৰীদেউৰাম তাছা।

[৪] অসমীয়া ভাষাজ্ঞান পৰীক্ষা সংসদ :— বিদ্যালয় পৰিদৰ্শক— (শিৱসাগৰ), শ্ৰীঅৰুণা গোহাঁই, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীমুকুলী শইকীয়া, শ্ৰীঅৰুণ গোস্বামী, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক, [যোৰহাট], শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য (সচিব)।

[৫] ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি :— ড° জীৱকান্ত শইকীয়া (সভাপতি), শ্ৰীদেৱপ্ৰসাদ বৰুৱা (সম্পাদক), শ্ৰীঅৰুণচন্দ্ৰ গোস্বামী (সহযোগী সম্পাদক), শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক [যোৰহাট], শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, যোৰহাট গড়কাপ্তানী বিভাগৰ অধীক্ষক অভিযন্তা, যোৰহাট নগৰ পৰিকল্পনা বিষয়া, শ্ৰীনগেন শইকীয়া। সমিতিয়ে প্ৰয়োজন অনুসৰি অত্যাধিক অতিৰিক্ত তিনিজন সদস্য মনোনীত কৰিব পাৰিব।

[৬] মোহনচন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা উপসমিতি : শ্ৰীযোগেশ দাস, ড° হেমন্তকুমাৰ শৰ্মা, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীৰজনীকান্ত দেৱশৰ্মা, ড° উপেন গোস্বামী, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক (গুৱাহাটী)। সমিতি গুৱাহাটীত বহিব।

[৭] মুদ্ৰণ আৰু অলঙ্কৰণ বঁটা উপসমিতি :— প্ৰধান সম্পাদক, সহকাৰী সম্পাদক (যোৰহাট), শ্ৰীনগেন শইকীয়া, শ্ৰীবীৰেন বৰকটকী, শ্ৰীকৈলাশ শৰ্মা, ড° মহেন্দ্ৰ বৰা, শ্ৰীৰাম গোস্বামী।

[৮] শৰৎ চন্দ্ৰ গোস্বামী বঁটা :— শ্ৰীহিতেশ ডেকা, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীভগৱান মৰল, শ্ৰীযোগেশ দাস, শ্ৰীপ্ৰমোদ ভট্টাচাৰ্য, শ্ৰীৰমেশ কলিতা, সহকাৰী সম্পাদক (গুৱাহাটী)। সমিতি গুৱাহাটীত বহিব।

[৯] ডিগবৈ সাহিত্য সেৱা সমিতি :— প্ৰধান সম্পাদক, শ্ৰীনগেন শইকীয়া, সম্পাদক—ডিগবৈ সাহিত্য সেৱা সমিতি, নাৰায়ণ বৰপূজাৰী, ড° মহেন্দ্ৰ বৰা, শ্ৰীযোগেন চেতিয়া। সমিতি ডিব্ৰুগড়ত বহিব।

[১০] প্ৰকাশন উপসমিতি :— প্ৰধান সম্পাদক, সহকাৰী সম্পাদক (গুৱাহাটী), সহকাৰী সম্পাদক (যোৰহাট), শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীযোগেশ দাস, শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা, ড° লক্ষ্মীনন্দন বৰা। সমিতি যোৰহাটত বহিব।

[১১] ৰঘুনাথ চৌধাৰী বঁটা উপসমিতি :—শ্ৰীযোগেশ দাস, ড° হেমন্তকুমাৰ শৰ্মা, শ্ৰীনীলমণি ফুকন, শ্ৰীৰজনীকান্ত দেৱশৰ্মা, শ্ৰীনিৰ্মলপ্ৰভা বৰদলৈ, শুচিব্ৰতা ৰায় চৌধুৰী, শ্ৰীনন্দ তালুকদাৰ, প্ৰধান সম্পাদক। সমিতি গুৱাহাটীত বহিব।

[১২] অসমীয়া সাহিত্য প্ৰতিভাৰ সন্ধান [উপন্যাস আৰু ৰচনা] উপসমিতি :— শ্ৰীযোগেশ দাস, ড° লক্ষ্মীনন্দন বৰা, শ্ৰীঅতুলানন্দ গোস্বামী, শ্ৰীবীৰেন বৰকটকী, শ্ৰীইমৰাণ শ্বাহ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীঅমল ৰাজখোৱা, আব্দুছ ছাত্তাৰ, শ্ৰীনগেন শইকীয়া, প্ৰধান সম্পাদক। সমিতি যোৰহাটত বহিব।

[১৩] জিলা পৰিষদ গঠন উপসমিতি :— শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীনগেন শইকীয়া, ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী, শ্ৰীভগৱান মৰল, ড° নিশিপদ চৌধুৰী, প্ৰধান সম্পাদক। সমিতি গুৱাহাটীত বহিব।

১৫। কালিৰাম মেধি শতবাৰ্ষিকীৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা হয় আৰু গুৱাহাটীত গঠিত শতবাৰ্ষিকী সমিতিৰ কাৰ্যৰ অগ্ৰগতি সম্বন্ধে জনাবলৈ অনুৰোধ কৰিবৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব অৰ্পণ কৰে। এই প্ৰসঙ্গতে—

[ক] কালিৰাম মেধিৰ ৰচনাৱলীৰ অসমীয়া ভাগৰ সম্পাদক শ্ৰীমুৰাৰিচৰণ দাসক ৩১ মে' তাৰিখৰ ভিতৰত পাণ্ডুলিপি দাখিল কৰিবলৈ অনুৰোধ জনাবৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। লগতে শ্ৰীৰাম

চৰণ ঠাকুৰীয়াই সম্পাদনা কৰা স্মৃতিগ্ৰন্থৰ পাণ্ডুলিপি ৩১ মে' তাৰিখৰ ভিতৰতে দাখিল কৰিবলৈ অনুৰোধ জনায়।

(খ) কালিৰাম মেধিৰদ্বাৰা সম্পাদিত হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' নামৰ পুথিখনি পুনৰ্মুদ্ৰণ কৰি উলিয়াবলৈ সম্পাদকক ভাৰ দিয়া হয়।

(গ) শতবাৰ্ষিকীৰ মূল অনুষ্ঠান গুৱাহাটীত অনুষ্ঠিত হ'ব আৰু বামদিয়া সাহিত্য সভাই আয়োজন কৰা জন্মস্থানৰ জন্ম-শতবাৰ্ষিকী অনুষ্ঠানত সাহিত্য সভাই সহযোগ কৰিব লাগে বুলি সিদ্ধান্ত কৰা হয়।

১৬। এই বছৰ লেখক শিবিৰ পৰিচালনা কৰা সম্পৰ্কে আলোচনা কৰা হয় আৰু পাঠশালা নহ'লে নগাঁৱত উক্ত শিবিৰ অক্টোবৰ মাহৰ শেষত পাতিবলৈ আয়োজন কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। লেখক শিবিৰৰ বিষয় হ'ব— 'অসমীয়া ভাষাৰ আখৰ-জোঁটনি।

১৭। (ক) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিৰ সম্পাদক শ্ৰীদেৱপ্ৰসাদ বৰুৱাই কামৰ অগ্ৰগতি সম্বন্ধে প্ৰতিবেদন দাখিল কৰে আৰু উক্ত সমিতিয়ে দাখিল কৰা ঘৰৰ আঁচনি গ্ৰহণ কৰে। কিন্তু ঘৰটোত অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য-প্ৰকাশক স্থাপত্য-গঢ় আৰু সাংস্কৃতিক চানেকী থাকিব লাগে বুলি সমিতিয়ে মত পোষণ কৰে। কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদন সাপেক্ষে ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিক নিৰ্মাণ-সংক্ৰান্ত কাৰ্য পৰিচালনা কৰি যাবলৈ কৰ্তৃত্ব দিয়ে।

(খ) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিৰ নামত বেংকত এটা হিচাপ খুলিবলৈ অনুমোদন জনোৱা হয়। উক্ত হিচাপ ভৱন নিৰ্মাণ সমিতিৰ সম্পাদক আৰু সভাপতিৰ যুটীয়া দায়িত্বত পৰিচালিত হ'ব, আৰু উক্ত সমিতিৰ হিচাপৰ দেয় ধন সকলো চেকেৰে পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হয়।

১৮। সমিতিয়ে নগাবাজালৈ শুভেচ্ছামূলক এটি দল পঠাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত দলটিত শ্ৰীযোগেশ দাস, শ্ৰীলীলা গগৈ, ড° নিশিপদ চৌধুৰী, শ্ৰীবসন্ত কুমাৰ গোস্বামী, ড° মহেন্দ্ৰ বৰা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীৰজনীকান্ত দেৱশৰ্মা আৰু শ্ৰীডিম্বেশ্বৰ শৰ্মাক অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত কৰা হয়।

১৯। উত্তৰ কাছাৰ জিলাৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি সংগঠনৰ কাৰ্য চলাবলৈ ড° হেমন্তকুমাৰ শৰ্মা, শ্ৰীযোগেশ দাস, শ্ৰীনগেন শইকীয়া, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীবীৰেন বৰকটকী, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু প্ৰধান সম্পাদকক পঠাবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২০। অসম সাহিত্য সভাৰ পক্ষৰপৰা ৪।৪।৭৮ তাৰিখে শ্ৰীযোগেশ দাস, শ্ৰীলীলা গগৈ, শ্ৰীনগেন শইকীয়া, ড° হেমন্তকুমাৰ শৰ্মা, ড° নিশিপদ চৌধুৰী আৰু শ্ৰীবসন্তকুমাৰ গোস্বামীৰে গঠিত সাংস্কৃতিক দলে মুখ্যমন্ত্ৰীক লগ ধৰি দাখিল কৰা আঁচনি আৰু দাবীসমূহৰ প্ৰতি অনুমোদন জনায়।

২১। সভাৰ সংগঠনৰ বিষয়ে আলোচনা কৰি সংগঠক নিযুক্তিৰ ব্যৱস্থা স্থগিত ৰখা হয়।

২২। প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ ২৮।৪।৭৮ তাৰিখৰ চিঠিৰ যোগে শিৱসাগৰৰ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱাই গুৱাহাটীত ভেঁথেতৰ পিতৃ লক্ষীৰাম বৰুৱাৰ নামত সাহিত্য সভাক এটি ভৱন দান দিবলৈ ইচ্ছুক বুলি জানি সন্তোষ প্ৰকাশ কৰে আৰু প্ৰয়োজনীয় যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক কৰ্তৃত্ব দিয়ে।

২৩। [ক] শ্ৰীমাখন চন্দ্ৰ গগৈক প্ৰধান সম্পাদকৰ অংশকালীন সহকাৰীৰূপে অস্থায়ীভাৱে মাহে ১০০'০০ টকা নিৰিখত ২৭।৩।৭৮ তাৰিখৰপৰা নিযুক্তি দিয়া হয় আৰু মাহে ২৫'০০ টকা বেতনত এটা অংশ-কালীন পিয়ন আৱশ্যক বোধ কৰিলে নিযুক্তি দিবলৈ অনুমোদন জনায়।

[খ] শ্ৰীঅক্ষয় কুমাৰ ডেকাক গুৱাহাটী কাৰ্যালয়ত অতিৰিক্ত কাম কৰিবলৈ দুমাহৰ বাবে ৫।৪।৭৮ তাৰিখৰপৰা মাহে মুঠ ২০০'০০ টকা নিৰিখত নিতান্ত অস্থায়ীভাৱে নিযুক্তি দিয়া হয়।

[গ] শ্ৰীবিষ্ণুকিঙ্কৰ কলিতাক তেওঁ কামত যোগ দিয়া তাৰিখৰপৰা মাহে ৩৫০'০০ টকা বেতনৰ নিৰিখত সভাই পূৰ্বে অনুমোদন জনোৱা কাৰ্যসমূহ পৰিচালনা কৰিবলৈ কাৰ্যালয় সচিব হিচাপে অস্থায়ী ভাৱে ৩ মাহৰ বাবে নিযুক্তি দিয়া হয়।

[ঘ] কাৰ্যালয় সহকাৰী শ্ৰীহেম শইকীয়াৰ ভবিষ্য নিধিৰপৰা ৭৫০'০০ টকাৰ ঋণ মঞ্জুৰ কৰা হয়।

[ঙ] শ্ৰীভৃগুমুণি কাগয়ুঙৰ চিঠিৰ মৰ্মে সভাই দহখন 'জনজাতি' ক্ৰয় কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

[চ] চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিত প্ৰধান সম্পাদক আৰু অৰুণ গোস্বামীক সদস্যৰূপে সভাই মনোনীত কৰে।

[ছ] ১৯৭৬-৭৭ বছৰত জমা প্ৰেছত ছপা কৰিবলৈ দিয়া নৱমী গ্ৰন্থখন ১০ মে'ৰ ভিতৰত সাহিত্য সভাৰ কাৰ্যালয়ত জমা দিব বুলি শ্ৰীযতীন গোস্বামীয়ে দিয়া চিঠি প্ৰধান সম্পাদকে পাঠ কৰি শুনায়।

[জ] গুৱালকুছি অধিৱেশনৰ প্ৰস্তুতি সমিতিৰ তৰফৰ পৰা শ্ৰীভৃগুৰাম দাস আৰু শ্ৰীহৰেন ভঁড়ালীয়ে অধি-বেশনৰ প্ৰাৰম্ভিক প্ৰস্তুতি সম্পৰ্কে সমিতিক অৱগত কৰায়।

২৪। শ্ৰীবীৰেন কলিতাই অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ বৰঙনি হিচাপে ফাঁচী বজাৰৰ চৌধুৰী ব্ৰাদাৰ্চৰপৰা ১০১'০০ টকা আদায় কৰি আনি কাৰ্যালয়ত জমা নিদিয়া বুলি উঠা অভিযোগ সম্পৰ্কত প্ৰধান সম্পাদকক ৰেজিষ্টাৰী চিঠি দি উক্ত ধন আদায় দিবলৈ জনাবৰ বাবে কৰ্তৃত্ব দিয়া হয়।

২৫। আজীৱন সভ্য চৰিত্ৰকণৰ ধন শাখা সভাৰ



যোগেদিহে আদায় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২৬। তলত নাম দিয়া লোকসকলক সভাৰ আজীৱন সভ্য হিচাপে স্বীকৃতি দিয়া হয় :—

১। মঃ চামেচৰ আলি — দিছপুৰ, গুৱাহাটী।

২] শ্ৰীশঙ্কৰ প্ৰসাদ মেধি—টকৌৱাৰী সত্ৰ, গুৱাহাটী।

৩] শ্ৰীহেমচন্দ্ৰ শইকীয়া—বড়াপাৰা, দৰং।

৪] শ্ৰীসুৰেন নেওগ—গোসাঁই গাঁও, গোৱালপাৰা।

২৭। গুৱাহাটী কাৰ্যালয়ৰ লগত সংশ্লিষ্ট অতিথি ভৱনৰ আহিলা হিচাপে তিনিখন বিচনাৰ প্ৰয়োজনীয় সাঁজুলি ক্ৰয় কৰিবলৈ গুৱাহাটীৰ সম্পাদকক কৰ্তৃত্ব দিয়া হয়। প্ৰতি ৰাতিৰ কাৰণে অতিথিৰ পৰা ২'০০ টকাকৈ আদায় কৰিবলৈ গুৱাহাটী কাৰ্যালয়ৰ সহকাৰী সম্পাদকক দায়িত্ব দিয়া হয়।

২৮। যোৰহাট কাৰ্যালয়তো দুখন বিচনাৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি ক্ৰয়ৰ ব্যৱস্থা কৰিবলৈ যোৰহাটত থকা সহকাৰী সম্পাদকক দায়িত্ব দিয়া হয়, আৰু প্ৰতি ৰাতিৰ কাৰণে অতিথিৰপৰা ২'০০ টকাকৈ আদায় কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হয়।

২৯। (ক) শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰৰ আবেদন-পত্ৰ সম্পাদকে উত্থাপন কৰে আৰু মাহে ৩৫০'০০ টকা বেতনসহ পূৰ্বৰ অনুমোদিত নিৰিখত সাহিত্য সভাৰ পুথি বিক্ৰীৰ বাবে অভিকৰ্তা নিযুক্তি দিবলৈ সিদ্ধান্ত কৰে।

(খ) শ্ৰীলোকেশ্বৰ গগৈৰ আবেদন অনুসৰি শতকৰা ৪০ টকা কমিছনত পুথি বিক্ৰীৰ বাবে প্ৰকাশন এজেণ্ট নিয়োগ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৩০। মণি মাণিক প্ৰকাশে জনোৱা মতে ৫০০ খন কেহোকলি ছপোৱাৰ বাবে অনুমোদন জনায়।

৩১। ৰঘুনাথ চৌধাৰী জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত কৰা হয় আৰু ৰচনাৱলী সম্পাদনা কৰিবলৈ শ্ৰীঅতুলচন্দ্ৰ বৰুৱাক দায়িত্ব অৰ্পণ কৰা হয়। শ্ৰীবৰুৱাক ১৫ মে'ৰ ভিতৰত পাণ্ডুলিপি

দাখিল কৰিবলৈ অনুৰোধ জনায় ।

৩২। নলিনীবালা দেৱী স্মৃতিগ্ৰন্থৰ পাণ্ডুলিপি ১৫ জুনৰ ভিতৰত দাখিল কৰিবলৈ ড° হেমন্তকুমাৰ শৰ্মাক অনুৰোধ জনায় ।

[৩৩] ৰূপনৰ অসমীয়া অভিধানখন আধুনিক অসমীয়া লিপিৰে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰা হয় আৰু ড° মহেশ্বৰ নেওগক এখনি পাতনি লিখিবলৈ অনুৰোধ জনায় ।

৩৪। 'অসমীয়া লোকগীতি সংগ্ৰহ' পুথিখন পুনৰ প্ৰকাশ কৰিবলৈ অনুমোদন জনায় ।

৩৫। সভাপতি ডাঙৰীয়াই সদস্যসকলৰ সহায়-সহযোগৰ বাবে ধন্যবাদ জ্ঞাপন কৰি সভাৰ সামৰণি ঘোষণা কৰে ।

স্বা/শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা ।

স্বা/শ্ৰীযোগেশ দাস
সভাপতি ।

—:×:—

# নগালেণ্ডলৈ অসম সাহিত্য সভাৰ প্ৰতিনিধি দল ঃ প্ৰতিবেদন

প্ৰতিনিধি দলটো গঠিত হয় শ্ৰীযোগেশ দাস, শ্ৰীলীলা গগৈ [ প্ৰধান সম্পাদক ], শ্ৰীবসন্তকুমাৰ গোস্বামী, ড° নিৰ্মলপদ চৌধুৰী, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু শ্ৰীডিম্বেশ্বৰ শৰ্মাক লৈ । কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য শ্ৰীগোবিন্দচন্দ্ৰ পৈৰায়ে ডিমাপুৰৰপৰা প্ৰতিনিধি দলটোৰ লগত শেষলৈকে সহযোগ কৰে ।

প্ৰতিনিধি দলটোৰ শ্ৰীগগৈ, শ্ৰীগোস্বামী আৰু শ্ৰীশৰ্মাই ১২ মে'ৰ দিনা ৰাতিপুৱা যোৰহাট কেন্দ্ৰীয় কাৰ্যালয়ৰপৰা যাত্ৰা কৰে । আবেলি ২ বজাত ডিমাপুৰত শ্ৰীপৈৰা আৰু ডিমাপুৰ সাহিত্য সভাৰ বিষয়ববীয়া জনচেৰেকৰে সৈতে কথা-বতৰা পাতি আৰু কহিমাৰপৰা আগবাঢ়ি অহা প্ৰতিনিধিৰ লগত সাক্ষাৎ হৈ গোনে গোনে কহিমালৈ বুলি যাত্ৰা কৰে ।

প্ৰতিনিধি দলটো কহিমাত উপস্থিত হৈ কহিমা সাহিত্য সভাৰ ভৱনলৈ গৈ সভাৰ বিষয়ববীয়াসকলৰ লগত দেখা-সাক্ষাৎ কৰে আৰু প্ৰতিনিধি দলটোৰ কাৰ্যসূচীৰ প্ৰাথমিক পৰ্যালোচনা চলায় । প্ৰতিনিধি দলটোৰ শ্ৰীদাস, শ্ৰীগোস্বামী আৰু ড° চৌধুৰী ১৩ তাৰিখে ৰাতিপুৱা ৭-৩০ বজাত কহিমাত উপস্থিত হয়গৈ ।

কহিমা সাহিত্য সভা ভৱনত প্ৰতিনিধি দলটো আৰু কহিমা সাহিত্য সভাৰ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ মাজত মুকলি আলোচনা অনুষ্ঠিত হয় । কহিমা সাহিত্য সভাৰ পক্ষৰ সভাপতি শ্ৰীনলিনীকান্ত বৰুৱাই সদস্যসকলক চিনাকি কৰি দিয়ে আৰু প্ৰতিনিধি দলটোক স্বাগত সম্ভাষণ জনায় । প্ৰতিনিধি দলটোৰ পক্ষৰপৰা শ্ৰীযোগেশ দাসে দলটোৰ সদস্যসকলক চিনাকি কৰি দিয়ে আৰু স্বাগত সম্ভাষণৰ বাবে শলাগ জনায় । এই আলোচনাত কহিমা সাহিত্য সভাই কি বিশেষ পৰিস্থিতিত সভাখন নগালেণ্ড চৰকাৰৰ পঞ্জীয়ন আইন অনুসৰি পঞ্জীবদ্ধ কৰিবলগা হ'ল, আৰু কিয় স্বতন্ত্ৰ নিয়মাৱলী, সুকীয়া প্ৰতীক আৰু উদ্দেশ্য গ্ৰহণ কৰিবলগীয়া হ'ল, তাক এখন স্মাৰক পত্ৰ যোগে জানিবলৈ দিয়ে । এই ব্যাখ্যাৰ অন্তত প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ শাখা সভা আৰু স্বীকৃত সভাৰ অৱস্থিতি আৰু সভাৰ লগত ইয়াৰ সম্পৰ্কৰ কথা ফ'হিয়াই দেখুৱায় । প্ৰতিনিধি দলৰ পক্ষৰপৰা অৱশেষত কহিমা সাহিত্য সভাৰ স্মাৰক পত্ৰৰ বিষয়বস্তু কাৰ্যনিৰ্বাহক সমিতিত উত্থাপন কৰি গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ আশ্বাস দিয়ে । এই আলোচনা একান্ত সৌহাৰ্দ্যপূৰ্ণ আৰু মুকলি আছিল । উক্ত সভাতে প্ৰতিনিধি দলটোৰ কাৰ্যসূচী নিৰ্দ্ধাৰণ কৰা হয় ।

দুপৰীয়া ১২ বজাত পূৰ্বনিৰ্দ্ধাৰিত কাৰ্যসূচী অনুযায়ী নগালেণ্ড চৰকাৰৰ মুখ্যমন্ত্ৰী শ্ৰীভিজলক মন্ত্ৰীসভাৰ

সভা-কক্ষত দেখা কৰে। উক্ত আলোচনাত নগালেণ্ড মন্ত্ৰীসভাৰ পাঁচজন কেবিনেট মন্ত্ৰীয়েও মুখ্যমন্ত্ৰীৰ লগত সহযোগ কৰে। প্ৰতিনিধি দলটোক মুখ্য মন্ত্ৰীয়ে আন্তৰিকতাৰে স্বাগত সম্ভাষণ জনোৱাৰ পাছত প্ৰতিনিধি দলটোৰ পক্ষৰপৰা প্ৰধান সম্পাদক শ্ৰীগগৈয়ে মুখ্যমন্ত্ৰীক এখন পিতলৰ শৰাই, এখন ফুলাম গামোচা, এটি ফুলাম জাপি আৰু সভাৰ প্ৰকাশনৰ এটি টোপোলা উপহাৰ দিয়ে। অন্যান্য মন্ত্ৰীসকললৈকো একোখনি ফুলাম গামোচা, একোটি ফুলাম জাপি আৰু একোটিকৈ প্ৰকাশনৰ টোপোলা আগবঢ়ায়। সভাৰ পক্ষৰপৰা শ্ৰীযোগেশ দাসে সদস্যসকলক চিনাকি কৰি দিয়াৰ পাছত প্ৰধান সম্পাদকে উদ্দেশ্য ব্যাখ্যা কৰি কয় যে নগালেণ্ড আৰু অসম অতীতত একে ৰাজনৈতিক গাঁথনিৰ ভিতৰত আছিল আৰু সাধাৰণ কৃষিজীৱী জনসাধাৰণৰ সাংস্কৃতিক ঐতিহ্যও একে। এডাল ৰাজনৈতিক সীমাৰেখাৰ দুয়োপাৰে ওচৰা-ওচৰিকৈ বাস কৰা এই দুয়োটা জাতিৰ মাজত ঐক্য আৰু সম্প্ৰীতি স্বাভাৱিক হৈ থাকিব লাগে আৰু সাংস্কৃতিক বিষয়ত উত্তৰোত্তৰ বিকাশ সাধন হ'ব লাগে। প্ৰতিনিধি দলটোৰ পক্ষৰপৰা সাংস্কৃতিক আদান-প্ৰদান, নাগামিজ ভাষাৰ উৎকৰ্ষ সাধন, প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰৰ জাতীয় ত্ৰিভাষী নীতি অনুসৰি মাতৃভাষাত শিক্ষাদান আদিৰ বিষয়ে নগালেণ্ড চৰকাৰৰ সহযোগিতা বিচাৰি পৰামৰ্শ আগবঢ়োৱা হয়। ইয়াৰ উত্তৰত মুখ্যমন্ত্ৰী শ্ৰীভিজলে স্পষ্ট ভাষাৰে কয় যে নগালেণ্ড এসময়ত অসমৰে অংশ আছিল। আজি যদিও ৰাজনৈতিক আৰু ভৌগোলিক সীমাৰেখাই দুয়োখন ৰাজ্যক দুভাগ কৰি ৰাখিছে, যুগ যুগ ধৰি গঢ় লৈ উঠা সাংস্কৃতিক ঐতিহ্যৰ বান্ধোন কেতিয়াও ছিঙিব নোৱাৰে। সাংস্কৃতিক বিষয়ত দুয়োখন ৰাজ্যৰ মাজত আদান-প্ৰদান হোৱাটো তেওঁ কামনা কৰে। মন্ত্ৰীসভাৰ আন এজন সদস্য শ্ৰীলুভালুৱে বাস্তৱ দৃষ্টিভঙ্গীৰে গোটেই বিষয়টো পুংখানুপুংখভাৱে আলোচনা কৰি দুয়োখন ৰাজ্যৰ মাজত শান্তি-সম্প্ৰীতিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। উক্ত আলোচনাত শ্ৰীগোবিন্দচন্দ্ৰ পৈৰায়ো অসম সাহিত্য সভাৰ উদ্দেশ্য, কাৰ্য-প্ৰণালী আৰু কৰি অহা কাৰ্যবোৰৰ এটি চমু চিনাকি দাঙি ধৰি নগালেণ্ড মন্ত্ৰীসভাৰ দৃষ্টি আকৰ্ষণ কৰে। ১ ঘণ্টা ১৫ মিনিট ধৰি হোৱা সৌহাৰ্দ্যপূৰ্ণ আলোচনা আৰু মত-বিনিময়ৰ অন্তত মুখ্য মন্ত্ৰীয়ে কৃতজ্ঞতাৰে প্ৰতিনিধি দলটোক বিদায় সম্ভাষণ জনায়।

দুপৰীয়া ১ বজাত নগালেণ্ড চৰকাৰৰ শিক্ষা-সংস্কৃতি আৰু কলা, তথ্য আৰু প্ৰচাৰ, আৰু শাৰীৰিক শিক্ষা বিভাগৰ সঞ্চালকসকলৰ লগত এখনি আলোচনা সভা অনুষ্ঠিত হয়। সভাত উভয় পক্ষৰ সদস্যসকলক চা-চিনাকি কৰি দিয়াৰ পাছত প্ৰতিনিধি দলটোৰ পক্ষৰপৰা উপসভাপতি শ্ৰীদাসে মন্ত্ৰীসভাৰ সদস্যসকলৰ লগত হোৱা আলোচনাৰ এটি চমু আভাস দিয়ে। প্ৰধান সম্পাদক শ্ৰীগগৈয়ে প্ৰতিনিধি দলটোৰ নগালেণ্ড ভ্ৰমণৰ উদ্দেশ্য বহলাই ব্যাখ্যা কৰে। ইয়াৰ উত্তৰত বিষয়াসকলৰ ফালৰপৰা সাংস্কৃতিক দল বিনিময়, খেলুৱৈসকলৰ আদান-প্ৰদান আৰু ত্ৰিভাষী সূত্ৰৰ প্ৰয়োগ সম্পৰ্কে ভাব প্ৰকাশ কৰা হয়। এই আলোচনা ফলপ্ৰসূ হ'ব বুলি আশা কৰি প্ৰধান সম্পাদকে বিষয়াবৰ্গলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰতিনিধি দলটোৰ ফালৰপৰা চৰকাৰী বিষয়ববীয়াসকলক এটি জাপি, এখন ফুলাম গামোচা আৰু প্ৰকাশনৰ এটিকৈ টোপোলা দিয়া হয়।

১৪ তাৰিখৰ দিনা প্ৰতিনিধি দলটোক চৰকাৰৰ পক্ষৰপৰা মিউজিয়াম দেখুওৱা হয়। প্ৰতিনিধি দলটোৱে মিউজিয়ামত বিভিন্ন জনজাতিৰ জীৱ-



প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে মুখ্যমন্ত্ৰী শ্ৰীভিজলক শৰাই, গামোচা, জাপি আৰু সভাৰ প্ৰকাশনৰ টোপোলা এটি উপহাৰ দিছে।



ছেদেমা গাঁৱত অসম সাহিত্য সভাৰ সঁজাতী দলক আদৰণি জনাইছে।



নগালেণ্ডৰ মুখ্যমন্ত্ৰী শ্ৰীভিজল আৰু মন্ত্ৰীসভাৰ সদস্যসকলৰ লগত অসম সাহিত্য সভাৰ প্ৰতিনিধি দলটোৱে আলোচনা কৰিছে।



অসম সাহিত্য সভাৰ প্ৰতিনিধি দল, কহিমা সাহিত্য সভাৰ জনচেৰেক বিষয়ববীয়া আৰু চেদেমা গাঁৱৰ মুখিয়ালসকল।



চেদেমা গাঁৱৰ ডেকা-গাভৰুৱে প্ৰতিনিধি দলটোৰ সন্মানাৰ্থে নৃত্য-গীতৰ আয়োজন কৰিছে।



চেদেমা গাঁৱৰ মুখিয়ালসকল।



পদ্ধতিৰ চানেকী থকা সাইলাখ মানুহৰ মডেলবোৰ দেখি সন্তোষ প্ৰকাশ কৰে আৰু কহিমা বৰবস্তিলৈ গৈ মানুহৰ জীৱন-ধাৰণৰ বিষয়ে সাধাৰণভাৱে বুজ লয়। আবেলি ২ বজাৰপৰা কহিমা সাহিত্য সভাৰদ্বাৰা আয়োজিত সম্বৰ্দ্ধনা সভা অনুষ্ঠিত হয়। সভাত ৰাইজৰ আগত প্ৰতিনিধি দলৰ প্ৰত্যেককে চিনাকি কৰি দিয়ে শ্ৰীমহেন্দ্ৰ বৰাই আৰু একোখনকৈ ফুলাম গামোচা উপহাৰ দিয়া হয়। সম্বৰ্দ্ধনাৰ অন্তত কহিমা সাহিত্য সভাই আয়োজন কৰা ৰঙালী বিদায় উৎসৱৰ মূল সভা অনুষ্ঠিত হয় আৰু উক্ত সভাত সভাপতিত্ব কৰে শ্ৰীযোগেশ দাসে। মুখ্য অতিথি প্ৰধান সম্পাদক শ্ৰীগগৈয়ে শুভেচ্ছামূলক প্ৰতিনিধি দলটোৰ উদ্দেশ্য ব্যাখ্যা কৰি বিহু উৎসৱ, ইয়াৰ ক্ৰমবিকাশ আৰু মানুহৰ জীৱনৰ লগত ইয়াৰ সম্পৰ্ক আৰু বিভিন্ন জনজাতিৰ লগত থকা সমধৰ্মীয় উৎসৱবোৰৰ উল্লেখ কৰি এটি বক্তৃতা দিয়ে। প্ৰতিনিধি দলটোৰ আটাইকেইজন সদস্যই একো আষাৰ কয়। সভাপতি শ্ৰীদাসে জনজাতীয় জীৱনৰ ওপৰত ভিত্তি কৰি সাহিত্য সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাৰ পক্ষৰপৰা সভাপতি শ্ৰীনলিনীকান্ত বৰুৱা আৰু উপসভাপতি শ্ৰীলক্ষ্মী বৰদলৈয়ে প্ৰতিনিধি দলটোৰ উদ্দেশ্যৰ সফলতা কামনা কৰি শলাগ জনায়। এই প্ৰতিনিধি দলটোৰ শুভেচ্ছামূলক ভ্ৰমণৰ বাবে বাট কাটি দিয়া কহিমা সাহিত্য সভালৈ আৰু মুকলিভাৱে আলোচনা কৰিবলৈ সুযোগ দিয়া বাবে মুখ্যমন্ত্ৰী শ্ৰীভিজল, তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকল, নগালেণ্ড চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল আৰু কহিমা সাহিত্য সভাৰ বিষয়ববীয়াসকললৈ অসম সাহিত্য সভাৰ হৈ প্ৰধান সম্পাদক শ্ৰীগগৈয়ে আন্তৰিক শলাগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

১৫ তাৰিখৰ দিনা পুৰা অসমীয়া ভাষাৰ এজন নিষ্ঠাৱান পৃষ্ঠপোষক ৯০ বছৰীয়া শ্ৰীকুন্ত আঙ্গামীৰ ঘৰলৈ গৈ প্ৰতিনিধি দলটোৱে শুভেচ্ছা জ্ঞাপন কৰে আৰু তেওঁৰ স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰে। শ্ৰীআঙ্গামী আৰু শ্ৰীযুক্তা আঙ্গামীয়ে প্ৰতিনিধি দলটোৰ সদস্যসকলক গভীৰ আন্তৰিকতাৰে সম্বৰ্দ্ধনা জনায়। ইয়াৰ পাছত দলটো চেদেমা গাঁৱলৈ যায়। গাঁৱৰ সীমাৰ পৰা প্ৰতিনিধি দলটোক ৰাবে-বৰণীয়া সাজ-পাৰ পিন্ধা পুৰুষ-তিৰোতাই গীত গাই গাই আগবঢ়াই নিয়ে। গাঁৱৰ সীমাতে গাঁৱৰ গাঁওবুঢ়াসকল আৰু অন্যান্য ৰাইজৰ লগত কৰমৰ্দন কৰি প্ৰতিনিধি দলটোৱে সম্ভাষণ বিনিময় কৰে। চেদেমা গাঁৱত হোৱা ৰাজহুৱা সভাত গাঁৱৰ হৈ শ্ৰীমালোৱে সম্বৰ্দ্ধনা আৰু স্বাগত সম্ভাষণ জনায়। শ্ৰীমতী কজভীয়ে গাঁৱৰ হৈ প্ৰতিনিধি দলটোৰ নেতা শ্ৰীদাসক এখনি নগা কাপোৰ উপহাৰ দিয়ে। সভাৰ পক্ষৰপৰা গাঁৱৰ গাঁওবুঢ়াসকলক একোখনি গামোচা আৰু একোটাকৈ জাপি দি মান ধৰা হয়। সভাৰ পক্ষৰপৰা ২৫০'০০ টকাৰ এটি টোপোলাও মাননিয়ৰূপে যচা হয়। ৰাজ্য দুখন ৰাজনৈতিক সীমাতে আৱদ্ধ নাথাকি সাংস্কৃতিক বান্ধোনেৰে ঐক্যবদ্ধ হ'বলৈ সভাত উভয় পক্ষৰপৰা আহ্বান জনোৱা হয়। সভা অনুষ্ঠিত হৈ থকা সময়ত চেদেমা গাঁৱৰ ডেকা-গাভৰুসকলে গীত-নাচৰ আয়োজন কৰি পৰিবেশটো উৎসৱ-মুখৰ কৰি তোলে। সভাৰ অন্তত চেদেমা গাঁৱৰ ৰাইজে প্ৰতিনিধি দলটোক এটি ভোজেৰে আপ্যায়িত কৰে। প্ৰতিনিধি দলটোৰ লগত কহিমাৰপৰা কহিমা সাহিত্য সভাৰ উপসভাপতি লক্ষ্মী বৰদলৈ আৰু তেওঁৰ পত্নী, সভাপতি শ্ৰীনলিনীকান্ত বৰুৱাৰ পত্নী শ্ৰীমতী লখিমী বৰুৱা, সাংস্কৃতিক বিভাগৰ সম্পাদক শ্ৰীপদ্মিত বৰা আৰু কেইবাজনো বিষয়ববীয়াই যোগদান কৰে। ১৬ তাৰিখৰ দিনা প্ৰতিনিধি দলটো কহিমাৰপৰা উলটি আহে।

স্বাঃ/ লীলা গগৈ,

প্ৰধান সম্পাদক, অসম সাহিত্য সভা।

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | |
|---|---|---|
| ৬৬ | প্লেট' | ৩·০০ |
| ৬৭ | ছক্ৰেটিছ | ৩·০০ |
| ৬৮ | নাটক | ৩·০০ |
| ৬৯ | স্বপ্ন বাসৱদত্তা | ৩·০০ |
| ৭০ | জীৱনী | ৩·০০ |
| ৭১ | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩·০০ |
| ৭২ | চাহ বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ |
| ৭৩ | কৰম পূজা আৰু ঝুমুৰগীত | ২·০০ |
| ৭৪ | সভাপতিৰ অভিভাষণ ( ড° নেওগ ) | ২·০০ |
| ৭৫ | মপিন উছৰ | ২·০০ |
| ৭৬ | দিগ্বিজয়ী | ২·০০ |
| ৭৭ | বিষ্ণুপ্ৰিয়া মণিপুৰী | ০·৬০ |
| ৭৮ | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০·৫০ |
| ৭৯ | অসমৰ জনজাতি | ২·০০ |
| ৮০ | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫·৫০ |
| ৮১ | জগন্নাথ বৰুৱা | ৫·০০ |
| ৮২ | তৰুণৰাম ফুকন | ৩·০০ |
| ৮৩ | তিৱা সম্প্ৰদায় | ৪·০০ |
| ৮৪ | হিতেশ্বৰ বৰবৰুৱা স্মৃতিমাল্য | ৬·০০ |
| ৮৫ | স্নেহৰ অৰুণাচল ( মাই হিল ছ' ষ্ট্ৰং ) | ৫·০০ |
| ৮৬ | Annals of Asam Sahitya Sabha | ৫·০০ |
| ৮৭ | চুফি আৰু চুফিবাদ | ৪·০০ |
| ৮৮ | সাগৰৰ কথা | ২·৫০ |
| ৮৯ | Development of Script in Ancient Kamrupa | ১০·০০ |
| ৯০ | বেজবৰুৱাৰ দিনলেখা [ ২য় খণ্ড ] | ১০·০০ |
| ৯১ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ |
| ৯২ | অধ্যয়ন চক্ৰ | ৫·০০ |
| ৯৩ | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২·০০ |
| ৯৪ | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭·০০ |
| ৯৫ | তৰুণৰাম ফুকন স্মৃতিমালা | ১০·০০ |
| ৯৬ | শ্বেক্সপীয়েৰ | ১০·০০ |
| ৯৭ | ধ্বনি আৰু ৰসতত্ত্ব | ৪·০০ |
| ৯৮ | অসমীয়া সংগীতৰ ঐতিহ্য | ৩·৫০ |
| ৯৯ | চাহৰ কথা | ৩·০০ |
| ১০০ | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ১০১ | কাৰ্বী সাধু | ২·০০ |
| ১০২ | কামেং সীমান্তৰ সাধু | ৩·০০ |
| ১০৩ | ৰহিম-ৰূপবানৰ সাধু | ·৫০ |
| ১০৪ | দেউৰী সাধু | ৩·০০ |
| ১০৫ | ৰাভা সাধু | ৪·০০ |
| ১০৬ | নৃতত্ত্বৰ চমু আভাস | ২·৫০ |
| ১০৭ | চিকিৎসা বিজ্ঞানৰ কথা | ৫·০০ |
| ১০৮ | শিখ ধৰ্মীয় সাধু | ২·৫০ |
| ১০৯ | অভিলেখ | ৩·০০ |
| ১১০ | অসম সাহিত্য সভাৰ সুবচনী | ৬·০০ |
| ১১১ | শাখা সভাৰ পৰিচয় | ২·৫০ |
| ১১২ | প্ৰকাশনৰ বৰ্ণনাত্মক তালিকা | ১·৫০ |
| ১১৩ | ৰাতৰিৰ বিভূতি | ৪·০০ |
| ১১৪ | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ১১৫ | A plea for Assam and Assamese | |
| ১১৬ | অসম সাহিত্য সভাৰ ৰূপলেখা | |

## প্ৰাপ্তি স্থান

(১) কেন্দ্ৰীয় কাৰ্যালয় : অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
ফোন-৩৭৬

(২) গুৱাহাটী কাৰ্যালয় : অসম সাহিত্য সভা
ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন-২৪৭৭৬

**With Best Compliments from :**

# ASSAM CARBON PRODUCTS LIMITED

KARYAKSHETRA
BAMUNIMAIDAN
GAUHATI-781021

MANUFACTURER OF QUALITY METAL GRAPHITE,
ELECTROGRAPHITE & RESIN BONDED CARBON BLOCKS,
CARBON BRUSHES & CARBON POWDER.

# অসম সাহিত্য সভাৰ নতুন প্ৰকাশন আঁচনি

## ৰচনাৱলী

॥ কালিৰাম মেধি ৰচনাৱলী ॥ ৰঘুনাথ চৌধাৰী ৰচনাৱলী ॥ নীলমণি ফুকন ৰচনাৱলী ॥
॥ দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী ॥

## দুষ্প্ৰাপ্য গ্ৰন্থ

ব্ৰন্সনৰ অসমীয়া অভিধান ॥ কালিকা পুৰাণ, যোগিনী তন্ত্ৰ ( লিপ্যন্তৰ আৰু অনুবাদ )॥

## নাগামিজ পুথি

নগালেণ্ড নগাকোঁৱৰ

## স্মৃতিগ্ৰন্থ

কালিৰাম মেধি স্মৃতিগ্ৰন্থ হেম বৰুৱা স্মৃতিগ্ৰন্থ নলিনীবালা দেৱী স্মৃতিগ্ৰন্থ
বাগ্মীবৰ নীলমণি ফুকন স্মৃতিগ্ৰন্থ গিৰিধৰ শৰ্মা স্মৃতিগ্ৰন্থ

## অন্যান্য

আধুনিক অসমীয়া কবিতা ॥ সাহিত্য কোষ ॥ লোকসাহিত্য সংগ্ৰহ ॥ অসম সাহিত্য সভা পত্ৰিকাৰ
প্ৰবন্ধসমূহৰ বৰ্ণনামূলক তালিকা ॥ অসম সাহিত্য সভাৰ ইতিবৃত্ত ( হিন্দী সংস্কৰণ ) ॥ অসমীয়া আৰু
মধ্য এচিয়াৰ শব্দ সম্ভাৰ ॥ তৰুণৰাম ফুকন সোঁৱৰণী বক্তৃতা ॥ সোনোৱালৰ সাধু সংগ্ৰহ ॥
লেখক শিবিৰৰ প্ৰতিবেদন '৭৬, '৭৭, '৭৮ ॥

নগাঁৱৰ সুছন্দা প্ৰেছত ( বেটুপাত শৰাইঘাট প্ৰিণ্টাৰ্ছত ) মুদ্ৰিত আৰু
অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীলীলা গগৈৰদ্বাৰা প্ৰকাশিত।

সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা

মূল্য : তিনি